গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

একাদশ বছৰ ■ সংখ্যা ২৯৩ ■ গুৱাহাটী ■ বুধবাৰ, ২ জুন', ২০২১, ১৮ জেঠ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. 11 ISSUE NO. 293 Dainandin Barta ■ Guwahati, Wednesday ■ 2 June 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only





## কোনে দায়িত্ব ল'ব ৰাজ্যিক বিজেপিৰ

# সভাপতি পদত অধিষ্ঠিত হ'বলৈ আৰম্ভ কুচকাৱাজ

### দৌৰত প্ৰাক্তন মন্ত্ৰীদ্বয় ৰঞ্জিত দত্ত, ভবেশ কলিতা ঃ চৰ্চাৰ শীৰ্ষত ড° প্ৰদীপ ঠাকুৰীয়া





দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১ জুন ঃ ভাৰতীয় জনতা পাৰ্টীৰ সংবিধান মতে এজন কাৰ্যকৰ্তাই সভাপতিৰ দৰে দায়িত্বশীল পদত দুবাৰতকৈ বেছি সময় অধিষ্ঠিত হ'ব নোৱাৰে। যাৰ বাবে অসম প্ৰদেশ বিজেপিত এক যোগ্য ব্যক্তিত্বৰ তথা নতুন মুখৰ সন্ধান আৰম্ভ হৈছে। কিয়নো ৰাজ্যিক বিজেপিৰ বৰ্তমানৰ সভাপতি ৰঞ্জিত দাসৰ দ্বিতীয়টো কাৰ্যকাল কিছুদিনতে সমাপ্ত হ'ব। তদুপৰি বৰ্তমানৰ সভাপতিজন নতুন মন্ত্ৰীসভাত কেবিনেট মন্ত্ৰীৰ দায়িত্ব লাভ কৰাত সাংগঠনিক কামকাজত গুৰুত্ব দিব নোৱাৰাটো স্বাভাৱিক। এনে পৰিপ্ৰেক্ষিতত খালী হ'বলগীয়া ৰাজ্যিক বিজেপিৰ সৰ্বোচ্চ আসনখন কোনজন নেতাই অলংকৃত কৰিব সেই বিষয়ে ইতিমধ্যে গুণাগথা আৰম্ভ হৈছে। নিৰ্ভৰযোগ্য সূত্ৰৰ পৰা লাভ কৰা খবৰ মতে ৰাজ্যিক পৰ্যায়ৰ কেইবাজনো জ্যেষ্ঠ নেতাই ইতিমধ্যে নিজ নিজ ৰণকৌশল ৰচনা কৰি আৰম্ভ কৰিছে কুচকাৱাজ, অব্যাহত ৰাখিছে দিল্লীৰ সৈতে সঘন যোগাযোগ। ইয়াৰ ভিতৰত প্ৰাক্তন মন্ত্ৰী তথা বিহালীৰ ■ ৮ পৃষ্ঠাত





*নতুন দিল্লীত মঙলবাৰে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰিছে অসমৰ নতুন মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই*

## নগাঁৱত আৰক্ষীৰ বাহনতে আত্মহত্যাৰ চেষ্টা ড্ৰাগছ আসক্ত চোৰৰ

### মৰিকলং আৰক্ষীৰ সফলতা, উদ্ধাৰ কৰিলে বৃহৎ পৰিমাণৰ চুৰি সামগ্ৰী, ডেগাৰ জাতীয় অস্ত্ৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ জুন ঃ** ড্ৰাগ্‌ছৰ বাবেই বৰ্তমান নগাঁৱৰ একাংশ যুৱ-প্ৰজন্ম জড়িত হৈ পৰিছে অপৰাধ জগতৰ সৈতে। আজি নগাঁৱত সংঘটিত এক ঘটনাই পুনৰ তাকে প্ৰমাণ কৰিলে। জানিব পৰা মতে, আজি পুৱা নগাঁও চহৰৰ মৰিকলংস্থিত নগাঁও ৰে'ল ষ্টেচনত চুৰি সামগ্ৰীসহ এটা ■ ৮ পৃষ্ঠাত

### প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকে ল'লে গুৰুত্বপূৰ্ণ সিদ্ধান্ত

### সভাত কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং, প্ৰকাশ জাভেৰকাৰ, পীযূষ গোৱেল, নিৰ্মলা সীতাৰমণ, ধৰ্মেন্দ্ৰ প্ৰধানৰ লগতে আন মন্ত্ৰীৰ প্ৰতিনিধিৰ অংশগ্ৰহণ

# চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষা বাতিল

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে কেন্দ্ৰীয় চৰকাৰক উক্ত পৰীক্ষা বাতিল কৰিবৰ বাবে জনাইছিল আহ্বান

শিক্ষাৰ্থী-অভিভাৱক-শিক্ষকৰ পৰীক্ষাকেন্দ্ৰিক চিন্তা আঁতৰ হ'ল; মহামাৰীৰ সময়ত শিক্ষাৰ্থীক পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ জোৰ কৰি পঠিয়াব নোৱাৰি, শিক্ষাৰ্থীৰ স্বাস্থ্য আৰু সুৰক্ষাক গুৰুত্ব দিবই লাগিব ঃ প্ৰধানমন্ত্ৰী মোদী

২০২১

### ক'ভিড পৰিস্থিতিত শিক্ষাৰ্থীৰ সুৰক্ষা অধিক গুৰুত্বপূৰ্ণ বিষয়

### চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষা বাতিলৰ পিছতেই চিআইএছচিইৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাও বাতিল ঃ এপ্ৰিলতেই বাতিল কৰে চিবিএছইৰ দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১ জুন ঃ** চলিত বৰ্ষত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা পৰিচালিত দ্বাদশ শ্ৰেণীৰ কোনো এটা শাখাৰে চূড়ান্ত পৰীক্ষা অনুষ্ঠিত নহয়। বিজ্ঞান, কলা, বাণিজ্য বা অন্যান্য বিত্তীমুখী পাঠ্যক্ৰমৰ শিক্ষাৰ্থীয়ে এইবাৰ পৰীক্ষা নিদিয়াকৈয়ে উত্তীৰ্ণ হ'ব পাৰিব। বিগত বৰ্ষতো আটাইকেইটা বিষয়ত পৰীক্ষা সম্পন্ন কৰিব পৰা নাছিল ছাত্ৰ-ছাত্ৰীসকলে। ক'ভিড ভাইৰাছৰ মহা সংক্ৰমণৰ বাবে বিগত বৰ্ষত পূৰ্বে অনুষ্ঠিত হৈ যোৱা বিষয়কেইটাত প্ৰাপ্ত নম্বৰৰ ভিত্তিতে পৰীক্ষা অনুষ্ঠিত নোহোৱা বিষয়কেইটাত নম্বৰ প্ৰদান কৰি ফলাফল ঘোষণা কৰা হৈছিল। এইবাৰ বিদ্যালয়সমূহত আভ্যন্তৰীণ ব্যৱস্থাৰে কৰা মূল্যাংকনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক ■ ৮ পৃষ্ঠাত



### প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনৰ স্কুটী বিতৰণত অনিয়মৰ অভিযোগ

## যোগ্য সকলো ছাত্ৰীয়ে স্কুটী নাপালে শ্ৰেণী কোঠা বৰ্জনৰ সকীয়নি স্কুটী বঞ্চিত ছাত্ৰী সন্থাৰ



*জনতা ভৱনত মঙলবাৰে সংবাদ মেল সম্বোধন কৰিছে বিত্ত মন্ত্ৰী অজন্তা নেওগে, কাষত শিক্ষামন্ত্ৰী ৰণোজ পেগু*

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ১ জুন ঃ** অসম প্ৰজ্ঞান ভাৰতী ড° বাণীকান্ত কাকতি স্কুটী বিতৰণ আঁচনিত গুৰুতৰ অনিয়ম হোৱাত গভীৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে সদৌ অসম প্ৰজ্ঞান ভাৰতী স্কুটী বঞ্চিত ছাত্ৰী সন্থাই। কাকতলৈ প্ৰেৰণ কৰা এটা বিবৃতিত সদৌ অসম প্ৰজ্ঞান ভাৰতী আঁচনিৰ স্কুটী বঞ্চিত ছাত্ৰী সন্থাৰ সভানেত্ৰী মৃণালী কলিতা আৰু সম্পাদিকা লিজা নেৱাৰে কয়— চলিত বৰ্ষৰ ১৩ ফেব্ৰুৱাৰীত প্ৰজ্ঞান ভাৰতী ■ ৮ পৃষ্ঠাত



## ধুবুৰীৰ ডিএছপি যতীন দাস আৰু ৰফিকুলক ৫ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তা সেৱা, ধুবুৰী, ১ জুন ঃ** গুৱাহাটীতে আৰক্ষীৰ জিম্মাত ৰখা হ'ব ডি এছ পি যতীন দাস আৰু কালেকশ্বন মাষ্টাৰ ৰফিকুল পৰমাণিকক। গুৱাহাটীত বিশেষ কাষ্টডিত ৰখা হ'ব ৫ দিনৰ জিম্মাত। CID, CRIME BRANCH / NIA এ জেৰা চলাৰ সম্ভাৱনা দুয়োকে। ছিণ্ডিকেটেৰে জড়িত যতীন দাস আৰু ৰফিকুল পৰমাণিকক ৫ দিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ গুৱাহাটী পি চি এৰ বিশেষ আদালতে। ধুবুৰী সদৰ থানাত গোচৰ নম্বৰ 881/21 U/S 120[B]/409 IPC RW 7&12 PC Actৰ অধীনত আৰক্ষীয়ে গোচৰ ৰুজু কৰিছে অভিযুক্ত দুয়োজনৰ বিৰুদ্ধে। আৰক্ষীয়ে ৫ দিনৰ বাবে নিজৰ জিম্মাত বিচাৰিছিল দুয়োকে। PCAৰ বিশেষ আদালতে ৫ দিনৰ বাবেই জিম্মালৈ দিছে ■ ৮ পৃষ্ঠাত





### কলিয়াবৰৰ নিজ চিলাবন্ধা গাঁৱৰ কম বয়সতে ঘাত-মাউৰা হোৱা দুই সহোদৰালৈ সহায়ৰ আহ্বান

### দুই দুৰ্ভগীয়া ভগ্নীৰ হিমন্ত মামালৈ কাতৰ আহ্বান

## মামা আপুনি আমাক সহায় কৰক

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১ জুন ঃ** দহ বছৰ পূৰ্বেই মৃত্যু হৈছিল লিপিকা আৰু জ্যোতিৰেখাৰ পিতৃ-মাতৃৰ। তেতিয়া লিপিকাৰ বয়স মুঠেই দুবছৰ, জতিৰেখাৰ পাঁচ বছৰ। গোপাল দাস আৰু বাসন্তী দাসৰ মৃত্যুৰ পাছত ককাক-আইতাকে চোৱা-চিতা কৰিছিল যদিও তেওঁলোকৰো মৃত্যু হোৱাত দুই ভগ্নীৰ সমগ্ৰ দায়িত্ব আহি পৰে বৰদেউতাক হৰেন দাসৰ পৰিয়াললৈ। কিন্তু দুৰ্ভাগ্যই লগ নেৰা লিপিকা আৰু জ্যোতিৰেখাৰ বৰদেউতাকৰো মৃত্যু হয় তিনি মাহ মানৰ পূৰ্বে। এতিয়া পিতৃ-মাতৃহাৰা দুই ভগ্নীৰ দায়িত্ব ল'ব লগা হৈছে বৰদেউতাকৰ পুত্ৰ বিনোদ দাসে। বিয়া-সবাহৰ ৰভা-পৰলাৰ দিয়া টেন্টৰ কাম কৰি কোনোমতে ঘৰখন চলাই থকা বিনোদ দাস এতিয়া বিপদত পৰিছে। বিনোদ দাসে নিজৰ মাক আৰু ভনীয়েকৰ লগতে খুৰাকৰ দুই কন্যাক এটা সৰু ব্যৱসায়েৰে পোহ-পাল দিছিল যদিও, যোৱা বৰ্ষৰ লকডাউনৰ পৰা টেন্টৰ ব্যৱসায়ত লোকচানৰ ■ ৮ পৃষ্ঠাত

### শিঙৰাৰ বানত বুৰিল বিস্তৰ অঞ্চল

## দ'লহাটৰ শ'লমৰীয়াত ছাইড বান্ধ ছিচিঙি বৃহত্তৰ অঞ্চল প্লাৱিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাওবৈচা, ১ জুন ঃ** শিঙৰা নদীৰ প্ৰথমটো বানে বানত বুৰিল নাওবৈচাৰ বৃহত্তৰ অঞ্চল। যোৱা কেইনদিন ধৰি দি থকা ধাৰাসাৰ বৰষুনৰ ফলত পাহাৰীয়া শিঙৰা নদী খন উফন্দি নাওবৈচাৰ বিস্তীৰ্ণ এলেকা প্লাৱিত কৰি কালৰূপ ধাৰণ কৰে। নদী খনে দ'লহাট চাৰিআলীৰ সমীপত শলমৰীয়ত প্ৰায় ১০ মিটাৰ ছিগি নি বিভীশিষাৰ সৃষ্টি কৰে। বান্ধটো ছিঙি নিয়াৰ ফলত ■ ৮ পৃষ্ঠাত



## ৮০ মেট্ৰিক টন তৰল মেডিকেল অক্সিজেন কঢ়িয়াই অসম পালেহি চতুৰ্থখন অক্সিজেন এক্সপ্ৰেছ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মালিগাঁও, ১ জুন ঃ** ক'ভিড-১৯ অতিমাৰীৰ বিৰুদ্ধে চলি থকা যুঁজত, উত্তৰ-পূব সীমান্ত ৰে'লৱেই ৰাজ্যসমূহলৈ সম্ভাৱ সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়াই আহিছে। এই জটিল পৰিস্থিতিৰ সময়চোৱাত কৰ'না ৰোগীৰ চিকিৎসাৰ ■ ৮ পৃষ্ঠাত



### দক্ষিণ কামৰূপৰ খহনীয়া প্ৰতিৰোধী আঁচনি পৰিদৰ্শন জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকা

## যি কাম কৰো সেয়া স্থায়ী কাম কৰিম

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১ জুন ঃ** প্ৰথমবাৰৰ বাবে জলসম্পদ মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰি নিজৰ অভিজ্ঞতা সঞ্চয়ৰ বাবে দক্ষিণ কামৰূপত ৰূপায়ণ হৈ থকা খহনীয়া প্ৰতিৰোধী আঁচনিৰ কাম চাবলৈ আহি যি কাম কৰে সেয়া তেওঁৰ দিনত স্থায়ী কাম কৰিব বুলি মন্তব্য কৰে। খহনীয়া প্ৰতিৰোধী স্থায়ী কাম বাৰিষাৰ সময়ছোৱাত কৰিবলৈ দি আমোলা-বিষয়াক লুণ্ঠন চলোৱাৰ সুবিধা নিদিয়ে বুলিও হুংকাৰ দিলে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই। দেশে স্বাধীনতা লাভ কৰা সময়ৰে পৰা সমগ্ৰ দক্ষিণ কামৰূপত মহাবাহু ব্ৰহ্মপুত্ৰই কালৰূপ ধাৰণ কৰি বৰ্তমানলৈ তিনি কুৰিতকৈও অধিক গাঁও নিজৰ বিশাল বুকুত সামৰি লোৱাৰ পিছত পলাশবাৰী, দখলা, গুইমাৰা, চিমিনা আৰু ছয়গাঁও সমষ্টিৰ আমবাৰী আদিত মহাবাহু ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ বাবে ৰূপায়ণ কৰা কোটিটকীয়া অভিলাষী আঁচনিৰ ■ ৮ পৃষ্ঠাত

### লখিমপুৰত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত

## লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত ভাইৰ'লজী পৰীক্ষাগাৰ মুকলি



**দৈনন্দিন বাৰ্তাৰ সেৱা, পানীগাঁও, ১ জুন ঃ** আজি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ত ভাইৰ'লজী পৰীক্ষাগাৰৰ শুভ উদ্বোধন কৰে। আজি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, স্থানীয় বিধায়ক ■ ৮ পৃষ্ঠাত

# এতিয়া খেতিৰ বতৰ, আহৰি নাই কৃষকৰ

### তথাপি যেন এলাগি হ'ব ধৰিছে হালৰ গৰুহাল ঃ কৃষকৰ মৰমৰ বলধ হালৰ স্থান ল'লে আধুনিক ট্ৰেক্টৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নৰৈ, ১ জুন ঃ** সম্প্ৰতি দেশ তথা ৰাজ্যৰ চৌপাশে ভয়াৱহ কৰ'নাৰ দ্বিতীয় জোৱাৰৰ আতংকই ত্ৰাসৰ সৃষ্টি কৰাৰ সময়তে সমগ্ৰ ৰাজ্যখনৰ লগতে নগাঁও জিলাখনৰ চৌপাশে এতিয়া দৃশ্যমান হৈছে খেতিৰ বতৰৰ এক সুন্দৰ মনোৰম প্ৰতিচ্ছবি। কৃষকৰ বাবে ব্যস্ততাৰ সময়ৰূপে পৰিচিত এই জেঠ মাহ এতিয়া সকলো কৃষক ৰাইজৰ বাবেই হৈ পৰিছে অতিকৈ আপোন তথা ব্যস্ততাৰে ভৰা সময়। বৰ্তমান ব্যস্ততাই আগুৰি ধৰিছে কৃষক তথা কৃষকসকলৰ পৰিয়ালবৰ্গক। যৌৱন নামিছে খেতিপথাৰৰ বুকুলৈ। গাৰ ছাল পুৰি দেই নিয়া প্ৰখৰ ৰ'দ, শৰীৰৰ পৰা ওলোৱা টোপাটোপে ঘাম আৰু সময়ে সময়ে ডবাপিটা বৰষুণৰ আঁচোৰৰ টোপাল। মুঠতে প্ৰকৃতিৰ এই অপছন্দৰ কাৰ্যবোৰক গাত লৈও হালোৱা ব্যস্ত হৈ পৰিছে পথাৰত নিজৰ মাটিডৰাৰ লগতে আন আনসকলৰ খেতি উপযোগী মাটিসমূহ চাহ কৰা, হাল বোৱা, কঠীয়া পাৰিবলৈ মাটিডৰা মৈ দিয়া, আলি কটা আদি কামত। খেতিয়ক পৰিয়ালৰ সকলোকে দেখিবলৈ পোৱা গৈছে খেতিপথাৰৰ লগত জড়িত বিভিন্ন কামত ব্যস্ত হৈ পৰাত। পথাৰৰ বোকা পানীৰ গোন্ধত ভাহি আহিছে আশাৰ বতৰা। হালোৱা, হজুৱা, ৰোৱণী কোনোজনেই এতিয়া খেতিপথাৰৰ বুকুত বিচৰা নাই দুখৰ প্ৰতিচ্ছবি। বানপানীয়ে গ্ৰাস কৰা ৰাজ্যৰ ঠায়ে ঠায়ে একাংশ খেতিপথাৰ অদ্যাপি পানীৰ কৱলৰ পৰা মুক্ত নহ'লেও আন একাংশত আকৌ আহিছে খেতিৰ অনুকূল অৱস্থা। ইপিনে, বানপানী নোহোৱা খেতিপথাৰলৈও বৰুণ দেৱতাই দয়াৰ চকু ■ ৮ পৃষ্ঠাত



*চামগুৰিত চাহ বাগিচাৰ কৰ্মীৰ মাজত মাস্ক বিতৰণ বিধায়ক ৰকিবুল হুছেইনৰ*

## নগৰবেৰাত বিভিন্ন বিভাগৰ প্ৰতিনিধিৰ উপস্থিতিত বান ব্যৱস্থাপনাৰ প্ৰস্তুতিমূলক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ জুন ঃ** কামৰূপ জিলা বকো সমষ্টিৰ অন্তৰ্গত নগৰবেৰাত ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কৰবী মালাকাৰৰ তত্বাৱধানত আজি ইয়াৰ কাৰ্যালয়ৰ প্ৰাংগণত বান ব্যৱস্থাপনাৰ ওপৰত এখন প্ৰস্তুতিমূলক সভা অনুষ্ঠিত হৈ যায়। চক্ৰ বিষয়া কৰবী মালাকাৰৰ পৌৰোহিত্যত অনুষ্ঠিত উক্ত সভাত ৰাজহ চক্ৰৰ অন্তৰ্গত স্বাস্থ্য বিভাগ, জলসম্পদ বিভাগ, লোক নিৰ্মাণ বিভাগ, আভ্যন্তৰীণ জল পৰিবহণ বিভাগ, বন বিভাগ, কৃষি বিভাগ আদি বিভাগৰ লগতে স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধি, বিভিন্ন গাঁৱৰ গাঁওবুঢ়া, আৰু স্থানীয় বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত আসন্ন বাৰিষাৰ পূৰ্বে বান ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিভিন্ন বিভাগে লোৱা প্ৰস্তুতিৰ ওপৰত বিতং আলোচনা কৰা হয়। সভাত চক্ৰ বিষয়া গৰাকীয়ে বিভিন্ন বিভাগৰ বান প্ৰস্তুতি সম্পৰ্কে বুজ লোৱাৰ লগতে বিভাগ সমূহক বান প্ৰস্তুতি সম্পৰ্কে তথ্যপাতিৰে যোগান ধৰিবলৈ কয় তদুপৰি সভাত নগৰবেৰা মৌজা কমিটিৰ সভাপতি উদয় শংকৰ মেধি, বান ব্যৱস্থাপনাৰ ওপৰত দীঘলীয়াকৈ পৰা কাম কৰি অহা স্বেচ্ছাসেৱী সংগঠন আমাৰ প্ৰয়াস গোষ্ঠীৰ পৰিচালন সঞ্চালক আলোবাৰ হুছেইন প্ৰমুখ্যে কেবাগৰাকীয়ে বান ব্যৱস্থাপনাৰ ওপৰত বক্তব্য প্ৰদান কৰি কয় যে বানৰ পূৰ্বে ইয়াৰ ওপৰত সঠিক প্ৰশিক্ষণ আৰু সকলোৰে মাজত সজাগতাৰ সৃষ্টি কৰিব পাৰিলে ক্ষয় ক্ষতিৰ পৰিমাণ হ্ৰাস পাব।

# ডিমৌত সাংসদ-বিধায়কৰ উপস্থিতিত ক'ভিড ব্যৱস্থাপনা সন্দৰ্ভত পৰ্যালোচনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি শিৱসাগৰ, ১ জুন ঃ** ১২ নং যোৰহাট লোকসভা সমষ্টিৰ বিজেপিৰ সাংসদ তপন কুমাৰ গগৈ, ১০৭ নং থাওৰা বিধানসভা সমষ্টিৰ কংগ্ৰেছ বিধায়ক সুশান্ত বৰগোহাঁই, শিৱসাগৰ জিলাৰ উপায়ুক্ত বিষ্ণু কমল বৰা আৰু থাওৰা সমষ্টিৰ প্ৰাক্তন বিজেপি বিধায়ক কুশল দুৱৰীয়ে যোৱা ৩১ মে'ৰ দিনা ডিমৌ উন্নয়ন খণ্ডৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত এখন সভাত ৰাজহ চক্ৰটোৰ অধীনস্থ অঞ্চলসমূহত গ্ৰহণ কৰা ক'ভিড-১৯ ব্যৱস্থাপনা সন্দৰ্ভত বিতংভাৱে পৰ্যালোচনা কৰে। সভাত ডিমৌ ৰাজহ চক্ৰৰ অধীনত ক'ভিড-১৯ ৰোগৰ বিৰুদ্ধে গঢ়ি তোলা প্ৰতিৰোধী ব্যৱস্থা, ক'ভিড-১৯ ৰোগত আক্ৰান্ত ৰোগীৰ চিকিৎসা সেৱা, গৃহ আছুতীয়াকৰণ, জৰুৰী সা-সুবিধা প্ৰদান, চেনিটাইজেচন প্ৰক্ৰিয়া, সজাগতামূলক কাৰ্যসূচী আদি বিষয়ৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত সাংসদ তপন কুমাৰ গগৈয়ে পঞ্চায়তৰ সভাপতি আৰু সচিব সকলক সকলো ক'ভিড-১৯ ৰোগত আক্ৰান্ত ৰোগীৰ বিতং তথ্য মজুত ৰাখিবলৈ নিৰ্দেশ দিয়ে। তেওঁ গৃহ আছুতীয়াকৰণত থকা আৰু কণ্টেইনমেণ্ট জ'নৰ বাসিন্দা সকলৰ খাদ্য তথা অন্যান্য সা-সুবিধাৰ বিষয়ে নিয়মিতভাৱে বুজ লৈ এইসমূহ উপলব্ধ কৰাবলৈ নিৰ্দেশ প্ৰদান কৰে। তেওঁ ক'ভিড-১৯ ৰোগক প্ৰতিৰোধ কৰিবলৈ নিয়মীয়া চেনিটাইজেচন আৰু ব্যাপক জনসচেতনতা বৃদ্ধিৰ পোষকতা কৰে। তেওঁ লগতে পঞ্চায়তৰ সভাপতি আৰু সচিবক চাহ-বাগিচা কৰ্তৃপক্ষৰ সৈতে সমন্বয় ৰক্ষা কৰি ক'ভিড ব্যৱস্থাপনা শক্তিশালী কৰি তুলিবলৈ কয়। তেওঁ ক'ভিড বিৰুদ্ধে এই যুঁজত প্ৰশাসন, স্বাস্থ্য বিভাগ, আৰক্ষী, চাহ-বাগিচা কৰ্তৃপক্ষ সকলোকে ঐক্যবদ্ধভাৱে কাম কৰি যাবলৈ আহ্বান জনায়।

সভাত প্ৰদান কৰা বক্তব্যত উপায়ুক্ত বিষ্ণু কমল বৰাই গাঁও পঞ্চায়তৰ সভাপতি আৰু সচিবৰ পৰা তেওঁলোকৰ অঞ্চলৰ ক'ভিড পৰিস্থিতি সম্পৰ্কে বুজ লয়। তেওঁ গাঁও পঞ্চায়ত সমূহত থকা ক'ভিড সমিতিসমূহক বিশেষ ভাৱে নিৰ্দেশ দিয়ে যে, তেওঁলোকৰ এলেকাত প্ৰতিগৰাকী ক'ভিড ৰোগী চিনাক্ত হোৱাৰ পিছত স্ব-গৃহৰ পৰা চিকিৎসালয়লৈ যোৱা, চিকিৎসাধীন অৱস্থাত থকা, তাৰ পৰা ওলোৱা আৰু ঘৰলৈ পঠোৱা ইত্যাদি সমস্ত তথ্য মজুত ৰাখিব লাগিব। তেওঁ চাহ বাগিচাসমূহৰ শ্ৰমিক কল্যাণ বিষয়া তথা বাগিচা কৰ্তৃপক্ষৰ পৰা চাহ- বাগিচা এলেকাত থকা ক'ভিড কেয়াৰ চেন্টাৰ সমূহত মজুত ৰখা সা-সুবিধা আৰু আন্তঃগাঁথনি সম্পৰ্কে বিতংভাৱে বুজ লয়। উপায়ুক্তগৰাকীয়ে চাহ-বাগিচাসমূহৰ প্ৰৱেশ দ্বাৰত থাৰ্মেল স্কেনাৰ, হেণ্ড চেনিটাইজাৰ আৰু হাত ধোৱাৰ ব্যৱস্থা মজুত ৰাখিবলৈ নিৰ্দেশ দিয়ে। তেওঁ আশাকৰ্মী, এএনএম, জিএনএমসকল লগতো মত-বিনিময় কৰে। নিজ বক্তব্যত স্থানীয় বিধায়ক সুশান্ত বৰগোহাঁইয়ে ক'ভিড-১৯ ৰোগৰ ভয়াবহতা সম্পৰ্কে ব্যাপক সজাগতা কাৰ্যসূচী গ্ৰহণ কৰাৰ পোষকতা কৰাৰ লগতে ক'ভিড ব্যৱস্থাপনাত সহায়ক হোৱাকৈ দুখন এম্বুলেন্স নিজৰ ফালৰ পৰা স্বাস্থ্য বিভাগক প্ৰদান কৰিব বুলি সদৰি কৰে। ইয়াৰ বাবে তেওঁ নিজৰ প্ৰথম দৰমহাৰ ধন ব্যয় কৰিব বুলি কয়। এই সভাত ডিমৌ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ফিলিছ বাংখো, সংলগ্ন চক্ৰ বিষয়া মেৰী বালচুন, খণ্ড উন্নয়ন বিষয়া অৰুণ গগৈ, জিলা পৰিষদৰ সভাপতি ধ্ৰুৱজ্যোতি মাউত, মহকুমা চিকিৎসা তথা স্বাস্থ্য বিষয়া ডাঃ চাহাদ উল্লাহ, আঞ্চলিক পঞ্চায়তৰ সভাপতি, গাঁও পঞ্চায়তৰ সভাপতি আৰু সম্পাদক, গাঁওবুঢ়া, অঙ্গনৱাড়ী কৰ্মী, আশাকৰ্মী, এএনএম, জিএনএমসকল উপস্থিত থাকে।

### ধুবুৰীৰ মাটিফাটাৰ এটা দৰিদ্ৰ পৰিয়ালৰ কৰুণ জীৱন গাঁথা

## ঘৰৰ সকলোৰে মৰমৰ কিশোৰ এজনক বান্ধি ৰাখিছে শিকলিৰে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ জুন ঃ** ফকিৰগঞ্জ থানাৰ অন্তৰ্গত মাটিফাটা গাঁৱৰ মহিবুল হক পিতা ইউছুফ আলী নামৰ কিশোৰজন দীৰ্ঘ দিন ধৰি মানসিক ৰোগত আক্ৰান্ত হৈ আছে। কিশোৰজন সকলো সময়ত উন্মাদ পাগলৰ নিচিনা হৈ পৰিছে। দৰিদ্ৰ পৰিয়ালটোৱে মাটি-বাৰী বিক্ৰী কৰি কিশোৰজনক বিভিন্ন ঠাইত লৈ চিকিৎসা কৰিছে যদিও আজিলৈকে কোনো সুফল পোৱা নাই। বৰ্তমান পৰিয়ালটোৰ এনেকুৱা অৱস্থা আট দহজন মানুহে কিশোৰ জনৰ ধৰি ৰাখিব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। অৱশেষত উপায়ন্তৰ হৈ পৰিয়ালটোৱে শিকলিৰে বান্ধি থৈছে যদিও মাজে সময়ে সেই শিকলি ছিঙি বাহিৰত ওলাই মানুহৰ লগত মাৰপিট কৰে। যিকোনো সময়ত কিশোৰ জনৰ দ্বাৰা সমাজত বিশৃংখল পৰিস্থিতিৰ সৃষ্টি অথবা কুঠাৰাঘাত কৰ্ম কাৰ্য সংঘটিত হোৱা সম্ভাৱনা আছে। যিহেতু কিশোৰজন মানসিক বিকাৰগ্ৰস্ত সেয়ে যিকোনো সময়ত এজন মানুহক হত্যা কৰাটোও সম্ভৱপৰ। কিশোৰজন বৰ্তমান একেবাৰে উন্মাদ অৱস্থা। ইফালে পৰিয়ালটো বৰ্তমান সৰ্বস্বান্ত হৈ পৰিছে। গতিকে পৰিয়ালটোৱে উপায়ন্তৰ হৈ এতিয়া ৰাইজৰ লগতে চৰকাৰৰ তৰফৰ পৰা কিশোৰ জনৰ চিকিৎসা সাহায্য বিচাৰি কাতৰ আবেদন জনাইছে। দৰিদ্ৰ পৰিয়ালটোৱে ভাৰতীয় ষ্টেট বেংকৰ হাটশিঙীমাৰী শাখাৰ একাউণ্ট নম্বৰ- 38691891463, IFSC Code No- SBIN0008267 জৰিয়তে সহায়ৰ হাত আগবঢ়াই কিশোৰজনক সুস্থ কৰিবলৈ অনুৰোধ জনাইছে।

### বজাৰৰ অভাৱত নগাঁৱৰ গ্ৰামাঞ্চলত কৃষকৰ হাহাকাৰ

# খেতিতে মৰহিব ধৰিছে কৃষকৰ উৎপাদিত পাচলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ জুন ঃ** কৰ'নাকালীন পৰিস্থিতিৰ বাবে কৃষকসকল সমস্যাৰ সন্মুখীন হৈছে। কৰ'নাৰ দ্বিতীয় লহৰে সৃষ্টি কৰা পৰিস্থিতি ৰোধৰ বাবে ৰাজ্য চৰকাৰে জাৰি কৰি আহিছে নতুন নতুন এছ অ' পি। ক'ভিডৰ নতুন প্ৰটকলে কৃষক ৰাইজৰ সন্মূখত প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। যাৰ বাবে কৃষকসকলৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। ক'ভিড সংক্ৰমণ ৰোধৰ বাবে চৰকাৰে জাৰি কৰা নিৰ্দেশনাৰ ফলত সাপ্তাহিক, অৰ্দ্ধ সপ্তাহিক আৰু বিয়লি বহা দৈনিক বজাৰ সমূহ বন্ধ থকাত কৃষকে ভালদৰে উৎপাদিত শাক পাছলি আদি বিক্ৰী কৰিব পৰা নাই। পুৱাৰ ভাগত দিনৰ ১১ বজালৈ বজাৰ খোলা দিছে যদিও এই বজাৰসমূহতো সময়ৰ নাটনিৰ বাবে কৃষকে উপযুক্তভাৱে শাক-পাচলি বিক্ৰী কৰিব নোৱাৰে। ফলত বজাৰৰ অভাৱত কৃষকৰ উৎপাদিত ফচল পথাৰতে নষ্ট হ'বলৈ ধৰিছে। কঠোৰ পৰিশ্ৰমৰ জৰিয়তে অৰ্থনৈতিক বুনিয়াদ গঢ়ি তোলাৰ সপোন দেখা, আশাৰ খেতি ডৰা এতিয়া মৰহি যাবলৈ ধৰিছে। নগাঁও জিলাৰ বেবেজীয়া সমীপৰ কৃষ্ণাইখাটৰ জিতেন বৰা উচ্চ শিক্ষিত হৈও চাকৰিৰ মোহ ত্যাগ কৰি কৃষি কৰ্মৰ জৰিয়তে

### কৃষি মন্ত্ৰীক আৰ্থিক সাহায্য প্ৰদানৰ আহবান

জীৱিকাৰ পথ বাচি লৈ নতুন প্ৰজন্মৰ বাবে আদৰ্শ দাঙি ধৰিবলৈ সক্ষম হৈছে। কিন্তু এইবাৰ ক'ভিড মহামাৰীৰ বাবে জিতেন বৰা সমস্যাৰ সন্মুখীন হৈছে। প্ৰায় ১৫ বিঘা মাটিত জকা, তুৰৈ, লেচেৰা, তৰমুজ, স্কোৱাছ, কেপচিকাম, কেৰেলাৰ লগতে বিভিন্ন শাকপাচলিৰ খেতি কৰিছে। কিন্তু চৰকাৰে জাৰি কৰা এছ অ' পিৰ বাবে বজাৰৰ অভাৱত ভালদৰে উৎপাদিত সামগ্ৰী বিক্ৰী কৰিব পৰা নাই। ফলত পথাৰতে মৰহি যাব ধৰিছে জিতেন বৰাৰ উৎপাদিত পাচলি। একেদৰে বেঙেনাআটিৰ নজৰুল ইছলাম আৰু আব্দুল কাদিৰৰ একে অৱস্থা হৈছে। নিজৰ উৎপাদিত শাক-পাচলি বজাৰৰ অভাৱত বিক্ৰী কৰিব নোৱাৰি সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। বজাৰৰ অভাৱত বিক্ৰী কৰিব পৰা নাই উৎপাদিত শাক পাচলি। ফলত পথাৰতে নষ্ট হৈ গৈছে শাক-পাচলি। ঋণ লৈ কৃষি কৰ্ম কৰা মোজাহিদ আলিৰ সন্মুখত সৃষ্টি হৈছে নতুন প্ৰত্যাহ্বান। বন্ধন বেংকৰ সাপ্তাহিক কিস্তি সময় মতে পৰিশোধ কৰিব নোৱাৰি মোজাহিদে এতিয়া অনিশ্চয়তাত ভূগিব লগা হৈছে। জিলাখনৰ ডুমডুমিয়া, ধিং, জুৰীয়া, ৰূপহীহাট, ৰাঙলু, চামগুৰি শিৰস্থানকে ধৰি বিভিন্ন অঞ্চলৰ লগতে চৰ অঞ্চলৰ কৃষকসকলেও শাক-পাচলি বিক্ৰী কৰিব পৰা নাই। যাৰ বাবে এই কৃষকসকল গভীৰ অৰ্থৰ সংকটত পৰিব লগা হৈছে। একেদৰে জিলাখনৰ বিভিন্ন প্ৰান্তৰ নেমু খেতি কৰা কৃষকসকল সমস্যাৰ সন্মুখীন হৈছে। জিলাখনৰ ঠাই বিশেষে নেমু খেতিয়কে ১০ টকাত ১০-১২টা নেমু বিক্ৰী কৰিব লগা হৈছে। জিলাখনৰ বহু উদ্যোগী যুৱকে অঞ্চল বিশেষে লোকৰ মাটি লিজত লৈ তৰমুজৰ খেতি কৰিছিল। বৰ্তমান তৰমুজ ক্ৰয় কৰিবলৈ ব্যৱসায়ীসকল নহাত এই যুৱ কৃষকসকল সমস্যাৰ সন্মুখীন হৈছে। বহুতে ঋণ লৈ খেতি কৰিছিল যদিও ঋণ পৰিশোধ কৰিব নোৱাৰি চৰম অনিয়শ্চয়তাত ভূগিব লগাত পৰিছে। কৰ'নাকালীন পৰিস্থিতিৰ বাবে সংকটৰ গড়াহত পৰা কৃষকসকলক আৰ্থিক সাহায্য প্ৰদান কৰা বা কৃষকসকলৰ বাবে পেকেজ ঘোষণা কৰিবলৈ কৃষকসকলে ৰাজ্যৰ কৃষি মন্ত্ৰীক আহবান জনাইছে।

## জামুগুৰিহাটৰ মঙলবৰীয়া ব্যৱসায়িক কেন্দ্ৰত ৯খনকৈ ব্যৱসায় প্ৰতিষ্ঠানৰ দ্বাৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নদুৱাৰ, ১ জুন ঃ** চতিয়া সমষ্টিৰ অন্তৰ্গত মঙ্গলবৰীয়া ব্যৱসায়ীক কেন্দ্ৰত আজি ৯ টাকৈ ব্যৱসায়ীক গৃহৰ দ্বাৰ মুকলি কৰা হয়। উত্তৰ মূঢ়াদল গাঁও পঞ্চায়তে মুকলি কৰি দিয়া ধনৰে নিৰ্মান কৰা এই ব্যৱসায়ী গৃহ কেইটি আজি আনুষ্ঠানিক ভাৱে মুকলি কৰে উত্তৰ মূঢ়াদল গাওঁ পঞ্চায়তৰ সভাপতি দিপক নেৱাৰে । ব্যৱসায়ীক গৃহকেইটিৰ দ্বাৰ উন্মোচন কৰি পঞ্চায়তৰ সভাপতি গৰাকীয়ে কয়- অঞ্চলটোৰ নিবনুৱা যুৱক-যুৱতীসকলক অৰ্থনৈতিক ভাৱে সৱল কৰি তোলাৰ উদ্দেশ্যেৰে তথা বিভিন্ন ব্যৱসায় বাণিজ্যৰে স্বাৱলম্বী হব পৰাকৈ আমি বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছো ।এই আচনিৰ কল্পেই এই ব্যৱসায়ীক গৃহকেইটি নিৰ্মান কৰা হৈছে। পৰৱৰ্ত্তী সময়ত এই ব্যৱসায়ীক কেন্দ্ৰত ভালেকেইটি ব্যৱসায়ীক গৃহ নিৰ্মানৰ আঁচনি লৈছো। য'ত অঞ্চলটোৰ শতাধিক যুৱকৰ সংস্থাপন হব বুলিও মন্তব্য কৰে সভাপতি দিপক নেৱাৰে। ইয়াৰোপৰি ব্যৱসায়ীক কেন্দ্ৰটোৰ নিকৰ্তবৰ্ত্তী কিছু অংশত একাংশলোকে চৰকাৰী ভূমি বেদখল কৰা আমাৰ দৃষ্টি গোচৰ হৈছে। এই ভূমিসমূহ বেদখল মুক্ত কৰাৰো আচঁনি লোৱা বুলি মন্তব্য কৰে সভাপতি দিপক নেৱাৰে।



*মাজুলীত ক'ভিড ভেকচিন গ্ৰহণৰ সময়ত এগৰাকী ব্যক্তি, মঙলবাৰে*

### দুৰ্ঘটনা নে পৰিকল্পিত হত্যাকাণ্ড

# টংলাত যুৱকক হত্যা, দুজনক গ্ৰেপ্তাৰ

### মূল অভিযুক্ত পলাতক ঃ হত্যাকাৰীক ফাঁচী দিবলৈ পৰিয়ালৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ১ জুন ঃ** বিশ্বজুৰি অতিমাৰী কৰ'না আতংকৰ মাজতে ওদালগুৰি জিলাৰ টংলা নগৰত এগৰাকী নিৰীহ যুৱকৰ দুৰ্ঘটনা নে পৰিকল্পিতভাৱে হত্যাকাণ্ড সংঘটিত হ'ল । উক্ত ঘটনাই বৃহত্তৰ টংলা অঞ্চলৰ ৰাইজক ভবাই তুলিছে। পৰিয়াল সূত্ৰে জানিব পৰা মতে টংলা নগৰৰ এক নং ৱাৰ্ডৰ বাসিন্দা তনুজ বৰা (৩৫)ক ৩০ মে' তাৰিখে প্ৰায় ৯-৩০বজাত প্ৰতিবেশী সমীৰণ বিশ্বাসে আন দুজন সহযোগী গণেশ শৰ্মা আৰু গোবিন্দ পাটোৱাৰীৰ জৰিয়তে নাইকা নদীত মাছ ধৰাৰ ছলেৰে মাতি লৈ যায় ।আধাঘণ্টামান পিছতে গণেশ শৰ্মা আৰু গোবিন্দ পাটোৱাৰীয়ে পৰিয়ালক খবৰ দিয়ে যে তনুজ বৰা নৈৰ পাৰত পৰি আছে। কিংকৰ্তব্য হৈ পত্নীয়ে নৈ পাৰলৈ গৈ দেখা পাই যে স্বামীৰ নাক আৰু মুখত তেজ ওলাই আছে। ততাতৈয়াকৈ টংলা সামূহিক চিকিৎসাকেন্দ্ৰলৈ লৈ যোৱা হয় ।চিকিৎসকে ইতিমধ্যে মৃত্যু হোৱা বুলি পৰিয়ালক জনায় ।টংলা আৰক্ষী থানাত তনুজ বৰাৰ সদ্য বিধৱা পত্নীয়ে দাখিল কৰা এজাহাৰখনত উল্লেখ কৰা মতে স্বামীৰ বন্ধু সমীৰণ বিশ্বাসে প্ৰায়ে তেওঁলোকৰ ঘৰলৈ আহি পৈত্ৰিক ভেঁটি বিক্ৰী কৰিবলৈ জোৰ কৰি আছিল। আনকি টকা-পইচাও বন্ধুত্বৰ ছলেৰে বিচাৰিছিল। দিব নোৱাৰো বুলি ক'লে মৃত্যুৰ ভাবুকিও দিছিল ।সেয়ে মোৰ স্বামীক গণেশ আৰু গোবিন্দৰ হতুৱাই সমীৰণ বিশ্বাসে মাছ ধৰাৰ ছলেৰে মাতি আনি নাইকা নৈৰ পাৰত পৰিকল্পিতভাৱে হত্যাকাণ্ড সংঘটিত কৰা হৈছে। স্বামীৰ মৃত দেহ চাই দেখিছো যে তেওঁৰ নাক আৰু মুখৰ পৰা তেজ ওলাই আছিল। সহযোগ আগবঢ়োৱা গণেশ শৰ্মা আৰু গোবিন্দ পাটোৱাৰীক ইতিমধ্যে টংলা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে যদিও মূল অভিযুক্ত জুৱাৰী সমীৰণ বিশ্বাস পলাতক অৱস্থাত আছে। পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী যুৱক তনুজ বৰাৰ মৃত্যুত বিধৱা মাতৃ, পত্নী মাইনা বৰা, কণমানি জীয়েক আৰু ভনীয়েকৰ পানীত হাঁহ নচৰা অৱস্থা ৰ সৃষ্টি হৈছে। কান্দি কান্দি নাজল নাথল হোৱা পৰিয়ালটিয়ে তনুজ বৰাৰ হত্যাৰ উচিত তদন্ত কৰি কঠোৰ শাস্তি তথা ফাঁচিকাঠত ওলোমাবলৈও দাবী জনাইছে। বন্ধুই বন্ধুৰ কালশত্ৰু হোৱা উক্ত ঘটনাৰ মূল নায়ক সমীৰণ বিশ্বাসক গ্ৰেপ্তাৰ কৰিবলৈ ওদালগুৰি জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা (পশ্চিম)ৰ সভাপতি হেমন্ত বৰা কোচ আৰু টংলা আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থাই হত্যাকাণ্ডক গৰিহণা দি প্ৰশাসনক তীব্ৰ দাবী জনাইছে যে অতি শীঘ্ৰে মূল অভিযুক্তক গ্ৰেপ্তাৰ কৰি উচিত শাস্তি প্ৰদান কৰিবলৈ ।বিধৱা মাতৃ,পত্নী মাইনা বৰা তথা পৰিয়ালটিয়ে ন্যায় পাবনে আজিৰ দিনত কোটি টকীয়া প্ৰশ্ন হৈ পৰিছে। টংলা নগৰৰ জালুকবাৰী নবীন পল্লীৰ বাসিন্দা তনুজ বৰাক মাছ মৰা বৈদ্যুতিক ফান্দত মাৰিলে নে পৰিকল্পিতভাৱে হত্যা কৰিলে প্ৰশাসনৰ উচিত তদন্তৰ প্ৰতিবেদনতহে জানিব পৰা যাব। সঘনাই আহ-জাহ কৰা, পৰিয়ালটোৰ স'তে উঠা-বহা কৰা বন্ধু সমীৰণ যে হত্যাকাণ্ডত জড়িত হৈ পৰিব, বন্ধুক হত্যা কৰাৰ পৰিকল্পনা কৰিব সপোনটো নভবা বন্ধুত্বই কালশত্ৰুত পৰিণত হোৱা ঘটনাৰ পম খেদিলে অন্য এটা দিশ ওলাই পৰিছে পৰিয়ালটোৰ মুখেৰে সমীৰণ বিশ্বাস টংলাত ভাড়া ঘৰতহে থাকে। আচল ঘৰ গোৰেশ্বৰহে। বিবাহিত বিশ্বাস মস্ত জুৱাৰী। আজি বন্ধুত্বৰ খাতিৰত বৰ পীৰা পাৰি দি মহাভুল কৰা অনুতপ্ত দুৰ্ভগীয়া পৰিয়ালটোয়ে ন্যায় পাবনে, হত্যাকাৰীয়ে উচিত শাস্তি পাবনে কৰ'নাতঙ্কৰ সময়ছোৱাত ভাবিবলগীয়া কথা হৈ পৰিছে।

## সাপেখাতীৰ বন্তি বড়াই দেখুৱাইছে কৰ্ম-সংস্কৃতিৰ উৎকৃষ্ট নিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাতী, ১ জুন ঃ** নৱ প্ৰজন্মৰ সন্মুখত আদৰ্শ হিচাপে থিয় দিছে চৰাইদেউ জিলাৰ সাপেখাতীৰ এগৰাকী মহিলাই। সাপেখাতী ৰহন ধাদুমীয়া গাওঁৰ নিৰ্বাসী বন্তি বড়াই প্ৰকৃতাৰ্থত দেখুৱাইছে কৰ্ম সংস্কৃতিৰ উৎকৃষ্ট নিদৰ্শন। এইখন অসমতে জয়মতী, মূলাগাভৰু, কনকলতাই দেশ তথা স্বজাতিৰ বাবে নিজকে চৰম ত্যাগ কৰি বাৰে বাৰে নাৰী যে অৱলা নহয় ইয়াকে প্ৰতিপন্ন কৰি আহিছে । আজি আমি আপোনালোকক কবলৈ ওলাইছো চৰাইদেউৰ সাপেখাতীৰ এগৰাকী মহিলাৰ কথা যিগৰাকী মহিলাৰ কৰ্মই অসমৰ মহিলা সমাজক এক নিৰ্দশনৰ পথ দেখুৱালৈ সক্ষম হৈছে । চাৰিজনীয়া এটি সুখী পৰিয়ালৰ মহিলা গৰাকীয়ে মাছৰ পোনা বিক্ৰেতা হিচাপে নিয়োজিত কৰিছে নিজকে। নৱম শ্ৰেণীত অধ্যয়নৰত কন্যা আৰু তৃতীয় শ্ৰেণীত অধ্যয়নৰত এগৰাকী পুত্ৰ সন্তানৰ মাতৃ এইগৰাকী বন্তি বড়া হ'ব পাৰে সমাজৰ আদৰ্শ। মহিলা গৰাকীৰ স্বামী অমৃত বড়া ২০১২ চনতে কেঞ্চাৰ ৰোগত আক্ৰান্ত হৈছিল যদিও সম্প্ৰতি সম্পূৰ্ণ সুস্থ। আনহাতে মহামাৰী কৰ'ণা ভাইৰাছৰ সংক্ৰমণ ভয়াৱহৰূপে বৃদ্ধি পোৱাত ৰাজ্য চৰকাৰে ঘোষণা কৰা নিৰ্দেশনাৱলীৰ ফলত দেশৰ অৰ্থনীতিৰ ওপৰত বিশেষ প্ৰভাৱ পেলোৱা পৰিলক্ষিত হৈছে। যাৰ ফলত দুবেলা দুসাঁজৰ বাবে সংগ্ৰাম কৰা প্ৰতিগৰাকী লোকেই যথেষ্ট অসুবিধাৰো সন্মুখীন হৈছে। তেনে সময়তে এখন বাই চাইকেলেৰে পাছফালে এটা পাত্ৰ বান্ধি মাছৰ পোনা বিক্ৰী কৰিবলৈ ওলাই অহা এইগৰাকী মহিলাৰ অৰ্থনৈতিক সংগ্ৰামে বাট দেখুৱাইছে বহুজনক। বন্তিয়ে পুৱাই ৰহন ধাদুমীয়া গাওঁৰ এগৰাকী ব্যক্তিৰ পুখুৰীৰ পৰা পোনা মাছ ক্ৰয় কৰি চাইকেলেৰে সাপেখাতীৰ বৃহত্তৰ এলেকাৰ জনসাধাৰণক যোগান ধৰি আহিছে। দৈনিক এক হাজাৰ টকা পৰ্যন্ত উপাৰ্জন কৰা বুলি সদৰি কৰিছে মহিলাগৰাকীয়ে। সহজতে টকা ঘটাৰ চিন্তাত নিমগ্ন এচাম লোকৰ বিপৰীতে সহজ সৰল মনৰ এইগৰাকী কৰ্মোদ্যমী মহিলাৰ অৰ্থনৈতিক সংগ্ৰামক এতিয়া প্ৰশংসা কৰিছে সচেতন মহলে।

# বজ্ৰপাতত আহত মুকালমুৱাৰ কৃত্তিকা বৰ্মনৰ চিকিৎসাৰ বাবে আৰ্থিক সহায় বিচাৰি দৰিদ্ৰ পিতৃ-মাতৃৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ১ জুন ঃ** বজ্ৰপাত পৰি গুৰুতৰভাৱে আহত হোৱা মুকালমুৱাৰ তাপাবড়ী (জাগেৰা পাম) গাঁৱৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী কৃতিকা বৰ্মনৰ উন্নত চিকিৎসাৰ বাবে সাহায্য বিচাৰি কাতৰ আহ্বান জনাইছে কিশোৰীগৰাকীৰ পিতৃ-মাতৃয়ে। উল্লেখ্য যে সোমবাৰে পুৱাৰে পৰা আহি থকা মুষলধাৰ বৰষুণৰ মাজতে আম বুটলিবলৈ যোৱা অৱস্থাত বজ্ৰপাত পৰি দেহৰ এটা অংশ সম্পূৰ্ণভাৱে পুৰি গৈছিল বৰক্ষেত্ৰীৰ জাগেৰা পামৰ কেশৱ বৰ্মনৰ দহছৰীয়া কন্যা কৃতিকা বৰ্মনৰ। গুৰুতৰভাৱে আহত হোৱা কিশোৰীগৰাকীক ততাতয়াকৈ মুকালমুৱা চিকিৎসালয়ত পৰিয়ালৰ লোকে ভৰ্তি কৰায় যদিও শিশুটিক চিকিৎসকে উন্নত চিকিৎসাৰ বাবে গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ নিয়াৰ বাবে পৰামৰ্শ আগবঢ়ায়। কিন্তু কৰ'নাসৃষ্ট পৰিৱেশত ঘৰতে বহি থকা কিশোৰীগৰাকীৰ গাড়ী চালক পিতৃ কেশৱ বৰ্মনৰ আৰ্থিক অৱস্থা অতি শোচনীয় হোৱাহেতুকে কিশোৰীগৰাকীক গুৱাহাটীৰ চিকিৎসালয়লৈ নিয়াৰ পৰিবৰ্তে ঘৰলৈ লৈ আহিবলগীয়া হয়। পৰিয়ালটোৰ এনে দুৰ্দশাৰ খবৰ পাই পৰিয়ালটোৰ সহায়ৰ বাবে আগবাঢ়ি আহে ৰাজ্যখনৰ অগ্ৰণী সাহিত্য-সাংস্কৃতিক অনুষ্ঠান বিৰিণা গোষ্ঠী, অসম। কালি সন্ধিয়া বিৰিণা গোষ্ঠী, অসমৰ সভাপতি তথা জ্যেষ্ঠ সাংবাদিক লীলাধৰ পাঠক আৰু গোষ্ঠীটোৰ সম্পাদক তথা সাংবাদিক তফিকুৰ ৰহমান, সদস্য তথা সাংবাদিক জয়ন্ত ডেকাই দুৰ্দশাগ্ৰস্থ পৰিয়ালটোৰ ঘৰত উপস্থিত হৈ খা-খবৰ লোৱাৰ লগতে আৰ্থিক সহায়ৰ হাত বঢ়ায়। গোষ্ঠীটোৰ কৰ্মকৰ্তাৰ আহ্বানমৰ্মে মুকালমুৱা জিলা পৰিষদৰ সদস্য খাইৰুল হ'ক চৌধুৰী, বৰতলাৰ উদ্যমী যুৱক প্ৰণৱ কলিতা (বাবু), দৌলাশাল জিলা পৰিষদৰ সদস্য বিৰাজ মেধিকে ধৰি স্থানীয় দুই এগৰাকী হৃদয়বান ব্যক্তিয়ে পৰিয়ালটোক সহায়ৰ হাত আগবঢ়াই কিশোৰী গৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিয়াৰ ব্যৱস্থা কৰি দিয়ে। মানৱ দৰদী লোককেইজনৰ সহায়ৰ পিছত আজি পুৱা শিশুটিক চিকিৎসাৰ বাবে গুৱাহাটীলৈ লৈ যোৱা হয় যদিও শিশুটিক চিকিৎসাৰ বাবে এতিয়াও যথেষ্ট অৰ্থৰ আৱশ্যক। সেয়ে দৰিদ্ৰ গাড়ী চালক পিতৃ কেশৱ বৰ্মন আৰু মাতৃ বিপাঞ্চী বৰ্মনে চৰকাৰৰ লগতে সুহৃদয়বান লোকৰ পৰা বিচাৰিছে আৰ্থিক সহায়। বৰতলা হাইস্কুলৰ ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত শিশুটিক কোনো হৃদয়বানে লোকে সহায় আগবঢ়াব বিচাৰিলে শিশুটিৰ মাতৃ বিপাঞ্চী বৰ্মনৰ ভাৰতীয় ষ্টেট বেংক মুকালমুৱা শাখাত থকা ৩৪৩৩৩৬৩৮৫৭৮ একাউণ্ট নম্বৰত (IFSC-SBIN0011610) ধন জমা দিব দিবলৈ নতুবা ৮০৯৯২৮৮০৩৩ মোবাইল নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে কাতৰ আহ্বান জনাইছে।

### নাজিৰাৰ নৱনিযুক্ত মহকুমাধিপতিৰ সৈতে সাংবাদিকৰ মত বিনিময়

# গৃহ পৃথকীকৰণ কমিটীৰ সদস্যসকলক ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰাৰ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১ জুন ঃ** নাজিৰা মহকুমাৰ মহকুমাধিপতি কাৰ্যালয়ৰ সভা কক্ষত নৱনিযুক্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে নাজিৰাৰ সাংবাদিকসকলৰ লগত আজি এখন মত বিনিময় সভাত মিলিত হয়। সভাৰ আৰম্ভণিতে নৱ নিযুক্ত মহকুমাধিপতিক তথ্য আৰু জনসংযোগ বিষয়া বৰ্ণালী দত্তই সম্বৰ্ধনা জনোৱাৰ লগতে নাজিৰাৰ সাংবাদিকসকলেও তেওঁক উষ্ম আদৰণি জনায়। উক্ত অনুষ্ঠানত সাংবাদিকসকলৰ লগত চিনা পৰিচয় হোৱাৰ পিছতে, সাংবাদিক সকলে নাজিৰা মহকুমাৰ বিভিন্ন সমস্যাৰ সন্দৰ্ভত মহকুমাধিপতি গৰাকীক অৱগত কৰে। মহকুমাধিপতি গৰাকীয়ে কয় যে— 'নাজিৰা ৰাইজৰ গঠন মূলক কাম কাজত মই নিজকে নিয়োগ কৰিম। উন্নতিৰ কোনো সীমা নাথাকে ঠিক তেনেদৰে সমস্যাৰো কোনো সীমা নাথাকে। গতিকে আমি সকলোৱেই একত্ৰিত হৈ সমস্যাৰ সমাধান কৰিবলৈ চেষ্টা কৰিব লাগিব। লগতে উন্নয়নৰ পৰিক্ৰমা আমি চলাই থাকিব লাগিব।" অনুষ্ঠানৰ শেষত মহকুমাধিপতি সব্যসাচী কাশ্যপে সাংবাদিক সকলৰ বিভিন্ন অভাৱ অভিযোগ সমূহৰ বুজ লোৱাৰ লগতে অঞ্চলটোৰ সমস্যা সমূহ সমাধান কৰাৰ ব্যৱস্থা কৰিব বুলি মত প্ৰকাশ কৰে। উক্ত সভাত উপস্থিত থাকে নাজিৰা নিৰ্বাচনী বিষয়া সুজাতা গগৈ, নাজিৰা প্ৰেছ ক্লাবৰ সংবাদকৰ্মী, নাজিৰা জিলা সাংবাদিক সন্থাৰ সংবাদকৰ্মী, শিমলুগুৰি প্ৰেছ গীল্ডৰ সংবাদকৰ্মী, মুক্ত সাংবাদিক সন্থাৰ সংবাদকৰ্মীৰ লগতে নাজিৰাৰ বিভিন্ন ৱেব পৰ্টেলসমূহৰ সংবাদকৰ্মীসকল। সাংবাদিকৰ সৈতে মত বিনিময় অনুষ্ঠান সমাপ্ত কৰিয়ে তেখেতে নগৰ পৰ্য্যায়ৰ গৃহ পৃথকীকৰণ কমিটিৰ সদস্য সকলৰ লগত আলোচনাত মিলিত হয়। তেওঁ এই আলোচনাত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে লবলগীয়া পদক্ষেপসমূহৰ বুজ লয়। কমিটিৰ সদস্যসকলক উদ্দেশ্যি তেওঁ কয় যে— 'গৃহ অৱৰুদ্ধকৰণত থকা ক'ভিড ৰোগী সকলে কোনো কাৰণতেই ঘৰৰ পৰা বাহিৰ ওলাব নোৱাৰে। যদি কোনো ৰোগী বাহিৰত ওলাই নিয়ম ভংগ কৰে তেন্তে তৎক্ষণাৎ স্থানীয় ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নাইবা আশা কৰ্মীক কমিটিৰ সদস্য সকলে অৱগত কৰিব লাগিব।" তদুপৰি তেওঁ লক্ষণ বিহীন ক'ভিড ৰোগীসকলক আছুতীয়াকৰণ কৰা হৈছে নে নাই, প্ৰয়োজনীয় সা-সুবিধা আৰু খাদ্য সামগ্ৰী যোগান ধৰা হৈছে নে নাই, নিয়মীয়াভাৱে বীজাণু মুক্তকৰণ কৰা হৈছে নে নাই, ৫০ বছৰৰ উৰ্দ্ধ ব্যক্তি সকলক চিকিৎসালয়লৈ পেৰণ কৰা হৈছে নে নাই এই সমগ্ৰ বিষয়ে তদাৰক কৰিবলৈ কমিটিৰ সদস্য সকলক নিৰ্দেশ দিয়ে। উক্ত সভাত উপস্থিত থাকে নাজিৰা নিৰ্বাচনী বিষয়া সুজাতা গগৈ, সহকাৰী আয়ুক্ত ৰাজীৱ সোণোৱাল, প্ৰীতম গগৈ, কবি কুমাৰী ৰায়, তন্ময় চেতিয়া আৰু তথ্য আৰু জনসংযোগ বিষয়া বৰ্ণালী দত্ত।

## ৰাশিফলত আজিৰ দিনটো

**১৮ জেঠ, বুধবাৰ, ২ জুন, ১৪২৮ ভাস্কৰাব্দ**
**তিথি ঃ কৃষ্ণা সপ্তমী, নক্ষত্ৰ ঃ শতভিষা, জন্ম ৰাশি ঃ কুম্ভ**
**সূৰ্যোদয়- ৪-৪১-১৪, সূৰ্যাস্ত- ৫-৫৯-৫৬**



■ **মেষ** ঃ হতাশা ভাৱ ■ **বৃষ** ঃ আত্মীয় আগমন ■ **মিথুন** ঃ মনত উৎসাহ বৃদ্ধি ■ **কৰ্কট** ঃ হঠাৎ প্ৰাপ্তি ■ **সিংহ** ঃ যশস্যা লাভ ■ **কন্যা** ঃ সম্পদ বৃদ্ধি ■ **তুলা** ঃ অযথা ব্যয় ■ **বৃশ্চিক** ঃ সম্পদ আহৰণ ■ **ধনু** ঃ মাতৃ সুখ ■ **মকৰ** ঃ উপাৰ্জন বৃদ্ধি ■ **কুম্ভ** ঃ মনোকষ্ট ■ **মীন** ঃ পদোন্নতি

# অসমৰ শ্ৰমিকৰ মেঘালয়ৰ কয়লাখনিত মৃত্যুক লৈ চাঞ্চল্য

### বকোৰ মালিবাৰী আৰু চেঙাৰ কাশিমপুৰত শোকাকুল পৰিৱেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ জুন ঃ** চুবুৰীয়া ৰাজ্য মেঘালয়ৰ কয়লা খনিত আৱদ্ধ হৈ অসমৰ শ্ৰমিকৰ মৃত্যু হোৱা ঘটনাই এক শোকৰ ছাঁ পৰিছে। জানিব পৰা মতে বিভিন্ন প্ৰান্তৰৰ লগতে কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত ১নং মালিবাৰী পথাৰ গাঁৱৰ মৰ্তুজ আলীৰ পুত্ৰ আব্দুল কৰিম(২৮) আৰু বৰপেটা জিলাৰ কাছুমাৰা আৰক্ষী থানাৰ অন্তৰ্গত কাশিমপুৰ গাঁৱৰ ইব্ৰাহীম আলীৰ পুত্ৰ আবুল কালাম(৩৩) কিছুদিন পূৰ্বে পেটৰ তাড়নাত দুয়োটা পৰিয়ালৰ মূল উপাৰ্জনকাৰী উক্ত দুগৰাকী যুৱকে কাম কৰিবলৈ গৈছিল চুবুৰীয়া ৰাজ্য মেঘালয়ত। দুৰ্ভাগ্যজনক ভাৱে যোৱা ৩০ মে তাৰিখে আন কেইবাজন শ্ৰমিকৰ সৈতে যুৱক দুগৰাকী হঠাৎ কয়লা খনিত আবদ্ধ হৈ অকাল মৃত্যুক সাবটি লয়। ঘটনা সংঘটিত হোৱাৰ পুৱতি নিশা দুয়ো খন পৰিয়ালৰ লোকে ফোন যোগে এই মৰ্মান্তিক খবৰ লাভ কৰাৰ পিছতে দুয়োখন পৰিয়ালৰ লোক সকলৰ মাজত কান্দোনৰ ৰোল উঠাৰ লগতে একপ্ৰকাৰৰ হুৱাদুৱা লাগে। এই খবৰ চাৰিও ফালে বিয়পি পৰাত দুয়োখন গাঁৱত শোকাকুল পৰিবেশৰ সৃষ্টি হয়। উল্লেখ্য যে যুৱক দুজনৰ মৃতদেহ আজিলৈকে পৰিয়ালক চমজাই নিদিয়াত পৰিয়ালসমূহৰ মাজত এক হাহাকাৰ পৰিবেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। প্ৰাপ্ত পৰিয়ালৰ অভিযোগ মতে পৰিয়াল দুটাৰ কয়লা খনিৰ মালিক আৰু মহৰিয়ে সম্প্ৰতি ন্যূনতম খা খৱৰ লোৱা নাই দুৰ্ভগীয়া পৰিয়াল দুটাৰ। দুয়োখন পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী এনে অবাঞ্চিত মৃত্যু হোৱাত পৰিয়ালৰ ভৰণ পোষণৰ দায়িত্ব দুয়োখন চৰকাক লোৱাৰ লগতে যুৱক দুজনৰ মৃতদেহ পৰিয়ালক চমজাই দিয়াৰ বাবে বিনম্ৰ অনুৰোধ জনাইছে পৰিয়ালৰ লোকসকলৰ লগতে দুয়োখন গাঁৱৰ গাঁওবাসীয়ে।

## গোহাৰি

**'আলোকপ্ৰভঞ্জন'ৰ বিশেষ শিতানৰ বাবে**

**অ**সমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দায়িত্বভাৰ লোৱাৰ পিছতেই অসমৰ বিপ্লৱী সংগঠন "সংযুক্ত মুক্তি বাহিনী অসম"ৰ মুখ্য সেনাধিনায়ক পৰেশ বৰুৱাই আলোচনাৰ বাবে সন্মতি জনাইছে! আপুনি আপোনাৰ মতামত চমুকৈ লিখি আমালৈ প্ৰেৰণ কৰক। 'দৈনন্দিন বাৰ্তা' গোষ্ঠীৰ তৰফৰ পৰা প্ৰতি সপ্তাহৰ মঙলবাৰ আৰু শুকুৰবাৰে প্ৰকাশিত 'আলোকপ্ৰভঞ্জন' নামৰ কাকতখনত আপোনাৰ মন্তব্য প্ৰকাশ পাব। **'আলোকপ্ৰভঞ্জন', জিএনবি ৰোড, চানমাৰি, গুৱাহাটী-০৩** বা aalokpravanjyan@gmail.comত প্ৰেৰণ কৰিব পাৰিব।

**বিভাগীয় সম্পাদক**



*গুৱাহাটী মহানগৰীত পৌৰ নিগমৰ কৰ্মীৰ চাফাই, মঙলবাৰে*

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
২ জুন, ২০২১ বুধবাৰ, গুৱাহাটী ১৮ জেঠ, ১৯৪৩ শক




হোজাইৰ বিভিন্ন অঞ্চলত অব্যাহত বন্যহস্তীৰ উপদ্ৰৱ

# নিশা হ'লেই প্ৰৱেশ কৰি চলায় তাণ্ডৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই ১ জুন ঃ** হোজাই চহৰৰ দাঁতিকাষৰীয়া বিভিন্ন অঞ্চলসমূহত বন্যহস্তীবোৰে আতংক চলোৱাতো নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। খাদ্যৰ সন্ধানত বন্য হস্তীবোৰে জনাঞ্চললৈ প্ৰৱেশ কৰি একপ্ৰকাৰৰ ত্ৰাসৰ সৃষ্টি কৰিছে। ফলত বিনীদ্ৰ ৰজনী কটাবলগীয়া হৈছে অঞ্চলবাসীয়ে। সোমবাৰৰ নিশা হোজাইৰ দাঁতিকাষৰীয়া উত্তৰ কোমোৰাকটা আৰু থেপাগুৰি গাঁৱত চলালে উপদ্ৰৱ। নিশা এটা বন্যহস্তীয়ে উত্তৰ কোমোৰাকটা গাঁৱৰ মঞ্জু হাচাম ফুৰাৰ পাকঘৰৰ বেৰ ভাঙি চাউল খাই তহিলং কৰে। অন্যহাতে বৃহৎ এটা বন্যহস্তীৰ জাকে ঠেঁপ্লাগুৰি জনজাতি প্ৰাথমিক বিদ্যালয়ৰ পকী দেৱাল ভাঙি খাদ্যৰ সন্ধান কৰে যদিও চুবুৰীয়া স্থানীয় লোকসকলৰ তৎপৰতাত বিদ্যালয়ৰ কোনো বৃহৎ ক্ষতি নোহোৱাকৈ খেদি পঠিয়াবলৈ সক্ষম হয়। ইফালে একেখন গাঁওতেই জিতেন ৰয়ৰ ঘৰ ভঙাৰ উপৰি ধান খাই বিস্তৰ ক্ষতি কৰে। খাদ্যৰ সন্ধানত অঞ্চলটোত বন্যহস্তীবোৰে ঠেঁপ্লাগুৰি আৰু কোমোৰাকটা অঞ্চলত ওৰেনিশা তাণ্ডৱ চলাই বাৰীৰ কল, তামোল, বাঁহজাৰৰ পাত আদি খাই তহিলং কৰাৰ লগতে বিনষ্ট কৰে। উল্লেখ্য, বিগত প্ৰায় দুমাহৰ পৰা নিতৌ বন্যহস্তীবোৰে হোজাইৰ দাঁতিকাষৰীয়া বিভিন্ন অঞ্চলসমূহত খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰি ত্ৰাসৰ সৃষ্টি কৰি আহিছে। অঞ্চলসমূহত সম্প্ৰতি নিশা হ'লেই বন্যহস্তীৰ উপদ্ৰৱ চলি থকাৰ ফলত উজাগৰে নিশা কটাবলগীয়া হৈছে অঞ্চলবাসী। নিশা বন বিভাগৰ লোকসকলে কিছু কিছু অঞ্চলত পহৰা দিয়ে যদিও বন্যহস্তীৰ উপদ্ৰৱ কমোৱাত সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। ভুক্তভোগী লোকসকলে এনে সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ জৰুৰীকালীনভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ তথা বিভাগক কাতৰ অনুৰোধ জনোৱাৰ উপৰি একাংশ সচেতন ব্যক্তিয়ে দীৰ্ঘম্যাদী আঁচনিৰ জৰিয়তে স্থায়ী সমাধান কৰিবলৈ আহ্বান জনায়।

বাক্সা জিলাৰ মুছলপুৰত বিটিচিপ্ৰধান প্ৰমোদ বড়ো

# শীঘ্ৰে সমাধান কৰা হ'ব ১৯৯৯ত নিযুক্ত শিক্ষকৰ সমস্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ১ জুন ঃ** বাক্সা জিলাৰ বিভিন্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ লগতে সংযোজিতকৰণ হাইস্কুলত কৰ্মৰত ১৯৯৯চনত নিযুক্ত সহকাৰী শিক্ষকৰ চাকৰিৰ সমস্যা শীঘ্ৰে সমাধান কৰা হ'ব। এই সন্দৰ্ভত অতি সোনকালে এটা সিদ্ধান্ত লোৱা হ'ব। এই সংখ্যক শিক্ষকৰ চাকৰি সন্দৰ্ভত মাননীয় উচ্চ ন্যায়ালয়ৰ পৰা শেহতীয়াভাৱে যি নিৰ্দ্দেশনা আহিছে তাক আমি চোৱাচিতা কৰি আছো। পুনৰীক্ষণ কৰি আছো। কোন শিক্ষকে কাম কৰি আছে, কোন শিক্ষকে কাম কৰি থকা নাই বা শিক্ষকতা কৰিবলৈ তেওঁৰ শক্তি বা উপযুক্ততা আছে নে নাই সেইবোৰ আমি চাই আছো। বাক্সা জিলাৰ সদৰ মুছলপুৰত বিটিচি প্ৰধান প্ৰমোদ বড়োৱে আজি জিলা উপায়ুক্তৰ সভাকক্ষত এক গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হোৱাৰ পাছত সাংবাদিকৰ আগত এনেদৰে কয়। প্ৰকাশ যে বিত্ত বিভাগৰ অনুমোদন থকা সত্বেও বাক্সাত ১৯৯৯ চনত নিযুক্ত প্ৰায় বাৰশ নিয়মীয়া শিক্ষকে আজি ছয় বছৰ ধৰি দৰমহা পোৱা নাই । বাক্সা জিলাৰ অভিভাৱক মন্ত্ৰী ইউ জি ব্ৰহ্ম, সাংসদ নব কুমাৰ শৰণীয়া, বিটিআৰৰ কাৰ্যবাহী সদস্য, সাধাৰণ সদস্য, বিধায়কসকল উপস্থিত থকা এই বৈঠকত অৰুণোদয় আৰু স্বয়ম আঁচনি ৰূপায়ণৰ বিভিন্ন দিশ সন্দৰ্ভতো আলোচনা কৰে। অহা দহ জুনৰ ভিতৰত হিতাধিকাৰীৰ নাম পঠোৱা হ'ব বুলিও কয়। লগতে স্বয়ম আঁচনি ৰূপায়ণৰ বাবে পৰিকল্পনা কৰা হৈছে বুলি কয়। অৱশ্যে অৰুণোদয় আঁচনিৰ নামত যদি কোনোবাই দহ টকাও লৈছে তেন্তে অভিযোগ পালে ব্যৱস্থা লোৱা হ'ব বুলি প্ৰকাশ কৰে। আজিৰ সভাত জিলাখনৰ ৰাস্তা-ঘাট, মথাউৰি নিৰ্মাণৰ লগতে স্কুল-কলেজৰ সমস্যা সমাধান কৰাৰ কাৰণেও আলোচনা হোৱা বুলি কয়। পোন্ধৰ জুনৰ পাছত এই সন্দৰ্ভত বিতং আলোচনা কৰা হ'ব বুলি কৈ সমস্যা সমাধানৰ কাৰণে বিটিচি চৰকাৰে দায়িত্ব পালন কৰিব বুলিও কয়। লগতে টেট উত্তীৰ্ণসকলকো বিভিন্ন প্ৰক্ৰিয়াৰ মাজেৰে নিযুক্তি দিব বুলিও বিটিচিপ্ৰধান বড়োৱে উল্লেখ কৰে।

# গোসাঁইগাঁৱৰ বুঢ়ীচাটামত আৰক্ষীয়ে কবৰ খান্দি উলিয়ালে এগৰাকী মহিলাৰ মৃতদেহ

**হত্যাৰ অভিযোগত গ্ৰেপ্তাৰ স্বামীক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১ জুন ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ সাপকাটা আৰক্ষী চকীৰ অন্তৰ্গত দুই নম্বৰ বুঢ়ীচাটাম গাঁৱত সংঘটিত হোৱা এক ৰহস্যজনক মৃত্যুক লৈ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। দুদিন পূৰ্বে আত্মহত্যা কৰি মৃত্যু হোৱা বুলি মহিলা এগৰাকীৰ মৃতদেহ আৰক্ষীক নজনাই কবৰস্থ কৰাৰ পাছত আজি আৰক্ষীয়ে কবৰ খান্দি মৃতদেহ উলিয়াই মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰাৰ লগতে উক্ত ঘটনাৰ লগত জড়িত তিনিজনক আটক কৰে। জানিব পৰা মতে গাঁওখনৰ বাসিন্দা মগৰৰ আলীৰ পুত্ৰ ৰহিমউদ্দিন শ্বেখ (৩৫)ৰ পত্নী ছাহিদা বিবি (২৮) য়ে ২৮ মে' নিশা নিজ গৃহতে বিহপান কৰি আত্মহত্যা কৰে বুলি স্বামী আৰু পৰিয়ালৰ লোকে দাবী কৰে। নিয়ম মতে আত্মহত্যা কৰিলে বিষয়টো আৰক্ষীক জনাব লাগে, কিন্তু গাঁৱৰ একাংশ ৰাইজৰ পৰামৰ্শমতে পিছদিনা মৃতদেহটো গাঁৱৰ একাংশ ৰাইজক লৈ কবৰস্থ কৰাৰ দুদিন পাছত সাপকাটা আৰক্ষীয়ে উক্ত মহিলাগৰাকীক হত্যা কৰা হৈছে বুলি অভিযোগ পাই



আজি কাৰ্যবাহী দণ্ডাধীশৰ উপস্থিতিত কবৰ খান্দি মৃতদেহ উলিয়াই মৰণোত্তৰ পৰীক্ষাৰ বাবে কোকৰাঝাৰলৈ প্ৰেৰণ কৰি সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে ৰহিমউদ্দিন শ্বেখে প্ৰায় ১৫/১৬ বছৰ পূৰ্বে ধুবুৰী জিলাৰ কামানডাংগা গাঁও নিবাসী শাৰীৰিকভাৱে বিশেষভাৱে সক্ষম ছাহিদা নামৰ যুৱতীগৰাকীক বিবাহ কৰি সংসাৰ পাতি ইতিমধ্যে তিনিটা সন্তানৰ জন্ম দিয়ে। কিন্তু যোৱা তিনি বছৰ ধৰি ছাহিদা বিবিয়ে জটিল ৰোগত আক্ৰান্ত হৈ শয্যাগত হৈ পৰে। সৰু-সুৰা ব্যৱসায় কৰি জীৱিকানিৰ্বাহ কৰা ৰহিমউদ্দিনে পত্নীৰ ব্যয়বহুল চিকিৎসা কৰাত অপাৰগ হৈ পৰাত ক্ৰমে মহিলাগৰাকীৰ অৱস্থা জটিল হৈ পৰে। এনে পৰিস্থিতিত মহিলাগৰাকীয়ে ২৮তাৰিখে নিশা বিহপান কৰি আত্মহত্যা কৰে বুলি পৰিয়ালৰ সূত্ৰত প্ৰকাশ। কিন্তু আত্মহত্যাৰ ঘটনাটো মৃতকৰ পৰিয়ালে মানি ল'ব পৰা নাই। এয়া পূৰ্বপৰিকল্পিত হত্যাকাণ্ড বুলি অভিযোগ কৰি মৃতকৰ আত্মীয় এজনে সাপকাটা আৰক্ষী চকীত গোচৰ তৰাত সাপকাটা আৰক্ষী চকীৰ আৰক্ষীয়ে ঘটনাস্থলীত আহি আজি কবৰ খান্দি মৃতদেহটো উলিয়াই মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰে। ঘটনাৰ সংক্ৰান্তত গাঁওখনৰে বাসিন্দা ছায়াদ আলী, ময়নাল হকক আৰক্ষীয়ে সোধপোছৰ বাবে আটক কৰে আৰু মৃতকৰ স্বামী ৰহিমউদ্দিন শ্বেখক গ্ৰেপ্তাৰ কৰে। উক্ত ঘটনাক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক চাঞ্চল্যৰ সৃষ্টি হোৱাৰ লগতে পিতৃক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি লৈ যোৱাৰ পাছত সদ্য মাতৃহাৰা সন্তান তিনিটাৰ অৱস্থা অধিক শোচনীয় হৈ পৰিছে।

ছয়গাঁৱৰ হাতীপাৰাত চোৰাং কাঠৰ বিৰুদ্ধে বন বিভাগৰ অভিযান

# কাঠফলা মেচিনসহ লক্ষাধিক টকাৰ চোৰাং শালকাঠ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ১ জুন ঃ** বন মাফিয়াৰ হাতোৱাত বন্দী হোৱা পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্যালয়ৰ অধীনস্থ সংৰক্ষিত বনাঞ্চলসমূহ উছন হোৱাৰ পথত। দীৰ্ঘদিন ধৰি ইয়াৰ মূল্যবান বনজ সম্পদৰ লগতে মূল্যবান গছ-গছনিসমূহ বন মাফিয়া তথা চোৰাং ব্যৱসায়ীয়ে এফালৰ পৰা চলাই গৈছে ধ্বংসযজ্ঞ। বনজ সম্পদৰ এই ধ্বংসলীলা অব্যাহত থকাৰ মাজতে পশ্চিম কামৰূপ বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত একাংশ বনাঞ্চলিকৰ এচাম নিষ্ঠাৱান বন বিষয়া আৰু বনকৰ্মীয়ে এই ধ্বংসযজ্ঞ ৰুধিবলৈ অব্যাহত ৰাখিছে প্ৰচেষ্টা। এনে প্ৰচেষ্টা অব্যাহত ৰখাৰ মাজতে বকোস্থিত শিংৰা বনাঞ্চলিক বিষয়া আব্দুল ৰৌফ আহমেদে দিনে-নিশাই চোৰাং কাঠ ব্যৱসায়ীৰ বিৰুদ্ধে চলাইছে ধাৰাবাহিক অভিযান। তাৰে অংশ হিচাপে কামৰূপ জিলাৰ ছয়গাঁও সমষ্টিৰ গৰৈমাৰীৰ হাতীপাৰাত সোমবাৰে বন বিষয়াগৰাকীৰ নেতৃত্বত বন বিভাগে চলায় এক সফল অভিযান। এক গোপন সূত্ৰ পম খেদি চলোৱা এই অভিযানত বনৰক্ষীৰ দলটোৱে হাতীপাৰা গাঁৱৰ নুৰুল আলী নামৰ লোক এজনে নিজ ঘৰত দীৰ্ঘদিন ধৰি অবৈধভাৱে চলাই থকা এটা অবৈধ কাঠফলা মিল আৰু বৃহৎ পৰিমাণৰ শালকাঠৰ কুণ্ডা জব্দ কৰিবলৈ সক্ষম হয়। জব্দ হোৱা শাল কাঠখিনিৰ মূল্য প্ৰায় এক লাখ টকা হ'ব বুলি বন বিভাগৰ সূত্ৰে জানিব পৰা গৈছে। পিছত জব্দকৃত মেচিন আৰু কাঠসমূহ বন বিভাগে বকো বনাঞ্চলিক কাৰ্যালয়লৈ লৈ যায়। অৱশ্যে এই অভিযানকালত বনৰক্ষী বাহিনীয়ে কোনো লোকক আটক কৰিবলৈ সক্ষম হোৱা নাই।

# যুৱকৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি মাজুলীৰ পমুৱা গাঁৱত উত্তপ্ত পৰিস্থিতি

**যুৱকজনক হত্যা কৰাৰ সন্দেহ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১ জুন ঃ** মাজুলীৰ গড়মূৰ আৰক্ষী থানাৰ অন্তৰ্গত পমুৱা গাঁৱৰ এগৰাকী যুৱকৰ ৰহস্যজনক মৃত্যুক কেন্দ্ৰ কৰি আজি গাঁওখনত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জিতুল ঙাটে নামৰ এজন যুৱকৰ মৃত্যুক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তেজনাক লৈ গাঁওখনত আজি আৰক্ষী আৰু চি আৰ পি এফ বাহিনী মোতায়ন কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। গাঁওবাসীৰ মতে গাঁওখনৰ এগৰাকী মহিলাক কেন্দ্ৰ কৰি জিতুল ঙাটে আৰু গৰিয়া নামৰ এজন যুৱকৰ মাজত প্ৰথমে কাজিয়াৰ সূত্ৰপাত হয়। ইয়াৰ পিছতে মহিলাগৰাকী আৰু গৰিয়া নামৰ যুৱকজনে মিলি জিতুল ঙাটেক বিহ খুৱাই হত্যা কৰাৰ অভিযোগ উত্থাপন কৰিছে পমুৱা গাঁওবাসীয়ে। যুৱকজনৰ মৃত্যুৰ খবৰ পোৱাৰ পিছতেই উক্ত মহিলাগৰাকীক গাঁওখনৰ পৰা খেদি পঠাবলৈ গাঁওখনৰ পুৰুষ-মহিলা সকলো ওলাই আহে। পৰিস্থিতিৰ অৱনতি ঘটাৰ ফলত ততাতৈয়াকৈ গাঁওখনত আৰক্ষী আৰু চি আৰ পি এফ বাহিনী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ চেষ্টা চলায়। আৰক্ষীৰ সৈতে গাঁৱৰ উত্তেজিত মহিলাৰ মাজত হতাহতি পৰ্যন্ত হয়। পিছত গড়মূৰ আৰক্ষীয়ে গাঁওখনৰ পৰা সুনীল পাহাদী, গৰিয়া পাহাদী, গতিৰাম ঙাটে আৰু চেনাই পাহাদী নামৰ এগৰাকী মহিলাসহ মুঠ চাৰিগৰাকীক গ্ৰেপ্তাৰ কৰে। গাঁওবাসীয়ে ঘটনাটোৰ সন্দৰ্ভত উচিত তদন্তৰ দাবী তুলি দোষীক দৃষ্টান্তমূলক শাস্তি দিয়াৰ দাবী তুলিছে।

# বিশ্বনাথত পত্নী হত্যাৰ অভিযোগত ৰেব প'ৰ্টেলৰ সাংবাদিকক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথ, ১ জুন ঃ** বিশ্বনাথ চাৰিআলিত নিজ পত্নীৰ গাত কেৰাচিন ঢালি অগ্নিসংযোগ কৰি পত্নীক হত্যা কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হ'ল বিশ্বনাথ চাৰিআলিৰ গোপাল খনাল নামৰ এজন শিল্পী-সাংবাদিক। ঘটনাৰ বিৱৰণি মতে দীৰ্ঘদিন ধৰি নিজৰ পত্নীৰ ওপৰত শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলাই অহাৰ অভিযোগ উঠিছে গোপাল খনাল আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে। পৰকীয়া প্ৰেমৰ বাবে দুয়োৰে মাজত দীৰ্ঘদিন ধৰি হৈ আহিছিল কাজিয়াৰ সূত্ৰপাত। প্ৰায়েই নিজৰ পত্নীক মাৰধৰ কৰিছিল গোপালে। ঘটনা অনুসৰি যোৱা ২৯মে' তাৰিখে নিশা গোপাল খনালৰ গৃহৰ বাথৰুমত অগ্নিদগ্ধ হয় ৰীতা খনাল নামৰ মহিলাগৰাকী। ঘটনা সংঘটিত হোৱাৰ লগে লগে স্থানীয় ৰাইজ উপস্থিত হৈ মহিলাগৰাকীক বচোৱাৰ চেষ্টা কৰে যদিও স্বামীৰ লগতে পৰিয়ালৰ কোনো নাহিল আগবাঢ়ি। আনকি স্থানীয় ৰাইজৰ তৎপৰতাতহে অগ্নিদগ্ধ মহিলা গৰাকীক লৈ যোৱা হয় চিকিৎসালয়লৈ। শৰীৰৰ ৯০% জ্বলি যোৱা ৰীতা খনালক নিশাই ততাতৈয়াকৈ তেজপুৰ মেডিকেল কলেজলৈ প্ৰেৰণ কৰা হয় উন্নত চিকিৎসাৰ বাবে। অৱস্থা অতি সংকটজনক হৈ পৰাৰ বাবে ৩০ মে'ৰ দিনা চিকিৎসকে গুৱাহাটী মেডিকেল কলেজলৈ প্ৰেৰণ কৰে ৰীতাক আৰু গুৱাহাটীলৈ নিয়াৰ পথতে মৃত্যু হয় মহিলাগৰাকীৰ । ইয়াৰ পিছতে সোমবাৰে মৰণোত্তৰ পৰীক্ষা সম্পন্ন হোৱাৰ পিছত বিশ্বনাথ চাৰিআলিলৈ মহিলাগৰাকীৰ মৃতদেহ লৈ অহাৰ পিছতে বিশ্বনাথ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে গোপাল খনালক। ৰীতা খনালৰ পিতৃ গৃহৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে গোপালক। পৰিয়ালৰ অভিযোগ অনুসৰি স্বামী গোপাল আৰু স্বামীৰ পৰিয়ালে মিলি হত্যা কৰিছে ৰীতাক। উল্লেখ্য যে ১৫ বছৰ পূৰ্বে প্ৰেমসূত্ৰে বিবাহপাশত আবদ্ধ হোৱা বিশ্বনাথ চাৰিআলিৰ পানীভঁৰাল গাঁৱৰ গোপাল আৰু চতিয়াৰ বোকাবিল গাঁৱৰ ৰীতাৰ আছে আছে দুটি সন্তান। আনহাতে গোপাল খনাল নেপালী জনগোষ্ঠীৰ এজন কণ্ঠশিল্পী আৰু এটা ৰেবপ'ৰ্টেলৰ বিশ্বনাথ চাৰিআলিৰ সংবাদদাতা। ইতিমধ্যে মৃত মহিলাগৰাকীৰ পৰিয়ালৰ এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে গোপালক। সমগ্ৰ ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।

ছয়গাঁৱত শোকৰ ছাঁ

# বিবাহিত মহিলাৰ ৰহস্যজনক আত্মহত্যা

**স্বামীক গ্ৰেপ্তাৰ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ১ জুন ঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত ঢেকেনাবড়ি ৰাজহ গাঁৱত কালি এক ৰহস্যজনকভাৱে বোৱাৰীয়ে ডিঙিত চিপ লৈ আত্মহত্যা কৰাৰ ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে ডেৰ বছৰ পূৰ্বে শুৱালকুছিৰ ৰুমী ডেকাৰ লগত ঢেকেনাবড়িৰ মনোজ চৌধুৰীয়ে সামাজিকভাৱে বিবাহপাশত আৱদ্ধ হয়। বিয়াৰ পিছৰে পৰা স্বামী মনোজে ভনীয়েক প্ৰতিভা দাসৰ লগ হৈ ৰুমীক শাৰীৰিক-মানসিক অত্যাচাৰ কৰিবলৈ ধৰে। ইয়াৰ সমস্ত ঘটনা ৰুমীয়ে পৰিয়ালৰ লোকক অৱগত কৰি কালি নিজৰে স্নানাগাৰত চিপ লৈ আত্মহত্যা কৰে। ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে অঞ্চলটো লোকে লোকাৰণ্য হৈ পৰে আৰু ছয়গাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ স্বামী মনোজক আটক কৰি থানালৈ লৈ যায়। ৰুমীৰ পৰিয়ালৰ লোকে এই মুহূৰ্তত মনোজ চৌধুৰী আৰু ভনীয়েক প্ৰতিভাৰ ওপৰত ছয়গাঁও থানাত এখন এজাহাৰ দাখিল কৰি দুয়োজনকে উচিত শাস্তি বিহিবলৈ দাবী উত্থাপন কৰিছে আৰু সেই মৰ্মে আৰক্ষীয়ে এক গোচৰ ৰুজু কৰি বৰ্তমানেও তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে ৰুমীৰ চাৰিমহীয়া এটি কন্যা সন্তান থকাত সন্তানটি শিশু গৃহলৈ স্থানান্তৰ কৰিছে আৰু এনেধৰণৰ ঘটনা পুনৰ সংঘটিত নোহোৱাৰ বাবে উপস্থিত ৰাইজে এক উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰিছে।


প্ৰ-পত্ৰ ঃ ক

ৰাজহুৱা ঘোষণা

(ইনচলভেন্সি এণ্ড বেংকৰাপ্তি ব'ৰ্ড অৱ ইণ্ডিয়া (ইনচলভেন্সি ৰিজ'লিউচন প্ৰচেছ ফৰ কৰ্পৰেট পাৰ্চনছ) ৰেগুলেচনছ-২০১৬) অধীনস্থ বিধি-৬ অনুসৰি

চিটিলাইফ ৰিটেইল প্ৰাইভেট লিমিটেডৰ পাওনাদাৰসকলৰ জ্ঞাতাৰ্থে

প্ৰাসংগিক বিৱৰণ

| | | |
|---|---|---|
| ১ | কৰ্পৰেট ঋণ লওতাৰ নাম | চিটিলাইফ ৰিটেইল প্ৰাইভেট লিমিটেড |
| ২ | ঋণ গ্ৰাহ্য হোৱাৰ তাৰিখ | ১৭/১০/২০০৬ |
| ৩ | কৰ্পৰেট ঋণ গ্ৰাহ্য/ পঞ্জীয়ন কৰাৰ কৰ্তৃত্ববাহী পক্ষ | আৰ অ' চি-কলকাতা |
| ৪ | কৰ্পৰেট ঋনীৰ কৰ্পৰেট আইডেনটিটি নং/ লিমিটেড লাইবেলিটি আইডেন্টিটি নং | U52100WB2006PTC111555 |
| ৫ | কৰ্পৰেট ঋনীৰ পঞ্জীয়ন কাৰ্যালয় আৰু প্ৰধান কাৰ্যালয়ৰ ঠিকনা | কেএমচি চৌহদ নং ১৪, কংগ্ৰেছ এক্সিভিছন ৰোড, কলকাতা-৭০০০১৭, পশ্চিমবংগ |
| ৬ | কৰ্পৰেট ঋণ লওতাৰ দেউলিয়া হিচাপে ঘোষণা কৰাৰ তাৰিখ | ৩১ মে' ২০২১ |
| ৭ | দেউলিয়া প্ৰস্তাৱৰ ফলত বন্ধৰ আনুমানিক তাৰিখ | ২৬ নৱেম্বৰ ২০২১ |
| ৮ | আভ্যন্তৰীণ ৰিজলিউচন প্ৰফেচনেল হিচাপে কাৰ্যনিৰ্বাহ কৰা ইনচলভেন্সি প্ৰফেচনেলৰ নাম আৰু ঠিকনা | অনিল চাৰাউগী, পঞ্জীয়ন নং-IBBI/IPA-001-IP-P01320/2018-2019/12009 |
| ৯ | ব'ৰ্ডত পঞ্জীয়ন হোৱাৰ দৰে আভ্যন্তৰীণ ৰিজলিউচন প্ৰফেচনেলৰ ঠিকনা আৰু ই-মেইল | পি-১ হাইডলেন, সপ্তম মহলা, চুইট-৭ বি, কলকাতা-৭০০০৭৩, পশ্চিমবংগ, ই-মেইল ঃ anneelsaraogi@gmail.com |
| ১০ | আভ্যন্তৰীণ ৰিজলিউচন প্ৰফেচনেলৰ সৈতে যোগাযোগৰ বাবে আৱশ্যকীয় ঠিকনা আৰু ই-মেইল | অনিল চাৰউগী, মাৰফৎ ক্লাছ ইনচলভেন্সি ৰিজলিউচন প্ৰফেচনেল প্ৰাইভেট লিমিটেড, ২/৭ শৰৎ বসু ৰোড, বসুন্ধৰা এপাৰ্টমেণ্ট, দ্বিতীয় মহলা, কলকাতা-৭০০০২০, পশ্চিমবংগ, ই-মেইল ঃ cirp.citylife@gmail.com |
| ১১ | দাবী-আপত্তি দাখিলৰ শেষ তাৰিখ | ১৪ জুন ২০২১ |
| ১২ | আভ্যন্তৰীণ ৰিজলিউচন প্ৰফেচনেলে নিৰ্ধাৰণ কৰা পাওনাদাৰৰ শাখা, যদিহে আছে, ক্লজ-বি, উপ-বিধি-৬ এ আৰু বিধি-২১ ৰ অধীনত | প্ৰযোজ্য নহয় |
| ১৩ | পাওনাদাৰৰ কৰ্তৃত্বশীল প্ৰতিনিধি হিচাপে কাম কৰিবলৈ ইনচলভেন্সি প্ৰফেচনেলৰ পৰিচয়ৰ বাবে দাখিল কৰিব লগা নাম (প্ৰতিটো শাখাৰ বাবে তিনিজনকৈ) | প্ৰযোজ্য নহয় |
| ১৪ | (ক) প্ৰাসংগিক প্ৰ-পত্ৰসমূহ আৰু<br>(খ) কৰ্তৃত্বশীল প্ৰতিনিধিসকলৰ সবিশেষ তথ্য | Web link : https://ibbi.gov.in/home/downloads<br>অন্য ঠিকনা প্ৰযোজ্য নহয় |

এই জাননীৰ জৰিয়তে অৱগত কৰা হ'ল যে নেশ্যনেল কোম্পানী ল ট্ৰিবিউনেলে ইতিমধ্যে নিৰ্দেশ জাৰি কৰিছে যে চিটিলাইফ ৰিটেইল প্ৰাইভেট লিমিটেডক দেউলীয়া হিচাপে ঘোষণা কৰি ৩১.০৫.২০২১ তাৰিখৰ পৰা প্ৰযোজ্য কৰিব লাগে।
চিটিলাইফ ৰিটেইল প্ৰাইভেট লিমিটেডৰ পাওনাদাৰসকলক ইয়াৰ জৰিয়তে আহ্বান জনোৱা হ'ল- যাতে তেওঁলোকে নিজৰ দাবীসমূহ উপযুক্ত নথি-পত্ৰসহ অহা ১৪.০৬.২০২১ তাৰিখ বা তাৰ পূৰ্বে আভ্যন্তৰীণ ৰিজলিউচন প্ৰফেচনেলৰ ওপৰত ১০ নং শাৰীত উল্লেখ কৰা ঠিকনালৈ প্ৰেৰণ কৰে।
বিত্তীয় পাওনাদাৰসকলে নিজৰ দাবীসমূহ উপযুক্ত নথিসহ ইলেক্ট্ৰনিক মাধ্যমেৰে দাখিল কৰিব পাৰিব। অন্যান্য পাওনাদাৰসকলে নিজৰ দাবী বা আপত্তি দাখিল কৰিব পাৰিব উপযুক্ত নথিসহ ডাকঘৰৰ জৰিয়তে বা ইলেক্ট্ৰনিক মাধ্যমেৰে।
বিত্তীয় পাওনাদাৰ যিসকল ওপৰৰ ক্ৰমিক নম্বৰ ১২ ত উল্লেখ কৰা ধৰণেৰে শাখা ভিত্তিত তালিকাভুক্ত হৈ আছে, ইয়াৰ দ্বাৰা তেওঁলোকক কৰ্তৃত্বশীল প্ৰতিনিধিয়ে চিনাক্ত কৰাৰ ইংগিত দিয়া হৈছে তিনিজনৰ দ্বাৰা, ইনচলভেন্সি প্ৰফেচনেলে ওপৰৰ ক্ৰমিক নং ১৩ ত উল্লেখ কৰা ধৰণে তালিকাভুক্ত কৰাসকলৰ জৰিয়তে।
অসত্য তথ্য বা নথি আৰু ভিত্তিহীন দাবী আদি উত্থাপন কৰিলে আইনমতে দণ্ডনীয় হ'ব।

তাৰিখ ঃ ০২.০৬.২০২১
স্থান ঃ কলকাতা

স্বাক্ষৰ/- অনিল চাৰাউগী
ইন্টেৰিম ৰিজলিউচন প্ৰফেচনেল
পঞ্জীয়ন নং-IBBI/IPA-001-IP-P01320/2018-2019/12009


**কৰ'না মহামাৰীৰ দিনতো নগাঁও জিলা মীন বিভাগৰ নিৰলস প্ৰচেষ্টা**

# আবিষ্ট প্ৰজনন পদ্ধতিৰে চিতল মাছৰ পোনা উৎপাদন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১ জুন ঃ** কৰ'না মহামাৰীৰ কালতো চিতল মাছৰ পোনা উৎপাদনৰ বাবে ব্যস্ত হৈ পৰিছে নগাঁৱৰ মীন বিভাগ । কালি ৩১মে'ত অসম চৰকাৰৰ মীন বিভাগৰ অধীনৰ নগাঁও জিলা মীন বিভাগৰ ৰহাস্থিত বুৰঞ্জীপ্ৰসিদ্ধ জোঙালবলহু গড় মীন পামত আবিষ্ট প্ৰজনন পদ্ধতিৰে চিতল মাছৰ পোনা উৎপাদনৰ ব্যৱস্থা কৰা হয়। উল্লেখযোগ্য যে এতিয়ালৈকে বিজ্ঞানসন্মতভাৱে চিতল মাছৰ পোনা উৎপাদন পদ্ধতি মীনপালকৰ ক্ষেত্ৰত সম্ভৱপৰ হৈ উঠা নাই আৰু চৰকাৰৰ ক্ষেত্ৰতো এই পদ্ধতি সহজলভ্য হোৱা নাই। আবিষ্ট প্ৰজনন পদ্ধতিৰে চিতল মাছৰ কণী ফুটুৱাৰ পৰা পোৱালি ডাঙৰ কৰালৈকে সমগ্ৰ প্ৰক্ৰিয়াটো অত্যন্ত জটিল আৰু কষ্টকৰ ।এই সকলো প্ৰত্যাহ্বান আগত ৰাখি কালি নগাঁও জিলা মীন বিভাগৰ উদ্যোগত 'আবিষ্ট প্ৰজননৰ জৰিয়তে চিতল মাছৰ পোনা উৎপাদন' শীৰ্ষক এক ক্ষন্তেকীয়া অনুষ্ঠানৰ আয়োজন কৰা হয় ।নগাঁও জিলাৰ জিলা উন্নয়ন আয়ুক্ত হেমন্ত ভূঞাই এই কাৰ্যৰ শুভ উদ্বোধন



কৰি মীন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ এই প্ৰচেষ্টাক আন্তৰিকতাৰে অভিনন্দন জনোৱাৰ লগতে ভৱিষ্যতে চিতল মাছৰ পোনা মীনপালকৰ মাজত সহজলভ্য হ'ব বুলি আশা প্ৰকাশ কৰে। নগাঁও জিলাৰ অগ্ৰণী মীনপালক ছৰিকুল ইছলামে প্ৰথমটো মাছক বেজি দিয়া কাৰ্য সম্পাদন কৰে। অনুষ্ঠানটোত নগাঁও জিলাৰ সহকাৰী উপায়ুক্তদ্বয় উদয়াদিত্য গগৈ, দেৱাহুতি বৰা, ৰহা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ডাঃ প্ৰিয়ংকা বণিয়া, ভাৰতীয় ষ্টেট বেংকৰ কেন্দ্ৰীয় মেনেজাৰ ৰণজিৎ কুমাৰ দত্ত আৰু ৰহা মীন মহাবিদ্যালয়ৰ প্ৰবক্তা কৌস্তৱ ভাগৱতী উপস্থিত থাকে ।প্ৰতিটো মাইকী মাছৰ বিপৰীতে দুটা মতা মাছক বেজি দিয়াৰ লগতে মুঠ ৯টা মাছৰ প্ৰজনন ঘটোৱা হয়। ভাৰতীয় ষ্টেট বেংকৰ ক্ষেত্ৰীয় মেনেজাৰ দত্তই মীন বিভাগৰ এনেকুৱা অগতানুগতিক চিন্তাধাৰাক ভূয়সী প্ৰশংসা কৰাৰ লগতে স্থানীয় মীনপালকে চিতল মাছৰ খেতি কৰিলে আৰ্থিকভাৱে সহায়ৰ হাত আগবঢ়াবলৈ ভাৰতীয় ষ্টেট বেংক প্ৰস্তুত বুলি আশ্বাস দিয়ে ।নগাঁও জিলাৰ মীন উন্নয়ন বিষয়া ডাঃ ৰমেন চন্দ্ৰ বৰ্মনে অসম তথা উত্তৰ-পূবাঞ্চলত চিতল মাছৰ পোনা সহজলভ্য কৰাৰ চেষ্টা অব্যাহত ৰাখিব বুলি জনায় ।লগতে ডাঃ বৰ্মনে জোঙালবলহু মীন পামক এখন সৰ্বাঙ্গসুন্দৰ আৰু জাকতজিলিকা মীন পাম হিচাপে গঢ়ি তুলিবলৈ মানসিকতাৰে প্ৰতিদিনে প্ৰতিটো কাৰ্য সম্পাদন কৰি ক'ভিড মহামাৰীৰ দিনতো লাগি আছে বুলি মন্তব্য কৰে।


Affordable Health Mission
GNRC
Quality • Value • Trust



Stay Safe, Stay Healthy

0361 23203 02

0361 23203 03

GNRC COVID-CARE CALL CENTRE


# শিৱসাগৰৰ উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী, বিধায়ক অখিল গগৈলৈ স্মাৰক-পত্ৰ প্ৰদান বীৰ লাচিত সেনাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১ জুনঃ** আজি শিৱসাগৰ জিলাৰ উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈলৈ স্মাৰক-পত্ৰ প্ৰদান কৰে বীৰ লাচিত সেনাৰ শিৱসাগৰ জিলা সমিতিয়ে। সংগঠনটোৱে শিৱসাগৰ সমষ্টিৰ বিভিন্ন সমস্যাসমূহৰ সঠিক সমাধান বিচাৰি এই দাবীসমূহ স্মাৰক-পত্ৰৰ জৰিয়তে জিলা উপায়ুক্ত গৰাকীক প্ৰদান কৰে। দাবীসমূহ হৈছে— ১) বিগত সময়ত বীৰ লাচিত সেনাকে ধৰি শিৱসাগৰবাসী ৰাইজে দাবী কৰি অহা শিৱসাগৰত এখন আইন মহাবিদ্যালয় স্থাপন কৰা, ২) শিৱসাগৰত থকা প্ৰতিটো প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধন কৰি শিৱসাগৰক এখন পৰ্যটননগৰী হিচাপে গঢ়ি তোলা, ৩) বিগত ১১বছৰৰ আগতেই মাত্ৰ আধাৰশিলা স্থাপন কৰি কাম সমাপ্ত কৰা ৰাজীৱ গান্ধী সমবায় সঞ্চালন বিশ্ববিদ্যালয়খনৰ কাম পুনৰ আৰম্ভ কৰা। লগতে ৰাজীৱ গান্ধী সমবায় বিশ্ববিদ্যালয়খন স্থাপন কৰিবৰ কাৰণে সেই সময়ত চৰকাৰে বলপূৰ্বকভাৱে অধিগ্ৰহণ কৰা ১১১বিঘা মাটিৰ গৰাকীসকলক ক্ষতিপূৰণৰ লগতে সংস্থাপনৰ ব্যৱস্থা কৰা, ৪) ঐতিহ্যমণ্ডিত শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত অৱস্থিত শিৱসাগৰ জিলা কাৰাগাৰখন সেই ঠাইৰ পৰা স্থানান্তৰিত কৰি সেই ঠাইত এখন অৰ্কিড পাৰ্কৰ ব্যৱস্থা কৰি পৰ্যটকস্থলী হিচাপে গঢ়ি তোলা, ৫) অত্যধিক যান-জঁটৰ সমস্যাৰে জৰ্জৰিত শিৱসাগৰ নগৰৰ ষ্টেচন চাৰিআলি আৰু কেপিএম চাৰিআলিত মহাবীৰ লাচিত বৰফুকন আৰু আজান ফকীৰ চাহাৰৰ নামাকৰণেৰে দুখন উৰণীয়া সেতু স্থাপন কৰা, ৬) শিৱসাগৰ অসামৰিক চিকিৎসালয়ত পৰ্যাপ্ত পৰিমাণে চিকিৎসকৰ ব্যৱস্থা কৰা, (যিহেতু দৈনিক ৰোগীয়ে চিকিৎসকৰ অভাৱত জীয়াতু ভুগিবলগীয়া হয়), ৭) শিৱসাগৰ জিলাৰ অন্তৰ্গত সকলোবিলাক বাঁহৰ দলং পকীকৰণৰ ব্যৱস্থা কৰা, ৮) বিগত বৰ্ষত চৰকাৰে বিভিন্ন কাৰণত উচ্ছেদ কৰা উচ্ছেদিত লোকসকলক স্থায়ী সংস্থাপনৰ ব্যৱস্থা কৰা, ৯) ৰূপহী শিলৰ সাঁকোৰ ওপৰত হোৱা বেদখলমুক্ত কৰা, ১০) শিৱসাগৰ কেন্দ্ৰীয় বজাৰখন নতুন প্ৰযুক্তিবিদ্যাৰে মেৰামতি কৰি পাৰ্কিঙৰ এটা সু-ব্যৱস্থা গঢ়ি তোলা, ১১) শিৱসাগৰত থকা প্ৰতিখন বেচৰকাৰী নাৰ্ছিংহোম, ব্যৱসায়িক প্ৰতিষ্ঠানত কৰ্মৰত কৰ্মচাৰীসকলক শ্ৰম আইন অনুসৰি উচিত মজুৰি প্ৰদান কৰিবৰ কাৰণে নিৰ্দেশ প্ৰদান কৰা। (যিহেতু এই প্ৰতিষ্ঠানসমূহে সম্পূৰ্ণৰূপে শ্ৰম আইন উলংঘা কৰি কৰ্মচাৰীসকলক কামত খটুৱাই আহিছে), ১২) শিৱসাগৰৰ দিখৌ দলংখন মুকলি কৰা হ'ল যদিও অস্থায়ী সংযোগী পথ নিৰ্মাণ কৰা নহ'ল ।এই অস্থায়ী সংযোগী পথটো ইমানেই ওখ আৰু থিয়, য'ত চাইকেল আৰোহী, ঠেলাৱালা আৰু খোজকাঢ়ি যোৱা মানুহৰ অহা-যোৱাত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈ আহিছে । গতিকে , এই দলংখনৰ সংযোগী পথটো বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰিব লাগে । দ্বিতীয়তে বৃহত্তৰ ৰংপুৰ অঞ্চলৰ জনসাধাৰণৰ শিৱসাগৰ চহৰৰ লগত যোগাযোগ কৰা দিখৌ দলংখনেই হৈছে একমাত্ৰ দলং ।যাৰ পৰিপ্ৰেক্ষিতত এই দলংখনত ব্যাপক ভিৰৰ সৃষ্টি হয়, লগতে দৈনিক দুৰ্ঘটনাও সংঘটিত হয় । গতিকে, ইয়াৰ বিকল্প হিচাপে মেটেকা বা অন্য ঠাইত এখন দলং নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ দাবী জনালোঁ। ৰংপুৰ অঞ্চলৰ ৰাইজৰ বাবে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰা। উল্লেখযোগ্য যে ঐতিহাসিক শিৱসাগৰ সমষ্টিতো শিক্ষা,স্বাস্থ্য,অত্যাধিক যান-জঁট, চিকিৎসালয়ত চিকিৎসকৰ অভাৱ, বাঁহৰ দলং, প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ ওপৰত বেদখলকে ধৰি বিভিন্ন সমস্যাৰে জৰ্জৰিত। এই সমস্যাৰ সমাধান বিচাৰি বিভিন্ন দল-সংগঠনসমূহে বিভিন্ন সময়ত প্ৰতিবাদ সাব্যস্ত কৰি দাবী জনাই আহিছে। আজি পুনৰবাৰ শিৱসাগৰ সমষ্টিতো সঠিক উন্নয়নৰ কথা চিন্তা কৰি বীৰ লাচিত সেনাৰ শিৱসাগৰ জিলা সমিতিয়ে অসমৰ মুখ্যমন্ত্ৰীগৰাকীক দাবীসমূহ কায্যকৰী কৰাৰ ক্ষেত্ৰত গুৰুত্ব দিব বুলি আশা প্ৰকাশ কৰিছে।

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২ জুন ■ ২০২১ ■ ১৮ জেঠ ■ গুৱাহাটী

## চুবুৰীয়া ৰাজ্যৰ অসমৰ ভূমি বেদখল আৰু কেন্দ্ৰৰ নৈতিক দায়িত্ব

অতীতৰ ভৌগলিক সীমাৰেখা সংকুচিত কৰি ভাৰত ৰাষ্ট্ৰই কেইবাখনো নতুন ৰাজ্য গঠন কৰি উত্তৰ-পূৰ্বাঞ্চলক উন্নতি আৰু বিকাশৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ কথা সদৰী কৰি ভাগ ভাগ কৰিছিল আৰু অসম সংলগ্ন আন্তঃৰাজ্যিক সীমা নিৰ্ধাৰণ কৰিছিল। কিন্তু এই ৰাজ্যকেইখনে অসমৰ ভূ-খণ্ড ক্ৰমশঃ সংকুচিত কৰি আনিছে। মানচিত্ৰতহে সীমা চিহ্নিত হৈ থকাৰ বিপৰীতে সম্প্ৰতি অসমৰ মাটিকালিৰ বাস্তৱ চিত্ৰখন সম্পূৰ্ণ ওলোটা। অসমৰ মাটি বেদখল কৰি থকাৰ বাবে উচ্চতম ন্যায়ালয়ৰ দুটা গোচৰো চলি আছে। ইয়াৰ পৰিণামত ৰাজ্যখনৰ আৰ্থ-সামাজিক দিশত ক্ষতি, হিংসা আদিৰ লগতে অৰ্থনীতিত ব্যাপক নেতিবাচক প্ৰভাৱ পৰিছে। এই কথা স্পষ্ট যে চুবুৰীয়া ৰাজ্যৰ বেদখলৰ সমস্যাটো এটা দীঘলীয়া সমস্যা। কিন্তু বছৰৰ পিছত বছৰ ধৰি চুবুৰীয়া ৰাজ্যৰে সীমা বিবাদৰ কোনো ধৰণৰ ফলপ্ৰসূ সমাধান নোলোৱাটো দুৰ্ভাগ্যজনক। অসমৰ মাটিত গাঁও স্থাপন, বিদ্যালয় স্থাপন, চিকিৎসালয়, আৰক্ষী, গিৰ্জা, চৰকাৰী-বেচৰকাৰী কাৰ্যালয় আদি স্থাপন কৰিছে। আনকি অসমৰ সীমান্ত অঞ্চলৰ লোকক নানান অত্যাচাৰ, উৎপীড়ন, হত্যা, ধন দাবী আদি চলাই আহিছে। আনকি অসমীয়া নামৰ গাঁৱক সেই ৰাজ্যৰ নাম দিয়াও দেখা গৈছে। ইয়াৰ বিপক্ষে অসম চৰকাৰে উচ্চতম ন্যায়ালয়ত দুটা গোচৰ তৰিছিল, কিন্তু আজিলৈ ইয়াৰ সমাধান ওলোৱা নাই। কেন্দ্ৰীয় চৰকাৰে দুয়োখন ৰাজ্যৰ প্ৰতিনিধিৰ লগত কেইবালানিও আলোচনা কৰা সত্ত্বেও সমস্যাৰ সমাধান ওলোৱা নাই। তাৎপৰ্যপূৰ্ণ কথাটো হৈছে ৩৯খন তৈল আৰু গেছ ফিল্ডৰ পৰা অ'এনজিচিয়ে কাৰ্য পৰিচালনা কৰি আছে তাৰে আঠখন তৈল আৰু গেছ ফিল্ডৰ ৩৫টা তৈলপুঁৱৰ তেল আহৰণ বন্ধ ৰাখিব লগাত পৰিছে। ইয়াৰ কাৰণেই হৈছে চুবুৰীয়া ৰাজ্য নগাই গাঁও স্থাপন কৰি, লগতে উগ্ৰপন্থীৰ হস্তক্ষেপৰ বাবে অ'এনজিচিয়ে তেল আহৰণ কৰিব পৰা নাই। ফলত অসম অৰ্থনৈতিক ক্ষেত্ৰত পূৰাদমেই ক্ষতি হ'ব লগা হৈছে। অৱশ্যে ইয়াৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰশাসন ব্যৱস্থাৰ কিছু দুৰ্বল নীতিৰ ফলত চুবুৰীয়া ৰাজ্যই অসমৰ ভূমিত ব্যাপক বেদখল কৰি আহিছে। ৰাজ্যৰ সীমান্তৰ আন্তঃৰাজ্যিক সীমান্ত এলেকাৰ জিলাসমূহৰ সুৰক্ষাৰ বাবে ইতিপূৰ্বে ৮২টা সীমান্ত চকী আৰু ১২টা স্থায়ী ছাউনীত অসম আৰক্ষীৰ ২১টা কোম্পানী, দুই প্লাটুন নিৰাপত্তাৰক্ষী নিয়োজিত হৈ আছিল। শেহতীয়াকৈ ৯টা সীমান্ত চকীত অসম আৰক্ষীৰ দুটা কোম্পানী, দুটা প্লাটুন, দুটা চেকচন নিৰাপত্তাৰক্ষী নিয়োজিত কৰা হৈছে। ইয়াৰ পিছতো সীমান্ত অঞ্চলত চুবুৰীয়া ৰাজ্যই ব্যাপক বেদখল অব্যাহত ৰখাটো দুৰ্ভাগ্যজনক। কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰি এনে কাৰ্যৰ সমাপ্তি কৰিলেহে অসম তথা চুবুৰীয়া ৰাজ্যকেইখনত শান্তি বিৰাজ কৰিব।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### মুখ্যমন্ত্ৰী মহোদয় অসম আৰক্ষীত নিযুক্তি প্ৰক্ৰিয়াত কিছু সাল-সলনি কৰক

যোগ্যতাৰ লগতে মেধাৰ ভিত্তিত অসম আৰক্ষীত নিযুক্তি প্ৰক্ৰিয়া, ই এক আদৰ্শনীয় পদক্ষেপ। কিন্তু যোগ্যতাৰ লগতে মেধাৰ ভিত্তিত আৰক্ষী নিযুক্তি প্ৰক্ৰিয়াত সকলোবোৰ স্তৰ বা পৰ্যায় সফলতাৰে উত্তীৰ্ণ হোৱাৰ পিছতো পদৰ সংখ্যা কম থকা হেতুকে নিযুক্তি লাভ নকৰিলে সেইজন প্ৰাৰ্থীক চৰকাৰে বা আপুনি-মই কি বুলি পৰিচয় দিম ? আপুনি-মই হয়তো জানো, এজন প্ৰাৰ্থীৰ কৰ্তব্য হৈছে যোগ্যতা আৰু মেধাৰ ভিত্তিত নিজৰ দক্ষতা প্ৰদৰ্শন কৰা। আনহাতে, চৰকাৰৰ দায়িত্ব হৈছে যোগ্যতা আৰু মেধাৰ ভিত্তিত প্ৰাৰ্থীজনক নিযুক্তি দিয়া। এতিয়া প্ৰশ্ন এইটোৱে যে, অসম আৰক্ষীত নিযুক্তি প্ৰক্ৰিয়াত সকলোবোৰ পৰ্যায় সফলতাৰে উত্তীৰ্ণ হোৱাৰ পিছতো যদি চৰকাৰে নিযুক্তি দিব নোৱাৰে তেন্তে প্ৰাৰ্থীজন অযোগ্য নেকি ? কিয়নো আমি দেখিবলৈ পাইছোঁ, অলপতে হৈ যোৱা অসম আৰক্ষী উপ-পৰিদৰ্শক পদৰ নিযুক্তি প্ৰক্ৰিয়াত সকলোবোৰ পৰ্যায় সফলতাৰে উত্তীৰ্ণ হোৱা প্ৰাৰ্থী আছিল প্ৰায় ১৫০০জন। কিন্তু নিযুক্তি লাভ কৰিলে মাত্ৰ ৫৯৭জনহে। বাকী নিযুক্তি বঞ্চিত প্ৰাৰ্থীসকলক অসম চৰকাৰে কি ব্যৱস্থা ল'ব। যোগ্যতা আৰু মেধাৰ ভিত্তিত তেওঁলোকক নিযুক্তি দিবনে? আমি শিক্ষক নিযুক্তিত টেট পৰীক্ষা আৰম্ভণিৰে পৰা দেখি আহিছোঁ— কিদৰে এজন টেট উত্তীৰ্ণ প্ৰাৰ্থীক শিক্ষক হিচাপে নিযুক্তি দিয়া হয়। যোগ্যতাৰ লগতে মেধাৰ ভিত্তিত প্ৰতিজন টেট উত্তীৰ্ণ প্ৰাৰ্থীক শিক্ষক হিচাপে নিযুক্তি দিয়া প্ৰক্ৰিয়াটোক আমি সাদৰেৰে গ্ৰহণ কৰি আহিছোঁ। কিন্তু কথাটো হ'ল যে, এজন টেট উত্তীৰ্ণ প্ৰাৰ্থীয়ে মাথোঁ এটা লিখিত পৰীক্ষাত উত্তীৰ্ণ হ'লেই যোগ্যতাৰ ভিত্তিত প্ৰাৰ্থীজনক শিক্ষক হিচাপে নিযুক্তি দিয়া হয়। লগতে প্ৰথমবাৰলৈ নিযুক্তি বঞ্চিত টেট উত্তীৰ্ণ প্ৰাৰ্থীসকলক যোগ্যতাৰ ভিত্তিত ভৱিষ্যতেও শিক্ষক পদত আবেদন কৰিব পৰাকৈ প্ৰমাণ-পত্ৰৰ ব্যৱস্থা কৰি পৰ্যায় ক্ৰমে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰি আহিছে অসম চৰকাৰে। কিন্তু অসম আৰক্ষীৰ উপ-পৰিদৰ্শক বা আৰক্ষী বিভাগৰ অন্যান্য পদৰ নিযুক্তিৰ ক্ষেত্ৰত কিয় অসম চৰকাৰে এই ব্যৱস্থা আজিলৈকে গ্ৰহণ কৰা নাই । আমি যদি টেট উত্তীৰ্ণ প্ৰাৰ্থী আৰু অসম আৰক্ষী উপ-পৰিদৰ্শক পদৰ প্ৰাৰ্থীৰ মাজত বিচাৰ-বিবেচনা কৰিবলৈ যাওঁ তেন্তে দেখা যায় যে, ১) এজন আৰক্ষী উপ-পৰিদৰ্শক পদত উত্তীৰ্ণ হ'বলৈ প্ৰাৰ্থীজনে লিখিত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ উপৰি শাৰীৰিক যোগ্যতাৰ পৰীক্ষাত দুটা স্তৰ উত্তীৰ্ণ হোৱাৰ লগতে কম্পিউটাৰ পৰীক্ষাতো উত্তীৰ্ণ হ'ব লগা হয়। তাতে লিখিত পৰীক্ষাত এটা ভুল উত্তৰৰ বিপৰীতে ০.৫ বিয়োগ হোৱাৰ ব্যৱস্থা আছে। কিন্তু টেট পৰীক্ষাৰ প্ৰাৰ্থীসকলে মাত্ৰ এটা লিখিত পৰীক্ষা দিব লাগে। ইয়াৰ উপৰি টেট পৰীক্ষাত কোনো ভুল উত্তৰৰ বিপৰীতে কোনো নম্বৰ বিয়োগ কৰা এই ব্যৱস্থা নাই।

২) এজন আৰক্ষী উপ-পৰিদৰ্শক পদৰ বাবে যোগ্যতা আৰু মেধাৰ ভিত্তিত উত্তীৰ্ণ প্ৰাৰ্থী এজনক নিযুক্তি দিয়া ব্যৱস্থা মাত্ৰ এবাৰহে থাকে। কোনো ভৱিষ্যতৰ বাবে আবেদন কৰিব পৰাকৈ মেধা আৰু যোগ্যতাৰ ভিত্তিত উত্তীৰ্ণ প্ৰমাণ-পত্ৰ নাথাকে। কিন্তু এজন টেট উত্তীৰ্ণ প্ৰাৰ্থীৰ ক্ষেত্ৰত প্ৰথমবাৰ নিযুক্তি লাভ নকৰিলেও পৰ্যায় ক্ৰমে নিযুক্তি দিয়াৰ ব্যৱস্থা থকাৰ উপৰি ভৱিষ্যতে আবেদন কৰিব পৰাকৈ প্ৰমাণ-পত্ৰৰ ব্যৱস্থা কৰা হৈছে। ৩) আৰক্ষী উপ-পৰিদৰ্শক পদৰ বিজ্ঞাপনত এবাৰত যিমান খালী পদৰ সংখ্যা ওলাই তাতোকৈ বহু বেছি গুণ এবাৰত শিক্ষক পদৰ বিজ্ঞাপন ওলাই। ৪) অৰ্থনৈতিক দৃষ্টিৰে চাবলৈ গ'লে দেখা যায় যে, শিক্ষক নিযুক্তি প্ৰক্ৰিয়াত এটা টেটৰ লিখিত পৰীক্ষাৰ অনুষ্ঠিত কৰোঁতে চৰকাৰৰ ব্যয় বহু গুণে কম আৰক্ষী উপ-পৰিদৰ্শক নিযুক্তি প্ৰক্ৰিয়াতকৈ। কিয়নো আৰক্ষী উপ-পৰিদৰ্শক পদৰ যোগ্যতা আৰু মেধা নিৰ্ণয় কৰা হয় চাৰিটা পৰ্যায়ত। প্ৰতিটো পৰ্যায়ত চৰকাৰৰ ব্যয় বহু বেছি শিক্ষক নিযুক্তি প্ৰক্ৰিয়াতকৈ। গতিকে যোগ্যতা আৰু মেধাৰ ভিত্তিত প্ৰথমবাৰ নিযুক্তি লাভ নকৰিলেও পৰ্যায় ক্ৰমে নিযুক্তিৰ ব্যৱস্থা কৰাৰ লগতে ভৱিষ্যতলৈও আবেদনৰ কৰিব পৰাৰ ব্যৱস্থা থাকিব লাগিছিল আৰক্ষী নিযুক্তি প্ৰক্ৰিয়াত। কিয়নো আৰক্ষী নিযুক্তি প্ৰক্ৰিয়াত চৰকাৰৰ ব্যয় বহু গুণে বেছি।

৫) আৰক্ষী নিযুক্তি প্ৰক্ৰিয়াত এজন প্ৰাৰ্থী বয়সৰ সীমাবদ্ধতা বহু কম, শিক্ষক নিযুক্তি বয়সৰ সীমাবদ্ধতাতকৈ।

উপৰোক্ত বিষয়কেইটা যদি আমি পৰ্যালোচনা কৰিবলৈ যাওঁ, তেন্তে আমি এক কথাত চৰকাৰক কম যে, অসম আৰক্ষী নিযুক্তি প্ৰক্ৰিয়া বহু সাল-সলনি কৰি নিযুক্তি প্ৰক্ৰিয়াত সকলো পৰ্যায় উত্তীৰ্ণ হোৱা প্ৰাৰ্থীবোৰক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। নিযুক্তি প্ৰক্ৰিয়াত সকলো পৰ্যায় সফলতাৰে উত্তীৰ্ণ হোৱাৰ পিছতো প্ৰথমবাৰত যদি নিযুক্তি লাভ নকৰে, তেন্তে এটা নিৰ্দিষ্টি সময়ৰ ব্যৱধানত পৰ্যায় ক্ৰমে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। যেনেদৰে অসম চৰকাৰে শিক্ষক নিযুক্তি প্ৰক্ৰিয়াত ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

■ গোলাপ চাংমাই

ফোন ঃ ৮৮৭৬৫-৬৮৮৩৯

# কাৰ্ল মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামৰ ধাৰণা

■ জয়ন্ত দাস

কাৰ্ল মাৰ্ক্সক বৈজ্ঞানিক সমাজবাদৰ জন্মদাতা বুলি কোৱা হয়। সমাজবাদ সম্পৰ্কে তেওঁ যি ধাৰণা আগবঢ়াইছে সেই ধাৰণাকে বৈজ্ঞানিক সমাজবাদ বুলি কোৱা হৈছে। মাৰ্ক্সৰ সমাজবাদী ধাৰণাত দ্বন্দ্বাত্মক বস্তুবাদেই হৈছে মূল ভেটি। সকলো ধৰণৰ সমস্যা সমাধানৰ ক্ষেত্ৰত দ্বন্দ্বাত্মক পদ্ধতিয়ে যিকোনো ঘটনাক বিশ্লেষণত সহায় কৰে বুলি মাৰ্ক্সীয় দৰ্শনে বিশ্বাস কৰে। জাৰ্মান দাৰ্শনিক হেগেলৰ দ্বন্দ্বাত্মক পদ্ধতিয়ে মাৰ্ক্সীয় দৰ্শনত ভালেখিনি প্ৰভাৱ বিস্তাৰ কৰিছিল। হেগেলৰ মতে ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াৰ ওপৰতেই ঐতিহাসিক গতি নিৰ্ভৰ কৰে। যিকোনো ধাৰণা প্ৰকাশৰ লগে লগে তাৰ বিপৰীত ধাৰণাৰ সৃষ্টি হয়। অৰ্থাৎ কোনো ধাৰণা আৰু ইয়াৰ বিপৰীত ধাৰণা বা ক্ৰিয়া-প্ৰতিক্ৰিয়াই বিৱৰ্তনৰ দিশক নিৰ্ণয় কৰে। মাৰ্ক্সে সমাজবাদ প্ৰতিষ্ঠাৰ কাৰণে ধাৰণাৰ বিপৰীতে কৰ্মপন্থাক গুৰুত্ব আৰোপ কৰিছিল। মাৰ্ক্সে এখন শ্ৰেণীহীন আৰু শোষণহীন সমাজ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। মাৰ্ক্সৰ এই শ্ৰেণীহীন সমাজত এক শ্ৰেণীৰ লোকে আন এক শ্ৰেণীৰ লোকক শোষণ কৰাৰ ব্যৱস্থা নাছিল যদিও শ্ৰেণী সংগ্ৰামৰ অন্ততহে সমাজবাদ প্ৰতিষ্ঠা হ'ব বুলিও বিশ্বাস কৰিছিল।

কাৰ্ল মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামৰ ধাৰণাটো ৰাজনৈতিক ইতিহাসৰ এক উল্লেখযোগ্য অৱদান। মাৰ্ক্সে তেওঁৰ শ্ৰেণী সংগ্ৰামৰ ধাৰণাটোৰ লগত অৰ্থনৈতিক দিশটোৰ ব্যাখ্যাও আগবঢ়াইছিল। তেওঁৰ মতে শ্ৰেণী সংগ্ৰামৰ জৰিয়তেহে মানৱ ইতিহাসৰ উত্তৰণ সম্পৰ্কে জানিব পাৰি। শ্ৰেণী সংগ্ৰামেই মানুহৰ জীৱন ধাৰণৰ মান নিৰূপণ কৰে। মাৰ্ক্সৰ কালজয়ী গ্ৰন্থ 'কমিউনিষ্ট মেনিফেষ্টো'ত শ্ৰেণী সংগ্ৰামৰ ব্যাখ্যা আগবঢ়াই কৈছে যে বৰ্তমান সমাজৰ ইতিহাসে হৈছে শ্ৰেণী সংগ্ৰামৰ ইতিহাস। মাৰ্ক্সৰ এই শ্ৰেণী সংগ্ৰামৰ ধাৰণা মূলতঃ অৰ্থনৈতিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল আছিল। মাৰ্ক্সৰ মতে, সমাজৰ অৰ্থনৈতিক গাঁথনিৰ ওপৰতে সমাজৰ সামাজিক, সাংস্কৃতিক অৱস্থা নিৰ্ভৰ কৰে। অৰ্থাৎ কোনো এখন সমাজৰ অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন দিশৰ পৰিৱৰ্তনৰ প্ৰধান কাৰণেই হৈছে সেই সমাজৰ অৰ্থনৈতিক অৱস্থা। উৎপাদন প্ৰক্ৰিয়াৰ পৰিৱৰ্তনৰ লগে লগে সামাজিক সম্পৰ্কৰো পৰিৱৰ্তন হয়। ইতিহাসত যিবোৰ বিপ্লৱৰ কথা পোৱা যায় নাইবা মানুহৰ জীৱন ধাৰণ পদ্ধতিত যিবোৰ পৰিৱৰ্তন আহে সেইবোৰ বিপ্লৱ বা পৰিৱৰ্তনৰো প্ৰধান কাৰণেই হৈছে অৰ্থনৈতিক কাৰণ।

মাৰ্ক্সৰ মতে অৰ্থনৈতিক অৱস্থাই মানুহৰ সাংস্কৃতিক মান আৰু ধৰ্মীয় আচাৰ-ব্যৱহাৰৰ ক্ষেত্ৰতো পৰিৱৰ্তন সাধন কৰে। ঐতিহাসিক পৰিৱৰ্তন সদায় অৰ্থনৈতিক কামৰ লগতে জড়িত হৈ থাকে। ন্যায়, সততা, মৰম-চেনেহ, মানৱতাবাদ আদি বিভিন্ন কাৰণত সামাজিক নাইবা ৰাজনৈতিক পৰিৱৰ্তন হোৱাটো মাৰ্ক্সে বিশ্বাস কৰা নাছিল। মাৰ্ক্সৰ মতে, উৎপাদন আৰু বিতৰণ প্ৰক্ৰিয়াৰ পৰিৱৰ্তনেহে সমাজৰ পৰিৱৰ্তন সাধন কৰে। উৎপাদন প্ৰক্ৰিয়াৰ পৰিৱৰ্তনৰ লগত সামাজিক সম্পৰ্কও নিৰ্ভৰ কৰে বুলি মাৰ্ক্সে বিশ্বাস কৰিছিল। উৎপাদন প্ৰক্ৰিয়াৰ পৰিৱৰ্তন হোৱাৰ ফলত সামাজিক তথা ৰাজনৈতিক পৰিৱৰ্তন হোৱাৰ সমল মাৰ্ক্সে দাঙি ধৰিছিল। উদাহৰণস্বৰূপে প্ৰাচীন কালত প্ৰচলিত দাস প্ৰথা বৰ্তমান নাইকিয়া হ'ল। মধ্য যুগৰ সামন্তবাদী প্ৰথাৰ প্ৰচলনো বন্ধ হৈ পৰিল। অৰ্থাৎ ঔদ্যোগিক বিপ্লৱে উৎপাদন আৰু বিতৰণৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আনিলে। মাৰ্ক্সৰ মতে, আদিম সমাজৰ পৰা বৰ্তমানৰ সময়লৈকে ইতিহাসৰ যিবোৰ পৰিৱৰ্তন দেখা যায়, সেই আটাইবোৰ পৰিৱৰ্তনৰ প্ৰধান কাৰণেই হ'ল অৰ্থনৈতিক কাৰণ। অৰ্থাৎ অৰ্থনৈতিক ব্যৱস্থাৰ পৰিৱৰ্তনেই হৈছে ঐতিহাসিক পৰিৱৰ্তনৰো প্ৰধান কাৰণ। এই অৰ্থনৈতিক অৱস্থাই ইতিহাসৰ গতিও নিৰ্ণয় কৰে।

মাৰ্ক্সে শ্ৰেণী সংগ্ৰামৰ ধাৰণাৰ ব্যাখ্যা কৰিবলৈ যাওঁতে কৈছে যে সমাজত সদায় দুই শ্ৰেণীৰ লোক বাস কৰে। এক শ্ৰেণীৰ লোক উৎপাদনৰ আহিলা পাতিৰ গৰাকী আৰু আনচাম হৈছে বনুৱা শ্ৰেণী। প্ৰথম শ্ৰেণীৰ মানুহৰ সংখ্যা কম যদিও বনুৱা শ্ৰেণীৰ মানুহৰ সংখ্যা সৰহ। সমাজে প্ৰথম শ্ৰেণীৰ লোকক মালিক, পুঁজিপতি, জমিদাৰ আদি আখ্যা দিয়ে। যিয়ে শাৰীৰিক পৰিশ্ৰম নকৰে অথচ উৎপাদনৰ সিংহভাগ এই শ্ৰেণীৰ লোকেই ভোগ কৰে। উৎপাদিত সামগ্ৰীক ইচ্ছানুযায়ী ব্যৱহাৰ কৰিব পাৰে প্ৰথম শ্ৰেণীৰ লোকে। আনহাতে, দ্বিতীয় শ্ৰেণীৰ বনুৱা লোকসকলে অত্যধিক পৰিশ্ৰম কৰিব লগা হয়। এওঁলোকে পুৱাৰ পৰা গধূলিলৈকে কঠোৰ পৰিশ্ৰম কৰে কিন্তু জীৱন ধাৰণৰ কাৰণে দৰকাৰী সামগ্ৰী এওঁলোকে পৰ্যাপ্ত পৰিমাণে লাভ নকৰে। সমাজৰ এই দুই শ্ৰেণীৰ লোকৰ মাজত সেই কাৰণে অৰ্থনৈতিক ব্যৱধানবোৰ বাঢ়ি গৈ থাকে। যাৰ ফলত সমাজত ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা লাভৰ কাৰণে শ্ৰেণী সংগ্ৰামৰ সৃষ্টি হয়। এচাম লোক সদায় ক্ষমতাশালী হৈ গৈ থকাৰ বিপৰীতে আন এচাম আকৌ পৰিশ্ৰম কৰিও সমাজৰ পিছপৰা শ্ৰেণী হৈয়ে জীৱন নিৰ্বাহ কৰিব লগা হয়। শ্ৰেণী সংগ্ৰামৰ এই ধাৰণাই সমাজত অৰ্থনৈতিক ব্যৱধানৰো সৃষ্টি কৰে।

প্ৰাচীন ৰোমত পেট্ৰিছিয়ান আৰু প্লেবিয়ান নামৰ দুই শ্ৰেণীৰ লোক বাস কৰিছিল। যাৰ মাজত ক্ষমতাৰ কাৰণে প্ৰায়ে সংঘৰ্ষৰ সৃষ্টি হৈছিল। ঠিক সেইদৰে মধ্য যুগত সামন্ত প্ৰথাৰ প্ৰচলন থকাৰ সময়ত জমিদাৰ শ্ৰেণীৰ লোকে অৰ্থনৈতিক আৰু ৰাজনৈতিক সকলো সুবিধা ভোগ কৰিব পাৰিছিল। জমিদাৰ শ্ৰেণীৰ লোকে খেতিপথাৰত কোনো কাম কৰিব লগা হোৱা নাছিল যদিও কিন্তু উৎপাদিত সামগ্ৰীৰ সৰহভাগ অংশ তেওঁলোকেই লাভ কৰিছিল। অৰ্থাৎ খেতিয়ক শ্ৰেণীৰ পৰিশ্ৰমৰ ওপৰতে জমিদাৰ শ্ৰেণীটোৱে আৰামতে জীৱন নিৰ্বাহ কৰিব পাৰিছিল। কৃষক শ্ৰেণীটোৱে কঠোৰ পৰিশ্ৰম কৰিও কিন্তু উপযুক্ত সামগ্ৰীসমূহ লাভ কৰিব পৰা নাছিল। শ্ৰেণী বৈষম্যৰ এই প্ৰথা ঔদ্যোগিক বিপ্লৱৰ পাছতো দেখিবলৈ পোৱা গৈছিল। পুঁজিবাদী সমাজ ব্যৱস্থাই সমাজত বনুৱা শ্ৰেণীটোৰ সৃষ্টিতো অৰিহণা যোগাইছিল। কল-কাৰখানা, ভূমি আদি সকলো পুঁজিপতিৰ অধীনত আছিল আৰু বনুৱা শ্ৰেণীৰ লোকক সামগ্ৰী উৎপাদনৰ কামত নিয়োজিত কৰা হৈছিল। বনুৱাই মূল্যৰ সৃষ্টি কৰে কিন্তু ভোগ কৰে পুঁজিপতিয়ে। যাৰ ফলত মালিক আৰু বনুৱাৰ মাজত অৰ্থনৈতিক ব্যৱধানে দেখা দিছিল আৰু শ্ৰেণী সংগ্ৰামৰো সৃষ্টি হৈছিল।

মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামৰ ধাৰণাটো পৰস্পৰবিৰোধী যদিও কিন্তু এটা শ্ৰেণীৰ লোক আনটো শ্ৰেণীৰ লোকৰ সহায় নহ'লে চলিব নোৱাৰে। মাটি চহ কৰিবলৈ খেতিয়ক নাথাকিলে জমিদাৰৰ মাটিত শস্য উৎপাদন নহয়। গতিকে শস্য উৎপাদন কৰিবলৈ অৰ্থাৎ খেতি কৰিবলৈ জমিদাৰসকলক খেতিয়ক শ্ৰেণীৰ লোক দৰকাৰ। একেদৰে খেতি কৰিবলৈ জমিদাৰে মাটি নিদিলে খেতিয়কে খেতি কৰিব নোৱাৰে। খেতি কৰি খেতিৰ এটা অংশ পাবলৈ হ'লে খেতিয়কক আকৌ জমিদাৰৰ দৰকাৰ হয়। বনুৱা অবিহনে কল-কাৰখানাসমূহ নচলে আৰু উৎপাদন বন্ধ হৈ পৰে। বনুৱাকো কাম কৰিবলৈ কল-কাৰখানাৰ প্ৰয়োজন হয়। অৰ্থাৎ জমিদাৰ আৰু খেতিয়ক, পুঁজিপতি আৰু বনুৱা এই দুই শ্ৰেণীৰ লোক এটাই আনটোৰ সহায় নহ'লে চলিব নোৱাৰে। অৱশ্যে এই দুই শ্ৰেণীৰ লোকৰ স্বাৰ্থ পৰস্পৰবিৰোধী। খেতিয়ক নাইবা বনুৱা শ্ৰেণীৰ লোকে অধিক মজুৰি বিচাৰে যদিও জমিদাৰ নাইবা পুঁজিপতিয়ে তেওঁলোকক কম মজুৰি দিয়াৰহে পক্ষপাতী। যাৰ ফলত এনে শোষণৰ বিৰোধিতাৰে শ্ৰমিকসকল মালিকৰ বিৰুদ্ধে থিয় দিব পাৰে। এনেদৰেই মালিক আৰু বনুৱাৰ মাজত শ্ৰেণী সংগ্ৰামৰ সৃষ্টি হয়।

মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামৰ ধাৰণাই অৱশ্যে বৰ্তমানৰ সমাজ ইতিহাসক প্ৰতিফলিত কৰে বুলি ভাবিব নোৱাৰি। মাৰ্ক্সে কোৱা ধৰণে বৰ্তমান সমাজৰ ইতিহাসক শ্ৰেণী সংগ্ৰামৰ ইতিহাস হিচাপে গ্ৰহণ কৰিব নোৱাৰি। মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামৰ ধাৰণাক সমালোচনাৰ দৃষ্টিকোণেৰে বিশ্লেষণ কৰিলে দেখা যায় যে কোনো সমাজেই একমাত্ৰ দুটা শ্ৰেণীৰ লোকৰে গঠিত নহয়। সমাজত বিভিন্ন শ্ৰেণীৰ লোক বাস কৰে আৰু সকলোৱে নিজৰ দক্ষতা, ক্ষমতা অনুযায়ী জীয়াই থাকে। মাৰ্ক্সে ভবাৰ দৰে শ্ৰেণী সংগ্ৰামৰ অন্তত পুঁজিবাদৰ ধ্বংস হ'ব আৰু সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা হ'ব। কিন্তু বাস্তৱ ক্ষেত্ৰত সেয়া হৈ নুঠে। কাৰণ বৰ্তমানৰ প্ৰযুক্তিবিদ্যাগত যুগত পুঁজিপতিৰ সমান্তৰালকৈ কাৰিকৰী জ্ঞান থকা লোকৰহে আৱশ্যক। শ্ৰমিকসকল কাৰিকৰী জ্ঞানৰ অধিকাৰী নহ'বও পাৰে। তদুপৰি বৰ্তমান পুঁজিপতিসকলেও শ্ৰমিকৰ লগত সংঘাতত লিপ্ত হ'ব নিবিচাৰে। অৰ্থাৎ মাৰ্ক্সে যদিও শ্ৰমিকসকলৰ দুখ-কষ্ট বৃদ্ধি আৰু পুঁজিবাদ পতনৰ ভৱিষ্যদ্বাণী কৰিছিল, সেয়া প্ৰকৃতাৰ্থত সম্ভৱ হোৱাৰ অৱকাশ নাই। বাস্তৱ ক্ষেত্ৰত শ্ৰমিক আৰু মালিক পক্ষ সদায় সহযোগিতাৰেই বসবাস কৰিব বিচাৰে। য'ত শ্ৰেণী সংগ্ৰাম সৃষ্টি হোৱাৰ আশংকা খুব কমহে দেখিবলৈ পোৱা যায়।

# প্ৰত্যাহ্বানৰ পৰা নিজকে কিদৰে নিৰাপদে ৰাখিব পাৰি

■ মাণিক পাল

আচলতে দিন বা ৰাতিৰ হিচাপেই আচল হিচাপ। জীৱনৰ ৰুটিনৰ হেঁচাৰ কাৰণে যদি বিষণ্ণতা অনুভৱ কৰিব লাগে, তেনেহ'লে প্ৰতি দিনৰ বেলি ডুবাৰ সময়তেই সেই বিষণ্ণতা অনুভৱ কৰিব লাগে। কি কৰিলোঁ দিনটোত? কৰিলোঁ নে কিবা কামৰ কাম? তেতিয়া বছৰৰো হিচাপ ওলায়। নিজৰে এখন কেলেণ্ডাৰ প্ৰস্তুত হয় আৰু কি ঠিক সেই কেলেণ্ডাৰেহে ওভতাই, জীৱনক মহৎ কৰিব পাৰে- ড° ভবেন্দ্ৰনাথ শইকীয়া।

জীৱনটো হ'ল প্ৰত্যাহ্বানৰ শৃংখলা, যিবোৰ আমাৰ জীৱনত বিভিন্ন সময়ত বিভিন্ন ৰূপ লৈ আহে। যিবোৰে আমাৰ ধৈৰ্য, আত্মবিশ্বাস আৰু বিশ্বাসৰ পৰীক্ষা কৰে। প্ৰত্যাহ্বান হ'ল মানৱ জীৱনৰ এক অপৰিহাৰ্য অংগ। সেই বাবেই হয়তো 'জৰ্জ বাৰ্ণাৰ্ড শ্ব'ই কৈছিল— 'জীৱনটো নিজকে বিচৰা নহয়, জীৱনটো হ'ল নিজকে সৃষ্টি কৰা।' বুৰঞ্জীয়ে দেখুৱাইছে যে প্ৰায়বোৰ প্ৰসিদ্ধ সফল ব্যক্তিয়ে সাধাৰণতে জয়লাভৰ আগতে অতি বিপজ্জনক বাধা আৰু প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। তেওঁলোক জয়লাভ কৰিছিল এই কাৰণেই যে পৰাজয়ে তেওঁলোকক নিৰাশ কৰিব পৰা নাছিল। আমি কেনে ধৰণেৰে আমাৰ জীৱনৰ প্ৰত্যাহ্বানবোৰৰ সন্মুখীন হৈছোঁ, তাৰ ওপৰতে নিৰ্ভৰ কৰিব আমাৰ জীৱনৰ সফলতা আৰু বিফলতা। প্ৰত্যাহ্বান নাথাকিলে জীৱনত একো সু-ফল পোৱা নাযায়। জীৱনৰ প্ৰত্যাহ্বানত কিছু লোক অসন্তুষ্ট হৈ নিৰাশাৰ বশৱৰ্তী হয় কিন্তু সফল ব্যক্তি কেতিয়াও জীৱনৰ প্ৰত্যাহ্বানৰ বাবে নিৰাশ নহয়। সেই বাবেই হয়তো কোৱা হয় যে, 'শান্ত সাগৰে দক্ষ নাৱিকৰ জন্ম নিদিয়ে।' মানৱ জীৱনো ঠিক একে প্ৰত্যাহ্বান নথকা জীৱনে কেতিয়াও সফল ব্যক্তিৰ সৃষ্টি কৰিব নোৱাৰে। বিফলতা আৰু প্ৰত্যাহ্বান হ'ল সফলতাৰ ৰাজপথ। টম ৱাটছনে কৈছিল— 'আপুনি যদি সফল হ'ব খোজে, বিফলতাৰ হাৰ দুগুণ বৃদ্ধি কৰক।' গোলাপ ফুলৰ সৌন্দৰ্য আৰু সুবাস উপভোগ কৰিবলৈ হ'লে আমি প্ৰথমে গোলাপৰ কাঁইটৰ সন্মুখীন হ'ব লাগিব। জীৱনটোও ঠিক একে। জীৱনৰ ৰস পান কৰিবলৈ হ'লে আমি জীৱনৰ বিষ স্বৰূপ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। জীৱনৰ বিভিন্ন প্ৰত্যাহ্বানৰ পৰা নিজকে ৰক্ষা কৰি সফলতাৰে আগবাঢ়ি যাবলৈ হ'লে আমি কিছুমান নীতি-আদৰ্শ মানি চলিব লাগিব। সেই আদৰ্শবোৰ হ'ল — ক) পৰিকল্পনা বা আঁচনি প্ৰস্তুত কৰা ঃ জীৱন বাটত লগ পাই থকা বিভিন্ন প্ৰত্যাহ্বানৰ ডেওনা পাৰ কৰি সফলতাৰে আগবাঢ়ি যাবলৈ হ'লে আমি কিছুমান পৰিকল্পনা বা আঁচনি প্ৰস্তুত কৰি আগবাঢ়ি যাব লাগিব। কাৰণ সঠিক পৰিকল্পনা বা আঁচনিয়ে আত্মবিশ্বাস গঢ় দিয়ে। এটা পূৰ্ণ মানসিক আৰু শাৰীৰিক প্ৰস্তুতি মূলতঃ আত্মত্যাগ আৰু আত্মসংযমৰ ফল। যিকোনো ক্ষেত্ৰত সাফল্য লাভ কৰিবলৈ হ'লে পৰিকল্পনা বা আঁচনিৰ প্ৰয়োজন। পৰিকল্পনাই আমাৰ আগত এক নিৰ্দিষ্ট লক্ষ্য স্থিৰ কৰি দিয়ে। সেই বাবেই হয়তো এণ্টনি ডি ছেইণ্টে কৈছিল— 'পৰিকল্পনাবিহীন লক্ষ্য এটা সপোনহে।' খ) উচ্চ চিন্তা ঃ উচ্চ চিন্তাই জীৱন বাটৰ সকলো প্ৰত্যাহ্বান দূৰ কৰি জীৱনত সফল হৈ আগবাঢ়ি যাবলৈ সহায় কৰে । জাতিৰ পিতা মহাত্মা গান্ধীয়ে কৈছিল— 'Simple living high thinking' । উচ্চ চিন্তাই দৃঢ় মনোভাব গঢ়ে, দায়িত্ব গ্ৰহণৰ প্ৰতি আগ্ৰহী কৰে, আশাবাদী মনোভাব গঢ়ি তোলে, ভাল সম্পৰ্ক আৰু মধুৰ জীৱনৰ সম্ভাৱনা আনে, ব্যক্তিক আনৰ যত্ন লোৱাৰ প্ৰতি আগ্ৰহী কৰে, ব্যক্তিক নতুন সুযোগ আৰু প্ৰত্যাহ্বানৰ প্ৰতি আগ্ৰহী কৰে। গ) ইতিবাচক মনোভাব ঃ সাফল্যৰ আধাৰ হ'ল মনোভাব। ইতিবাচক মনোভাবে ব্যক্তি এজনক সকলো ধৰণৰ প্ৰত্যাহ্বানৰ প্ৰতি যুঁজিবলৈ শক্তি দিয়ে। এ পি জে আব্দুল কালামে কৈছিল — 'Without positive attitude success is called luck. With positive attitude success is called achievement.' ইতিবাচক মনোভাবেৰে পুষ্টিত ব্যক্তিসকলৰ আত্মবিশ্বাস, ধৈৰ্য আৰু নম্ৰতা আছে। তেওঁৰ নিজৰ বা আনৰ প্ৰতি এটা উচ্চ ধাৰণা থাকে। ইতিবাচক মনোভাবৰ লগত কম্পিউটাৰ পৰিভাষাৰ GIGO ধাৰণাটো খাপ খায়। GIGO ৰ অৰ্থ হ'ল garbage in garbage out অৰ্থাৎ জাবৰ সোমালে জাবৰ ওলাব। একেদৰে আমি ক'ব পাৰোঁ — ইতিবাচক ওলালে ইতিবাচক ওলাব। ভাল সোমালে ভাল ওলাব। নেতিবাচক সোমালে নেতিবাচক ওলাব। ঘ) নিৰাশ নোহোৱা ঃ জীৱন বাটৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ আগবাঢ়ি যাবলৈ হ'লে আমি কেতিয়াও নিৰাশ হ'ব নালাগিব। পিয়েৰ টেলহাৰ্ডৰ মতে— 'পৰিস্থিতি যিমানেই ভয় লগা নহওক, দৃঢ়তা আৰু আত্মবিশ্বাস থাকিলে জয়লাভ সুনিশ্চিত।' নিৰাশাই আমাৰ মন-মগজুত ভয় আৰু সংশয়ৰ এক নেতিবাচক চিন্তাক ঘৰ কৰায়। তিক্ততা হ'ল নিৰাশা আৰু হতাশাৰ ফল। তিক্ততাই আমাৰ শুভ কাম কৰিব পৰা কৰ্মক্ষমতা বিনষ্ট কৰে। নিৰাশাক দূৰ কৰি প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ তলত দিয়া কামবোৰ কৰিব লাগে —

সুখী হ'বলৈ সংকল্প গ্ৰহণ কৰিব লাগিব। নিজৰ মন নিজে নিৰূপণ কৰিব লাগিব। প্ৰতিজন ব্যক্তিৰ মাজত থকা ইতিবাচকখিনি গ্ৰহণ কৰিব লাগিব । সৰু সৰু বস্তুৰ মাজত আনন্দ বিচাৰিব লাগিব। নিজকে গঠনমূলক কামত লিপ্ত ৰাখিব লাগিব। চিন্তা নকৰি সমস্যা সমাধানৰ প্ৰতি গুৰুত্ব দিব লাগিব। ঙ) ধৈৰ্য ঃ ব্ৰায়ান আডামছৰ মতে— 'ধৈৰ্যই সৃষ্টি কৰে আত্মবিশ্বাস, সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা আৰু এটা যুক্তিসংগত দৃষ্টিভংগী, যি শেষত সফলতা আনে।' গতিকে ধৈৰ্য অবিহনে আমি আমাৰ জীৱনৰ প্ৰত্যাহ্বানবোৰক সফলতাৰে সন্মুখীন হ'ব নোৱাৰিম।

চ) ইচ্ছাশক্তি ঃ মেকিয়াভেলে কৈছিল— 'ইচ্ছাশক্তি প্ৰৱল হ'লে জটিলতাই কোনো ধৰণৰ প্ৰতিবন্ধকতা সৃষ্টি কৰিব নোৱাৰে।' সকলো সাফল্যৰ প্ৰথম পদক্ষেপ এক প্ৰৱল ইচ্ছা। যেনেদৰে সৰু জুই একুৰাই বিশেষ তাপ উৎপন্ন কৰিব নোৱাৰে, তেনেদৰে এটা দুৰ্বল ইচ্ছাই বিশেষ ফলাফল উৎপন্ন কৰিব নোৱাৰে। সাফল্যৰ প্ৰতি আগ্ৰহটো আহে জীৱনৰ এটা লক্ষ্যত উপনীত হোৱাৰ প্ৰৱল ইচ্ছাৰ পৰা। নেপ'লিয়ন হিলে লিখিছিল— 'মানুহৰ মনটোৱে যিটো ধাৰণা কৰি লয়, মনটোৱে সেইটো সফলো কৰে।'

ছ) লক্ষ্য স্থিৰ কৰা ঃ লিটনৰ মতে— 'তোমাৰ লক্ষ্যস্থান ক'ত, সেইটো যদি ঠিক কৰিব নোৱৰা তেন্তে কোন পথে খোজ দিবা কেনেকৈ জানিবা। তোমাৰ লক্ষ্যই তোমাৰ পথ নিৰ্ধাৰণ কৰিব।' জ্ঞানে আপোনাৰ লক্ষ্যত উপনীত হ'বলৈ সহায় কৰে, যদিহে আপুনি জানে আপোনাৰ লক্ষ্যটো কি? লক্ষ্যক SMART শব্দটোৰে বুজাব পৰা যায়— S- specific বা সুস্পষ্টতা, M- measurable বা পৰিমাপতা, A- achievable বা সু-সম্পন্ন কৰিব পৰা, R- realistic বা বাস্তৱবাদী, T- time bound বা সময় নিৰূপিত । গতিকে দেখা গ'ল যে জীৱন বাটৰ বিভিন্ন প্ৰত্যাহ্বানৰ কাঁইটবোৰ আঁতৰাই আগবাঢ়ি যাবলৈ হ'লে নিৰ্দিষ্ট এটা লক্ষ্য স্থিৰ কৰি ল'ব লাগিব। নিজকে প্ৰত্যাহ্বানৰ বাবে প্ৰস্তুত কৰি তোলাৰ আটাইতকৈ ডাঙৰ উপায় হ'ল নিজকে প্ৰশ্ন কৰা। কাৰণ আমি যেতিয়া নিজকে প্ৰশ্ন কৰিম তেতিয়া আমাৰ মগজুৱে চিন্তা কৰি উত্তৰ দিবলৈ বাধ্য হ'ব। যিটোৱে বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ আমাক উৎসাহ দিব। কিন্তু এইক্ষেত্ৰত লক্ষ্য ৰাখিব লাগিব যে প্ৰশ্নবোৰ যেন ইতিবাচক হয়, নেতিবাচক নহয়। কিছুমান নেতিবাচক প্ৰশ্ন হ'ল —

এইটো কিয় মোৰ জীৱনত হ'ল?

কিয় এইজন ব্যক্তিয়ে মোৰ লগত এনে কৰিলে ?

এইবোৰ প্ৰশ্নই কিন্তু আমাৰ জীৱনত আৰু বেছি সমস্যাৰহে সৃষ্টি কৰিব, সমাধান নকৰে।

কিছুমান ইতিবাচক প্ৰশ্ন হ'ল —

এই প্ৰত্যাহ্বানৰ পৰা মই কি শিকিব পাৰিলোঁ? ইয়াৰ ভাল দিশবোৰ কি কি ? ইয়াৰ পৰা মই কি লাভ কৰিলোঁ ? এই প্ৰত্যাহ্বানৰ মই কিদৰে সন্মুখীন কৰিম ? গতিকে দেখা গ'ল যে প্ৰত্যাহ্বান যিমান ডাঙৰ হওক কিয় ই জীৱন বাটৰ স্থায়ী হেঙাৰ হ'ব নোৱাৰে। কেৱল দায়িত্ব গ্ৰহণ, অভিযোগ কৰা বন্ধ কৰা আৰু বাস্তৱধৰ্মী চিন্তাৰ প্ৰতি অধিক গুৰুত্ব দিব লাগিব। শেষত প্ৰখ্যাত দাৰ্শনিক হেনৰি ডেভিদ থৰোৰ মতে— 'মানুহৰ জন্ম হয় সফল হ'বলৈকে, ব্যৰ্থ হ'বলৈ নহয়। আত্মবিশ্বাসেই মানুহৰ জীৱনৰ সাফল্যৰ প্ৰথমটো সপোন।'

ফোন ঃ ৮৬৩৮৯-৪৭২৯২

# ড্ৰাগ্‌ছ আসক্ত সন্তানৰ অভিভাৱকৰ বাবে অহা এটা ডাঙৰ সুযোগ

■ মাণিক চন্দ্ৰ নাথ

ল'ৰা-ছোৱালী বিপথে গ'লে অভিভাৱকতকৈ আন মানুহে আগতে গম পায়। শিক্ষকৰ চকুতো ছাত্ৰ-ছাত্ৰীৰ বিপথগামিতা পলমকৈ ধৰা পৰে। ড্ৰাগ্‌ছ কি, কেনেকৈ ইয়াক সেৱন কৰে, সেইবোৰ কথা আজিও ভালদৰে বুজি নাপাওঁ। আচলতে ড্ৰাগ্‌ছ সম্পৰ্কীয় কথাবোৰে মনটো বেয়া কৰে কাৰণে সেইবোৰ কথা শুনাৰ পৰা আঁতৰি থাকোঁ। কিন্তু আঁতৰি থাকিলেও মোৰ ছাত্ৰ এজনক ড্ৰাগ্‌ছে প্ৰাণ লোৱাৰ এক হৃদয়বিদাৰক ঘটনাৰ মুখামুখি হৈছিলোঁ। পঢ়া-শুনাত মধ্যমীয়া ল'ৰাজন আছিল অতি অমায়িক। শিক্ষক পিতৃ-মাতৃৰ একমাত্ৰ পুত্ৰ সন্তান। তেওঁ চৰকাৰী সৰু চাকৰি এটাও যোগাৰ কৰিছিল। কিন্তু দুই-তিনি বছৰমানৰ পিছত চাকৰি এৰি দিছিল। এদিন জৰা-জীৰ্ণ অৱস্থাত তেওঁক এজন ল'ৰাই ধৰি ৰিক্সাত উঠাই অনা দেখিছিলোঁ। তেতিয়াই জানিবলৈ পাইছিলোঁ যে তেওঁ সম্পূৰ্ণকৈ ড্ৰাগ্‌ছৰ কবলত। তাৰ কেইদিনমানৰ পিছতেই সেই দুখজনক খবৰটো পাইছিলোঁ। গভীৰ নিৰাশাই তেওঁক চৰম পথলৈ ঠেলি দিছিল।

আমাৰ সমাজখন কেনেকৈ ড্ৰাগ্‌ছে ছানি ধৰিছে সমাজৰ প্ৰতিজন লোকেই জানে। ড্ৰাগ্‌ছ আসক্ত ল'ৰা-ছোৱালী আৰু হাজাৰ হাজাৰ টকা খৰচ কৰি ৰিহেবিলেশ্বনৰ ব্যৱস্থা কৰিব লগা হোৱা, ৰিহেবিলেশ্বনৰ পিছত কেতিয়াবা সেই ল'ৰা-ছোৱালী পুনৰ ড্ৰাগ্‌ছলৈ ঘূৰি যোৱা, ড্ৰাগ্‌ছৰ জৰিয়তে কোনো ল'ৰা-ছোৱালীয়ে এইড্‌ছৰ দৰে দুৰাৰোগ্য ৰোগ চপাই লোৱা, আনকি ড্ৰাগ্‌ছৰ কাৰণেই নিজৰ সন্তানৰ যন্ত্ৰণাকাতৰ মৃত্যু দেখিবলৈ পোৱা পিতৃ-মাতৃও হয়তো বহুতে দেখিবলৈ পাইছে। কিন্তু বিভিন্ন সমস্যাক লৈ আন্দোলন-জনজাগৰণ চলি থকা আমাৰ ৰাজ্যখনত ড্ৰাগ্‌ছক আটাইতকৈ ভয়ানক সমস্যা বুলি দেখুৱাব পৰাকৈ কোনো ধৰণৰ জনজাগৰণ সৃষ্টি হোৱা নাছিল। হয়তো সৰ্বব্যাপী চলা নিষিদ্ধ ড্ৰাগ্‌ছৰ আগ্ৰাসনক অপ্ৰতিৰোধ্য গতি বুলিয়ে সকলোৱে মানি লৈছিল। দীৰ্ঘদিনে অসমৰ ৰাজনীতিত থাকি অসম আৰু অসমীয়াৰ নাৰী-ভুঁৰি বুজি পোৱা ড° হিমন্ত বিশ্ব শৰ্মাৰ চকুৰ আগত হয়তো ড্ৰাগ্‌ছৰ ধ্বংসলীলাৰ ছবিখন জ্বলন্ত ৰূপত উদ্ভাসিত হৈ আছিল। আৰু সেয়ে হয়তো শাসনভাৰ হাতত লৈয়ে আচম্বিতে ড° হিমন্ত বিশ্ব শৰ্মাই ড্ৰাগ্‌ছবিৰোধী যুঁজত জঁপিয়াই পৰিল। লক্ষণীয় কথাটো হ'ল, ড্ৰাগ্‌ছবিৰোধী অভিযানৰ আৰম্ভণি কৰাতহে আমাৰ ৰাজ্যখন ড্ৰাগ্‌ছৰ গ্ৰাসত কিমান গভীৰতালৈ সোমাই গৈছিল সেই কথা সৰ্বসাধাৰণ লোকৰ দৃষ্টিগোচৰ হৈছে। অসমৰ মাটিত শত্ৰুৰ বিৰুদ্ধে কেইবাখনো ভয়ংকৰ যুঁজ চলি গৈছে। অসমৰ মাটিত ড্ৰাগ্‌ছৰ বিৰুদ্ধে আৰম্ভ হোৱা এইখনো তেনেকুৱা এখন ভয়ংকৰ যুঁজ বুলি সকলোৱে গণ্য কৰা উচিত। কাৰণ এই যুঁজখনৰ হৰা-জিকাৰ ওপৰত আমাৰ সমাজখনৰ ভৱিষ্যৎ নিৰ্ভৰ কৰিছে। অৱশ্যে মুখ্যমন্ত্ৰী মহোদয়ে দেখুওৱা দৃঢ়তাই এই যুঁজত আমাৰ জয়লাভৰ আশা কঢ়িয়াই আনিছে। কিন্তু নিষিদ্ধ ড্ৰাগ্‌ছৰ পৰা ভৱিষ্যতৰ সমাজখনক সুৰক্ষিত কৰিবলৈ অসমৰ সকলো শ্ৰেণীৰ লোকেই চৰকাৰক সহায় কৰিব লাগিব। নিষিদ্ধ ড্ৰাগ্‌ছৰ বেহাৰ উমান পালে পুলিচক জনোৱা আৰু বিচৰা তথ্য পুলিচক জনোৱাটোৱেই হ'ব জনসাধাৰণে চৰকাৰক আগবঢ়াব লগা সহায়-সহযোগ। এইক্ষেত্ৰত বেছিকৈ সহায়-সহযোগ আগবঢ়াব লাগিব অভিভাৱকসকলে।

বন্ধুৰ হাত ধৰিয়েই কোনো ল'ৰা-ছোৱালীয়ে ড্ৰাগ্‌ছৰ সাম্ৰাজ্যত প্ৰথম খোজটো দিয়ে। তাৰ পিছত ড্ৰাগ্‌ছে বিচৰা মতে তেওঁলোকে ক্ৰমৱৰ্ধমান খৰচৰ জোৰা মাৰিবলৈ বিভিন্ন উপায় অৱলম্বন কৰে আৰু সমান্তৰালভাৱে বৃদ্ধি হয় তেওঁলোকৰ মানসিক উচ্ছৃংখলতা। পিছৰখিনি সকলোৱে জানে। বৰ্তমান অসম চৰকাৰে ড্ৰাগ্‌ছবিৰোধী অভিযান আৰম্ভ কৰিছে। এই সময়ত যদি নিজৰ সন্তান ড্ৰাগ্‌ছৰ লগত সম্পৰ্কীত হৈ থকা কথাটো পিতৃ-মাতৃয়ে নিজে পুলিচক জনায় তেতিয়া হয়তো তেওঁলোকৰ সন্তানটি আইনী প্ৰক্ৰিয়াৰ এটাৰ মাজত সোমাই পৰিব; কিন্তু সিফালে সেই সন্তানটি লাহে লাহে ড্ৰাগ্‌ছৰ অন্ধকাৰ সম্ৰাজ্যৰ পৰা ওলাই আহিব। ড্ৰাগ্‌ছৰ লগত জড়িত বহুসংখ্যক ল'ৰা-ছোৱালী ইতিমধ্যে গ্ৰেপ্তাৰ হৈছে। সেই ল'ৰা-ছোৱালীৰ অভিভাৱকসকলে তেওঁলোকৰ মান-সন্মান, আশা-ভৰসাৰ স্থল ধূলিসাৎ হৈ যোৱা যেন অনুভৱ কৰিছে। কিন্তু এই হতাশাৰ মাজতে আশাৰ বতৰাও লুকাই আছে; কাৰণ ড্ৰাগ্‌ছে উপনীত কৰোৱা শেষ দশাটোৰ ৰূপত নিজৰ সন্তানটি দেখাৰ পৰা ৰক্ষা পৰাৰ এটা সুযোগ আনি দিছে এই আইনী প্ৰক্ৰিয়াই। আনহাতে, এইটো কথা নিশ্চিত যে ড্ৰাগ্‌ছৰ ঘাত-প্ৰতিঘাতে পৰৱৰ্তী সময়ত এইসকলৰ বহুতকে অনন্য ৰূপত সজাই তুলিব।

ফোন ঃ ৭০০২০-১৯৮১৩

নিৰ্মলপ্ৰভা বৰদলৈৰ মৃত্যু তিথি উপলক্ষে

# ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গীতি সাহিত্য

কবি আৰু গীতিকাৰ হিচাপে ড° নিৰ্মলপ্ৰভা বৰদলৈৰ যে অপাৰ খ্যাতি আৰু সুকীয়া পৰিচয় আছে ই অনস্বীকাৰ্য। পঞ্চাশৰ দশকৰ পৰা নিৰৱচ্ছিন্নভাৱে ষাঠি আৰু সত্তৰৰ দশকলৈ অসমীয়া আধুনিক কবিতাৰ ধাৰাটোক উত্তৰণ আৰু ৰূপান্তৰৰ মাজেৰে এটা সাৰ্থক বাটৰ সন্ধান দিয়া ত্ৰিমূৰ্তিৰ ভিতৰত অন্যতম আছিল নিৰ্মলপ্ৰভা বৰদলৈ। স্মৰ্তব্য যে বাকী দুজন কবি আছিল হীৰেন ভট্টাচাৰ্য আৰু নীলমণি ফুকন। বাইদেউৰ গীতৰ কথাত ফাগুনে পূৰ্ণতা পাইছে। প্ৰকৃততে যিকোনো গীতৰ সুৰে সৃষ্টি কৰে হৃদয়ত কম্পন, লাভ কৰে অনাবিল সুখ। গীতত মূৰ্তমান হয় সমাজ আৰু সময়। কবি-গীতিকাৰৰ কাপ-কলমেৰে নিগৰি আহে আৱেগ-অনুভূতিৰ বৰ্ণময় ৰূপছবি। ড° বৰদলৈৰ কবিতা আৰু গীতসমূহে প্ৰেম, প্ৰকৃতি, স্মৃতি, নিঃসংগতা, স্বদেশপ্ৰেম, নাৰী মন ইত্যাদি বিস্তৃত বিষয় সামৰি লৈছে। ঋতুভেদে ভিন ভিন হয় অনুভূতি। নিজ সৃষ্টিৰে আমাৰ মাজত ঝংকাৰ সৃষ্টি কৰা ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত ফাগুনৰ ৰূপ অতি মনোগ্ৰাহী। ফাগুনে হুঁহুৱাই, ফাগুনে কন্দুৱাই। চিত্তাকৰ্ষক ৰূপেৰে মন ৰঙাই তোলা ফাগুনে অহেতুক বিষাদত হৃদয় বিগলিত কৰিবও জানে। ধূলিয়ৰী ফাগুনৰ উৰুঙা দুপৰ বেলাই মনত জগাই তোলে অকাৰণ শূন্যতা। আকাশৰ উদাৰতা, পথাৰৰ বহল বুকু সকলোতে ৰিঙা ৰিঙা ভাবনাই ছানি ধৰে। 'ফাগুনৰ বতাহ এছাটি' লাগি 'পথৰ কাষৰ ৰঙা মদাৰৰ পাহিটিও' যেন কঁপি উঠে। মাঘৰ উৰুকাৰ সান্নিধ্যৰে উমাল কৰি দূৰলৈ গুচি যোৱা প্ৰিয়জনৰ স্মৃতি যেন ফাগুনে অধিক জগাই তোলে— 'আগলি ফাগুনী বা বলি /পথাৰৰ ৰিঙা বুকু কঁপিব / ৰঙা ৰঙা শিমলু ফুলিব / তোমাক সুঁৱৰি মনে কান্দিব..'— সেয়ে হ'লেও ফাগুন গীতিকাৰৰ প্ৰিয়। বনমঞ্জৰীৰ ৰক্তিম আবিৰ সানি ফাগুনে হিয়া-মনত লাজুকী পৰশ দিয়ে। বৰদলৈৰ 'চঞ্চলা ফাগুন' গীতটিত যেন তাৰেই প্ৰকাশ। আগ ফাগুনৰ পছোৱা জাকে গীতিকাৰৰ মনতো দোলা দি যায়— 'আগ ফাগুনৰ বা ছাটি / কেনি আহি কেনি যায় / উৰো উৰো মন পখিলা যদিলে আহি উৰুৱাই...' মন উৰুৱাই নিয়া ফাগুনে ৰঙে-ৰূপে চৌদিশে সৌন্দৰ্যৰ পোহাৰ মেলে। জীৱনৰ প্ৰতি জগাই তোলে মায়াময় মোহ। হৃদয় নদীখনো যেন ৰঙতে পাহাৰী জুৰিৰ দৰে উচ্ছল হৈ নাচে— 'পৰিৱেশ আজি কি যে অপৰূপ / ফাগুনৰ ৰং ৰূপেৰে / হৃদয় পাত্ৰ ভৰপূৰ আজি / গভীৰ জীৱন মায়াৰে...' — ফাগুন বনত যে ফুল আৰু ফুল। ফাগুনৰ বা লাগি চঞ্চলা মন। মনৰ মাজত আৱেগৰ জোৱাৰ। সাঁচতীয়া মৰমকণ ফুলৰ পাহিৰ মাজত আলফুলে ভৰাই কাৰোবাক দিবৰ মন। গীতিকাৰৰ এইটি গীতত যেন তাৰেই আভাস— ''অ' আজি ফাগুন বনত মোৰ ফুলে / ফুল কাক দিম ফুল নাজানো / নেজানো বিলকুল...' ঠিক তেনেদৰে ফাগুন বনত ৰঙা ৰঙা ৰঙে চৌপাশ তেজোদীপ্ত কৰাৰ প্ৰকাশ অতি চমৎকাৰ– 'এয়া ফাগুনৰ দিন / ৰঙা পাপৰিতে চিন / ফুলেনে মনৰে ফুল হৈ / এটি মিঠা ভুল শিমলুবুলীয়া হৈ / উৰিছে সুৰভি তাৰ এটি প্ৰজাপতি হৈ'' — ফাগুনে আবিৰ সানি উন্মনা কৰি তোলে মন। দেহত জগাই তোলে অজানা শিহৰণ। পলাশৰ জুইৰ দহন কবি-গীতিকাৰৰ দেহ-মনতো যেন আহি লাগে— 'কি যে শিহৰণ দেহতে মনতে / হ'ম যেন পলাশৰ ফুল / ফাগুনৰ বতাহৰ দোলনি লাগিছে / আলাসত দোলা দি ফুৰিম'। তেখেতৰ কবিতাত ফাগুনৰ নিশাও মনোৰম হৈ উঠিছে। 'কিবা যেন বুজোঁ বুজোঁ ফাগুনৰ জোনাকত' বুলি কবিৰ মনৰ দোদুল্যমান অৱস্থাতে ৰিবৰিবকৈ বলা মলয়া জাকে অজানা সুৰক তেওঁ ছন্দোবদ্ধ কৰিছে। তেওঁৰ বহুকেইটি গীতত ফাগুনক প্ৰতীকী ব্যঞ্জনাৰে উপস্থাপন কৰিছে। মুঠৰ ওপৰত এনেদৰেই ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে এক পৰিশিত ৰূপক উপস্থাপন কৰিছে।

■ মদন মোহন পাগবন্ধা



## ছিপাঝাৰত এখন আৰচিচি দলঙৰ বাবে ওলাই আহিল গাঁৱৰ মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ,১জুন ঃ** দেশৰ স্বাজোত্তৰ ৭২ বছৰৰ পিছতো দৰঙৰ ছিপাঝাৰৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ দুৰদুৰীয়াবাসী ৰাইজে আজিও বাঁহৰ সাঁকোৰে যাতায়ত কৰিবলগীয়া হৈ অহাতো অতিকৈ পৰিতাপৰ কথা। চৰকাৰ, সাংসদ, বিধায়ক, পঞ্চায়ত প্ৰতিনিধিৰ বাবে যেন এলাগি এই গাঁও খন। চৰকাৰে গ্ৰামোন্নয়ন বিভাগৰ পঞ্চায়ত ব্যৱস্থাৰ জৰিয়তে ৰাইজৰ উন্নয়নৰ নামত বছৰি কোটি কোটি টকা মোকলাই দি আহিছে যদিও ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ দুৰদুৰীয়া গাঁৱৰ জানৰ ওপৰত থকা বাঁহৰ সাঁকোখনেই ৰাইজৰ উন্নয়নৰ ফোপোলা ছবিখন স্পষ্ট ৰূপত উদঙাই দেখুৱাইছে। দেশৰ স্বাধীনতাৰ ৭২ টা বছৰ অতিক্ৰম হোৱাৰ পিছতো চৰকাৰৰ জনপ্ৰতিনিধিসকলৰ চকুত নপৰাটো লজ্জাজনক কথা। যাৰ পিছত সমাগত বাৰিষাক লৈ চিন্তিত হৈ পৰা গাঁওখনৰ মহিলাসকল আজি মুকলিভাৱে ওলাই আহি নাওপোটা দুৰদুৰীয়া সংযোগী পথৰ জানত থকা জৰাজীৰ্ণ বাঁহৰ সাঁকোৰ পৰিৱৰ্তে এখন সৰু আৰ চি চি দলং নিৰ্মাণ কৰিবলৈ চৰকাৰ,সাংসদ, বিধায়ক, পঞ্চায়তলৈ দাবী জনাই প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে গাঁওখনৰ নাওপোটা দুৰদুৰীয়া পথৰ জানৰ ওপৰত থকা বাঁহৰ সাঁকোখনেৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰী, স্বাস্থ্য সেৱা, ব্যৱসায়-বাণিজ্য আদিৰ বাবে মুখ্য পথ হোৱাত যাতায়তত যমৰ যন্ত্ৰণা ভোগ কৰিবলগীয়া হৈছে গাঁও খনৰ সকলো শ্ৰেণীৰ মানুহে।

# ছিপাঝাৰত পিএমএৱাই গৃহৰ আবণ্টনত অনিয়ম

## পূৰ্বে গৃহ লাভ কৰা, চৰকাৰী চাকৰি থকা পৰিয়াললৈ আই ডি নম্বৰ কিয় ?

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ,১জুন ঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন মিত্ৰজোটৰ চৰকাৰখনে ৰাইজৰ মাজলৈ গৈ ৰাইজৰ সমস্যাসমূহ পৰ্যায়ক্ৰমে সমাধান কৰাৰ বাবে বিভাগে বিভাগে নীতি-নিৰ্দেশনা জাৰি কৰাৰ সময়তে দৰঙৰ ছিপাঝাৰত সৰ্বসাধাৰণ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কিয়নো গ্ৰামোন্নয়ন বিভাগৰ বিষয়া-কৰ্মচাৰী, পঞ্চায়ত প্ৰতিনিধিৰ লেতেৰা মনৰ পৰশত্ৰে আঁচনিসমূহ ৰূপায়ণ কৰি অহাৰ পিছত চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ প্ৰকৃত সোৱাদ লাভ কৰাৰ পৰা বঞ্চিত হৈ অহাৰ অভিযোগ উত্থাপন হৈছে। চৰকাৰে অকণোতা আঁচনিৰ বাবে যিসকল লোকক অগ্ৰাধিকাৰ দি ৰূপায়ণৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ নিৰ্দেশনা দিছিল তেনে নীতি-নিৰ্দেশনাক একাষৰীয়া কৰি থৈ ধনৱন্ত লোকসকলকহে সুবিধা দিয়াৰ বিপৰীতে বঞ্চিত হ'বলগীয়া হৈছে বিধৱা, বিকলাঙ্গ, বিদ্ধমান লগবীয়া ৰুগীয়া, মগনীয়া আদিৰ দৰে লোকসকল। যিসকল বঞ্চিত হৈছে আঁচনিৰ আশা বুকুত বান্ধি পঞ্চায়ত প্ৰতিনিধি, নেতা-পালিনেতাৰ ঘৰলৈ দৌৰা-দৌৰি কৰিও লাভ কৰাৰ সৌভাগ্য ঘটা নাই। তদুপৰি এম জি এনৰেগাৰ নামত জবকাৰ্ডধাৰী দৰিদ্ৰ লোকসকলে দুবেলা দুমুঠি ভাত খোৱাৰ সুবিধা নোপোৱাৰ অভিযোগো উঠিছে। বিষয়াক, পঞ্চায়ত প্ৰতিনিধি, কৰ্মচাৰীৰ আপোন মানুহ বুলি পৰিচিত একাংশ লোকে সকলোকে মেনেজ কৰি আঁচনি ৰূপায়ণৰ নামত জে চি বি, ট্ৰেক্টৰেৰে মাটিৰ কাম কৰি ঠিকাদাৰসকলৰ ঘৰৰ পৰিয়ালৰ লোক, অওহৃৰী-বহুহৰ লগতে প্ৰকৃত জবকাৰ্ডধাৰী হোজা লোকসকলক বিভিন্ন প্ৰলোভনেৰে জবকাৰ্ডসমূহ নি কনিষ্ঠ অভিযন্তা, পঞ্চায়তৰ জি আৰ এছ, সচিব আদিৰে মিলি পালমাৰি কৰিয়েই হজম কৰিছে লাখ লাখ টকা। যাৰ পৰিপ্ৰেক্ষিতত এনৰেগা আঁচনি হৈ পৰিছে এইসকলৰ বাবে ধন দিয়া দোৱনী গাই। লক্ষণীয় যে আঁচনিৰ নামত ওপৰ মহলৰ বিষয়া-কৰ্মচাৰীসকলে আঁচনি প্ৰদৰ্শন নকৰি ধন আবণ্টনতে ব্যস্ত হৈ থকাত দুৰ্নীতিৰ পয়োভৰ বেছি হৈ পৰা বুলি ৰাইজৰ অভিযোগত প্ৰকাশ। পি এম এ ৱাই গৃহৰ ক্ষেত্ৰত একাংশ পঞ্চায়ত প্ৰতিনিধিয়ে ছাৰ্ভেৰ নামত বজাৰ খুলি লগত যোৱা কৰ্মচাৰীসকলক বিপথে পৰিচালিত কৰি পূৰ্বে চৰকাৰী গৃহ লাভ কৰা, চৰকাৰী চাকৰি থকা পৰিয়াল, চাৰিচকীয়া বাহন থকা, ট্ৰেক্টৰ থকা পৰিয়ালক ৰাইজৰ নম্বৰ দি গৃহ লাভ কৰাৰ সুবিধা কৰি দিয়াৰ বিপৰীতে পিছতো প্ৰতিনিধিৰ মনে নিমিলা দৰিদ্ৰজনক এনে সুবিধাৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন হৈছে। যিসকলে ঘৰ ঘৰ কৰি পঞ্চায়তত কান্দি ফুৰিব লগা হৈছে। এনে অভিযোগ ছিপাঝাৰৰ সকলো পঞ্চায়ততে বিদ্যমান যদিও ইয়াৰ ২৬নং চেঙেলীয়াঝাৰ গাঁও পঞ্চায়ত শীৰ্ষত থকা বুলি প্ৰকাশ। য'ত এগৰাকী পোহনীয়া দালাল মতে কাম-কাজ সিজি থকা বুলি একাংশ প্ৰতিনিধি, বিষয়াৰ মুখে প্ৰকাশ। যাক হাথিয়াৰ কৰি আঁচনি এগৰাকী প্ৰতিনিধিয়ে লুণ্ঠন চলাই থকাৰো অভিযোগ সকলোৰে মুখে-মুখে। পি এম এ ৱাই গৃহৰ অনিয়মৰ অভিযোগ সকলোৱে মুখে মুখে।পঞ্চায়তখনৰ কুমাৰপাৰাৰ আয়ুৰ আলীয়ে( পিতা -আবিদ) চৰকাৰী গৃহ লাভ কৰাৰ পিছতো পুনৰ ছাৰ্ভে কৰি ১৪৭৮৮৮৪৪৮ নং আইডি দিয়া হৈছে।য'ত ছাৰ্ভেৰ সময়ত গণ্ডগোল হোৱাৰ পিছতো ৰহস্যজনকভাৱে আইডি দিয়া হ'ল। একেদৰে ইকামৰি (স্বামী কালিচৰণ)ৰ স্বামীৰ নামত চৰকাৰী গৃহ লাভ কৰাৰ পিছত এগৰাকী লোকৰ ঘৰতহে গৃহটো বন্ধাৰ পিছত ১৪৯৬২৫৩২৭ নং আইডি দি পুনৰ গৃহ লাভৰ সুযোগ প্ৰদানত জাড়ুৰ খাই উঠিছে নিকটবৰ্তী ৰাইজ। এনে অনিয়ম আৰু বহুতো আছে ই মাত্ৰ এক উদাহৰণহে মাথোঁ।একেদৰে কেন্দুগুৰিৰ চিৰাজ আলীয়ে পূৰ্বে চৰকাৰী গৃহ লাভ কৰাৰ পিছতো পুনৰ আইডি দি গৃহ দিয়াৰ বাট মুকলি কৰা বুলি অভিযোগ উত্থাপন হৈছে। যোগেপালী গাঁৱতো অজস্ৰ অভিযোগ উত্থাপন হৈছে। ৰাইজে এইবাৰ অনিয়মত হাত সাবটি বহি নাথাকিব বুলি পঞ্চায়ত সভানেত্ৰী- সচিবক চৰম সকীয়নি প্ৰদান কৰিছে। বিধায়কগৰাকীয়ে এইক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰাৰ পদক্ষেপ ল'বলৈ দাবী জনাইছে।

## লিচুবাৰী বজাৰত কৰ'না সজাগতা আলোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, দক্ষিণ যোৰহাট, ১ জুন ঃ** কাল কৰ'নাই বহুলোকৰ জীৱন আৰু পৰিয়াললৈ বিপৰ্যয় নমাই আনিলে। এতিয়াও বিপদে লগ এৰা দিয়া নাই। বিধি মানি সজাগ হৈ নচলিলে কোনেও পৰিত্ৰাণ নাপাব। আন আন ক্ষেত্ৰৰ লগতে বজাৰতো অধিক সচেতনতাৰ প্ৰয়োজন হৈছে। সেয়ে ন-আলি যোৰহাটৰ লিচুবাৰী দৈনিক দোকান-বজাৰত যাতে বিধি উলংঘা আৰু সংক্ৰমণ নহয় তাৰবাবে সজাগতা আনিবলৈ যোৱা ৩০ মে'ত ভিন্ন সীমিত প্ৰতিনিধিৰ যৌথ আলোচনা হয়। ৫১ নং বাঘচোং চৰাইবাহী গাঁও পঞ্চায়তৰ এগৰাকী খণ্ড সদস্যা ৰেখা দাসৰ আহ্বানত সজাগতা আলোচনাত আশাকৰ্মী জুমা দে', অংগনৱাড়ী কৰ্মী উমা ঘোষ আৰু ১ নং চাওদাং গাঁৱৰ গাঁওবুঢ়া পুতুল বৰাই সহযোগিতা আগবঢ়ায়। বজাৰখনক লৈ সদা সতৰ্ক তথা উন্নয়নত মনোনিৱেশ কৰি অহা লিচুবাৰী ব্যৱসায়ী সমিতিৰ সভাপতি ৰঞ্জিত শইকীয়া, লিচুবাৰী বজাৰ গাঁওৰক্ষী বাহিনীৰ সভাপতি ডাঃ পংকজ নাথ আৰু সম্পাদক নিৰ্মল দাসসহ সমিতিসমূহৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ দায়িত্ব পালিত লাটু গগৈয়ে বজাৰৰ লগতে বজাৰ প্ৰতিষ্ঠানৰ উপৰি এলেকাটোত থকা কাৰ্যালয় প্ৰমুখ্যে অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠান, গ্ৰাহক, বিভিন্ন কাৰণত আগমন হোৱা লোকসকলৰ দৃষ্টিলৈ অহাকৈ সজাগ বাৰ্তা আৰু কাৰ্যসূচী পালনৰ সিদ্ধান্ত লয়। এনেদৰে সকলোৱে সজাগ হ'লে কিছু পৰিমাণে সংক্ৰমণ ৰোধ হ'ব বুলি সকলোৱে মতপোষণ কৰে।



*এফালে কৰ'নাৰ সংহাৰী ৰূপ, আনফালে কৃত্ৰিম বানপানী ভৱানীপুৰ চ'কত। ফটো ঃ সঞ্জীৱ দাস*

## গোলাঘাটত দুই ক'ভিড প্ৰসূতিক সন্তান প্ৰসৱ কৰোৱাই তিনি চিকিৎসকে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ছিপাঝাৰ,১জুন ঃ** গোলাঘাটৰ বাবে এটা ভাল খবৰ। যিটো সময়ত ক'ভিড ৰোগীক চিকিৎসকে হেমাহি কৰাৰ খবৰ প্ৰায়েই সংবাদ মাধ্যমত স্থান পাই আহিছে। তেনে সময়তে গোলাঘাটৰ তিনি চিকিৎসকে নিজৰ কৰ্তব্য সুচাৰুৰূপে পালন কৰি চিকিৎসা সেৱাক আৰু এঢাপ ওপৰলৈ তুলিলে। গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ তিনি প্ৰসূতি বিভাগৰ চিকিৎসকে নিজৰ দায়িত্ব সুকলমে পালন কৰি কেৱল নিদৰ্শন দেখুৱাই নহয়, জীৱন দান দিলে তিনি নৱজাতকক। ডাঃ গুণ কুমাৰ দলে, ডাঃ চাহিদুল হক আৰু ডাঃ নিপন শ্যাম এই তিনি চিকিৎসকে ক'ভিড যুদ্ধৰ সন্মুখ সমৰত থাকি দাঙি ধৰিলে এক বিৰল দৃষ্টান্ত। যোৱা ২৯ আৰু ৩১ মে'ত ভৰ্ত্তি হোৱা দুই ক'ভিড পজিটিভ প্ৰসূতিক আপাতকালীনভাৱে অস্ত্ৰোপচাৰ কৰি দুটিকৈ সন্তানক পৃথিৱীৰ পোহৰ দেখুৱাবলৈ সক্ষম হ'য়। সুভদ্ৰা তাঁতী আৰু ৰূপা তাঁতী নামৰ এই ক'ভিড আক্ৰান্ত মহিলা দুগৰাকীৰ শাৰীৰিক অসুস্থতাৰ প্ৰতি লক্ষ্য ৰাখি ততাতৈয়াকৈ অস্ত্ৰোপচাৰ কৰি দুটিকৈ নৱজাতকক জীৱন দান দিয়ে। বৰ্তমান মাতৃসহ দুটি নৱজাতক সুস্থ বুলি জানিব পৰা গৈছে। গোলাঘাট শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ সুৰেন তামূলীৰ নেতৃত্বত চিকিৎসকৰ দলটোৱে পাঁচগৰাকীকৈ চিকিৎসা কৰ্মীৰ সহযোগত এই অস্ত্ৰোপচাৰ সম্পন্ন কৰি সফলতা লাভ কৰে। যিটো এতিয়া সকলো চিকিৎসকৰ বাবেই অনুপ্ৰেৰণা হৈ পৰিছে।



## ৰঙিয়াৰ এপ'ল মিলৰ শ্ৰমিক-কৰ্মচাৰীলৈ অক্ষয় পাত্ৰ ফাউণ্ডেচনৰ সাহায্য



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া,১ জুনঃ** লক ডাউনে বিপৰ্যস্ত কৰা অসমৰ একমাত্ৰ বস্ত্ৰ উদ্যোগ এপ'লৰ প্ৰায় ১৭৭ ঘৰ পৰিয়ালক আজি আমিনগাঁওস্থিত অক্ষয় পাত্ৰ ফাউণ্ডেচনৰ ফালৰ পৰা কিছু অত্যাৱশ্যকীয় সামগ্ৰীসহ ৰেচন প্ৰদান কৰা হয়। এই ৰেচন প্ৰদান কাৰ্যসূচীত সহযোগিতা আগবঢ়ায় ৰঙিয়াৰ বৰ্ষীয়ান সাংবাদিক মুকুল কলিতা, মহিলা নেত্ৰী সবিতা লহকৰ,কাশ্যপ চৌধুৰীসহ কে'বাজনো উদ্যমী লোকে। উল্লেখযোগ্য যে আজি প্ৰায় ৬ বছৰ ধৰি উক্ত মিলটো বন্ধ হৈ থকাৰ ফলত তাত কৰ্মৰত শ্ৰমিক-কৰ্মচাৰীসকলৰ পানীত হাঁহনচৰা অৱস্থা হৈ আছে। অক্ষয় পাত্ৰৰ এই কাৰ্যত ৰঙিয়াবাসীয়ে সন্তোষ প্ৰকাশ কৰিছে।

**ৰঙিয়া আঞ্চলিক ছাত্ৰসন্থাৰ স্মাৰক-পত্ৰ প্ৰদান**

## ক'ভিড হাস্পতাল নিৰ্মাণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া,১জুন ঃ** ৰঙিয়া মহকুমাত দিনক দিনে বৃদ্ধি পাই অহা ক'ভিড আক্ৰান্তৰ জীৱনৰ প্ৰতি লক্ষ্য ৰাখি সোমবাৰে ৰঙিয়া আঞ্চলিক ছাত্ৰসন্থাৰ তৰফৰ পৰা ৰঙিয়াৰ মহকুমাধিপতিৰ জড়িয়তে অসমৰ স্বাস্থ্যমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰা হয়। উল্লেখযোগ্য যে প্ৰায় ৫ লক্ষাধিক লোকৰ জনবসতিৰে আৱৰা ৰঙিয়া মহকুমাত আজিকোপতি নিৰ্মাণ কৰা হোৱা নাই এখনো ক'ভিড সেৱাকেন্দ্ৰ অথবা চিকিৎসালয় । আনহাতে ৪৫ উৰ্দ্ধৰ ব্যক্তিসকলৰ বাবে মাত্ৰ দুটা ভেকচিন চেণ্টাৰ আৰু ১৮ বছৰৰ ওপৰৰ ব্যক্তিসকললৈ তিনিটা ভেকচিন চেণ্টাৰ আছে যদিও সেয়াও অনিয়মীয়া বুলি জনায় কামৰূপ জিলা ছাত্ৰসন্থাৰ উপদেষ্টা হেমন্ত দাসে। এইক্ষেত্ৰত ছাত্ৰসন্থাৰ বিষয়ববীয়াসকলে ক্ষোভ প্ৰকাশ কৰি কয় যে অনতিপলমে ৰঙিয়া মহকুমাত ২০খন আইচিইউযুক্ত বিছনাৰ ক'ভিড হাস্পতালৰ ব্যৱস্থা কৰা হওক আৰু পৰ্যাপ্ত ভেকচিনৰ ব্যৱস্থা কৰা হওক । আনহাতে ৰঙিয়াৰ সমাজকৰ্মী জয়ন্ত কুমাৰ কলিতাই এই একেটা বিষয়ত অসন্তুষ্টি প্ৰকাশ কৰি কয় যে এইবিষয়ে বাৰম্বাৰ চৰকাৰ-প্ৰশাসনৰ ওচৰত অনুৰোধ জনোৱাৰ পিছতো কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাটো অকল দুৰ্ভাগ্যজনকে নহয়, ই চৰকাৰখনৰ বিফলতাকে সূচায় ।



## ক'ভিড-১৯ত মৃত্যু পংকজলোচন বৰাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট,১জুন ঃ** হেৰাই গ'ল ভৱিষ্যতৰ এজন বিজ্ঞানী হোৱাৰ সপোন দেখা ড০ পংকজলোচন বৰা। জাৰ্মানী আৰু চেক ৰিপাব্লিকৰ দুটা প্ৰখ্যাত প্ৰতিষ্ঠানত যৌথভাৱে ৰসায়ন বিজ্ঞান বিভাগত পিএইচডিৰ বাবে গৱেষণা কৰি শেষ পৰ্যায়ত উপনীত হোৱা গৱেষকজনক ক'ভিড-১৯ অতিমাৰীয়ে আমাৰ মাজৰ পৰা লৈ গ'ল। পশ্চিম যোৰহাটৰ দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়,গুৱাহাটী বিশ্ববিদ্যালয়, বেঙ্গালুৰুৰ ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্সৰ পৰা জাৰ্মানী আৰু চেক ৰিপাব্লিকৰ প্ৰখ্যাত প্ৰতিষ্ঠানত গৱেষণা কৰালৈকে সমগ্ৰ পৰিক্ৰমাত তেওঁ মেধা, বুদ্ধিমত্তা তথা বিচক্ষণতাৰ পৰিচয় দাঙি ধৰিছিল। কানাডা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত প'ষ্ট ডক্টৰেটৰ বাবে আগ্ৰহী গৱেষকজনে কেইবাটাও উচ্চমানৰ গৱেষণা প্ৰতিষ্ঠানৰ লগত ইতিমধ্যে যোগাযোগ অব্যাহত ৰাখিছিল। সম্প্ৰতি অষ্ট্ৰিয়াৰ ভিয়েনাত কৰ্মৰত গৱেষকজন কেইমাহমান পূৰ্বে পশ্চিম যোৰহাটৰ পকামূৰাৰ বৰশইকীয়া গাঁওস্থিত স্ব-গৃহলৈ আহিছিল। সাম্প্ৰতিক ক'ভিড-১৯ৰ দ্বিতীয় ঢৌৰ জটিল পৰিস্থিতিৰ বাবে তেওঁ যথা সময়ত কৰ্মস্থলীলৈ ঘূৰি যাব নোৱাৰিছিল। এইবাৰ স্বগৃহৰ পৰা উভতি গৈয়ে তেওঁ পিএইচডিৰ সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ কথা আছিল। সাক্ষাৎকাৰত অৱতীৰ্ণ হোৱাৰ পাছতে তেওঁ লাভ কৰিলেহেঁতেন সন্মানীয় ডক্টৰেট ডিগ্ৰী। সাৰ্থক হ'লহেঁতেন তেওঁৰ অতদিনৰ শ্ৰম আৰু সমাজে লাভ কৰিলেহেঁতেন তেওঁৰ গৱেষণাৰ ফল। পুনৰ আৰম্ভ হ'লহেঁতেন গৱেষণাৰ আন এক পৰিক্ৰমা। অনাগত দিনত অসম তথা ভাৰতে লাভ কৰিলেহেঁতেন এজন সুদক্ষ ৰসায়ন বিজ্ঞানী। অত্যন্ত মেধাৱী, বিচক্ষণ, ভদ্ৰ, অমায়িক, মিতভাষী, হাস্যমুখী, ধৈৰ্যশীল যুৱকজনক অকালতে মাত্ৰ বত্ৰিশটা বসন্ত অতিক্ৰম কৰাৰ পাছতে ক'ভিড-১৯এ আমাৰ মাজৰপৰা লৈ গ'ল। ভৱিষ্যতে অসমৰ উন্নতিৰ হকে কাম কৰিবলৈ পৰিকল্পনা যুগুত কৰা কম্পিউটাৰ তথা তথ্য-প্ৰযুক্তিৰো বিশেষজ্ঞ প্ৰতিভাধৰ বিনয়ী যুৱ-গৱেষকজনৰ মৃত্যুত পশ্চিম যোৰহাটৰ ৰাইজ অত্যন্ত ব্যথিত হৈছে।

## 'হৃদয় অসম সুন্দৰী ২০২১'ৰ ফলাফল ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৱানীপুৰ,১জুন ঃ** মালিক পাব্লিছিং হাউছৰ পৰা প্ৰকাশিত 'হৃদয়' মাহেকীয়া আলোচনীৰ সৌজন্যত MPH Media ইউটিউব চেনেলৰ জৰিয়তে দ্বিতীয় বৰ্ষৰ বাবে এমাহ জুৰি অনুষ্ঠিত হোৱা অনলাইন 'হৃদয় অসম সুন্দৰী-২০২১' শীৰ্ষক প্ৰতিযোগিতাখনৰ ফলাফল ঘোষণা কৰিছে। বিচাৰকৰ আসন অলংকৃত কৰা জনপ্ৰিয় অভিনেত্ৰী জেৰিণা বৰুৱা, বিশিষ্ট ফেশ্বন ডিজাইনাৰ তথা নাজিৰা মহাবিদ্যায়ৰ ফেশ্বন ডিজাইনিং বিভাগৰ প্ৰবক্তা প্ৰাঞ্জল প্ৰতীম আৰু ২০১৯ বৰ্ষৰ মিছ ইউনিভাৰ্ছ ষ্টাৰ বিজয়ী বিশিষ্ট মডেল ডলী কুৰ্মীয়ে বাছনি কৰা অনুযায়ী 'হৃদয় অসম সুন্দৰী'ৰ শিতাপ দখল কৰিছে বোকাখাতৰ প্ৰাংগণা দত্তই। ইপিনে দ্বিতীয় স্থানৰ পৰা দশম স্থানলৈ দখল কৰিছে ক্ৰমে সুদৰ্শনা পৰাশৰ, শৰ্মিলা মিৰ্ধা, ৰিংকী গগৈ, প্ৰিয়দৰ্শিনী দত্ত, সৃষ্টিনন্দা বৰা, নিষ্ঠা গগৈ, ভায়'লিনা কলিতা, লীনা গগৈ আৰু পৰশমণি হাজৰিকাই। ইয়াৰ উপৰি বিচাৰকৰ বিশেষ পুৰস্কাৰ পাঁচগৰাকী ক্ৰমে, গীতাশ্ৰী গগৈ, মিল্কী চেতিয়া, প্ৰিয়ংকা আৰন্ধৰা, শুভাংগী গগৈ আৰু মধুস্মিতা বড়োক আগবঢ়োৱা হৈছে। 'হৃদয়'ৰ সম্পাদক চফিখুৰ ৰহমানে জনোৱা মতে, বিজয়ী প্ৰতিযোগীসকলৰ বঁটাসমূহ বৰ্তমানৰ অতিমাৰীৰ পৰিস্থিতিৰ প্ৰতি সাক্ষ্য ৰাখি ডাকযোগে প্ৰেৰণ কৰিব।

## ওদালগুৰিৰ পানেৰীত দহ বছৰীয়া কিশোৰীক যৌন উৎপীড়ণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানেৰী,১ জুনঃ** ওদালগুৰি জিলাৰ পানেৰী থানাৰ অন্তৰ্গত ফুলকুছি গাঁৱত এজনী দহ বছৰীয়া কিশোৰীক যৌন উৎপীড়ণ চলোৱাৰ অভিযোগত আজি আৰক্ষীয়ে ৰূপেন দৈমাৰী (৪০) নামৰ ব্যক্তিজনক গ্ৰেপ্তাৰ কৰে। জানিব পৰা অনুসৰি ফুলকুছি গাঁৱৰ ৰূপেন দৈমাৰী নামৰ ব্যক্তিজনে নিজৰ সম্বন্ধীয় দহ বছৰীয়া কিশোৰীজনীক পঢ়া-শুনাৰ দায়িত্ব লৈ নিজৰ ঘৰত আশ্ৰয় দিয়ে। সম্বন্ধত মহায়েক ৰূপেন দৈমাৰীয়ে কিশোৰীজনীক এসপ্তাহ পূৰ্বে যৌন উৎপীড়ণ চলোৱাৰ উপৰি এই কথা আনক নক'বলৈ সকীয়াই দিয়া বুলি বায়েক এজনীক অৱগত কৰাত বায়েকে আজি পানেৰী থানাত এজাহাৰ দাখিল কৰে । এজাহাৰৰ ভিত্তিত পানেৰী আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধি আইনৰ ৩৭৬(এবি) আৰু পছক' (POSCO) আইনৰ অধীনত ৪৮/২০২১ নম্বৰত এটা গোচৰ ৰুজু কৰি অভিযুক্তজনক গ্ৰেপ্তাৰ কৰাৰ উপৰি কিশোৰীগৰাকীৰ স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰিছে। এনে অমানৱীয় ঘটনাক পানেৰী আঞ্চলিক আদিবাসী ছাত্ৰ সন্থাই তীব্ৰ ভাষাৰে গৰিহণা দিয়াৰ উপৰি দোষীক উচিত শাস্তি প্ৰদান কৰাৰ আহ্বান জনাইছে ।

## ক'ভিডকালীন সময়ত বিজ্ঞান-প্ৰযুক্তি প্ৰতিষ্ঠানৰ প্ৰাক্তন শিক্ষাৰ্থীৰ বদান্যতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভৱানীপুৰ,১জুন ঃ** ক'ভিডৰ ভয়াৱহতাৰ বাবে উদ্বেগেৰে ভৰা সাম্প্ৰতিক সময়ত দেশ তথা ৰাজ্যবাসীক সকাহ দিয়াৰ লগতে সহায়ৰ হাত আগবঢ়াবলৈ সমাজৰ বিভিন্ন স্তৰৰ লোকে প্ৰচেষ্টা অব্যাহত ৰাখি আহিছে । ক'ভিডকালীন এই সময়ত যিয়ে যেনেকৈ পাৰে তেনেকৈয়ে চৰকাৰ, প্ৰশাসন আৰু আক্ৰান্তসকলক সহায় কৰাৰ মানসিকতাৰে আগবাঢ়ি অহা দেখা গৈছে। এনে এক প্ৰেক্ষাপটত বজালী জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাৰ এক অনুৰোধসূচক আবেদনৰ প্ৰতি সঁহাৰি জনাই ভাৰতৰ প্ৰখ্যাত পিলানিস্থিত বিৰলা বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ প্ৰাক্তন শিক্ষাৰ্থীৰ এটা সংগঠনে বজালী জিলালৈ তিনিটা অক্সিজেন কনচেনট্ৰেটৰ আগবঢ়াই সংগঠনটোৱে বদান্যতাৰ পৰিচয় দাঙি ধৰিছে। উল্লেখযোগ্য যে এই সংগঠনটোৰ প্ৰায়বোৰ শিক্ষাৰ্থীয়ে সম্প্ৰতি বিদেশত ভিন্ন প্ৰান্তত কৰ্মৰত আৰু সংগঠনটোৱে মানৱিক দৃষ্টিভংগী তুলি ধৰি ভাৰতৰ ভিন্ন জিলাৰ পদাধিকাৰীৰ অনুৰোধমৰ্মে এই অক্সিজেন কনচেনট্ৰেটৰ সংশ্লিষ্ট জিলালৈ প্ৰেৰণ কৰিছে। বজালী জিলাৰ সহকাৰী আয়ুক্ত আয়াজ টনবীৰ আলমে গুৱাহাটীত জিলা প্ৰশাসনৰ হৈ সংগঠনটোৰ পৰা কনচেনট্ৰেটৰ তিনিটা গ্ৰহণ কৰে। ম'ফা নামৰ প্ৰকল্পৰ আধাৰত সংগঠনটোৱে ভাৰতৰ বিভিন্ন জিলালৈ এই কনচেনট্ৰেটৰ যোগান ধৰিছে। মনকৰিবলগীয়া যে এই কনচেনট্ৰেটৰ এটাৰ জৰিয়তে দুজন ৰোগীক অক্সিজেন দিব পৰা যাব । ক'ভিডকালীন সময়ত সংগঠনটোৰ মহানতাৰ শলাগ লৈছে বজালী জিলা প্ৰশাসনে।

## স্বচ্ছতাৰ দ্বাৰাও ৰোধ হয় কৰ'না ঃ চিকাৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা,পাঠশালা,১জুন ঃ** বৰপেটা জিলাৰ অন্যতম স্বচ্ছ আৰু পৰিষ্কাৰ গাঁও হিচাপে চিহ্নিত হোৱা বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ মধ্যপাকা গাঁও পঞ্চায়তৰ অন্তৰ্গত বালাপাৰা বামুণকুছি চুবাৰ ৰাইজে এই কৰ'নাৰ সময়তো নিজৰ গাঁওখনৰ স্বচ্ছ পৰিৱেশৰ পৰা আঁতৰি অহা নাই। প্ৰতিদিনে নিজৰ পদূলিমুখ এই গাঁৱৰ আয়তী-বোৱাৰীসকলে সাৰি-পুছি অতি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি আহিছে। গাঁওখনৰ পথটো এতিয়াও কেঁচা হ'লেও বাৰিষা যাতে বৰষুণত পানী জমা হ'ব নোৱাৰে বা ৰ'দৰ বতৰত যাতে ধূলিৰ ধুমুহা হ'ব নোৱাৰে তাৰো সততে ব্যৱস্থা কৰে গাঁওখনৰ সদা সচেতন ৰাইজে। পথটোৰ দুয়োকাষে সুন্দৰ পৰিপাটীকৈ আছে সাতামপুৰুষীয়া বাঁহৰ বেৰ । সকলোৱে পদূলিয়ে পদূলিয়ে আছে জাবৰৰ ডাষ্টবিন। পথটোৰ দুয়োকাষে শাৰী শাৰীকৈ থকা তামোল-নাৰিকলৰ উপৰি অন্যান্য গছ-গছনিয়ে প্ৰকৃতিৰ মনোমোহা পৰিৱেশটো জাজ্বল্যমান ৰূপত প্ৰতিভাত কৰিছে। কিন্তু পথটোত নাথাকে এটাও শুকান পাত। ৰাইজৰ সচেতনতাৰ কাৰণে আজি গাঁওখন উজলি উঠিছে। এনে অৱস্থাত আজি গাঁওখনত উপস্থিত হয় বৰপেটা জিলাৰ গ্ৰামোন্নয়ন বিভাগ আৰু জিলা পৰিষদৰ বিষয়া-কৰ্মচাৰীৰ এটা বৃহৎ দল। গাঁওখনৰ এনে স্বচ্ছতাৰ নান্দনিক নিদৰ্শন দেখি অভিভূত হৈ পৰে বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া তথা বৰপেটা জিলা গ্ৰামীণ বিকাশ অভিকৰণৰ প্ৰকল্প সঞ্চালক মনোজ চিকাৰিয়া, বামুণকুছি গাঁৱৰ সভাপতি বলেন কলিতাস, সম্পাদক ফুলেন মেধি, উপদেষ্টা কামাখ্যা কলিতা, নিলীমা কলিতা, দয়াল ভড়ালী আদিকে ধৰি প্ৰায়বোৰ গাঁওবাসী উপস্থিত থকা অনুষ্টুপীয়া অনুষ্ঠানত উপস্থিত থাকি মুখ্য কাৰ্যবাহী বিষয়া মনোজ চিকাৰীয়াই অভিভূত হৈ এই দুঃসময়ত আমি সকলোৱে পৰিষ্কাৰ হৈ সামাজিক দূৰত্ব মানি থাকিব লাগে। নিজকে সজাগ-সচেতন কৰি ৰাখিলে আপোনালোকে কৰ'না জয় কৰিব পৰিব বুলি মন্তব্য কৰে চিকাৰিয়াই। বৰপেটা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ছৰিফ আলী, বিভাগৰ কাৰ্যবাহী অভিযন্তা গুণীন দাস, কনিষ্ঠ অভিযন্তা মইনুল আটিক ভূঞা, জিতু আলী মধ্যপাকা গাঁও পঞ্চায়তৰ সভাপতি আলম শিকদাৰ, সচিব মনোৰঞ্জন দাস আদি উপস্থিত থকা দলটোৱে বালাপাৰাৰ কালদিয়া বনানী বনভোজথলীও পৰিদৰ্শন কৰে। ইয়াৰ পিছত মধ্যপাকা পঞ্চায়তত স্থাপন কৰি বিশুদ্ধ খোৱাপানী আঁচনিও মুকলি কৰে মুখ্য কাৰ্যবাহী বিষয়া মনোজ চিকাৰীয়াই।



# ছিপাঝাৰত প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ ভৱিষ্যৎ ৰাজনৈতিক বিকল্প কি হ'ব

## কংগ্ৰেছেই হ'ব পাৰে নেতাজনৰ বাবে বিকল্প পথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ,১জুন ঃ** ৰাজ্যখনৰ অন্যতম সন্মানীয় সমষ্টি হ'ল ছিপাঝাৰ বিধানসভা সমষ্টি। য'ত ১৯৮৫ ৰ পৰা চাৰিবাৰকৈ অগপৰ দখলত থকাৰ পিছত ২০০৬ চনৰ পৰা ২০২১লৈ দুবাৰ কংগ্ৰেছ আৰু শেষৰবাৰ বিজেপিৰ প্ৰতিনিধি হিচাপে একেজন প্ৰতিনিধি প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াই প্ৰতিনিধিত্ব কৰিছিল। ২০২১ৰ নিৰ্বাচনত সকলোৱে ভাবিছিল যে ছিপাঝাৰত বিজেপিক শক্তিশালী কৰা আৰু ৰাইজৰ বাবে কৰা উন্নয়নৰ স্বাৰ্থতে গেৰুৱা বাহিনীৰ পৰা দলীয় টিকট লাভ কৰিব আৰু অনায়াসে জয়ী হৈ মন্ত্ৰীসভাত স্থান লাভ কৰিব। কিন্তু আশ্চৰ্যজনকভাৱে মূৰকত নিৰ্বাচনৰ সময়ত অগপ এৰি নিশাতে গেৰুৱা সাজ পিন্ধা দৰঙী সন্তান ড০ পৰমানন্দ ৰাজবংশীক নেতৃত্বই প্ৰাৰ্থিত্ব প্ৰদান কৰাত বিনন্দ কুমাৰ শইকীয়াৰ ৰাজনীতিৰ পথ হৈ পৰে কণ্টকময়। যাৰ পিছত প্ৰাক্তন বিধায়ক শইকীয়াই সুযোগ পোৱা সত্ত্বেও কোনো দললৈ ঢাপলি নেমেলি বিজেপিতে থাকি দলীয় নিয়ম-নীতি বৰ্তাই থাকে। এনে সময়ত সকলোৱে মুখত এটাই কথা শুনিবলৈ পোৱা গৈছিল যে ছিপাঝাৰত যদি বিজেপিৰ প্ৰাৰ্থীগৰাকী পৰাজিত হয়, তেন্তে বিনন্দ কুমাৰ শইকীয়াই পুনৰ সুযোগ এটা পাব পাৰে, যদি বিজেপিৰ প্ৰাৰ্থী গৰাকী জয়ী হয় তেনেহ'লে বিজেপিত বিনন্দ কুমাৰ শইকীয়াৰ চিৰদিনৰ বাবে ৰাজনীতিৰ বেলি মাৰ যোৱাৰ সম্ভাৱনাই অধিক । এনে সন্ধিক্ষণত এইবেলি ছিপাঝাৰত মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পছন্দৰ বিজেপি প্ৰাৰ্থী ড০ পৰমানন্দ ৰাজবংশী জয়ী হোৱাৰ পিছত ছিপাঝাৰত প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ ভৱিষ্যৎ ৰাজনীতিত বাধা আহি পৰে। নেতাজনৰ ভৱিষ্যৎ ৰাজনীতি কি হ'ব, কিম্বা ইয়াৰ বিকল্প কি হ'ব তাক লৈ চলে সৰৱ চৰ্চা ।একাংশ দলীয় নেতা-কৰ্মী আৰু ৰাজনৈতিক ক্ষেত্ৰখনত ভূ ৰখা মহলে ক'ব বিচৰা অনুসৰি প্ৰাক্তন বিজেপি বিধায়ক বিনন্দ কুমাৰ শইকীয়াই প্ৰাৰ্থিত্ব নাপালেও তেওঁক কোনো গুৰুত্বপূৰ্ণ ব'ৰ্ডত কেবিনেট মৰ্যাদাপূৰ্ণ চেয়াৰমেন পদত অধিষ্ঠিত কৰাৰ সম্ভাৱনীয়তা থকা বুলি নিশ্চিত কৰিছিল। কিন্তু প্ৰাক্তন বিধায়ক শইকীয়াই নিৰ্বাচনৰ সময়ত দলীয় প্ৰাৰ্থীগৰাকীক সহযোগ নকৰা বুলি বিশেষভাৱে চৰ্চিত কথাষাৰ মুখ্যমন্ত্ৰী হিমন্তৰ কাণত পৰাত শইকীয়াৰ অনাগত দিনত তেনে আশাও ক্ষীণ হৈ পৰে। যাৰ পিছত প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ বাবে বৈ থকা পানীখিনিও নোবোৱা হৈ পৰা বুলি দলীয় কৰ্মীসকলেই ক'ব খোজে। এতিয়া কথা হ'ল যদি বিনন্দ কুমাৰ শইকীয়াৰ বাবে বিজেপিত ৰাজনীতি শেষ হয় তেনেহ'লে শইকীয়াৰ বাবে ভৱিষ্যৎ ৰাজনীতি বাৰু কি হ'ব পাৰে বা তেওঁৰ বাবে ৰাজনীতিৰ বিকল্প কি হ'ব পাৰে। ছিপাঝাৰৰ ৰাজনৈতিক ক্ষেত্ৰৰ সচেতন লোকসকলে ক'ব খোজা অনুসৰি ছিপাঝাৰত চলি থকা বৰ্তমানৰ ৰাজনীতিৰ সন্ধিক্ষণত প্ৰাক্তন বিধায়ক বিনন্দ কুমাৰ শইকীয়াৰ আগত ৰাজনীতিৰ বিকল্প পথ এটাই আছে বুলি দৃঢ়তাৰে ক'ব বিচাৰে যে শইকীয়াই এৰি যোৱা ছিপাঝাৰ কংগ্ৰেছলৈ অচিৰে আহি ২০২৬ৰ নিৰ্বাচনলৈ দলীয় সাংগঠনিক ভেটি নিৰ্মাণ কৰাত আত্মনিয়োগ কৰক। যি তেওঁ কংগ্ৰেছ এৰি বিজেপিলৈ যোৱাৰ পিছত ছিপাঝাৰ কংগ্ৰেছত নেতাহীন হৈ পৰে আৰু দলীয় সাংগঠনিক ভেটি থৰক বৰক হৈ পৰে। নেতাজন কংগ্ৰেছলৈ আহিলে তেওঁৰ লগত থকা বিজেপিৰ কৰ্মী-সমৰ্থকসকলে পুনৰ ঘূৰণ দিয়াৰ সম্ভাৱনাই যথেষ্ট আৰু সাংগঠনিক দিশত হোৱা ক্ষতি নেতাজনে পূৰ কৰিলে তেওঁ ভৱিষ্যতক লৈ আশা কৰাৰ থল আছে । ইফালে বৰ্তমানৰ প্ৰতিনিধিগৰাকীক লৈয়ো দলীয় একাংশ লোক সন্তুষ্ট নহয় বুলি প্ৰকাশ। যিয়ে শইকীয়াক সহায় কৰিব পাৰে। যি কথা আৰু চিন্তা বিনন্দ কুমাৰ শইকীয়াই অতি সোনকালে সিদ্ধান্ত লোৱাৰ আৱশ্যক বুলি বিশ্লেষণত প্ৰকাশ।

## লখিমপুৰৰ পশ্চিম তেলাহীৰ ১১গাঁও নিশ্চিহ্ন হোৱাৰ আশংকা

# ৰঙানদীৰ জহি খহি যোৱা আলফা মথাউৰিৰ সংকটজনক অৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানীগাঁও, ১ জুন ঃ** লখিমপুৰৰ ৰঙানদীৰ পুব পাৰৰ আমতলা মথাউৰিৰ যোৰখাট বণিয়া গাঁৱৰ পৰা নগৰগাঁও হৈ নেপালী গাঁও সংযোগী জলসম্পদ বিভাগৰ এছ ডি আৰ এফ বান্ধটোৰ সংকটজনক অৱস্থাই লখিমপুৰ বিধানসভা সমষ্টিৰ ১১খন গাঁৱৰ প্ৰায় ৯৮৩ টা পৰিয়াললৈ ভয়ংকৰ আশংকা কঢ়িয়াই আনিছে। নৱৈৰ দশকত নিষিদ্ধ ঘোষিত সংগঠন সংযুক্ত মুক্তি বাহিনী, অসমে নিৰ্মাণ কৰা আলফা মথাউৰি নামেৰে বিখ্যাত গাইড বান্ধটো ৰঙানদী জলবিদ্যুৎ প্ৰকল্প আৰম্ভ হোৱাৰ পাছত পুনৰ নিৰ্মাণ কৰা হয় যদিও যোৱা সাতবছৰ ধৰি মেৰামতিৰ নামত এচপৰা মাটিও জলসম্পদ বিভাগে নিদিয়াত জহি খহি নিঃশেষ হোৱাৰ উপক্ৰম হৈছে। চলিত বাৰিষাৰ প্ৰথমভাগৰ বৰষুণত নদীখনৰ জলপৃষ্ঠ বাঢ়ি অহাৰ লগে লগে বানপানীৰ তীব্ৰ আশংকাত দিন পাৰ কৰিছে বান্ধটোৰ দাঁতিকাষৰীয়া গাঁওসমূহে। পুব ৰঙানদী বান্ধ সুৰক্ষা সমিতিয়ে জনোৱা মতে বিগত সাত বছৰে বান্ধটো জহি খহি যোৱাৰ পাছতো জলসম্পদ বিভাগে পুনৰ মেৰামতি আৰু শক্তিশালীকৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাতো দুৰ্ভাগ্যজনক। আৰম্ভণিতে যোৰখাট বণিয়া গাঁৱৰ পৰা বজাৰ তিনিআলিলৈ প্ৰায় আধা কিলোমিটাৰ পথৰ লগতে পকাদলৰ পৰা নেপালী গাঁৱলৈ দুই কিলোমিটাৰ পথৰ অৱস্থা অধিক সংকটজনক হৈ পৰিছে। সুৰক্ষা সমিতিৰ বিষয়ববীয়াসকলে জনোৱা মতে পূৰ্বৰ বছৰবোৰতকৈ এইবাৰ তেওঁলোক অধিক আতংকিত হৈ পৰিছে, কিয়নো চলিত বৰ্ষত নদীখনৰ দুয়োপাৰৰ মূল মথাউৰি দুটাত জিঅ' টিউব সংস্থাপনৰ কাম সম্পন্ন হোৱাত ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ পৰা অধিক মাত্ৰাত পানী এৰি দিয়াৰ সম্ভাৱনা আছে। বান সুৰক্ষা সমিতিয়ে আৰু জনোৱা মতে নীপকোৱে জলবিদ্যুৎ প্ৰকল্পৰ পৰা পানী এৰি দিয়াৰ সময়ত ঘণ্টাত ৬-১০ ফুট বেগত পানী বাঢ়ে যাৰ ফলত জৰাজীৰ্ণ বান্ধটো মুহূৰ্ততে ছিগিঁ যোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। পূৰ্বৰ অগপ দলৰ বিধায়ক উৎপল দত্তই আঢ়ৈ দশক পুৰণি বান্ধটো শক্তিশালীকৰণত কোনো গুৰুত্ব নিদিয়াত তীব্ৰ ক্ষোভ ব্যক্ত কৰে সদস্যসকলে। উল্লেখ্য যে বান্ধটো ছিগিলে পানীগাঁও আৰু পশ্চিম তেলাহী পঞ্চায়তৰ আমতলা মাজৰ চাপৰি, আদৰ্শ মিলনপুৰ, মিলনপুৰ, পাঠৰি চুক, যোৰখাট বণিয়াৰ একাংশ, মাজৰ চাপৰি, নগৰগাঁও, ভেৰেকী গাঁৱৰ একাংশ, পকাদল, পুব আমতলা, শান্তিপুৰকে ধৰি ১১ খন গাঁও মুহূৰ্তৰ ভিতৰতে নিঃশেষ হৈ যোৱাৰ আশংকা কৰি হৈছে। নিৰ্বাচনী প্ৰচাৰৰ সময়ত অঞ্চলটোলৈ অহা নৱনিৰ্বাচিত বিধায়ক মানৱ ডেকাই বান্ধটো ৰাইজে বিচৰাৰ ধৰণে নিৰ্মাণ কৰি দিয়া হ'ব বুলি দিয়া প্ৰতিশ্ৰুতিৰ কথা সুঁৱৰি অঞ্চলৰ ৰাইজে অতি সোনকালে বান্ধটোৰ জৰাজীৰ্ণ অংশবোৰ মেৰামতি কৰা, দীৰ্ঘম্যাদী আঁচনিৰে শক্তশালী কৰা, আৰম্ভণি অংশত নদীৰ খহনীয়া ৰোধ কৰা, বান্ধৰ ওপৰত শিল বালি দিয়া আৰু এছ ডি আৰ এফৰ পৰা জলসম্পদ বিভাগলৈ হস্তান্তৰ কৰাৰ দাবী জনাইছে। উল্লেখযোগ্য যে ১৯৯১ চনৰ পৰা বান সুৰক্ষা সমিতিয়ে জনাই অহা দাবীৰ পৰিপ্ৰেক্ষিতত ২০১৭ চনৰ ১০ ডিচেম্বৰত জলসম্পদ বিভাগৰ ডিব্ৰুগড়ত অৱস্থিত উজনি অসম খণ্ডৰ কাৰ্যালয়ৰ অতিৰিক্ত মুখ্য অভিযন্তাৰ নেতৃত্বত অহা এটা সঁজাতী দলে উত্তৰ লখিমপুৰ সংমণ্ডলৰ অধীক্ষক অভিযন্তা, উত্তৰ লখিমপুৰ উপ-সংমণ্ডলৰ সহকাৰী কাৰ্যবাহী অভিযন্তাক লগত লৈ চৰজমিন তদন্ত কৰি মেমো নং-ACE/UAZ/CAMP-North Lakhimpur/01-04, Dated: 10-12-2017 অনুসৰি দিয়া ৰিপ'ৰ্টত বান্ধটো শক্তিশালী কৰাৰ উপৰি প্ৰায় ২০কোটি টকা ব্যয় সাপেক্ষে জিঅ'মেট সংস্থাপনৰ পৰামৰ্শ দিছিল। বিষয়টোত তদানীন্তন জলসম্পদ মন্ত্ৰী কেশৱ মহন্তই তিলমানো গুৰুত্ব নিদিয়াত সকলো ফুটুকাৰ ফেনলৈ পৰ্যৱসিত হোৱা বুলি তীব্ৰ ক্ষোভ ব্যক্ত কৰে সদস্যসকলে। এইক্ষেত্ৰত প্ৰস্তাৱিত আঁচনিখন ৰূপায়ণ কৰি ১১ খন গাঁৱৰ ৯৮৩ টা খিলঞ্জীয়া অসমীয়া পৰিয়ালক সুৰক্ষিত কৰিবলৈ বান সুৰক্ষা সমিতিয়ে বিধায়ক মানৱ ডেকাৰ হস্তক্ষেপ বিচাৰিছে।

### পলাশবাৰীৰ বৰতেজপুৰত পথ দুৰ্ঘটনাত যুৱকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১ জুন ঃ** ৰাজ্যত মহামাৰী কৰ'নাৰ বিভীষিকাময় পৰিস্থিতিৰ সময়ছোৱাত মিনি লকডাউন আৰু সান্ধ্য আইনৰ মাজতেই দক্ষিণ কামৰূপৰ বিজয় নগৰ আৰক্ষী চকীৰ অন্তৰ্গত বৰতেজপুৰত যোৱা নিশা হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন যুৱক থিতাতে নিহত হয়। জানিব পৰা মতে, নহিৰা নোৱাহটপাৰাৰ দুলুমণি দাস (৩০) নামৰ যুৱকজনে নিজ ঘৰৰ পৰা পালছাৰ মটৰ চাইকেলেৰে বকো অভিমুখে গৈ থকা অৱস্থাত বৰতেজপুৰত নিয়ন্ত্ৰণ হেৰুৱাই ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকা পোষ্টত তীব্ৰ জোৰত খুন্দা মাৰি ছিটিকি পৰে। ফলত এখন ভৰি ছিগি যায় আৰু কিছুসময়ৰ পিছতেই যুৱকজন ঘটনাস্থলীতে নিহত হয়। পিছত বিজয় নগৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ৰাইজৰ সহযোগত মৃতদেহটো উদ্ধাৰ কৰে।

### বঙাইগাঁৱত ৰে'ল যাত্ৰীৰ পৰা মোবাইল কাঢ়িলে দুই চোৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১ জুন ঃ** বঙাইগাঁও ৰে'ল ষ্টেচনত সোমবাৰে এখন চলন্ত ৰে'লৰ যাত্ৰীৰ পৰা মোবাইল কাঢ়ি ৰঙাঘৰৰ আলহী হ'বলগীয়া হ'ল বঙাইগাঁও চহৰৰ দুই গভাইত চোৰ। ৰাইজৰ সহযোগত ৰে'লৰে আৰক্ষীয়ে কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা এই গভাইত চোৰ দুটা হ'ল বঙাইগাঁও চহৰৰ কবৰস্থানৰ ৰাজা ৰজক (২৫) আৰু পালপাৰাৰ শ্যামল দাস (২৬)। উল্লেখ্য যে বঙাইগাঁও ৰে'ল ষ্টেচনত পুৱাৰ ভাগত নামনিমুৱা কামৰূপ এক্সপ্ৰেছ ৰে'লখন আহি ৰখাৰ পিছত পুনৰ গন্তব্যস্থানলৈ যাত্ৰা কৰাৰ সময়তে চলন্ত ৰে'লখনৰ খিৰিকীৰ কাষত থকা এজন যাত্ৰীয়ে মোবাইলত কথা পাতি থাকোতে বাহিৰত থকা দুজনীয়া এই দলটোৱে যাত্ৰীজনৰ মোবাইলটো কাঢ়ি পালপাৰাৰ দিশে পলায়ন কৰিবলৈ চেষ্টা কৰে। কিন্তু উক্ত সময়ছোৱাত ষ্টেচনত কৰ্তব্যৰত ৰে'ল আৰক্ষীয়ে স্থানীয় ৰাইজৰ সহযোগত দুয়োটাকে কৰায়ত্ত কৰিবলৈ সক্ষম হয়।

## বন্যহস্তীৰ উপদ্ৰৱৰ সমাধান বিচাৰিছে নদুৱাৰবাসী ৰাইজে, নতুন চৰকাৰলৈ আহ্বান অঞ্চলবাসীৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১ জুন ঃ** শোণিতপুৰ জিলাৰ নদুৱাৰ অঞ্চলত বিগত দীৰ্ঘকাল ধৰি বন্যহস্তীৰ উপদ্ৰৱ সহ্য কৰি আহিছে অঞ্চলবাসীয়ে। সেয়েহে এতিয়া বন্যহস্তীৰ উপদ্ৰৱৰ স্থায়ী সমাধান বিচাৰিছে ন-দুৱাৰৰ দক্ষিণপাৰৰ গঞা ৰাইজে। জীয়াভৰলী নৈৰ দাঁতিকাষৰীয়া অঞ্চল অৰ্থাৎ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ষষ্ঠ সংযোজনৰ পৰা ওলাই অহা জাক জাক বন্যহস্তীয়ে ন-দুৱাৰৰ দক্ষিণ প্ৰান্তৰ গড় পাল, নিজ গড় পাল, তেৰাৰী পাল, মাজুলীআটি, কাছমাৰী, চিতলমাৰীকে ধৰি কে'বাখনো গাঁৱত সন্ত্ৰাস সৃষ্টি কৰি আহিছে। কৃষিৰ ওপৰতেই নিৰ্ভশীল গাঁওসমূহত নিশাৰ ভাগত প্ৰৱেশ কৰা বন্যহস্তীয়ে ধন-জনৰ ক্ষতিসাধন কৰিছে। বিগত সময়ত বন্যহস্তীৰ উপদ্ৰৱৰ পৰা গাঁওবাসীক ৰক্ষা কৰিবৰ বাবে সৌৰ শক্তিচালিত ফেন্সীঙৰ ব্যৱস্থা কৰা হৈছিল যদিও সেইয়া সম্পূৰ্ণৰূপে ফলপ্ৰসূ হোৱা পৰিলক্ষিত নহ'ল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন নৱগঠিত বিজেপি চৰকাৰখনে ন-দুৱাৰৰ দক্ষিণ প্ৰান্তত বছৰ বছৰ ধৰি চলি অহা বন্যহস্তীৰ উপদ্ৰৱৰ পৰা ৰক্ষা পোৱাৰ ক্ষেত্ৰত বিজ্ঞানসন্মত স্থায়ী ব্যৱস্থা শীঘ্ৰে গ্ৰহণ কৰিব বুলি এতিয়া শ শ ৰাইজে আশাৰে বাট চাইছে।

## শুৱালকুছিৰ বংশৰত অবাধ সুৰাৰ বেহা

### হোটেলতো বিক্ৰী হয় অবৈধ সুৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ১ জুন ঃ** ৰাজ্যৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দায়িত্বভাৰ গ্ৰহণ কৰিয়ে বিভিন্ন বিভাগত চমক সৃষ্টি কৰা দেখা গৈছে। মহামাৰী কৰ'না ৰোগ নিয়ন্ত্ৰণৰ বাবে দিনে-নিশাই প্ৰচেষ্টা অব্যাহত ৰখাৰ সমান্তৰালকৈ ৰাজ্যৰ ভিন্ন প্ৰান্তত ড্ৰাগছ আৰু সুৰাৰ বিৰুদ্ধেও অভিযান অব্যাহত ৰাখিছে। ইতিমধ্যে ৰাজ্যৰ কে'বাখনো জিলাত ড্ৰাগছ মাফিয়াক কৰায়ত্ত কৰাৰ লগতে অবৈধ সুৰাৰ বিৰুদ্ধেও বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰি ৰাইজৰ প্ৰশংসা বুলিবলৈ সক্ষম হৈছে। বিপৰীতে কিন্তু খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নিজ সমষ্টিত ৰাজ্যৰ আবকাৰী বিভাগ ঘোৰ নিদ্ৰাত থকা দেখা গৈছে। তাৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰি একাংশ সমাজবিৰোধী লোকে নিৰন্তৰে অবৈধ সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলাই গৈছে। নিজে লাখপতি হোৱাৰ বিপৰীতে এইসকল দুষ্ট চক্ৰই যুৱচামক ধ্বংস কৰা ই নহয় বহুতো পৰিয়াললৈ অন্ধকাৰ নমাই আনিছে। সম্প্ৰতি বস্ত্ৰনগৰী শুৱালকুছিৰ প্ৰায়বোৰ চুবুৰীতে এনে মদ ব্যৱসায়ীয়ে এই কৰা ব্যৱসায় চলাই আহিছে। শুৱালকুছি পোষ্ট অফিচ ৰোগ, নাক্তাদল, নপাৰা, আদাবৈ, কেওটপাৰা, বাথান, বংশৰ, লাহ আদিত এতিয়া এই ব্যৱসায় উভৈনদী হৈ পৰিছে। এনেকি শুৱালকুছি গেইটৰ ওচৰে-পাজৰে থকা দুই এক হোটেলতো এতিয়া সন্ধিয়া হ'লেই মদ বিক্ৰী কৰাৰ লগতে মদৰ আদ্দাও হৈ থকাৰ অভিযোগ উঠিছে। আনহাতে আবকাৰী বিভাগৰ একাংশ বিষয়াই মাহেকীয়া কমিছন লৈ এনে ব্যৱসায় চলাই নিয়াৰ অনুমতি দিয়ে বুলি গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপিত হৈ আহিছে। সেয়ে ৰাইজে এনেবোৰ দুৰ্নীতিগ্ৰস্ত বিষয়াক শীঘ্ৰে বদলি কৰি শুৱালকুছিক সুৰামুক্ত গাঁও হিচাপে গঢ় দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। উল্লেখযোগ্য যে বস্ত্ৰনগৰী শুৱালকুছিত পূৰ্বে এখন বৈধ সুৰাৰ বিপণী আছিল যদিও একমাত্ৰ হিমন্ত বিশ্ব শৰ্মাৰ লিখিত প্ৰতিশ্ৰুতি দিয়াৰ পিছৰে পৰাই এই বিপণী বন্ধ হৈ পৰিছিল।

### ৰঙিয়াত ক'ভিড নিৰ্মূলৰ বাবে তৎপৰ ৰাজহ চক্ৰ বিষয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ১ জুন ঃ** দিনকদিনে ভয়াৱহভাৱে বৃদ্ধি পাই অহা কৰ'না মহামাৰীৰ সংক্ৰমণ ৰোধৰ বাবে ৰঙিয়া মহকুমা প্ৰশাসন, স্বাস্থ্য বিভাগ তৎপৰ হৈ উঠা পৰিলক্ষিত হৈছে। মঙলবাৰৰ দিনটোতো ৰঙিয়া ৰাজহ চক্ৰ বিষয়া চন্দন বৰগোহাঁইক যথেষ্ট তৎপৰ হোৱা দেখা গ'ল। তেখেতে স্বাস্থ্য বিভাগৰ বিষয়া তথা কাৰ্যালয়ৰ বিষয়াবৰ্গৰ এটি দল লগত লৈ ৰঙিয়াৰ অন্তৰ্গত বিভিন্ন ক'ভিড ভেকচিন কেন্দ্ৰসমূহ পৰিদৰ্শন কৰে। সংবাদমাধ্যমক জনোৱা অনুসৰি অতি কমদিনৰ ভিতৰত ৰঙিয়াৰ মাজমজিয়াত অৱস্থিত জৱহৰলাল নেহৰু শিশু বিদ্যালয়ত এটি আদৰ্শ ভেকচিন কেন্দ্ৰ স্থাপন কৰা বুলি জনায়,য'ত ৪৫ উৰ্ধ্বৰ প্ৰতিগৰাকী ব্যক্তিৰ বাবে এক সুন্দৰ পৰিৱেশত ভেকচিন প্ৰদান কৰাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ লগতে চক্ৰ বিষয়াগৰাকীয়ে ৰঙিয়াৰ অন্তৰ্গত প্ৰতিগৰাকী ৪৫ উৰ্ধ্বৰ ব্যক্তিক উৰাবাতৰিত ভোল নগৈ সহজে এই ভেকচিন গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

## ৰৌতা চাৰিআলিৰ ব্যৱসায়ী ৰাজু দাসৰ ক'ভিডত আকস্মিক মৃত্যুত গভীৰ শোকপ্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ১ জুন ঃ** ওদালগুৰি জিলাৰ ৰৌতা চাৰিআলি চহৰৰ মাজমজিয়া নিৱাসী তথা বিশিষ্ট ব্যৱসায়ী মিঠুন দাস (ৰাজু)ৰ ক'ভিডজনিত ৰোগত আক্ৰান্ত হৈ পৰহি নিশা মৃত্যু ঘটে। কেইবাদিনো ধৰি শাৰীৰিক অসুস্থতা অনুভৱ কৰাত যোৱা ১৯ মে'ত ৰৌতা আদৰ্শ চিকিৎসালয়ত ৰেপিড এণ্টিজেন টেষ্ট কৰাত ক'ভিড পজিটিভ ধৰা পৰে। হোম আইছ'লেশ্যনত থকাৰ পাছত ক্ৰমান্বয়ে বেমাৰ বাঢ়ি অহাত ৰৌতাৰ চিকিৎসকে তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰাত ২১মে'ত ভৰ্তি হয়। তাত ভৰ্ত্তি হৈ স্বাস্থ্যৰ অধিক অৱনতি ঘটাত আই চি ইউলৈকে স্থানান্তৰ কৰাত পৰহি নিশা চিকিৎসাধীন অৱস্থাতেই মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁ বৃদ্ধ মাতৃ, পত্নী, এজনী কন্যা, এজন ভাতৃ, বোৱাৰীসহ ভালেমান আত্মীয়ক ইহসংসাৰত এৰি থৈ যোৱা দাসক কালি দুপৰীয়া ৰৌতাৰ সমীপৱৰ্তী ধনশিৰিঘাটৰ ধনশিৰি নৈৰ পাৰত থকা ক'ভিড শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। ৰৌতা ৰামকৃষ্ণ সেৱা আশ্ৰমৰ সম্পাদক, ৰৌতা বণিক সন্থা আদিকে লৈ একাধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত, ৰৌতা চাৰিআলি চহৰৰ সৰবৰহী ব্যৱসায়ী, অমায়িক স্বভাৱৰ লোকগৰাকীৰ আকস্মিক মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। এই ব্যৱসায়ীগৰাকীৰ আকস্মিক মৃত্যুত ৰৌতা আঞ্চলিক বাঙালী যুৱ ছাত্ৰ ফেডাৰেশ্যনকে ধৰি অঞ্চলটোৰ ভালেমান ব্যক্তি আৰু অনুষ্ঠানে গভীৰ শোকপ্ৰকাশ কৰা দাসৰ মৃত্যুত আজি ৰৌতা বণিক সন্থাৰ উদ্যোগত ৰৌতা চাৰিআলিৰ হনুমান মন্দিৰৰ চৌহদত এক শ্ৰদ্ধাঞ্জলি অৰ্পণ অনুষ্ঠান অনুষ্ঠিত হৈ যায়। ৰৌতা ঔষধ ব্যৱসায়ী সন্থাৰ লগতে অঞ্চলটোৰ ৰাইজে সামাজিক দূৰত্ব বজাই উপস্থিত থকা সভাখনত মৃতকৰ আত্মাৰ সদ্‌গতিৰ কাৰণে ১ মিনিট সময় মৌনতা অৱলম্বন কৰা হয়। সভাত বণিক সন্থাৰ সম্পাদক যতীন দাস, ঔষধ ব্যৱসায়ী সন্থাৰ সভাপতি অজয় চক্ৰৱৰ্তী, সমাজকৰ্মী জীৱন দাস প্ৰমুখ্যে কেইবাজনো লোকে দাসৰ জীৱন শৈলীৰ ওপৰত গুৰুত্ব দি আলোকপাত কৰাৰ পাছত প্ৰত্যেকেই পুষ্পাঞ্জলি অৰ্পণ কৰে। তদুপৰি ক'ভিড সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত প্ৰশাসনে সতৰ্কতামূলক ব্যৱস্থা ৰৌতাত নকৰা বুলি অভিযোগ উত্থাপিত হয়।



## বিশেষভাৱে সক্ষম লোকে আবেদনৰ পিছতো নাপালে পেঞ্চন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ১ জুন ঃ** চৰকাৰে সমাজৰ অৱহেলিত বিশেষভাৱে সক্ষম লোকসকলক মাহিলী ১০০০ টকাকৈ পেঞ্চন আঁচনি ঘোষণা কৰি পিছত অৱহেলিত কৰাত এই সকল বিশেষভাৱে সক্ষম লোকৰ পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে। প্ৰাপ্ত তথ্যভিত্তিক অভিযোগ অনুসৰি ছিপাঝাৰৰ পাথৰিঘাটত থকা সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত থকা বহুসংখ্যক বিশেষভাৱে সক্ষম লোকে জীয়াই থকাৰ তাড়ণাত বহু আশাৰে প্ৰকল্পটোৰ কাৰ্যালয়ত মাহিলী ১০০০ টকীয়া পেঞ্চন লাভৰ বাবে আবেদন কৰিছিল। কিন্তু আশ্চৰ্যজনক কথা যে দিন- মাহ, বছৰ বাগৰি যোৱাৰ পিছতো নিজৰ একাউণ্টত পেঞ্চনৰ ধনসমূহ পাবলৈ সক্ষম হোৱা নাই। প্ৰকল্পটোৰ কুমাৰপাৰা গাঁৱৰ এগৰাকী বিশেষভাৱে সক্ষম লোকে ২০১৯বৰ্ষৰ জুলাই মাহত বিশেষভাৱে সক্ষমৰ পেঞ্চনৰ বাবে আবেদন কৰি আজি ডেৰ বছৰ অতিক্ৰম কৰাৰ পাছতো পেঞ্চনৰ ধন একাউণ্টত সোমোৱা নাই। জানিব পৰা মতে ব্যক্তিজনৰ নাম জিলা সমাজ কল্যাণ অফিচত পেঞ্চন তালিকাত সন্নিবিষ্ট হৈ আছে। অতিকৈ আশ্চৰ্যজনক কথা যে শিক্ষিত বিশেষভাৱে সক্ষম লোকসকলৰ সংস্থাপনৰ উদ্দেশ্যে সমাজকল্যাণ বিভাগে এক ২০,০০০ টকীয়া আঁচনি গ্ৰহণ কৰিছিল। যাৰ বাবে শিক্ষিত বিশেষভাৱে সক্ষম সকলে বহু কষ্ট স্বীকাৰ কৰি হ'লেও মঙলদৈত থকা জিলা সমাজ কল্যাণ কাৰ্যালয়ত আবেদন ফৰ্ম জমা দিবলৈ তাঁতবাতি কাঢ়ে। কিন্তু ফৰ্ম জমা দিবলৈ যাওঁতে বিভাগৰ কৰ্মচাৰীৰ কথাহে উচপ খাই উঠিবলগীয়া হোৱা বুলি প্ৰকাশ। জানিব পৰা মতে শিক্ষিত বিশেষভাৱে সক্ষমৰ বাবে আবণ্টিত ২০,০০০ টকীয়া আঁচনিত প্ৰতিটো বিধানসভা সমষ্টিত স্থানীয় বিধায়কসকলে ৮ জনকৈ দিব। ইয়াত অন্যই আবেদন কৰি কাম নাই। বিভাগৰ কৰ্মচাৰীৰ মুখে এনে তীৰ্যক কথা শুনি বিশেষভাৱে সক্ষম কোনো কোনোৱে আশ্চৰ্যান্বিত হৈ এই আঁচনিখনত বিধায়কসকলৰ হস্তক্ষেপ কিয়, চৰকাৰৰ বিশেষভাৱে সক্ষম লোক প্ৰীতিৰ এয়েই নেকি নমুনা, মুখ্যমন্ত্ৰীৰ কৃপাদৃষ্টি পৰিবনে আদি প্ৰশ্নৰ উদ্ৰেক ঘটিছে।

## দেৰগাঁৱত দুখনকৈ কয়লাভৰ্তি ট্ৰাক জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১ জুন ঃ** ৰাজ্যত কৰ'না বিধি বলৱৎ হৈ থকাৰ মাজতে গোলাঘাট জিলাৰ দেৰগাঁৱত দুখনকৈ কয়লাভৰ্তি ট্ৰাক আৰক্ষীৰ জালত পৰাৰ বিষয়টোৱে বৰ্তমানেও ৰাজ্যত কয়লাৰ এখন অবৈধ বজাৰ চলি থকাতো স্পষ্ট কৰি তুলিছে। উল্লেখযোগ্য যে দেওবাৰৰ পুৱতি নিশা দেৰগাঁও আৰক্ষীয়ে চলোৱা এক অভিযান কালত শিৱসাগৰৰ পৰা উত্তৰ প্ৰদেশলৈ গৈ থকা HR38 Y0466 আৰু UP 27 AT0781 নম্বৰৰ দুখন কয়লাভৰ্তি ট্ৰাক জব্দ কৰা হয়। এই ঘটনা সন্দৰ্ভত দেৰগাঁও আৰক্ষীৰ পৰা জানিব পৰা মতে ট্ৰাক দুখনৰ ওপৰত আৰক্ষীৰ সন্দেহ উপজাত গাড়ী দুখন ৰখায় আৰু পৰৱৰ্তী পৰ্যায়ত কয়লা ট্ৰাকৰ নথি-পত্ৰত বিসংগতি ধৰা পৰে। নথিপত্ৰৰ বিসংগতি পাই আৰক্ষীয়ে ট্ৰাক দুখন জব্দ কৰাৰ লগতে দুয়োখন ট্ৰাকৰ মুঠ চাৰিজন কৰ্মচাৰীক আটক কৰি থানালৈ নিয়ে। শেহতীয়াকৈ আৰক্ষীয়ে ২০৫/২০২১ /নম্বৰত ভাৰতীয় দণ্ডবিধি আইনৰ ১২০/৩৭৯/৪১১/৪০৩ ধাৰাত এক গোচৰ ৰুজু কৰি মঃ আক্ৰাম আলী, নুৰ আলম, লালৰাম যাদৱ, মঃ ৰিয়াজুদ্দিন নামৰ উত্তৰ প্ৰদেশৰ চাৰিজন ব্যক্তিক আজি আদালতলৈ প্ৰেৰণ কৰে। ঘটনাৰ সন্দৰ্ভত দেৰগাঁও আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে নৈশ সান্ধ্য আইন অব্যাহত আৰু আন্তঃজিলা যাতায়ত ব্যৱস্থা বন্ধ হৈ থকাৰ মাজতে এনেদৰে কয়লাৰ অবৈধ ব্যৱসায় চলি থকাৰ বিষয়টো উদ্বেগজনক। নিদ্ৰাভংগ হ'বনে আবকাৰী বিভাগৰ, শুৱালকুছিৰ বংশৰত অবাধ সুৰাৰ বেহা, হোটেলতো বিক্ৰী হয় অবৈধ সুৰা।

## শিৱসাগৰৰ মতিউন নেচাৰ পৰলোক

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১ জুন ঃ** শিৱসাগৰ মেটেকা আমগুৰি গাঁও নিবাসী মতিউন নেচা (৭৭)ৰ যোৱা নিশা সাত বজাত বাৰ্ধক্যজনিত কাৰণত নিজা বাসগৃহত পৰলোক প্ৰাপ্তি ঘটে। মতিউন নেচা আমগুৰি মছজিদ পৰিচালনা সমিতিৰ সম্পাদক আছিল। দীৰ্ঘদিন ধৰি এইগৰাকী ধৰ্মপ্ৰাণা মহিলাই বাৰ্ধক্যজনিত কাৰণত ঘৰতে শৰ্যাশায়ী হৈ আছিল। ইহসংহাৰত সাংবাদিক ফিৰোজ আহমেদৰ লগতে দুই পুত্ৰ আৰু তিনিগৰাকী কন্যা, বোৱাৰী, নাতি-নাতিনীসহ এটা বৃহৎ পৰিয়াল এৰি থৈ যায়। তেখেতৰ মৃত্যুত আমগুৰি বৰ মছজিদ পৰিচালনা সমিতি, সৃজনী শাখা সাহিত্য সভা, আমগুৰি যুৱ জামাত, বাৰ্তাজীৱী সংঘৰ শিৱসাগৰ জিলা সমিতি, শিৱসাগৰ প্ৰেছ ক্লাব, জিলা ই মিডিয়া সংস্থা, শিৱসাগৰ জিলা ছাত্ৰ সন্থা, সদৌ টাই আহোম ছাত্ৰ সন্থা, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, ঐক্য সেনা অসমৰ কেন্দ্ৰীয় সমিতি, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰে।



*কৰ'না কালৰ বাবে নাই স্কুল, নাই খেলা-ধূলাৰ ঠাই, এনেদৰে ঘৰৰ ছাদৰ ওপৰত চিলা উৰুৱাই আনন্দ উপভোগ কৰিছে কেইটিমান শিশুৱে, গুৱাহাটীত*

## নীলবাগানৰ শিক্ষক জামাল উদ্দিন আহমেদৰ মৃত্যুত দল-সংগঠনৰ শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১ জুন ঃ** হোজাই জিলাৰ ঐতিহ্যমণ্ডিত নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক তথা বিদ্যালয়খনৰ শিক্ষক গোটৰ সুদীৰ্ঘ ২৪ বছৰৰ সম্পাদক, নীলবাগান আঞ্চলিক কৰ্মচাৰী পৰিষদৰ উপদেষ্টা জামাল উদ্দিন আহমেদৰ কালি নিশা ২বজাত মৃত্যু ঘটে। তেওঁৰ মৃত্যুত নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ফাইজ মহম্মদ বৰভূঞাই কয়- তেখেত এগৰাকী আদৰ্শ শিক্ষক হোৱাৰ উপৰি বিদ্যালয় তথা সমাজখনৰ অভিভাৱকস্বৰূপ আছিল। ১৯৮৬ চনৰ মাৰ্চ মাহত নীলবাগান মডেল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চাকৰিত যোগদান কৰা প্ৰয়াত আহমেদে সুদীৰ্ঘ ৩৫ টা বছৰে নিষ্ঠাৰে সেৱা আগবঢ়াই চলিত বছৰৰ এপ্ৰিল মাহত অৱসৰ গ্ৰহণ কৰে। তেখেত এগৰাকী অতি অমায়িক, সহজ-সৰল আৰু সমাজ দৰদী ব্যক্তি আছিল। তেখেত জীৱিত কালত বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। মৃত্যুৰ সময়ত পত্নী আৰু তিনি নাবালক পুত্ৰ সন্তানক ইহসংসাৰত এৰি থৈ যায়।

### নগৰবেৰাৰ বদলাত এটি দুৰ্ভগীয়া পৰিয়াল
### স্বামীৰ চিকিৎসাৰ বাবে সহায় ভিক্ষা পত্নীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ জুন ঃ** বকো সমষ্টিৰ ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত নগৰবেৰাৰ বদলা গাঁৱৰ এটি অসহায় পৰিয়ালে কান্দি কান্দি চিকিৎসাৰ বাবে স্থানীয় বিধায়িকা নন্দিতা দাস আৰু চৰকাৰলৈ সহায় ভিক্ষা খুজিছে। জানি পৰা মতে, যোৱা বছৰ লকডাউনৰ সময়ত হাজিৰা কাম কৰিবলৈ গৈ পুলিচৰ কোবত ভৰি ভাঙিছিল বদলা গাঁৱৰ আব্দুৰ ৰহমান নামৰ লোকজনৰ। পিছত দুখীয়া পৰিয়ালটোৱে বহু চিকিৎসা পাতি কৰিলে যদিও ভাল নহ'ল পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী আব্দুৰ ৰহমানৰ। পৰিয়ালৰ মূল উপাৰ্জনকাৰী জনে পংগু হৈ শোৱাপাটীতেই পৰি থাকিবলগীয়া হোৱাত পৰিয়ালটোলৈ নামি আহিছে ঘোৰ অমানিশা। কেতিয়াবা এসাঁজ খাই কেতিয়াবা এসাঁজ নাখাই দিন-ৰাতি পাৰ কৰিবলগীয়া হৈছে দুৰ্ভগীয়া পৰিয়ালটোৱে। উপায়বিহীন হৈ ৰাইজৰ লগতে স্থানীয় বিধায়িকা নন্দিতা দাস, চৰকাৰ আৰু জনপ্ৰতিনিধিলৈ চিকিৎসাৰ বাবে সহায় ভিক্ষা খুজিছে আব্দুৰ ৰহমানৰ পত্নীয়ে। আপোনাৰ অলপ সহায়ে হয়তো আব্দুৰ ৰহমানে ঘূৰাই পাব সুস্থ জীৱন, সেয়ে কোনোবা হৃদয়বান ব্যক্তিয়ে দুৰ্ভগীয়া পৰিয়ালটোক সহায় কৰিব বিচাৰে তেন্তে আব্দুৰ ৰহমানৰ পত্নী ছুফিয়া খাতুনৰ বেংক একাউন্ট নম্বৰ 36016063581 IFSC CODE SBIN0007389 ত সহায় কৰিব পাৰে নাইবা 9954079639 মোবাইল নম্বৰত যোগাযোগ কৰিব পাৰে।

# ক'ভিড ৰোগীসকলে নতুন এণ্টিবডী ককটেলৰ দ্বাৰা তিনি দিনৰ ভিতৰত আৰোগ্য হ'ব পাৰে ঃ ড° ডি নাগেশ্বৰ ৰেড্ডী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুন ঃ** মনোক্ল'নেল এণ্টিবডী-আধাৰিত চিকিৎসাক COVID-19ৰ বিৰুদ্ধে যুঁজত শেহতীয়া অস্ত্ৰ হিচাপে গণ্য কৰা হয়। ড্ৰাগ ককটেলটোৱে আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ওপৰত প্ৰয়োগ কৰাৰ পিছৰে পৰা বিশ্বব্যাপী মাধ্যমৰ পৰা পৰ্যাপ্ত আকৰ্ষণ লাভ কৰিছে। কিন্তু এইটো সঁচাকৈয়ে এক আশ্চৰ্যকৰ ঔষধ নেকি? এআইজি চিকিৎসালয়বোৰে ইয়াৰ ৰোগীসকলক এই চিকিৎসা প্ৰদান কৰা আৰম্ভ কৰাৰ লগে লগে, এক নিৰ্বাচিত মিডিয়া ব্ৰিফিঙৰ জৰিয়তে অধ্যক্ষ ড০ ডি নাগেশ্বৰ ৰেড্ডীয়ে এই চিকিৎসা সন্দৰ্ভত কিছুমান আটাইকে সোধা প্ৰশ্নক লৈ অসন্তুষ্টি প্ৰকাশ কৰে। ড০ ৰেড্ডীয়ে কৈছিল যে এই মনোক্ল'নেল এণ্টিবডীবোৰৰ বাস্তৱ-পৃথিৱীৰ প্ৰমাণ এতিয়াও প্ৰতিষ্ঠা হোৱা নাই। কিন্তু নিউ ইংলেণ্ড জাৰ্নেল অফ মেডিচিনকে ধৰি সহকৰ্মী-পৰ্যালোচনা কৰা আলোচনীবোৰত প্ৰকাশিত নিদানিক অধ্যয়নবোৰ উৎসাহজনক কিয়নো তেওঁলোকে চিকিৎসালয়ত ভৰ্তি হোৱা বা মৃত্যু ৭০শতাংশতকৈও অধিক হ্ৰাস কৰা দেখুৱাইছে,যাৰ ভিতৰত আছে ভাইৰেল ক্লিয়াৰেন্সৰ যথেষ্ট হ্ৰাস। এই সন্দৰ্ভত ড০ ৰেড্ডীয়ে লগতে কয় যে সময় আৰু ৰোগী নিৰ্বাচন অত্যন্ত গুৰুত্বপূৰ্ণ হৈ পৰে। '৬৫ বছৰতকৈ অধিক বয়সৰ ৰোগী, অনিয়ন্ত্ৰিত ডায়েবেটিচ থকা মেদবহুল ৰোগী, কাৰ্ডিওভাস্কুলাৰ ৰোগী, যিসকল কৰ্কট ৰোগীৰ দৰে ইমিউনোচাপ্ৰেচেণ্টৰ অধীনত আছে তেওঁলোক এই চিকিৎসাৰ বাবে আদৰ্শ প্ৰাৰ্থী। সময়টো উপযুক্ত হ'ব লাগিব, য'ত ইয়াক সৰ্বাধিক তিনিৰ পৰা সাতদিনৰ ভিতৰত দিব লাগিব'— ড০ ৰেড্ডীয়ে কয়। এইটো ৫৫বছৰৰ অধিক বয়সৰ ৰোগীক দিব পাৰি যদি তেওঁলোকৰ হৃদযন্ত্ৰ থাকে-উচ্চ ৰক্তচাপৰ দৰে সম্পৰ্কিত সমস্যা। তেওঁ আৰু যোগ দিছিল। 'এসপ্তাহৰ ভিতৰত, এই চিকিৎসাই ৰোগীসকলক আৰটি-পিচিআৰ ঋণাত্মক হোৱাত সহায় কৰিব পাৰে। গৰ্ভৱতী মহিলাসকলক এই চিকিৎসা প্ৰদান কৰাৰ কথা নহয় কিয়নো ৰোগীৰ এই উপগোটটোৰ বাবে আমাৰ ওচৰত পৰ্যাপ্ত সুৰক্ষা তথ্য নাই। বিশেষকৈ স্বাস্থ্যসেৱা কৰ্মীৰ দৰে উচ্চ-এপোজাৰ গোটবোৰৰ মাজত এই মিশ্ৰণটোৰ ৰোগ প্ৰতিৰোধী ব্যৱহাৰ অন্বেষণ কৰাৰ সম্ভাৱনা আছে। এইটো উল্লেখ কৰিব লাগিব যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এফ.ডি.এ. অনুসৰি, COVID-19ৰ ফলত চিকিৎসালয়ত ভৰ্তি হোৱা ৰোগীসকলৰ ক্ষেত্ৰত এই এণ্টিবডী ককটেলৰ লাভালাভ দেখা পোৱা হোৱা নাই; তদুপৰি, যদি উচ্চ প্ৰবাহৰ অক্সিজেন বা যান্ত্ৰিক বায়ু চলাচলৰ প্ৰয়োজন হোৱা ৰোগীৰ ওপৰত এই মিশ্ৰণ প্ৰয়োগ কৰা হয়, তেনেহ'লে নিদানিক ফলাফল অধিক বেয়া হ'ব পাৰে। 'মনোক্ল'নেল এণ্টিবডীয়ে কেনেদৰে কাম কৰে সেই বিষয়ে আমি অলপ বুজি পাওঁ আহক। এইবোৰে ভাইৰাছৰ স্পাইক প্ৰ'টিন (S11 আৰু S12)ৰ সৈতে বান্ধ খায় আৰু ইয়াৰ প্ৰতিলিপি সীমিত কৰে। ভাইৰাছৰ পৰিৱৰ্তনে এই মনোক্ল'নেল এণ্টিবডীৰ চিকিৎসাৰ কাৰ্যকাৰীতাক প্ৰভাৱিত কৰিব পাৰে। যদিও কিছুমান প্ৰকাৰৰ বিৰুদ্ধে কাৰ্যকাৰিতা প্ৰমাণিত হৈছে, আমি নিশ্চিত নহয় যে ই কেনেদৰে তথাকথিত ভাৰতীয় প্ৰকাৰ ডাবল মিউটেন্ট B.1.617ৰ বিপৰীতে যাব। এআইজিত, আমি এটা গুৰুত্বপূৰ্ণ অধ্যয়ন কৰি আছো য'ত আমি ভাইৰাছটোৰ দ্বৈত মিউটেন্ট প্ৰকাৰৰ বিপৰীতে ইয়াৰ কাৰ্যকাৰিতা চাই আছো'— ড০ ৰেড্ডীয়ে কয়। তেওঁ লগতে কয় যে —'এই চিকিৎসাত মিউটেণ্ট প্ৰকাৰ বৃদ্ধি কৰাৰ সম্ভাৱনা আছে আৰু সেয়েহে এই এণ্টিবডীৰ ককটেলৰ অযৌক্তিক ব্যৱহাৰ সম্পূৰ্ণৰূপে নিৰুৎসাহিত কৰিব লাগে।' এবাৰ প্ৰয়োগ কৰা ৰোগীসকলে টিকাকৰণ কৰাৰ আগতে কমেও তিনিমাহ অপেক্ষা কৰিব লাগে। চিকিৎসাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশবোৰৰ ভিতৰত এটা হৈছে ব্যয়কাৰক, বিশেষকৈ ভাৰতৰ দৰে নিম্ন-মধ্য আয়ৰ দেশবোৰত, য'ত চিকিৎসা ব্যয় প্ৰায় ৭০,০০০টকা।'চিকিৎসালয় আৰু চিকিৎসকসকলে ইয়াৰ ন্যায়িক ব্যৱহাৰৰ বাবে এই ব্যয় উপাদানৰ কাৰক হ'ব লাগিব'— ড০ৰেড্ডীয়ে কয়। মন কৰিবলগীয়া যে ইয়াক কেৱল চিকিৎসালয়ৰ পৰিৱেশতহে দিব লাগিব, য'ত যিকোনো সঞ্চাৰৰ পিছত তৎক্ষণাৎ জৰুৰীকালীন চিকিৎসা প্ৰণালী সক্ৰিয় কৰাৰ ব্যৱস্থা আছে উৎফুল্ল প্ৰতিকূল প্ৰতিক্ৰিয়া।

# প্ৰেমিক

■ মিষ্টি নূৰী

*(পৃথিৱীৰ প্ৰায় প্ৰতিজন মানুহেই একো একোজন দুৰন্তৰ প্ৰেমিক। সময়ৰ শিলালিপিত খোদিত হয় মাত্ৰ বিশেষ কেইজনৰ নামহে আৰু অধিকাংশই হেৰাই যায় সময়ৰ শিলালিপিত খোদিত নোহোৱাৰ বাবে। তেনে এটি হেৰাই যোৱা প্ৰেমিকক সময়ৰ শিলালিপিত খোদিত কৰাৰ প্ৰয়াস কৰিলো।)*

'মোক এৰি দিয়া, মোক এৰি দিয়া, মই মধুযাৰ ওচৰলৈ যাম । মধুযা... মধুযা... তুমি ক'ত আছা... ক'ত...' — শিকলিৰে বন্ধা অনুজে চিঞৰি চিঞৰি অৱশেষত নিস্তেজ হৈ পৰে নিদ্ৰাৰ কোমল কোলাত। শান্তিৰে টোপনি যায় মা-দেউতা, খুৰা-খুৰী তথা ওচৰ-চুবুৰীয়াসকল।

নিশা গভীৰ হয় ঝিলিৰ ঝি ঝি শব্দত, নিদ্ৰাত মগ্ন হয় প্ৰকৃতি। শান্ত-সমাহিত হয় চৌপাশ। জাক জাক তৰাবোৰৰ সৈতে গাভৰু জোনজনী অহংকাৰত মতলীয়া হয় মুঠি মুঠি জোনাক ছটিয়াই।

মধুযা... মধুযা... মধুযা...

হঠাৎ ... এক বিকট চিঞৰত শান্তিৰ টোপনি ভাঙি যায় মা-দেউতাৰ, খুৰা-খুৰীৰ তথা ওচৰ-চুবুৰীয়াৰ। প্ৰকৃতিৰ মধুৰতা নষ্ট হৈ যায় সাময়িকভাৱে। ওচৰ-চুবুৰীয়াই অলপ হুমুনিয়া কাঢ়ে 'বেচেৰা প্ৰেমিক পাগল আৰু কিমান দিন মধুযা মধুযা কৰি চিঞৰিব, সেয়া ঈশ্বৰেহে ভালকৈ জানে। কিন্তু মধুযা যে তাৰ জীৱনত কেতিয়াও নাহে সেয়া এতিয়া কোনে বুজাব তাক'। আকৌ শুই পৰে। কিন্তু মা-দেউতা, খুৰা-খুৰী শুব নোৱাৰে। সিহঁতৰ আলাসৰ লাডু ল'ৰাজনক দিনে দিনে মৃত্যু গহ্বৰত যাবলৈ দিব নোৱাৰে সিহঁতে। সেয়ে টোপনিৰ পৰা উঠি আহে অনুজৰ ওচৰলৈ। দেউতাকে অনুজৰ মূৰত হাত বুলাই লাহে লাহে কয়—

— সোণ মোৰ, মধুযা এতিয়া আনৰ ঘৰৰ স্ত্ৰী। তোক থৈ বহু দূৰলৈ গুচি গৈছে তাই। এতিয়া তই ইয়াৰ পৰা মাতিলে তাই কেনেকৈ শুনিব। অলপ বুজাৰ চেষ্টা কৰ তই।

দেউতাৰ অশ্ৰুসিক্ত মুখন দেখি অনুজে যেন কিবা বুজি উঠি লাহে লাহে শান্ত হয়। দুগালেৰে বাগৰি আহে তপত চকুলো। মাকে আঁচলেৰে মচি দিয়ে পুত্ৰৰ চকুলো। খুৰা-খুৰীয়ে অনুজৰ মূৰত মৰমেৰে হাত বুলাই উচুপি উঠে।

অনুজ। অনুজ মিত্ৰ চুনাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দ্বিতীয় বৰ্ষৰ কলা শাখাৰ এজন মেধাৱী ছাত্ৰ। ওখ-পাখ, বেছ সুঠাম তথা সুন্দৰ চেহেৰাৰে উঠি অহা তগ্‌বক যুৱক। মা-দেউতা, খুৰা-খুৰীৰ আলাসৰ লাডু। মেধাৱী তথা সুন্দৰ চেহেৰাৰ বাবেই গাঁৱৰ সকলোৱে বৰ মৰম কৰে। কিন্তু আৰ্থিকত যথেষ্ট পিছপৰাৰ বাবে মাজে মাজে বিদ্যালয়ৰ বিভিন্ন মাচুল ৰেহাই দিব লগা হয় অধ্যক্ষৰ। প্ৰচুৰ মেধাৰ বাবে অধ্যক্ষয়ো হাঁহিমুখে মাচুল ৰেহাই দিয়ে। অধ্যক্ষৰ লগতে অন্যান্য ছাৰ-বাইদেউসকলেও বৰ মৰম কৰে অনুজক। সকলোৰে মৰম-ভালপোৱা মূৰত লৈ অনুজে আগবাঢ়ে বাস্তৱৰ কঠিন পথেৰে।

জীৱন— ষ্টেচনৰ নাম নজনাকৈ যোৱা এখন চলন্ত ৰে'লগাড়ী। ষ্টেচন পোৱাৰ পিছতহে গম পায় ক'ত আহি আমি উপস্থিত হ'লো। অনুজৰ জীৱনৰ চলন্ত ৰে'লগাড়ীখনত হঠাৎ পৰিৱৰ্তন দেখা দিলে। অনুজে লক্ষ্য কৰিলে এযোৰ চকুৱে তেওঁক বিচাৰে। বিদ্যালয়ত প্ৰায়ে সেই চকুযুৰি তেওঁৰ চকুত স্থিৰ হয়, কিবা যেন ক'ব বিচাৰে তাই। অনুজে নিজৰ অজান্তেই সেই চকুযুৰিৰ ভাষা বুজাৰ চেষ্টা কৰে। অনামী শিহৰণে গা-মন ৰাইজাই কৰে অনুজৰ। তথাপি বৰ সতৰ্কতাৰে সেই চকুযুৰি এৰাই চলে অনুজে। কিন্তু যিমানেই অনুজে এৰাই চলিব বিচাৰে সিমানেই সেই চকুযুৰিয়ে আৰু বেছিকৈ বিচাৰে। অনুজে বুজি পায় চকুযুৰিৰ ভাষা। তথাপি অনুজে নিজকে চম্ভালি লয়, কাৰণ তেওঁ এই বয়সত পঢ়া-শুনাৰ বাদে আন একো ভাবিব নিবিচাৰে। এদিন চকুযুৰিৰ গৰাকী ভাসমান হয় অনুজৰ সন্মুখত — তোমাৰ ইমান কিহৰ অহংকাৰ ? দেখাত ধুনীয়া বাবে নে মেধাৱীৰ বাবে যে মোক পাত্তাই নিদিয়া ?

— কি ক'ব বিচাৰিছা তুমি? মই লক্ষ্য কৰিছো তুমি কিছুদিন ধৰি মোক অনুসৰণ কৰিছা, কিয় ? আৰু তুমিয়েইবা কোন ?

— মই মধুযা। দশম শ্ৰেণীত পঢ়ো। ময়ো কিন্তু তোমাৰ দৰে মেধাৱী।

— দেউতাই কি কৰে?

— দেউতা ক্ষুদ্ৰ পইটাৰী এল পি স্কুলৰ হেড মাষ্টৰ।

— অ' নাইচ। মোক অনুসৰণ কৰিছা কিয়?

— কাইলৈ কম হ'বনে অনুজ মিত্ৰ। — মেঘালী চুলিটাৰি বতাহত উৰুৱাই হাস্যোজ্জ্বল বদনে তাই যাব ধৰিলে।

অনুজে চিঞৰিলে —

— এই মধুযা? কাইলৈ কিয় আজিয়েই কোৱা। কাইলৈ কিন্তু মোক অসুবিধা নকৰিবা?

— ধন্যবাদ অনুজ মিত্ৰ। কাইলৈৰ বাবে অপেক্ষা কৰা। — তাই গ'লগৈ অনুজৰ বুকুত কুহুমীয়া ভাবনাৰ সৃষ্টি কৰি।

পিছদিনা মধুযাই এখন বগা কাগজ ভাঁজ কৰি অনুজক দি ক'লে —

— লোৱা এইখন। ইয়াত মোৰ সকলো ক'ব লগাখিনি আছে। আশা কৰো তুমি বুজিবা।

— কি ক'ব লগা আছিল সেয়া মুখেৰে ক'লেই হ'লহেঁতেন। লিখাৰ কি দৰকাৰ আছিল।

— নহয় মানে... মুখেৰে ভালকৈ ক'ব নোৱৰোতো সেই বাবে। আহো এতিয়া আৰু পাৰিলে উত্তৰটো সোনকালে দিবা হা।

চিঠিখন পঢ়ি অনুজে গোটেই ৰাতি শুব নোৱাৰিলে। চিঠিখনৰ প্ৰতিটো শব্দত অনুজে বিচাৰি পালে মধুযাৰ ভালপোৱাৰ উষ্ম কাব্যিক সোৱাদ, স্বৰ্গীয় সুষমাৰ নান্দনিক সৌন্দৰ্য। বুকুৰ অতল গহ্বৰত সি অনুভৱ কৰিলে মধুযাৰ ভালপোৱাৰ প্ৰস্তাৱে প্ৰবল জোকাৰণি তুলিছে। কিন্তু এই অপৰিপক্ক বয়সৰ ভালপোৱাই কিমান দূৰ গতি কৰিব সেয়া অনুজে অলপ হ'লেও বুজি পালে, লগতে এয়া যে অন্যায় হ'ব সেয়াও বুজিলে। ইয়াৰ উপৰি অনুজৰ দৰে এজন দুখীয়া ঘৰৰ ল'ৰাক মধুযাৰ দেউতাকে কেতিয়াও জোঁৱাই হিচাপে মানি নল'ব সেয়াও সি জানে। ইয়াৰ পিছতো কিয় জানো সেই অন্যায় কামটোকে অনুজৰ বাৰে বাৰে কৰিবলৈ মন গৈছে। সি বহুত কষ্ট কৰি নিজকে বুজালে আৰু মৌনতাৰ আশ্ৰয় ল'লে।

এদিন দুদিন কৰি কেইবা দিনো বাগৰি যোৱাৰ পিছতো অনুজৰ কোনো উত্তৰ নাপাই মধুযাই ছট্‌ফটাব ধৰিলে। অপেক্ষাৰ দহনত দহি দহি শেষত মধুযাই নিজেই অনুজক ক'লে —

— অনুজ কি হৈছে তোমাৰ ? মোক এভইড কৰিছা কিয়?

অনুজে বুকুৰ ভালপোৱাক শিল চেপা দি ক'বলৈ চেষ্টা কৰিলে —

— নাই, মোৰ একো হোৱা নাই ।

— তেন্তে মোৰ চিঠিৰ উত্তৰ ক'ত ?

— সেইবোৰ সম্ভৱ নহ'ব। সেইবোৰ বাদ দি ভালকৈ পঢ়া-শুনা কৰা।

— অনুজ, তুমি মোক ভুল নুবুজিবা । মই তোমাক সঁচাকৈয়ে ভালপাই পেলাইছোঁ। তুমি কি মোৰ হৃদয়ৰ কথা অকণো নুশুনা? তুমি কি মোৰ চিঠি পঢ়া নাই? নে পঢ়িও মোক এভইড কৰিছা? তুমি কি জানা, তোমাৰ উত্তৰৰ বাবে মই কিমান হাহাকাৰ কৰিছো। মই ভালদৰে খোৱা-লোৱা কৰিব পৰা নাই। মাক মই আজিকালি প্ৰায়েই মিছা মাতো — মা মোৰ খোৱাৰ ইচ্ছা নাই, আজি ভোক লগা নাই, মা মোৰ গা বেয়া ... । তুমি কি অকণো বুজি নোপোৱা ইমানবোৰ মিছা মই কিয় মাতিছো— মধুযা কান্দোনমুৱা হৈ পৰে।

অনুজে মধুযাক বুজাবলৈ চেষ্টা কৰে —

— মোক ভুল নুবুজিবা মধুযা। তোমাৰ চিঠি পঢ়াৰ পৰাই মোৰো একেই অৱস্থা। না খাব পাৰিছো, না শুব পাৰিছো, না পঢ়িব পাৰিছো, না বুকুৰ কথাবোৰ তোমাক ক'ব পাৰিছো। মই একো কৰিব পৰা নাই মধুযা। কেৱল তোমাকেই ভাবিছো, কেৱল তোমাক । তাৰ পিছতো মই নিৰুপায়।

— কিহৰ কাৰণে তুমি নিৰুপায় অনুজ। কিহৰ কাৰণে কোৱানা প্লিজ।

— তুমি কি অলপো নুবুজা মধুযা। আমাৰ এই সম্পৰ্কক তোমাৰ দেউতাৰাই কেতিয়াও মানি নল'ব। অকল তোমাৰ দেউতা কিয়, হয়তো মোৰ দৰে দুখীয়া ঘৰৰ ল'ৰা এজনক পৃথিৱীৰ কোনো দেউতাই জোঁৱাই হিচাপে মানি নল'ব। যদি তোমাৰ দেউতাই আমাৰ ভালপোৱাক মানি নলয় তেতিয়া তুমি কি কৰিবা?

— প্ৰথমতে মা-দেউতাক ভালকৈ বুজাম। নুবুজিলে তোমাৰ হাতত ধৰি গুচি আহিম তোমালৈ।


— এয়া সম্ভৱ নহ'ব মধুযা। মই দুটা জীৱনক ভৱিষ্যতৰ অন্ধকাৰলৈ ঠেলি দিব নোৱাৰো। তুমি অলপ বুজাৰ চেষ্টা কৰা। এতিয়া আহো।

অনুজে মধুযাৰ পৰা বিদায় ল'লে। আৰু মধুযাক পাহৰিবলৈ চেষ্টা কৰে। কিন্তু যিমানবাৰ পাহৰি যাবলৈ চেষ্টা কৰে সিমানবাৰেই ব্যৰ্থ হয়। ক্ৰমশঃ ভালপোৱাৰ দহনত দহিবলৈ ধৰে অনুজ।

মধুযাই অনুজক পাহৰিব নোৱাৰিলে। সেয়ে মধুযাই এটাৰ পিছত এটাকৈ চেষ্টা কৰিব ধৰিলে নিজৰ পৱিত্ৰ ভালপোৱাক জয়ী কৰিবলৈ। শেষত সফলতাৰ মুখ দেখিলে মধুযাই । অনুজে কয় —

— তুমি জয়ী হৈছা মধুযা, সঁচাকৈয়ে জয়ী হৈছা। মই তোমাক কথা দিলো মধুযা, তোমাৰ এই পৱিত্ৰ ভালপোৱাক মই আজীৱন বুকুৰ মাজত ধৰি ৰাখিম।

— বৰ ভাল কথা, মেধাৱী ল'ৰা । এতিয়া শুনা— পঢ়া-শুনা বাদ দি অকল মোৰ কথা ভবিলেই নহ'ব ভালকৈ পঢ়া-শুনাও কৰিব লাগিব। কমেও বি এ পাছ কৰিব লাগিব। তাৰ পিছত কিবা কামৰ ব্যৱস্থা কৰি মোক তোমাৰ ঘৰৰ ঘৈণী কৰি লৈ যাবা। কিবা বুজিলানা নে মহাশয়?



— বুজিছো মহাশয়া, মোৰ স্বাধীনতাৰ সূৰ্যটো মাৰ গ'ল এতিয়াৰ পৰা। কিন্তু ইমান দিন তুমি মোৰ বাবে অপেক্ষা কৰিব পাৰিবা জানো?

— নিশ্চয় পাৰিম। তোমাৰ বাবে মই সকলো কৰিব পাৰিম। কিন্তু আমি লগ হোৱাটো অলপ কমাব লাগিব, যাতে মানুহে গম নাপায়।

— সেয়া নহয় হ'ব। কিন্তু তুমি মোৰ বাবে সকলো কৰিব পাৰিবা জানো?

— পাৰিমতো । আকৌ কৈছা কিয়?

— ও... তেন্তে ... — অনুজে মধুযাৰ পাতল লিপ্‌ষ্টিকৰ সেউজ কোমল ওঁঠযুৰিৰ ফালে থৰ হৈ চাই ৰ'ল।

— এই দুষ্ট ল'ৰা সেইবোৰ বিয়াৰ পিছত, বুজিছা। — মৃদু ধমক দি মধুযাই অনুজক অলপ ঠেলি আঁতৰাই দিয়ে।

— নোৱাৰিবা, নোৱাৰিবা বুজিছো। — অভিমানী হয় অনুজ।

— কি? দুষ্ট ল'ৰা ক'ৰবাৰ, ৰ'বা দি আছো । — কৈয়েই মধুযা থিয় হ'ল আৰু লগে লগে অনুজৰ পিঠিত পৰিবলৈ আৰম্ভ কৰে মধুযাৰ হাতৰ ভালপোৱাৰ উষ্ম নিবিড় বৰষুণ। টিপ টিপ ...

ভালপোৱাৰ বৰষুণত তিতি অনুজে হাঁহি হাঁহি কয় —

—মধুযা, মধুযা লাহে। আৰে বাবা, মই এনেয়ে কৈছো। মই কি তেনেকুৱা ল'ৰা নেকি?

—বুজিছো মহাশয়, ঠেলাত পৰিলে মধুযা, মধুযা, হুম। এতিয়া আহো।

অনুজ-মধুযাৰ ভালপোৱাই গতি কৰিলে উদিত সূৰ্যৰ সোণোৱালী দেশলৈ পঢ়া-শুনাৰ কোনো ব্যাঘাত নকৰাকৈ। দেখ দেখ দুটা বছৰ যে কেনেকৈ পাৰ হ'ল সিহঁতে যেন টলকিবই নোৱাৰিলে। দুয়োটা বছৰত সিহঁতে পঢ়া-শুনাত ভাল ফলাফল দেখুৱালে। অনুজে কলেজৰ দুটা ছেমিষ্টাৰ শেষ কৰিলে আৰু মধুযা উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বৰ্ষ পালেগৈ। সিহঁতৰ ভালপোৱা যিমানেই গভীৰ হ'ব ধৰিলে সিমানেই মানুহে বু বু বা বা কৰিব ধৰিলে। ইকাণ সিকাণ কৰি অনুজ-মধুযাৰ ভালপোৱাই এদিন মধুযাৰ দেউতাকৰ কাণ চুলেগৈ। মধুযাৰ দেউতাক এজন শিক্ষক তথা সমাজৰ গণ্য-মান্য ব্যক্তি। সেয়ে সকলো খং সামৰি অতি গোপনে একে ৰাতিৰ ভিতৰতে মধুযাৰ বিয়া ঠিক কৰি পেলালে এজন ব্যৱসায়ী ল'ৰাৰ সৈতে। কিন্তু খবৰটো লিক হৈ গ'ল। একো উপায় নেদেখি মধুযাৰ মাকে নিজে অনুজক মাতি আনি নিজৰ ছোৱালীজনীক হাতত তুলি দিলে —

— অনুজ মোৰ আৰু একো উপায় নাই । তুমি মধুযাক লৈ সুখী হোৱা। সোনকালে তোমালোক ইয়াৰ পৰা গুচি যোৱা। মোৰ আশীৰ্বাদ তোমালোকৰ ওপৰত সদায় থাকিব। দেখিবা এদিন সকলো ঠিক হৈ যাব।

কিন্তু দুৰ্ভাগ্য সিহঁতৰ মাজত থিয় হৈ আছিল। সিহঁতে বেছি দূৰ যাব নোৱাৰিলে। মধুযাৰ দেউতাকৰ লোকে সিহঁতক বাটতে ধৰি পেলালে। অনুজক যথেষ্ট মাৰধৰ কৰি বাটত পেলাই থৈ মধুযাক জোৰ কৰি আনি সেই ৰাতিতেই বিয়া দি দিলে।

অচেতন অৱস্থাত ওচৰ-চুবুৰীয়া লোকে অনুজক চিকিৎসালয়ত ভৰ্তি কৰি অনুজৰ পৰিয়ালক খবৰ দিলে। পোন্ধৰ দিন চিকিৎসালয়ত থাকি লাহে লাহে সুস্থ হৈ আহিল অনুজ। কিন্তু মাজে মাজে মধুযা মধুযা বুলি ডাঙৰকৈ চিঞৰি উঠিবলৈ ধৰিলে। চিকিৎসকে আশ্বাস দিলে যে লাহে লাহে ঠিক হৈ যাব। সময়ত দেখা গ'ল চিকিৎসকৰ কথা সঁচা নহ'ল। অনুজ দিনক দিনে উন্মাদ হৈ পৰে। মধুযাৰ ঘৰৰ সন্মুখত গৈ বিকট শব্দ কৰি মধুযা মধুযা কৰি চিঞৰিবলৈ ধৰিলে। উপায় নাপায় অনুজৰ দেউকাকে অনুজক শিকলি লগাই ঘৰত বান্ধি থ'বলৈ বাধ্য হ'ল। তাৰ পিছতো অনুজ ক্ষান্ত নহ'ল। ঘৰৰ পৰাই বিকট শব্দ কৰি একেদৰেই চিঞৰি থাকিল।

ফোন ঃ ৯১০১৭-৩৭৩৩৬

## জীয়াই থকাৰ অনুশীলন

■ পপী ডেকা



বিষাদে গৰকা শৰীৰত
উবুৰি খাই পৰে
সপোনৰ চৰাই

মুখত বিষণ্ণতাৰ চিন
সুস্পষ্ট হৈ উঠে

চকুত তথাপি আশা জ্বলি উঠে

মূৰত পাকঘূৰণি খাই
কিছুমান অযথা প্ৰশ্ন

নিজক সোধো— জীৱন তোৰ ইমান দাবী কিহৰ...?

চুঁচৰি বাকলি যোৱা আঙুলিকেইটাক সোধো-
তোৰ ইমান বেগ, থমকি যে নৰৱ..?

বুকুখনক সোধো— বিছনাত চুঁচৰি থাকি আকাশক চোৱাৰ হেঁপাহ কেনেকৈ জীয়াই ৰাখ...?

উশাহক সোধো-থমকি ৰ'ব খুজিও,
ওখোৰা মোখোৰা বাটত উজুটি খায়ো
মোক কেনেকৈ জীয়াই ৰাখ...?

হতাশাই ৰেপি ধৰা মনটোক সোধো-
ভাগৰি যে নপৰ, ইমান শক্তি ক'ত পাৱ...?

সকলোৰে এটাই উত্তৰ—
এইবোৰেই যে জীয়াই থকাৰ অনুশীলন...।।

## অজুহাত

(অণুগল্প)

■ স্নিগ্ধা প্ৰিয়া

আজিৰ পৰা ৩০ বছৰ আগত তাইক সন্তান জন্ম দিব নোৱাৰাৰ অজুহাত দেখুৱাই ঘৰৰ পৰা উলিয়াই দিছিল গিৰীয়েকে। আজি গিৰীয়েকে অকলশৰীয়া হোৱাৰ অজুহাতত তাইক নিবলৈ আহিল। কিন্তু তাই একেষাৰে না কৰি গিৰীয়েকক ওভতাই পঠালে।

## জীৱনটো উপভোগ কৰোঁ আহক

ঝিনকিন ঝৰণা

মাৰ্গাৰেট বুনেনে কৈছিল— প্ৰতিদিনে জীৱনটো উপভোগ কৰা, তেতিয়াহে ইয়াৰ আচল সোৱাদ পাবা।

সঁচাকৈয়ে জীৱনৰ প্ৰতিটো দিন আমি সকলোৱে উপভোগ কৰিব লাগে। মৃত্যু হ'লে জীৱনটো আকৌ ঘূৰাই পোৱা নাযায়। সেয়েহে আমি জীয়াই থকা দিনকেইটা ভালদৰে থাকিব লাগে। প্ৰত্যেকজন মানুহৰ জীৱনতে দুখ থকাটো স্বাভাৱিক। দুখ অবিহনে সুখ অসম্ভৱ। দুখ-কষ্ট , সমস্যা, দুশ্চিন্তা সকলোৰে জীৱনত থাকিবই। এইবোৰৰ মাজেৰে আমি জীৱনটো আগুৱাই নিব লাগিব। চিন্তাই কোনো কামৰ সমাধান নিদিয়ে। সেয়েহে সমস্যা হ'লে অযথা চিন্তা কৰি থকাতকৈ সমস্যাবোৰ কেনেকৈ সমাধান কৰিব পাৰি তাৰ উপায় উলিয়াব লাগে। মনলৈ দুশ্চিন্তা আহিলে



নিজৰ ভাল লগা কামবোৰ কৰিব লাগে। কিতাপ পঢ়া, গান শুনা, মন পছন্দৰ কিবা ৰান্ধি ঘৰৰ সকলোৱে আনন্দ মনেৰে খোৱা, মনৰ পছন্দৰ ঠাইত ফুৰিবলৈ যোৱা আদি কামবোৰ কৰিলেও মানুহৰ দুশ্চিন্তা নাইকিয়া হয়। সময় গ'লে আৰু সেই সময় উভতি নাহে। সেয়েহে আমি অবাবত সময় নষ্ট নকৰি সময়ৰ সদ্ব্যৱহাৰ কৰিব লাগে। কেতিয়াও এনেয়ে শুই-বহি সময় পাৰ কৰিব নালাগে। এই পৃথিৱীত জন্ম হ'লে এদিন মৃত্যু হ'বই। সেয়ে আমি মৃত্যুৰ পাছতো যেন আমি আমাৰ কৰ্মৰে পৃথিৱীত অমৰ হৈ থাকিব পাৰোঁ তেনেকুৱা কাম কৰিব লাগে। জীৱন মানেই সংগ্ৰাম। এক কথাত সংগ্ৰাম অবিহনে জীৱনে কেতিয়াও পূৰ্ণতাই পাব নোৱাৰে।

বৰ্তমান সময়খিনি উপভোগ কৰিব লাগে। কাইলৈ কি হ'ব বা আগলৈ কি হ'ব এইবোৰ ভাবি বৰ্তমানৰ সময়খিনি বেয়া কৰিব নালাগে। যিসকল মানুহক আপুনি ভাল পায়, যি আপোনাৰ জীৱনৰ বাবে অপৰিহাৰ্য, তেনে মানুহবোৰৰ লগত বেছি সময় কটাওক। কাৰো আগতে আপোনাৰ দুখৰ কথা নক'ব। তেনে কৰিলে আপোনাৰ দুখবোৰ নোহোৱা হৈ নাযায় তেওঁলোকৰ আগত আপোনাৰ দুৰ্বলতাহে প্ৰকাশ পাব। বেছিকৈ দুখৰ বাতৰি, দুখৰ গান, দুখৰ কথা নুশুনিব। স্ফূৰ্তিত থাকিবলৈ চেষ্টা কৰিব লাগে। আপুনি যি কামেই কৰক কামটো উপভোগ কৰিবলৈ শিকক। কেতিয়াও 'মই নোৱাৰিম নেকি', 'এইটো মোৰ কাৰণে নহয়' এনেকৈ নাভাবিব। মই পাৰিম, কিয় নোৱাৰিম বুলি কাম কৰিলে প্ৰতিটো কামেই সহজ হৈ পৰে। অতীতত যদি কিবা দুখ পাইছিল, ঠগ খাইছিল এইবোৰ কথা ভাবি নাথাকি বৰ্তমানৰ কথাহে ভাবিব লাগে। যি পাইছে, আপোনাৰ যি আছে তাকে লৈ সুখী হৈ থাকিবলৈ চেষ্টা কৰিব লাগে। যিটো নাই সেইটোক লৈ কেতিয়াও মন বেয়া কৰিব নালাগে। আপোনাৰ যি আছে তাতেই বহুত আছে, আপুনি বহুত পাইছে এনেকৈ ভাবি দিনবোৰ অতিবাহিত কৰিব পাৰিলে আপোনাৰ জীৱনটো সুখৰ হোৱাটো নিশ্চিত। আপুনি যদি সুখ আৰু শান্তি বিচাৰিছে তেন্তে এক সহজ-সৰল জীৱনে আপোনাক সুখ আৰু শান্তি সহজে দিব পাৰিব। যদি আপোনাৰ জীৱনটো সহজ আৰু সৰল তেন্তে আপোনাৰ মানসিক হেঁচাও কম হ'ব আৰু আপুনি জীৱনটো ভালদৰে জীয়াই থাকিব পাৰিব, জীৱনটো আপুনি উপভোগ কৰিবও পাৰিব। আপোনাক যদি বহুত টকাৰ প্ৰয়োজন আপোনাৰ হাতত এশ বা দুশ টকা এটাহে আছে, তেতিয়া আপুনি ভাবিব যে আজি আপোনাৰ হাতত এশ বা দুশ টকা আছে কিন্তু পথৰ ভিক্ষাৰী এজনৰ সেই এশ বা দুশ টকাও নাই। দহ টকা এটা যোগাৰ কৰিবলৈও তেওঁ কাৰোবাৰ ওচৰত ভিক্ষা মাগিব লগা হৈছে। কিন্তু আপুনি ভিক্ষা নকৰাকৈ সহজ পদ্ধতিৰে এশ বা দুশ টকাটো যোগাৰ কৰিছে, সেয়ে আপুনি বহুত সুখী। প্ৰতিটো কথা যদি এনেদৰে প্ৰতিজন মানুহে ভাবে জীৱনটো সহজ হৈ পৰিব। প্ৰত্যেকৰে জীৱনত যিকোনো বাধা-বিঘিনি থাকিবই। এই বাধাসমূহক নেওচি যিজন আগুৱাই যায় সেইজনেই হৈছে জীৱনৰ গতিপথৰ আচল বিজেতা। গতিকে আমি আটায়ে সংগ্ৰামৰ মাজেদি জীৱনটো উপভোগ কৰা উচিত।

দেৰগাঁও, গোলাঘাট
ফোন ঃ ৯৬১৩০-৩৬৯৬৯

# বৰ্তমানৰ যুৱ প্ৰজন্ম কোন দিশে ধাৱমান



প্ৰেম বৈষ্ণৱ

আমি মানুহ হিচাপে পৰিচয় দিয়াৰ লগে লগে সমান্তৰালকৈ আমাৰ সমাজৰ ৰেহ-ৰূপৰ কথা আমাৰ মনলৈ আহে। মানৱ জাতি সৃষ্টিৰ সময়ৰ পৰা ঢাপে ঢাপে আগুৱাই আহি আহি আজিৰ আধুনিক যুগত ভৰি দিছোঁ। আধুনিক যুগত শিক্ষাৰ বহুল প্ৰচাৰ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই মানৱ জাতিক বহু আগুৱাই নিবলৈ সক্ষম হৈছে। অন্য প্ৰাণীতকৈ শাৰীৰিক শক্তি মানুহৰ কম যদিও প্ৰাণীসমূহৰ ভিতৰত চিন্তা শক্তি, বুদ্ধিমত্তা, মানৱীয়তা আদি থকাৰ বাবেই হয়তো মানুহক জীৱশ্ৰেষ্ঠ বুলি কোৱা হয়।

বৰ্তমান আমাৰ সমাজ সুস্থিৰ হৈ থকা নাই। আধুনিকতাৰ ধামখুমীয়াত ক্ষিপ্ৰগতিত পৰিৱৰ্তিত হৈ সমাজখনক যোগাত্মক আৰু সুস্থিৰ অৱস্থালৈ আনিবলৈ হ'লে নতুনকৈ চিন্তা কৰাৰ সময় সমাগত। সমাজ এখনত সুস্থ বাতাৱৰণ সৃষ্টি কৰাৰ ক্ষেত্ৰত জ্যেষ্ঠ-কনিষ্ঠ সকলোৱে বহু কৰণীয় আছে। বিশেষকৈ যুৱ-প্ৰজন্মৰ কাৰ্যকৰী ভূমিকা তথা সক্ৰিয় অংশগ্ৰহণ নিতান্তই প্ৰয়োজনীয়।

সাম্প্ৰতিক সময়ত বিশ্বায়নে বৰ্তমানৰ যুৱ-প্ৰজন্মক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। অৰ্থ উপাৰ্জনৰ ন ন পথ উন্মোচন হৈছে, ভোগসৰ্বস্ব জীৱন সকলোৰে কাম্য আৰু সহজ লভ্য হৈ পৰিছে। ইয়াৰ পৰিণতিত সততা, আদৰ্শ, মানৱীয়তা, ত্যাগ, সহমৰ্মিতা আদিৰ বিপৰীতে যুৱ-প্ৰজন্মই বাট বুলিছে। সামাজিক মূল্যবোধ, নৈতিকতা, সুস্থ মানসিকতাৰ লগতে ব্যক্তিগত চাৰিত্ৰিক দিশৰ স্খলন ঘটিব ধৰিছে। বৰ্তমান সমাজ ব্যৱস্থাক বিশ্লেষাত্মক দৃষ্টিভংগীৰে লক্ষ্য কৰিলে দেখা যায় যে হত্যা, হিংসা, বিদ্বেষ, অসহিষ্ণুতা এইবোৰৰ মূলতে হ'ল অৰ্থলাভ আৰু আসুৰিক যৌন লিপ্সা। প্ৰতিজনেই বিচাৰে আনক দমন আৰু শোষণ কৰি নিজৰ অৰ্থনৈতিক ভেটি সবল কৰি আভিজাত্য প্ৰকাশ কৰিব। দুৰ্বল শ্ৰেণীৰ মানুহক দমন-শোষণ কৰি বিচাৰি পায় আসুৰিক তৃপ্তি।

মানুহ হিচাপে জীয়াই থাকিবলৈ হ'লে নিজৰ কৰণীয়খিনি সততা আৰু নিষ্ঠাৰে কৰিব লাগে আৰু লক্ষ্য ৰখা উচিত যে নিজৰ কৰণীয়খিনি কৰিবলৈ যাওঁতে কাৰোবাৰ কিবা ক্ষয়-ক্ষতি হৈছে নেকি? অথবা কাৰোবাৰ উন্নয়ন স্থৱিৰ হৈছে নেকি ? এইদৰে যদি আমি চিন্তা কৰিব পাৰোঁ আৰু দয়া, উপকাৰ, ত্যাগ, সহমৰ্মিতা, মমতা, সহানুভূতি, ভাল কামৰ প্ৰশংসা আদি শব্দবোৰ বাস্তৱিকতে যদি প্ৰয়োগ কৰা হয় তেন্তে নিঃসন্দেহে এটি সুস্থিৰ বাতাৱৰণ গঢ়ি উঠিব। আমি হৃদয়ংগম কৰা উচিত যে, এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকা শক্তি হ'ল যুৱ সমাজ। বৰ্তমানৰ যুৱ-প্ৰজন্মই নিৰ্ধাৰিত কৰে এখন দেশৰ ভৱিষ্যৎ। কিন্তু পৰিতাপৰ বিষয় যে সাম্প্ৰতিক সময়ত এই যুৱ-প্ৰজন্মক কেন্দ্ৰ কৰি সমাজ বিপথে পৰিচালিত হৈছে। উচ্ছৃংখলতা নামৰ বিষাক্ত ভাইৰাছ বিধৰ উপস্থিতি পৰিলক্ষিত হৈছে। 'যুৱ-উচ্ছৃংখলতা' নামৰ বিষাক্ত ভাইৰাছ বিধে যুৱ-প্ৰজন্মক কলংকিত কৰিছে আৰু ইয়েই আমাৰ সমাজত ভৱিষ্যতৰ বাবে কঢ়িয়াই আনিছে কাল অমানিশা। আমি সূক্ষ্ম বিশ্লেষণ কৰা প্ৰয়োজন যুৱ উচ্ছৃংখলতাৰ বাবে দায়ী কোন? যুৱ-প্ৰজন্ম নিজেই নে আমি প্ৰত্যেকেই উচ্ছৃংখলতাৰ দিশে ঠেলি পঠিয়াইছোঁ।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱত গোটেই বিশ্বখন এখন গাঁৱলৈ ৰূপান্তৰিত হৈছে। বস্তুৰ আমদানি-ৰপ্তানি কৰা, তথ্যৰ আদান-প্ৰদান কৰা, যোগাযোগ ক্ষেত্ৰ, যাতায়াত আদিৰ ক্ষেত্ৰত তাহানি দিনৰ অসুবিধাবোৰ এতিয়া নাই। সকলোবোৰ কাম কম সময়ৰ ভিতৰত অতি সহজেই কৰিব পৰা হৈছে। আমাৰ ভাৰতীয় সভ্যতা, সংস্কৃতি, পৰম্পৰা, ৰীতি-নীতি, নিয়ম, প্ৰথা আদি বিশ্বায়নৰ কৰাল গ্ৰাসত কক্‌বকাইছে। আমি ক'ব নোৱৰাকৈয়ে আনক দেখি আমাৰ থলুৱা খাদ্যাভাস সলাই পাশ্চাত্য খাদ্যভাস, নীতি-নিয়ম আঁকোৱালি লৈছোঁ। আনকি অনুষ্ঠান-প্ৰতিষ্ঠান আদিতো পাশ্চাত্যৰ কু-প্ৰভাৱ পৰিলক্ষিত হৈছে। ইয়াৰ পৰিণতিত মানুহৰ দৈনন্দিন জীৱন পৰিক্ৰমাবোৰ সলনি হৈছে। সকলো ক্ষেত্ৰতে কেৱল কৃত্ৰিমতাৰ পয়োভৰে গা কৰি উঠিছে। মানুহৰ হৃদয়ত নৈতিকতা নাই, সামাজিক মূল্যবোধ নাই, আমাৰ সাতামপুৰুষীয়া সংস্কৃতিৰ প্ৰতিও সামান্যতমো আনুগত্য নাই... মুঠতে আমি একো একোটা যন্ত্ৰচালিত প্ৰাণহীন পুতলাহে হৈ পৰিছোঁ । আমাৰ এই পৰিৱৰ্তনে বৰ্তমানৰ যুৱ-প্ৰজন্মক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছে।

প্ৰতিজন পিতৃ-মাতৃয়ে নিজৰ সন্তানক উচ্চ শিক্ষাৰে শিক্ষিত কৰিব বিচাৰে। আটাইতকৈ বেছি নম্বৰ কেনেকৈ পাব পাৰি তাৰ বাবে নিজৰ সন্তানৰ খেলাৰ সময়কণো দিব নিবিচাৰে। লগৰীয়াৰ সৈতে খেলা-ধূলাৰ পৰা বিৰত ৰাখি মানসিকভাৱে আঘাত দিয়ে । আকৌ দেখা যায় যে, সন্তানৰ যি বিষয়ৰ ওপৰত ৰাপ বেছি বা আগ্ৰহ বেছি, সেই বিষয়সমূহৰ পৰা বলপূৰ্বক আঁতৰাই ৰাখে কেৱল ডাক্তৰ, ইঞ্জিনিয়াৰ, অধিবক্তাৰ দৰে কৰ্মত নিজৰ সন্তানক প্ৰতিষ্ঠিত কৰিবৰ বাবে। ৰুচি নথকা বিষয়ত নম্বৰ কম পোৱাটোৱেই স্বাভাৱিক। সন্তানৰ পৰা আশানুৰূপ ফলাফল নাপাই কিছু অভিভাৱকে নিজৰ সন্তানক নানা ধৰণৰ ককৰ্থনা কৰা দেখা যায়। ইয়াৰ পৰিণাম স্বৰূপে নিজৰ মৰমৰ সন্তানটো ভিতৰি ভিতৰি বিদ্ৰোহী হৈ উঠে আৰু পিতৃ-মাতৃৰ অবাধ্য হোৱাৰ সম্ভাৱনা থাকে। আনহাতে, ঘৰৰ চাৰিবেৰৰ মাজত আবদ্ধ থাকি থাকি আৰু পঢ়াৰ অতিৰিক্ত চাপৰ ফলত ল'ৰা-ছোৱালী শাৰীৰিকভাৱে দুৰ্বল হোৱাৰ লগতে মানসিকভাৱেও দুৰ্বল হোৱাৰ সম্ভাৱনা থাকে। তেনে ল'ৰা-ছোৱালী বাহিৰৰ জগতখনৰ লগত বিশেষ চিনাকি নাথাকে, সেয়ে কোনটো ভাল কোনটো বেয়া সেইটো নিৰূপণ কৰিব নোৱাৰি বহু ল'ৰা-ছোৱালী অবাটে বাট বুলিছে। শিশুৰ শিক্ষাৰ প্ৰথম ভেটিটোৱেই হ'ল আপোন ঘৰখন। সাম্প্ৰতিক সময়ত পূৰ্বে প্ৰচলিত যৌথ পৰিয়ালৰ পৰিৱৰ্তে একক পৰিয়ালৰ বহুল প্ৰচলন হৈছে। ইয়াৰ ফলত ল'ৰা-ছোৱালীয়ে খুৰা, বৰদেউতা, খুৰী, বৰমা, ককা-আইতাৰ মৰমৰ পৰা বঞ্চিত হয়। পিতৃ-মাতৃৰ সুহৃদ সম্পৰ্ক পৰিয়ালৰ আন কাৰো লগত নথকা হেতুকে শিশু এটিয়ে শৈশৱৰ পৰা যৌৱনৰ দুৱাৰ-ডলিত ভৰি দিয়ালৈকে পিতৃ-মাতৃৰ পৰা আচৰণবোৰ অনুসৰণ কৰে আৰু সিয়েই হৈ পৰে শিশুটিৰ ভৱিষ্যৎ জীৱনৰ প্ৰাথমিক বুনিয়াদ। পৰিয়ালৰ আন সদস্যৰ লগত মিলা-প্ৰীতি, সহমৰ্মিতাৰ কোনো শিক্ষা নাপায়। পিতৃ-মাতৃৰ পৰা ভোগসৰ্বস্ব জীৱন শিক্ষাৰ আদি পাঠ লয়, ইয়াৰ বাবে জগৰীয়া পিতৃ-মাতৃ তথা অভিভাৱকসকল । কিছু আভিজাত্য পৰিয়ালৰ অভিভাৱকে নিজৰ শিশুটিয়ে অকণমান আমনি কৰিলেই শিশুটিৰ হাতত দামী এনড্ৰইড মোবাইলটো তুলি দিয়ে। এইদৰে কিছুদিন দিয়াৰ পিছত শিশুটি কম বয়সতে মোবাইলৰ প্ৰতি আসক্ত হৈ পৰে। পৰৱৰ্তী সময়ত দেখা যায় যে ইণ্টাৰনেটত জ্ঞান-বিজ্ঞানৰ তথ্য লোৱাৰ পৰিৱৰ্তে নীলা ছবি চোৱাৰ বা নেতিবাচক কাম কৰাৰ বাট মুকলি কৰি দিয়ে। টকাৰ পিছত দৌৰি দৌৰি পিতৃ-মাতৃয়ে নিজৰ সন্তানটিৰ কথা কেতিয়াবা পাহৰি যায়, অথবা বেছি ব্যস্ততাৰ বাবে নিজৰ সন্তানটিক সময় দিব নোৱৰা কিছু অভিজাত পিতৃ-মাতৃয়ে প্ৰয়োজন নাথাকিলেও সন্তাটিৰ হাতত টকা তুলি দিয়ে। সামান্য কথাত ঠেহ পাতিলেও সন্তানক সুখী কৰিবলৈ হাতত টকা তুলি দিয়ে । সন্তানে যি বিচাৰিলেও একো প্ৰশ্ন নকৰাকৈ বিচৰা বস্তু যোগান ধৰে । এইবোৰ কৰোৱাত শিশুটি সুখী হয় ঠিকেই কিন্তু কেতিয়াবা হিতে বিপৰীত হয়। লগৰীয়াৰ লগ লাগি বিভিন্ন অসামাজিক কাম-কাজত লিপ্ত হোৱাৰ উপৰি ড্ৰাগ্‌ছ আসক্ত হোৱাৰো সম্ভাৱনা নুই কৰিব নোৱাৰি। ইয়াৰ বাবে প্ৰথম জগৰীয়া পিতৃ-মাতৃ।

অভিভাৱকসকল সচেতন হ'ব লাগিব। যুৱ-প্ৰজন্ম যাতে বিপথে পৰিচালিত নহয় তাৰ বাবে প্ৰতিজন অভিভাৱকে নিজৰ সন্তানটিয়ে কি কৰিছে, ক'ত যায় আদিবোৰৰ সূক্ষ্ম পৰ্যবেক্ষণ কৰিব লাগিব। ভৱিষ্যতৰ প্ৰজন্মক এটি নিকা আৰু সুস্থ বাতাৱৰণ সমাজ গঢ়ি সুন্দৰ জীৱন যাপন কৰাৰ ভেটি কৰি দিয়াৰ ক্ষেত্ৰত প্ৰতিজন অভিভাৱকেই দায়বদ্ধ হ'লে উচ্ছৃংখলতাৰ কৰাল গ্ৰাসৰ পৰা যুৱ-প্ৰজন্ম মুকলি হ'ব পাৰিব।

## জীৱন

মৃণালী শইকীয়া

হৃদয়খন মোৰ সেমেকা শীতল
গংগা
উশাহত উজাই আহে
কাৰ বুকুত তিয়াই ৰখা
সেউজীয়া।
কেঁচা মাটিৰ গোন্ধত জাহ যায়
মোৰ চহা প্ৰাণ
কৃষ্ণচূড়াৰ জোনাকত
দেহে-প্ৰাণে বৈ যায় এমুঠি
অমল সুগন্ধিৰ গান
ফোন ঃ ৯৬৭৮৮-৬০৫২৬

## প্ৰথম পৃষ্ঠাৰ পৰা—

## সভাপতি পদত অধিষ্ঠিত

বৰ্তমানৰ বিধায়ক ৰঞ্জিত দত্ত, ৰঙিয়াৰ বৰ্তমানৰ বিধায়ক ভবেশ কলিতা আৰু দলৰ জ্যেষ্ঠ নেতা ড° প্ৰদীপ ঠাকুৰীয়া অন্যতম। ইপিনে প্ৰাপ্ত তথ্য মতে ৰঞ্জিত দত্তৰ নামটো প্ৰচাৰ হোৱাৰ লগে লগে দলৰ নেতা-কৰ্মীৰ মাজত মিশ্ৰিত প্ৰতিক্ৰিয়া আৰম্ভ হৈছে। কিয়নো যোৱা সোণোৱাল চৰকাৰৰ কাৰ্যকালত তদানীন্তন মন্ত্ৰী ৰঞ্জিত দত্তৰ বিভাগতেই ঘটিছিল এক লজ্জাজনক ঘটনা। তথ্য মতে জনতা ভৱনত জলসিঞ্চন বিভাগৰ সচিব কুজেন্দ্ৰ দলেৰ কাৰ্যালয়ত দুৰ্নীতি নিবাৰক শাখাই জব্দ কৰিছিল ৩০ লাখ টকা। পৰৱৰ্তী সময়ত জেৰাত বিষয়াজনে এই বৃহৎ ধনৰাশি বিভাগীয় মন্ত্ৰী ৰঞ্জিত দত্তৰ বুলি স্বীকাৰ কৰিছিল। পৰৱৰ্তী সময়ত তদানীন্তন মুখ্যমন্ত্ৰী সোণোৱালে ৰঞ্জিত দত্তৰ বিভাগ সলনি কৰি একপ্ৰকাৰ নিষ্ক্ৰিয় কৰি ৰাখিছিল। গতিকে এনে ক্ষেত্ৰত ৰঞ্জিত দত্তক যে এইবেলি ৰাজ্যিক সভাপতিৰ দৰে গুৰু দায়িত্ব দিব সেয়া এক অবাস্তৱ বিষয় বুলি মত পোষণ কৰিছে একাংশ দলীয় কৰ্মীয়ে। লক্ষণীয়ভাৱে উক্ত ঘটনাটোৱে সেই সময়ত সোণোৱাল চৰকাৰৰ সন্মুখত তীব্ৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। অন্য এক সভাপতিৰ প্ৰাৰ্থিত্বপ্ৰত্যাশী বিধায়ক ভৱেশ কলিতা। ব্যক্তি হিচাপে ৰঙিয়াৰ বিধায়ক কলিতা অতি নম্ৰ স্বভাৱৰ। সংঘ পৰিয়ালৰ পুৰণি সদস্য যদিও সোণোৱাল চৰকাৰত এজন ব্যৰ্থ মন্ত্ৰী হোৱাত হয়তো বৰ্তমানৰ হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত স্থান লাভ নকৰিলে বিধায়ক ভৱেশ কলিতা। তদুপৰি কলিতাক প্ৰথমে ৰাজহ মন্ত্ৰীৰ দায়িত্ব দিছিল যদিও পৰৱৰ্তী সময়ত তদানীন্তন মুখ্যমন্ত্ৰী সোণোৱালে ভৱেশ কলিতাক উক্ত বিভাগৰ পৰা অপসাৰিত কৰে। জানিব পৰা মতে প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালক দলীয় একাংশ কৰ্মীয়ে ভৱেশ কলিতাক অপসাৰণৰ কাৰণ জানিবলৈ আগ্ৰহ প্ৰকাশ কৰাত বিধায়ক কলিতাৰ প্ৰকৃত স্বৰূপ ওলাই পৰে। অন্য এজন প্ৰবল দাবীদাৰ হ'ল দলৰ জ্যেষ্ঠ নেতা ড° প্ৰদীপ ঠাকুৰীয়া। দলৰ সাংগঠনিক ক্ষেত্ৰত যথেষ্ট অভিজ্ঞ নেতাজনে দলৰ স্বাৰ্থত মহাবিদ্যালয় অধ্যাপক পদৰ পৰা অব্যাহতি লৈ ত্যাগৰ মনোভাবেৰে সুদীৰ্ঘ কাল দললৈ নিস্বাৰ্থভাৱে অৰিহণা যোগাই আহিছে। আজি প্ৰায় ৩০ বছৰে ড° ঠাকুৰীয়াই যুৱ মৰ্চাৰ উপ-সভাপতি, সাধাৰণ সম্পাদক, ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ, সাধাৰণ সম্পাদক, উপ-সভাপতিৰ লগতে শেহতীয়াকৈ বিগত বিধানসভা নিৰ্বাচনত দলৰ নিৰ্বাচন প্ৰবন্ধন সমিতিৰ প্ৰমুখ হিচাপে কাৰ্যনিৰ্বাহ কৰি নিজৰ কৰ্মদক্ষতা প্ৰমাণ কৰি আহিছে। এটা কথা নিশ্চিত যে ৰাজ্যিক বিজেপিৰ সভাপতি পদত অধিষ্ঠিত হ'বৰ বাবে উল্লিখিত তিনিও নেতাৰ আছে সাংগঠনিক দক্ষতা। যদিও বিধায়ক এজনক দলৰ সাংগঠনিক গুৰুদায়িত্ব দিয়াটো দলৰ ৯৯ শতাংশ কৰ্মীয়ে বিচৰা নাই। কৰ্মীৰ মতে ৰঞ্জিত দাস ৰাজ্যিক সভাপতি নোহোৱা হ'লে হয়তো সৰভোগ সমষ্টিটো বিজেপিয়ে হেৰুৱাব লগা নহ'লহেঁতেন। কাৰণ ৰাজ্যিক সভাপতিয়ে সমগ্ৰ অসমৰ কথা চিন্তা কৰি সাংগঠনিক দিশত গুৰুত্ব দিব লাগে, যাৰ ফলত সমষ্টিবাসীক অধিক সময় দিব নোৱাৰাৰ বাবে লাহে লাহে সমষ্টিত বিধায়কজনৰ ভেটি দুৰ্বল হোৱাটো স্বাভাৱিক। এনে ক্ষেত্ৰত বিধায়ক অথবা সাংসদ পদত অধিষ্ঠিত নথকা ড° প্ৰদীপ ঠাকুৰীয়াক ৰাজ্যিক বিজেপিৰ সভাপতি হিচাপে বিচাৰিছে সৰহসংখ্যক দলীয় কৰ্মীয়ে। অৱশ্যে এইক্ষেত্ৰত নিশ্চিতভাৱে চূড়ান্ত সিদ্ধান্ত ল'ব দলৰ কেন্দ্ৰীয় নেতৃত্ব আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

## দ'লহাটৰ শ'লমৰীয়াত ছাইড

বহুকেইখন গাওঁ বুৰাই পেলাই। পানী বাগৰি গৈ নন অঞ্চল পানীত ডুব যাবলৈ ধৰিছে বুলি জানিব পৰা গৈছে। উক্ত অংশইদি পানী বাগৰাৰ ফলত দাঁতি কাষৰীয়া অৰ্ধশতাধিক পৰিয়ালৰ বাসগৃহ পানীত ডুব গৈছে। বান্ধটো ছিগা অংশই দি পানী পাৰহৈ শলমৰীয়াকে আদি কৰি বৰছলা,২নং বৰছলা, পানধোৱা, মহঘুলি, গড়ছিগা আদি গাওঁ প্লাৱিত কৰি কৃষিজীৱি জনসাধাৰণৰ বিস্তৰ ক্ষতি সাধন কৰিছে। শিঙৰা নদীৰ বানে অঞ্চলটোৰ ৰাস্তাঘাট, শ শ হেক্টৰ শালি ধানৰ কঠিয়া, মৎস্য পালন পুখুৰী, কেইবাটাও গৃহৰ ক্ষতি সাধন কৰিছে। আনহাতে নাওবৈচাৰ বিস্তীৰ্ণ এলেকা বানৰ কবলত পৰাৰ পৰিপেক্ষিতত বানাক্ৰান্তক উদ্ধাৰৰ বাবে এন ডি আৰ এফ বাহিনয়ে উদ্ধাৰ অভিযান চলায় বুলি জানিব পৰা গৈছে। ইফালে বোকানদীৰ বাঢ়নি পানীয়ে ৰানাবাৰী, সোনাপুৰ আদি অঞ্চল বুৰাই পেলাইছে বুলি জানিব পৰা গৈছে। একে দৰে কলাখেশৰা অঞ্চলতো বৰষুণৰ পানী জমা হৈ হাহাকাৰময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। ৰাইজৰ অভিযোগ মতে নাওবৈচা পঞ্চায়তে নলা খান্দোতে দুৰ্নীতি কৰাৰ বাবেই পানী পাৰ হ'ব নোৱাৰি প্ৰায় দুই শতাধিক লোকৰ ঘৰ যোৱাকালিৰ পৰা পানীৰ তলত আছে।

## ধুবুৰীৰ ডিএছপি যতীন দাস

আৰক্ষীক। আৰক্ষীয়ে ইতিমধ্যে দুয়োজনৰে ম'বাইল জব্দ কৰিছে। ৫ জুনত পুনৰ হাজিৰ কৰা হ'ব PCAৰ বিশেষ আদালতত। আনহাতে গ্ৰেপ্তাৰ যতীন দাসৰ গ্ৰেপ্তাৰ সম্পৰ্কে বহুতো ন ন তথ্য পোহৰলৈ আহিছে। কেনেকৈ যতীন দাস চিণ্ডিকেটৰ লগত জড়িত হৈ পৰিল। ১৯৮৭ চনত ধুবুৰীত এছ আই পদত যোগদান কৰা যতীন দাস, ক্ৰমান্বয়ে গৌৰীপুৰ, থানা, ধুবুৰী কলেজ আৰক্ষী চকী আই চি, গোলকগঞ্জ থানাৰ অ' চি, গোলকগঞ্জৰ চি আই, মানকাচৰ-দঃ শালমৰাসহ ধুবুৰী জিলাত প্ৰায় ২০ বছৰ কাৰ্যনিৰ্বাহ কৰিছিল। মাজত ১০টা বছৰ ধুবুৰীৰ বাহিৰত আছিল। পুনৰ যোৱা বছৰ ধুবুৰীত পদোন্নতি পাই সীমান্ত শাখাৰ ডি এছ পি হৈ ধুবুৰী ত জইন কৰে। সূত্ৰ মতে ধুবুৰী জিলাত ১০ বছৰত গৰুৰ, ড্ৰাগছ, ৰ শিল বালি ৰ চিণ্ডিকেট চক্ৰ সক্ৰিয় হৈ উঠিছিল। সূত্ৰ মতে গ্ৰেপ্তাৰ হোৱা সহযোগী ৰফিকুল পূৰ্বৰ পৰা ৰাজনৈতিক দলৰ আশীৰ্বাদ ত বহু দিনৰ পৰা চিণ্ডিকেট চক্ৰৰ সৈতে গোপন বেহা চলাই আছিল। আৰু অধিক অৰ্থৰ লোভ দেখুৱাই যতীন দাসক লগত লয়। আৰু ডাঙৰ নেটৱৰ্ক গঢ়ি তোলে। উল্লেখ, অৱস্থান ৭মাহ বাকী থাকোতেই কি ভুলৰ বাবে গ্ৰেপ্তাৰ হ'ব লগা হ'ল। তদন্তত সকলো ওলাই পৰিব।

## ৮০ মেট্ৰিক টন তৰল মেডিকেল অক্সিজেন কঢ়িয়াই

বাবে অতি প্ৰয়োজনীয় জীৱনদায়িনী তৰল মেডিকেল অক্সিজেনৰ (এলএমঅ') চাহিদা পূৰণ কৰাৰ অৰ্থে উত্তৰ-পূৱ সীমান্ত ৰে'লৱেই অক্সিজেন এক্সপ্ৰেছ ৰে'লৰ পৰিবহণ কৰিছে। এই পৰ্যন্ত চাৰিখন অক্সিজেন এক্সপ্ৰেছ ৰে'লে অসমৰ বাবে ৩২০ মেট্ৰিক টন এলএমঅ' যোগান ধৰিছে। ৩১ মে' তাৰিখে ঝাৰখণ্ডৰ টাটানগৰৰ পৰা ৪ খন কন্টেইনাৰত ৮০ মেট্ৰিকটন এলএমঅ' লোড কৰা চতুৰ্থখন অক্সিজেন এক্সপ্ৰেছ ৰে'ল ১ জুন তাৰিখে নিজ গন্তব্যস্থান অসমৰ আমিনগাঁওস্থিত ইনলেণ্ড কন্টেইনাৰ ডিপোত আহি উপস্থিত হয়। এই জীৱন-দায়িনী কনচাইন্টমেন্টৰ সুৰক্ষিত আৰু দ্ৰুত সৰবৰাহৰ বাবে উঃ পূঃ সীমান্ত ৰে'লৱেই এক গ্ৰীণ কৰিডৰৰ সৃষ্টি কৰে। ইতিমধ্যে অসমৰ বাবে তিনিখন অক্সিজেন এক্সপ্ৰেছ ৰে'লে ২৪০ মেট্ৰিক টন এলএমঅ' প্ৰদান কৰিছে যিসমূহ বিগত ২৩, ২৬ আৰু ২৯ মে'ত আমিনগাঁওস্থিত ইনলেণ্ড কন্টেইনাৰ ডিপোত অফলোড কৰা হয় আৰু ইয়াৰ দ্বাৰা ৰাজ্যখনলৈ সকাহ কঢ়িয়াই আনে। সমস্ত প্ৰতিবন্ধকতা অতিক্ৰম কৰি আৰু নতুন সমাধান সূত্ৰ উলিয়াই ভাৰতীয় ৰে'লৱেই সমগ্ৰ দেশৰ বিভিন্ন ৰাজ্যলৈ তৰল মেডিকেল অক্সিজেন (এলএমঅ') সৰবৰাহ কৰি সেইসমূহ ৰাজ্যলৈ সকাহ কঢ়িয়াই অনাৰ যাত্ৰা অব্যাহত ৰাখিছে। এই পৰ্যন্ত ভাৰতীয় ৰে'লৱেই সমগ্ৰ দেশৰ বিভিন্ন ৰাজ্যলৈ ১৩৫৭ খনতকৈয়ো অধিক টেংকাৰত ২২৯১৬ মেট্ৰিক টনতকৈয়ো অধিক এলএমঅ' যোগান ধৰিছে। উল্লেখ কৰিব পাৰি যে এতিয়ালৈকে ৩৩৪খন অক্সিজেন এক্সপ্ৰেছ ৰে'লে নিজৰ যাত্ৰা সম্পূৰ্ণ কৰাৰ লগতে দেশৰ বিভিন্ন ৰাজ্যলৈ সকাহ প্ৰদান কৰিছে। এই অক্সিজেন এক্সপ্ৰেছ ৰে'লসমূহে ১৫ খন ৰাজ্যলৈ যেনে— উত্তৰাখণ্ড, কৰ্ণাটক, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, ৰাজস্থান, তামিলনাড়ু, হাৰিয়ানা, তেলেঙ্গানা, পঞ্জাৱ, কেৰালা, দিল্লী, উত্তৰ প্ৰদেশ, ঝাৰখণ্ড আৰু অসমৰ বাবে অক্সিজেনৰ সকাহ কঢ়িয়াই আনিছে। অক্সিজেনৰ যোগানৰ স্থানসমূহৰ সৈতে ভাৰতীয় ৰে'লৱেই বিভিন্ন ৰেলমাৰ্গ স্থিৰ কৰি উলিয়াইছে আৰু ৰাজ্যসমূহৰ যিকোনো জৰুৰী আৱশ্যকতাৰ বাবে সাজু হৈ আছে। অধিক কম সময়ৰ ভিতৰত ৰাজ্যসমূহলৈ অক্সিজেনৰ সকাহ উপলব্ধ কৰাটো নিশ্চিত কৰাৰ বাবে এই অক্সিজেন এক্সপ্ৰেছ ৰেলসমূহ চলাবৰ বাবে ৰেলৱেই এক নতুন মানদণ্ড আৰু এক অভূতপূৰ্ব উচ্চস্তৰৰ মাপকাঠি প্ৰস্তুত কৰি উলিয়াইছে। এইসমূহ গুৰুত্বপূৰ্ণ মালবাহী ৰেলৰ দীৰ্ঘ দূৰত্বৰ যাত্ৰাৰ ক্ষেত্ৰত গড় গতিবেগ ৫৫ তকৈয়ো অধিক। উচ্চ অগ্ৰাধিকাৰ সম্পন্ন গ্ৰীণ কৰিড'ৰেৰে জৰুৰী অৱস্থাৰ পৰিপ্ৰেক্ষিতত এই ৰে'লসমূহ চলাচল কৰাবৰ বাবে বিভিন্ন ৰে'লৰে সংমণ্ডলৰ পৰিচালন টীমসমূহে যথাসম্ভৱ কম সময়সীমাৰ ভিতৰত দ্ৰুতগতিৰে অক্সিজেন প্ৰাপ্ত কৰাটো নিশ্চিত কৰিবৰ বাবে অতি কঠিন প্ৰত্যাহ্বানজনক পৰিস্থিতিৰ মাজতো দিনে নিশাই সেৱা আগবঢ়াই আছে। বিভিন্ন ৰে'ল খণ্ডত ৰে'ল চালকৰ পৰিৱৰ্তনৰ বাবে টেকনিকেল ষ্টপেজ হ্ৰাস কৰি ১ মিনিট কৰা হৈছে।

## এতিয়া খেতিৰ বতৰ, আহৰি

মেলি প্ৰকৃতিয়ে বৰষুণৰ পানীৰে ওপচাই পেলাইছে। সেয়েহে এতিয়া ৰ'বলৈ যেন আহৰি নাইকিয়া হৈছে কৃষকসকলৰ। কাহিলি পুৱাৰ পৰাই সূৰ্যাস্তৰ পৰলৈ খেতিপথাৰতেই তেওঁলোকে কটাইছে অধিক সময়। আকাশলৈ মূৰ দোৱাই তেওঁলোক এতিয়া ব্যস্ত হৈছে জীৱনৰ নানানটা সপোন ৰচাত। উল্লেখ্য যে, এই হেন খেতিৰ বতৰত পূৰ্বতে কৃষকসকলৰ মূল লগৰী আছিল হালৰ গৰুহাল। অন্ততঃ জেঠ, আষাৰ মাহৰ ভিতৰত যাতে কৃষকৰ গৰুহাল নৰিয়াপাটীত নপৰে তাৰ স্বাৰ্থতেই কৃষকসকলে নামঘৰত গৰখীয়া সেৱা পাতি আশিস লৈছিল। খোৱা-বোৱাৰ পৰা থকালৈকে গৰুহালৰ বিশেষ যতন লোৱা হৈছিল। এই সময়তেই গোহালিৰ এই গৰুহালেই একোটা কৃষক পৰিয়ালক মৰ্যাদাৰ আসনত থিয় কৰাইছিল। তিনিহাল-চাৰিহাল পৰ্যন্ত গৰুৰে যাৰ গোহালি শুৱনি কৰিছিল, সেই পৰিয়ালৰ মুৰব্বীজনে এক বিস্তৃত এলেকাত মহাজন নামে সম্বোধিত হৈছিল। তিনিহাল-চাৰিহাল গৰুৰে একেদিনাই কিমান পুৰা মাটি চহালে তাৰ এক বিস্তৃত বিৱৰণ সমনীয়াৰ আগত দাঙি ধৰি এই মহাজনসকলে আকৌ আত্মগৌৰৱ কৰিছিল। আনহাতে, হালৰ গৰুহালৰ পুৱাৰ ডিঙিৰ টিলিঙা বজাৰ শব্দ শুনিয়েই চুবুৰিৰ বোৱাৰী-জীয়ৰীয়ে শোৱাপাটী এৰিছিল। ঠিকদৰে গৰুহালৰ উভতনি যাত্ৰাৰ উমান লৈয়েই চুবুৰিৰ বোৱাৰী-জীয়ৰীয়ে সন্ধিয়াৰ চোতাল সাৰিছিল। গোহালিৰ গৰুহালক গৃহলক্ষ্মী জ্ঞান কৰিয়েই গিৰিহঁতে নিতৌ গধূলি গোহালিত ধূপ-ধূনা দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু, সম্প্ৰতি সময়-পৰিৱেশ সকলো সলনি হ'ল। পৰিৱৰ্তনৰ এই পৰিৱেশক স্বীকাৰ কৰিয়েই পূৰ্বৰ পৰিস্থিতিৰ ক্ষেত্ৰত আহি পৰিছে বহুখিনি পাৰ্থক্য। বৰ্তমান পূৰ্বৰ খেতিৰ বতৰত অতিকৈ প্ৰয়োজনীয় হালৰ গৰুহাল এতিয়া যেন এলাগি হোৱাৰ দিশে ধাৱমান হ'বলৈ ধৰিছে। বিভিন্ন কাৰকৰ পৰিপ্ৰেক্ষিতেই সম্প্ৰতি এলাগি হ'বলৈ ধৰিছে হালৰ গৰুহাল। বৰ্তমান সময়ত অস্বাভাৱিকভাৱে বৃদ্ধি পোৱা বলধ গৰুৰ দামে কৃষকৰ উৎসাহ দুগুণে স্তিমিত কৰিছে কৃষকৰ মৰমৰ গৰুহালৰ প্ৰতি । স্মৰ্তব্য যে, বৰ্তমান সময়ত জিলাখনৰ প্ৰতিখন ডাঙৰ বজাৰতে এহাল বলধ গৰু অতি কমকৈ হ'লেও ৮০-৯০ হাজাৰ বা তাতোকৈ অধিক টকা পৰ্যন্ত বজাৰত বিক্ৰী হয় এহাল বলধ গৰু। গতিকে একোজন চহা কৃষকৰ বাবে বজাৰৰ পৰা এহাল বলধ ৮০-৯০ হাজাৰ বা ১ লাখতকৈ অধিক মূল্য দি ক্ৰয় কৰাটো প্ৰায় অসম্ভৱ হৈ পৰিছে । সেয়েহে এতিয়া কৃষকৰ পথাৰত বলধ গৰুহালৰ স্থানত বৰ্তমান অধিকাৰ কৰিছে ট্ৰেক্টৰ, পাৱাৰটিলাৰ আদিয়ে। পূৰ্বতে এহাল বলধ গৰুৰে এদিনত অতিকমেও পাঁচ বিঘা মাটি চাহ কৰি খেতিৰ উপযোগী কৰি তুলিব পাৰিছিল। কিন্তু, এতিয়া এখন ট্ৰেক্টৰ বা পাৱাৰ টিলাৰে এহাল বলধৰ তুলনাত দিনটোত প্ৰায় ২০-২৫ বিঘা মাটি চাহ কৰিব পৰা হ'ল আৰু অতি কম সময়তে। ঠিক সেইদৰে, ট্ৰেক্টৰ বা পাৱাৰটিলাৰখন আনক ভাৰালৈ দিও প্ৰতিদিনে বা সপ্তাহত গৰাকীয়ে এক সীমিত পৰিমাণৰ ধনো উপাৰ্জন কৰিব পৰা পথ মুকলি হ'ল । কোনো কোনো গৰাকীয়ে আকৌ বৰ্তমান খেতিৰ বতৰত ট্ৰেক্টৰ বা পাৱাৰটিলাৰখনে নিজৰ লগতে আনৰ মাটিখিনি চাহ কৰাৰ পাছত বছৰৰ বাকীখিনি সময়ত ইটা ভাতা বা বিভিন্ন ব্যৱসায়ৰ কামত ভাৰা দিয়াৰ সুব্যৱস্থা কৰি ল'ব পাৰিছে। যাৰ পৰা প্ৰতি মাহে এক বুজন পৰিমাণৰ ধনো উপাৰ্জন কৰিব পৰা হ'ল গৰাকীয়ে। কিন্তু, পূৰ্বতে ঘৰৰ বলধ হালেৰে ইমান টকা উপাৰ্জন কৰিব পৰা নাছিল গৰাকীয়ে। সেই বাবে সম্প্ৰতি খেতিপথাৰত কৃষকৰ লগৰী হৈ পৰিছে এই ট্ৰেক্টৰ-পাৱাৰ টিলাৰসমূহ । জেঠমহীয়া এই ব্যস্ততাপূৰ্ণ সময়ত সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰ খেতিপথাৰসমূহত সম্প্ৰতি ট্ৰেক্টৰ-পাৱাৰটিলাৰসমূহৰ হৰ হৰ শব্দই ছানি ধৰিছে। বিশেষকৈ জিলাখনৰ বেবেজীয়া, জামুগুৰি, চমুৱাগাঁও, ডিমৌ, ফুলগুৰি, ৰহা, শেতালি, হাতীচোং, কাছমাৰী, চকলাঘাট, বৰডুবিয়া, আইভেটি, নসত্ৰ, ক'ৰচোং, ৰাইদঙীয়া, জাজৰি, মাজগাঁও, ডুমডুমীয়া, বালিসত্ৰ, বটদ্ৰৱা, কুঁজিসত্ৰ, বৰচিলা, শিলপুখুৰী, জাগিয়াল, কপাহেৰা, ৰহধলা, ভালুকমাৰী, কাকমাৰী, বৰক'লা, দক্ষিণপাট, ননৈ, পাথৰি, অৰ্জুনতল, তুলসীমুখ, ডাকৰঘাট, ঘাঁহী, বৰজহা, পেটবহা, জাগীয়াল, গটঙা, পলাশনিৰ লগতে চহৰৰ দাঁতিকাষৰীয়া অঞ্চলসমূহ যেনে-ডিফলু, ম'হখুলি, মাজৰআটী, মৰিকলং-বৰঘাট, শিয়ালেখোৱা, তেলিয়াগাঁও, ডিমৰুগুৰি-পহুকটা, চেঁচামুখ, উৰিয়াগাঁও, ৰঙাগৰা-হুজত ট্ৰেক্টৰ-পাৱাৰটিলাৰৰ ব্যৱহাৰ অধিক হাৰত দেখিবলৈ পোৱা গৈছে। এইক্ষেত্ৰত ৰাজ্য চৰকাৰে কৃষি বিভাগৰ জৰিয়তে বিভিন্ন ৰাজসাহায্যৰে গ্ৰামাঞ্চলৰ প্ৰতিখন গাঁৱৰ একোটা আত্মসহায়ক গোটৰ যোগেদি ট্ৰেক্টৰ বিতৰণ কৰিছে । লগতে বহু ৰাষ্ট্ৰীয়কৃত বেংকেও কৃষকসকলৰ সুবিধাৰ বাবে অতি সহজতে আজি একোখন ট্ৰেক্টৰ-পাৱাৰটিলাৰ কম সময়ৰ ভিতৰতে পোৱাৰ বাবে ব্যৱস্থা কৰি আহিছে । যাৰ ফলত এতিয়া খেতিপথাৰত কৃষকৰ আপোন হালৰ গৰুহাল নোহোৱা হৈ পৰিছে। সেইদৰে খেতিপথাৰত হালোৱাই বলধ হালৰ পিঠিত এচাৰিৰে কোব দিয়াৰ পিছত কৃষক ৰাইজৰ মুখত সততে শুনিবলৈ পোৱা ঘূৰ-ঘূৰ, হেই হেই, যা-যাৰ শব্দবোৰ। এদিন সঁচাকৈয়ে নাইকিয়া হৈ যাব নেকি আমাৰ কৃষক সমাজৰ মাজৰ পৰা বৰ্তমান খেতিৰ বতৰত অতিকৈ মৰমৰ প্ৰয়োজনীয় হালৰ বলধ গৰুহাল ? সৰ্বত্ৰ ই এতিয়া এক ডাঙৰ প্ৰশ্ন হৈ দেখা দিছে।

## নগাঁৱত আৰক্ষীৰ বাহনতে

৪ জনীয়া চোৰৰ দল ৰৈ থকাৰ খবৰ পাই গাঁওৰক্ষী বাহিনীয়ে আৰক্ষীক খবৰ দিয়ে। গাঁওৰক্ষী বাহিনীৰ খবৰৰ ভিত্তিত মৰিকলং আৰক্ষী চকীৰ অঞ্জুশ্ৰী কলিতাৰ নেতৃত্বত যোৱা এটি আৰক্ষীৰ দলৰ সহযোগত চোৰকেইটাক আটক কৰাৰ চেষ্টা চলাই যদিও ইয়াৰে ৩টা চোৰে পলায়ন কৰে। পিছত ৪জনীয়া চোৰৰ দলটোৰ পৰা আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীয়ে খেদি খেদি আটক কৰে মহম্মদ ৰাকিল ভূঞা নামৰ চোৰটোক। আৰক্ষীয়ে ৰাকিলৰ পৰা উদ্ধাৰ কৰে নামঘৰৰ পৰা চুৰি হোৱা বহু সামগ্ৰীৰ লগতে কেমেৰা, লেপটপ, সোণৰ অলংকাৰ, ইনভাৰ্টাৰ, বেটেৰী, ২খন ডেগাৰকে ধৰি যথেষ্ট সামগ্ৰী। ইপিনে আৰক্ষীয়ে ধৃত ৰাকিলক আটক কৰি আৰক্ষীৰ বাহনত উঠোৱাৰ পিছতে ড্ৰাগছ বিচাৰি ৰাকিলে এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে। ৰাকিলে আনকি এখন কেচিৰে নিজৰ ডিঙিত আঘাত কৰি আত্মহত্যাৰো চেষ্টা কৰে। ইয়াৰ পিছতে মৰিকলং আৰক্ষীৰ ভাৰপ্ৰাপ্ত বিষয়া অঞ্জুশ্ৰী কলিতাই ৰাকিলৰ হাতৰ পৰা কেচিখন কাঢ়ি লৈ ৰাকিলৰ প্ৰাণৰক্ষা কৰে। ৰাকিলৰ অপ্ৰকৃতস্থ ব্যৱহাৰৰ পৰা আৰক্ষী নিশ্চিত হয় যে ৰাকিল এটা ড্ৰাগছ আসক্ত আৰু কেৱল ড্ৰাগছৰ বাবেই চুৰি-ডকাইতি আদি অপৰাধজনিত কাৰ্যকলাপৰ সৈতে জড়িত হৈ পৰিছিল। বৰ্তমান আৰক্ষীয়ে ৰাকিলৰ সৈতে থকা আন ৩টা চোৰৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে। কিন্তু ড্ৰাগছৰ বাবেই যে বৰ্তমান নগাঁৱৰ যুৱ-প্ৰজন্ম বহু অপৰাধজনিত কাৰ্যকলাপৰ সৈতে জড়িত হৈ পৰিছে সেয়া আজিৰ ঘটনাৰ পৰা পুনৰ প্ৰমাণ হৈ পৰিছে।

## যোগ্য সকলো ছাত্ৰীয়ে স্কুটী

ড° বাণীকান্ত কাকতি স্কুটী বিতৰণ আঁচনিৰ অধীনত ২০১৮ আৰু ২০১৯ বৰ্ষত শিক্ষা বিভাগে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰী হিতাধিকাৰীৰ এখন তালিকা প্ৰকাশ কৰিছিল যদিও তালিকাখন বিসংগতিপূৰ্ণ আছিল। কিয়নো ২০১৯ বৰ্ষৰ কলা শাখাৰ প্ৰায় ৬৩-৬৪ শতাংশ নম্বৰপ্ৰাপ্ত ছাত্ৰীসকলৰ নাম তালিকাখনত অন্তৰ্ভুক্ত কৰিছিল যদিও ইয়াৰ বিপৰীতে বিজ্ঞান শাখাৰ ৭৬ শতাংশ আৰু বাণিজ্য শাখাৰ ৭৯ শতাংশ নম্বৰপ্ৰাপ্ত ছাত্ৰীসকলৰ নাম অন্তৰ্ভুক্ত হোৱা নাছিল। আনকি কলা শাখাৰ ৮০ শতাংশ বা ততোধিক নম্বৰপ্ৰাপ্ত বহু ছাত্ৰীৰ নাম তালিকাত অন্তৰ্ভুক্ত হোৱা নাছিল। যিটো অতি পৰিতাপৰ বিষয়। মুঠৰ ওপৰত হিতাধিকাৰী ছাত্ৰীৰ তালিকা প্ৰস্তুত কৰোঁতে যথেষ্ট গাফিলতি কৰিছে। বিষয়টো আমি তদানীন্তন শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ই-মেইল আৰু ৱাটছ্এপৰ জৰিয়তে অৱগত কৰিছিলো যদিও কোনো সঁহাৰি নাপালো। ফলত স্কুটী বঞ্চিত ছাত্ৰীসকল মানসিকভাৱে ভাগি পৰিছিল। বাধ্য হৈ আমি স্কুটী বঞ্চিত ছাত্ৰীসকলে ১৭ ফেব্ৰুৱাৰীত জি এম চি এইচৰ চৌহদত স্কুটী বিতৰণ উদ্বোধনী অনুষ্ঠানৰ দিনাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিলো। শিক্ষামন্ত্ৰী ড° শৰ্মাই সেইদিনাই ঘোষণা কৰিছিল যে, কলা শাখাৰ ৮০ শতাংশ, বিজ্ঞান শাখাৰ ১৫ শতাংশ আৰু বাণিজ্য শাখাৰ ৫ শতাংশ ছাত্ৰীক স্কুটী বিতৰণ কৰা হৈছে। কিন্তু তদানীন্তন শিক্ষামন্ত্ৰীগৰাকীৰ এই বক্তব্য মানি ল'ব নোৱাৰি। কিয়নো তদানীন্তন শিক্ষামন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰিছিল যে, মেধাৰ ভিত্তিত ২০১৮ বৰ্ষত প্ৰথম ৫০০০ আৰু ২০১৯ বৰ্ষত প্ৰথম ১০,০০০গৰাকী ছাত্ৰীক স্কুটী প্ৰদান কৰিব। কিন্তু ইয়াৰ পিছতো স্কুটী বিতৰণৰ বেলিকা মেধাৰ ভিত্তিত নহয় কিদৰে শাখা ভিত্তিত প্ৰস্তুত কৰা হ'ল বুলি স্কুটী বঞ্চিত ছাত্ৰী সন্থাই চৰকাৰৰ শিক্ষা বিভাগক প্ৰশ্ন কৰে। তদানীন্তন শিক্ষামন্ত্ৰী ড° শৰ্মাই এইটো কৈছিল যে যোগ্য বঞ্চিত ছাত্ৰীয়ে স্কুটীৰ বাবে আৱেদন কৰিব পাৰিব। কিন্তু কোনবোৰ ছাত্ৰী যোগ্য আৰু কোনবোৰ ছাত্ৰী অযোগ্য তাক স্পষ্ট কৰাটো দুৰ্ভাগ্যজনক বিষয়। স্কুটী বঞ্চিত ছাত্ৰীসকলে অসমৰ ভিন্ন প্ৰান্তৰ পৰা ২০০০-৩০০০ হাজাৰ পৰ্যন্ত টকা খৰচ কৰি আৱেদন কৰিবলৈ গুৱাহাটীলৈ আহিল। কিন্তু উক্ত আৱেদনৰ কোনো ফল নধৰাত ছাত্ৰীসকল ক্ষোভিত হৈ পৰা বুলি বিবৃতিটোত উল্লেখ কৰিছে । ছাত্ৰীসকলে নতুন শিক্ষামন্ত্ৰীক বিষটোৰ ওপৰত চোকা নজৰ ৰখাৰ লগতে যোগ্য কোনগৰাকী ছাত্ৰী বঞ্চিত প্ৰাৰ্থী তাৰ স্পষ্ট নিৰ্দেশনা জাৰি কৰিবলৈ স্কুটী বঞ্চিত ছাত্ৰী সন্থাৰ ফালৰ পৰা দাবী জনাইছে । স্কুটী বঞ্চিত ছাত্ৰী সন্থাই ২০১৮-১৯ বৰ্ষত প্ৰথম বিভাগত উত্তীৰ্ণ সকলো ছাত্ৰীকে স্কুটী প্ৰদান কৰিবলৈ দাবী জনোৱাৰ লগতে এখন শুদ্ধ, নিকা তালিকা প্ৰস্তুত কৰি স্কুটী বিতৰণ কৰিবলৈ শিক্ষা বিভাগক দাবী জনাইছে। অন্যথা স্কুটী বঞ্চিত ছাত্ৰী সন্থাই শ্ৰেণী কোঠা এৰি প্ৰাপ্য স্কুটীৰ দাবীত ৰাজপথলৈ ওলাই আহিব বুলিও চৰকাৰক সকীয়াই দিয়ে।

## লখিমপুৰ চিকিৎসা

মানৱ ডেকা সহিতে চিকিৎসা মহাবিদ্যালয়খন পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লোৱাৰ উপৰি মহাবিদ্যালয় চৌহদত নতুনকৈ নিৰ্মাণ সম্পূৰ্ণ কৰা ভাইৰ'লজী লেবৰেটৰীটো উদ্বোধন কৰে। চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষ, জিলা স্বাস্থ্য বিভাগৰ মুৰব্বী বিষয়া আৰু কৰ্মচাৰীসকলৰ উপস্থিতিত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সাংবাদিকক জানিবলৈ দিয়া মতে উক্ত পৰীক্ষাগাৰত নিতৌ ৫০০ পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। কৰ'না ভাইৰাছৰ সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ অসমৰ এই জিলাখনত এই পৰীক্ষাগাৰে কৰ'না মহামাৰীত বিশেষ সহায়ক হ'ব বুলি জনায়। আনহাতে, ক'ভিড প্ৰট'কল শিখিল কেতিয়া হ'ব বুলি সাংবাদিকে কৰা প্ৰশ্নৰ উত্তৰত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কয় যে সেয়া নিৰ্ভৰ কৰিব ৰোগটো কিমান নিয়ন্ত্ৰণ হৈছে তাৰ ওপৰত। তদুপৰি ভেকচিন সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে কয় যে এই পৰ্যন্ত ৰাজ্যত ভেকচিন পৰ্যাপ্ত নাই যদিও অচিৰেই ভেকচিন সকলোৰে বাবে উপলব্ধ হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে ভেকচিনৰ বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ বিষয় যদিও ভেকচিন ক্ৰয়ৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা পুঁজি জমা দিয়া হৈছে। ইফালে চিকিৎসা মহাবিদ্যালয়খনৰ অগ্ৰগতি সম্পৰ্কত আৰু পাঠ্যক্ৰম আৰম্ভ সন্দৰ্ভত কয় যে মেডিকেল কাউন্সিলৰ অনুমতি পালেই চলিত বৰ্ষতেই পাঠদান আৰম্ভ কৰিব পৰা যাব বুলিও জনায়। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, লখিমপুৰৰ বিধায়ক মানৱ ডেকা, জিলা উপায়ুক্ত সুমিত সত্তৱান, আৰক্ষী অধীক্ষক, জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, অতিৰিক্ত উপায়ুক্ত, চক্ৰ বিষয়া, চিকিৎসা বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ বিষয়াৰ লগতে ক'ভিড-১৯ৰ সৈতে জড়িত বিভাগৰ বিষয়াসকলৰ লগত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। উক্ত সভাত চিকিৎসা মহাবিদ্যালয়খনৰ অধীক্ষগৰাকীয়ে বৰ্তমান মহাবিদ্যালয়খনে চিকিৎসা প্ৰদান কৰাৰ ক্ষেত্ৰত সন্মুখীন হৈ থকা অসুবিধাসমূহ মন্ত্ৰীগৰাকীক অৱগত কৰে। বৰ্তমান ক'ভিড ৰোগীৰ বাবে মাত্ৰ ৬খন আই চি ইউ বেড থকা মহাবিদ্যালয়খনত অহা ১৫ দিনৰ ভিতৰত ২০খন আই চি ইউ বিছনাৰ লগতে ৪০খন অক্সিজেন চিলিণ্ডাৰযুক্ত বিছনা সংযোজন কৰিবলৈ সংশ্লিষ্ট ঠিকাদাৰগৰাকীক নিৰ্দেশ দিয়াৰ লগতে অহা এমাহৰ ভিতৰত মহাবিদ্যালয় ৩০০খন বিছনাযুক্ত চিকিৎসালয়লৈ উন্নীত কৰাৰ পোষকতা কৰে। স্বাস্থ্যমন্ত্ৰীগৰাকীৰ উপৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, বিভাগটোৰ উপ-সচিব কমলজিৎ তালুকদাৰ আৰু চিকিৎসা শিক্ষা সঞ্চালক ডাঃ অনুপ বৰ্মনে সংগ দিয়ে।

## যি কাম কৰো সেয়া স্থায়ী

কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। এই আঁচনিৰ কাম পৰিদৰ্শন তথা বুজ লোৱাৰ উদ্দেশ্যৰে আজি ৰাজ্যৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই পলাশবাৰী সমষ্টিত উপস্থিত হৈ এইদৰে মন্তব্য কৰে। প্ৰথমে পলাশবাৰীৰ কালভোগ নদীৰ ওপৰত ব্ৰহ্মপুত্ৰ ইনফ্ৰাষ্টাকচাৰ প্ৰাইভেট লিমিটেড কোম্পানীয়ে ৪.৫ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা শ্লুইচ গে'ট পৰিদৰ্শন কৰি বুজ লয়। লগতে নদীবান্ধৰ কামত ব্যৱহৃত জিঅ' বেগ তথা ব'ল্ডাৰ কেজিং আৰু পিটচিং সন্দৰ্ভত বুজ লৈ ব'ল্ডাৰৰ ওপৰত চিমেণ্টৰ প্ৰলেপ দিলে কিমান খৰচ হয় সেই সন্দৰ্ভত বিষয়াসকলক অৱগত কৰিবলৈ জনায়। ইয়াৰ পিছতে সংবাদ মাধ্যমত মন্ত্ৰী হাজৰিকাই অভিজ্ঞতা সঞ্চয়ৰ বাবে পলাশবাৰীত উপস্থিত হোৱা বুলি মন্তব্য কৰি যি কাম কৰে সেয়া তেওঁৰ দিনত স্থায়ী কাম হ'ব লাগিব বুলি মন্তব্য কৰে। খহনীয়া প্ৰতিৰোধৰ স্থায়ী কাম বাৰিষাৰ সময়ছোৱাত কৰিবলৈ দি বিষয়া-আমোলাক লুণ্ঠন চলোৱাৰ সুবিধা নিদিয়ে বুলিও হুংকাৰ দিয়ে মন্ত্ৰীগৰাকীয়ে। লগতে ৪.৫ কোটি টকাৰে নিৰ্মাণ হোৱা পলাশবাৰী কালভোগ নদীৰ ওপৰত নিৰ্মাণ হোৱা শ্লুইচ গে'টত অনিয়ম তথা ৰেলিং সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত যদি কিবা বিসংগতি হৈছে নিশ্চয় বিভাগীয়ভাৱে বিষয় সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিব বুলি মন্তব্য কৰে মন্ত্ৰীগৰাকীয়ে। ইয়াৰ পিছতে দখলালৈ গৈ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰি বুজ লয়। আনহাতে, ছয়গাঁও আৰু পলাশবাৰী সমষ্টিৰ সীমামূৰীয়া অঞ্চল আমবাৰীত কিছুদিনৰে পৰা মহাবাহু ব্ৰহ্মপুত্ৰই তীব্ৰ কালৰূপ ধাৰণ কৰা অঞ্চলত গৈ মন্ত্ৰী পীযুষ হাজৰিকাই পৰিদৰ্শন কৰি বুজ লয়। ইতিমধ্যে খহনীয়া প্ৰতিৰোধৰ বাবে উক্ত অঞ্চলটোত প্ৰায় তিনি কোটি টকা ব্যয় সাপেক্ষে জিঅ' বেগ পেলাই থকা হৈছে। দুয়োটা সমষ্টিৰ বিধায়ক দুগৰাকীক লগত লৈ উক্ত অঞ্চলটোৰ কেইবাদিনো ধৰি সৃষ্টি হৈ থকা খহনীয়া কিদৰে তাৎক্ষণিকভাৱে প্ৰতিৰোধ কৰিব পাৰি সেই সন্দৰ্ভত আলোচনা কৰে। নদীবান্ধ পৰিদৰ্শনৰ সময়ছোৱাত মন্ত্ৰীগৰাকীৰ সৈতে সংগ দিয়ে কামৰূপ জিলা উপায়ুক্ত কৈলাস কাৰ্তিক এন, অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মুখ্য অভিযন্তা বৰচিং ৰংপি, জলসম্পদ বিভাগৰ পলাশবাৰী-গুমী প্ৰকল্পৰ কাৰ্যবাহী অধীক্ষক অভিযন্তা আব্দুল মহিম মজুমদাৰ, পলাশবাৰী টাউন প্ৰটেক্চনৰ অধীক্ষক অভিযন্তা প্ৰণৱ দাস, পলাশবাৰী-গুমী মথাউৰি প্ৰকল্পৰ কাৰ্যবাহী অভিযন্তা প্ৰণৱ বৰা, সহকাৰী অভিযন্তা প্ৰদীপ মেধী, দীপাংকৰ ৰয়, জামাল, দীপক তালুকদাৰ, কুলেন দাস, কনিষ্ঠ অভিযন্তা বিভূতি শ্যামন্ত, পলাশবাৰী আৰু ছয়গাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ধৃতিস্মন দাস, জয়ন্ত বৰাকে ধৰি বহুকেইজন বিভাগীয় বিষয়া উপস্থিত থাকে। অৱশ্যে শেহতীয়াভাৱে প্ৰতিৰোধী আঁচনি ৰূপায়ণেৰে নৈপৰীয়াবাসীয়ে সুফল লাভ কৰিব বুলি আশা কৰিছিল যদিও বিষয়া-আমোলাৰ বিয়াগোম দুৰ্নীতিৰ বাবেই আঁচনিৰ সফল ৰূপায়ণ নোহোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছে। জলসম্পদ বিভাগৰ দায়িত্ব লৈয়ে পীযূষ হাজৰিকাই যি ধৰণৰ তৎপৰতা দেখুৱাইছে সেই তৎপৰতাৰে খহনীয়া প্ৰতিৰোধী কামসমূহ কৰিলে নিশ্চিতভাৱে যথেষ্ট খহনীয়া প্ৰতিৰোধ হ'ব। অৱশ্যে এই তৎপৰতা কিমান দিনলৈ থাকে সেয়াহে লক্ষণীয় হ'ব। আনহাতে, আমবাৰীলৈ যোৱাৰ সময়ত মন্ত্ৰীগৰাকীৰ সৈতে ছয়গাঁৱৰ কংগ্ৰেছী বিধায়ক ৰেকিবুদ্দিন আহমেদে একেখন গাড়ীতেই গৈ উপস্থিত হৈ তৎপৰতা দেখুওৱা কাৰ্য ৰাজনৈতিক মহলত চৰ্চাৰ বিষয় হৈ পৰিছে।

## চিবিএছইৰ দ্বাদশ শ্ৰেণীৰ

ফলাফল প্ৰদান কৰা হ'ব। উল্লেখ্য যে আজি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেইবাজনো মন্ত্ৰী আৰু শিক্ষা বিভাগৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হৈছিল। মন্ত্ৰীসভাৰ সদস্য ৰাজনাথ সিং, প্ৰকাশ সিং জাভেদকাৰ, চিবিএছইৰ অধ্যক্ষ মনোজ আহুজা আৰু অন্যান্য শীৰ্ষ বিষয়া-বৰ্গই এই বৈঠকত উপস্থিত আছিল। দেশত কেইখনমান ৰাজ্যত ক'ভিড ভাইৰাছৰ সংক্ৰমণ হ্ৰাস পালেও সামগ্ৰিকভাৱে সমগ্ৰ দেশত এতিয়াও ক'ভিডৰ দ্বিতীয় জোৱাৰে সংক্ৰমণ আৰু মৃত্যুৰ পৰা দেশবাসীয়ে পৰিত্ৰাণ পোৱা নাই। ইয়াৰ মাজতে নিৰ্ধাৰিত পাঠ্যক্ৰম সম্পূৰ্ণ কৰা আৰু পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা কাৰ্য অতিশয় দূৰূহ হৈ পৰিছে। সেয়েহে চলিত বৰ্ষত দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষা অনুষ্ঠিত নহয় বুলি আজি সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ পূৰ্বে দশম শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাও বাতিল কৰা হৈছিল। অৱশ্যে অসমকে ধৰি ৰাজ্যিক ভিত্তিত পৰিচালিত দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাসমূহ সকলো ৰাজ্যই বাতিল কৰা নাই। কিয়নো নিজৰ পাঠ্যক্ৰমত চিবিএছইৰ দৰে আভ্যন্তৰীণ মূল্যায়নৰ ব্যৱস্থা সকলো ৰাজ্যৰ স্থানীয় ব'ৰ্ডৰ পাঠ্যক্ৰমত সন্নিৱিষ্ট হোৱা নাই। সেয়েহে চিবিএছইৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা বাতিল কৰাৰ সিদ্ধান্তৰ পিছত ৰাজ্যসমূহে এতিয়া নিজৰ নিজৰ ব'ৰ্ডৰ অধীনস্থ দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ্থীসকলৰ ক্ষেত্ৰত কি সিদ্ধান্ত গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয় বিষয়।

## মামা আপুনি আমাক সহায়

সন্মুখীন হৈ আহিছে। আৰ্থিকভাৱে দুৰ্বল হৈ পৰা পৰিয়ালটোক এইবাৰৰ হাফ লকডাউনে বাৰুকৈয়ে অসুবিধাত পেলাইছে। কলিয়াবৰৰ নিজ চিলাবন্ধা গাঁৱৰ এই দুই ভগ্নী মধ্য কলিয়াবৰ ছোৱালী হাইস্কুলৰ দুগৰাকী ছাত্ৰী। বিদ্যালয়খনৰ ষষ্ঠ শ্ৰেণীত পঢ়ে কনিষ্ঠ ভগ্নী লিপিকা দাসে। আনহাতেস নৱম শ্ৰেণীত পঢ়ে জ্যেষ্ঠ ভগ্নী জ্যোতিৰেখা দাসে। দুয়োগৰাকীয়ে ঘৰৰ সকলোৰে পৰা পঢ়া-শুনাৰ বাবে যথেষ্ট সহযোগিতা পাই আহিছে যদিও বৰ্তমান ক'ভিড পৰিস্থিতিৰ বাবে ঘৰতে থাকিবলগীয়া হোৱাত জ্যোতিৰেখাই পৰিয়ালটোৰ আৰ্থিক অনাটনৰ কথা উপলব্ধি কৰিয়েই নৱম শ্ৰেণীতে শিক্ষা সামৰাৰ কথা চিন্তা কৰিছে। উপায়ান্তৰ হৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সহায় বিচাৰি কৰযোৰে অনুৰোধ জনাইছে দুই ভগ্নীয়ে। দুই ভগ্নীৰ বৰদেউতাৰকৰ পৰিয়ালটোৱেও চৰকাৰী সুবিধা বা সহানুভূতিশীল ব্যক্তি বা অনুষ্ঠান-প্ৰতিষ্ঠানৰ সুদৃষ্টি কামনা কৰিছে। যাতে দুই ভগ্নীৰ পঢ়া-শুনাৰ লগতে যাৱতীয় প্ৰয়োজন পূৰণ হোৱাৰ লগতে ভৱিষ্যৎ সুৰক্ষিত হয়। এতিয়া মুখ্যমন্ত্ৰীক ড° হিমন্ত বিশ্ব শৰ্মা মামালৈ কৰযোৰে সহায় বিচাৰি পৰিয়ালটোক বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ জনোৱা দুই ভগ্নী জ্যোতিৰেখা আৰু লিপিকাৰ অনুৰোধ এতিয়া মুখ্যমন্ত্ৰী কৰ্ণগোচৰ হ'ব বুলি আশাবাদী পৰিয়ালটো। এতিয়া প্ৰশ্ন হৈছে, চৰকাৰী নেতা-পালিনেতাই গিজ-গিজাই থকা নিজ চিলাবন্ধা গাঁওখনৰ দুই ভগ্নীৰ নাম চৰকাৰী আঁচনিৰ হিতাধিকাৰীৰ তালিকাভুক্ত হয়নে নহয়? বৰ্তমানৰ সময়ছোৱাত অযোগ্য হিতাধিকাৰীৰ লৰা-ঢপৰাৰ সময়ত দুই ভগ্নীয়ে চৰকাৰৰ পৰা কি সহায় লাভ কৰে সি হ'ব লক্ষণীয়।



## 'অসমীয়া বিজেপি বাৰ্তা'ৰ ৫৪ সংখ্যক সংস্কৰণ উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুন ঃ** ভাৰতীয় জনতা পাৰ্টিৰ হেঙেৰাবাৰীস্থিত ৰাজ্যিক কাৰ্যালয়ত আজি অনুষ্ঠিত এটা অনুষ্ঠানত বিজেপি অসম প্ৰদেশৰ মাহেকীয়া মুখপাত্ৰ 'অসমীয়া বিজেপি বাৰ্তা'ৰ ৫৪ সংখ্যক সংস্কৰণ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে বিজেপি বাৰ্তা আলোচনীখনে ৫২ সংখ্যক সংস্কৰণৰ পৰাই ইউনেস্কই আগবঢ়োৱা আইএছএছএন নম্বৰ পাবলৈ সক্ষম হৈছে। দলৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত সাংসদ তথা ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই মুখপত্ৰখন উন্মোচন কৰে। অনুষ্ঠানত বক্তব্য ৰাখি ৰাজ্যিক সভাপতিগৰাকীয়ে ক'ভিড মহামাৰীৰ দুৰ্যোগৰ মাজতো আলোচনীখন নিৰ্ধাৰিত সময়ত প্ৰকাশ কৰি উলিওৱাৰ বাবে মুখপাত্ৰখনৰ সম্পাদক ড° দেৱদত্ত বৰকটকীকে আদি কৰি আন সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰে। ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াই কয় যে বিজেপিয়ে প্ৰতিষ্ঠা কালৰে পৰা সাহিত্য চৰ্চাৰ জৰিয়তে কাৰ্যকৰ্তাসকলৰ বুদ্ধিমত্তা তথা গুণগত বিকাশৰ দিশটোক অগ্ৰাধিকাৰ দি আহিছে। সাহিত্যই এটা জাতিৰ সত্তাক চহকী কৰে বুলি উল্লেখ কৰি তেওঁ এইক্ষেত্ৰত দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ আদৰ্শক সাৱোগত কৰি আগবাঢ়ি যাবলৈ সকলোকে আহ্বান জনায়। শ্ৰীশইকীয়াই কয় যে ৰাজ্যিক সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰাই ৰঞ্জিত কুমাৰ দাসে বিজেপি বাৰ্তা নিয়মীয়াকৈ প্ৰকাশিত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ বাবেই আজি আলোচনীখনে ৫৪ টা সংস্কৰণ সফলতাৰে সম্পূৰ্ণ কৰিবলৈ সক্ষম হ'ল। বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ চৰকাৰখনে দ্বিতীয়বাৰৰ বাবে শাসনৰ গাদীত অধিষ্ঠিত হোৱাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ বাবে সকলো কাৰ্যকৰ্তা আৰু সংবাদকৰ্মীসকলক তেওঁ ধন্যবাদ জ্ঞাপন কৰে। অসমৰ নতুন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসম ভাৰতৰ শীৰ্ষ পাঁচখন ৰাজ্যৰ অন্যতম ৰাজ্য হিচাপে গঢ় লৈ উঠিব বুলিও শইকীয়াই আশা প্ৰকাশ কৰে। দলৰ ৰাজ্যিক সম্পাদক কিশোৰ উপাধ্যায়ে আঁত ধৰা অনুষ্ঠানত দলৰ ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, বিজেপি বাৰ্তাৰ সম্পাদক ড° দেৱদত্ত বৰকটকীৰ লগতে ৰাজ্যিক বিষয়ববীয়া আৰু দলীয় কাৰ্যকৰ্তাসকল উপস্থিত আছিল।

### তেজপুৰৰ সদ্যোজাত শিশু ক্ৰয়কাণ্ড

## মাতৃ, আশা কৰ্মীসহ তিনিগৰাকীক ন্যায়িক জিম্মালৈ প্ৰেৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১ জুন ঃ** তেজপুৰত নৱজাতক বিক্ৰী কৰা অমানবীয় ঘটনাই লৈছে নতুন মোৰ। নিজ মাতৃয়েই আশা কৰ্মীৰ সহযোগত বিক্ৰী কৰিছিল গৰ্ভজাতক সন্তানক। সন্তানৰ পিতৃয়ে দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে আশা কৰ্মী টুটু বৰাক গ্ৰেপ্তাৰ কৰাৰ পিছত সন্তানটিৰ মাতৃ পুনম গুপ্তা সন্তান বিক্ৰীৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত থকাৰ সন্দেহ কৰা হয়। আৰক্ষীয়ে পুনম গুপ্তাক গ্ৰেপ্তাৰ কৰাৰ লগতে ক্ৰয় কৰা শিশুটিক তুলি লোৱা দেৱাশীস বৰঠাকুৰকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। তিনিওগৰাকী অভিযুক্তক আৰক্ষীয়ে আজি আদালতত হাজিৰ কৰোৱাৰ পিছত তেজপুৰ আদালতে ১৪ দিনৰ ন্যায়িক জিম্মালৈ তিনিওকে প্ৰেৰণ কৰিছে। ইফালে কণমানি শিশুটি শিশু সুৰক্ষা সমিতিৰ সহযোগত শিশু গৃহত ৰখাৰ ব্যৱস্থা কৰা হৈছে। উল্লেখ্য যে, সোমবাৰে শিশু সৰবৰাহৰ অভিযোগ তুলি ৰিকি কুৰ্মীয়ে তেওঁৰ সন্তান আশা কৰ্মীয়ে বিক্ৰী কৰা বুলি তেজপুৰ কছাৰীগাঁও আৰক্ষী চকীত এজাহাৰ দাখিল কৰিছিল। ইয়াৰ পিছতেই আৰক্ষীয়ে আশা কৰ্মীক আটক কৰে আৰু কিছু সময়ৰ পিছতেই নৱজাতকক তুলি লোৱা দেৱাশিস বৰঠাকুৰে শিশুটি মাতৃৰ হাতত অৰ্পণ কৰে। তেনে সময়তে ৰাইজে বৰঠাকুৰক জবাবদিহি কৰে আৰু আৰক্ষীক গটাই দিয়ে। ইফালে আৰক্ষীৰ অনুসন্ধানত ওলাই পৰে যে প্ৰকৃততে শিশুটিৰ মাতৃ পুনম গুপ্তাই ৩০ হাজাৰ টকাত আশা কৰ্মী টুটু বৰাৰ সহযোগত দেৱাশিস বৰঠাকুৰক বিক্ৰী কৰিছিল।

## 'মানুহে মানুহৰ বাবে' ৱাটছএপ গ্ৰুপৰ মাধ্যমেৰে দেখুৱাইছে সমাজৰ প্ৰতি থকা নৈতিক দায়িত্বৰ কথা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ১ জুন ঃ** 'মানুহে মানুহৰ বাবে যদিহে অকনো নাভাৱে, অকণি সহানুভূতিৰে ভাবিব কোনে কোৱা, সমনীয়া মানুহে মানুহৰ বাবে' শীৰ্ষক সুধাকণ্ঠৰ কালজয়ী গীতটোৱেই যেন বৰ্তমান কৰ'না মহামাৰীৰ সময়ত সাৰ্থকতা লাভ কৰিছে। শিৱসাগৰৰ এচাম অত্যুৎসাহী সমাজকৰ্মী নেতৃস্থানীয় যুৱকে যোৱা ২১ মে'ৰ দিনা শিৱসাগৰৰ বিভিন্ন শুভাকাংখী সকলক লৈ এটা ৱাটচআপ গ্ৰুপ খোলে। গ্ৰুপটোৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য আছিল কভিডত আক্ৰান্ত আত্ৰজনৰ কাষত তেওঁলোক তাৎক্ষণিকভাৱে উপস্থিত হৈ কেনেদৰে এমুঠি অন্ন আৰু যাৱতীয় সামগ্ৰী যোগাৰ ধৰি সকাহ দিব পাৰে সেইটো মূল উদ্দেশ্যৰে তেওঁলোকে আগবাঢ়ি আহিছে। মাত্ৰ পাঁচটা দিনৰ ব্যৱধানত 'মানুহে মানুহৰ বাবে' নামৰ ৱাটচআপ গ্ৰুপটোত বিভিন্ন শুভাকাংখীৰ পৰা অফুৰন্ত সহায় লাভ কৰিবলৈ সক্ষম হৈছে শিৱসাগৰৰ এই অত্যুৎসাহী আগৰণুৱা যুৱকসকলে। উল্লেখ কৰাৰ জিলাখনত ইতিমধ্যে শেহতীয়া কভিড পৰিস্থিতিত আক্ৰান্ত হৈ প্ৰায় ২০ জন লোকে মৃত্যুক আকোৱালী লোৱাৰ বিপৰীতে কালি পৰ্যন্ত ৩৮৯৪ গৰাকী আক্ৰান্ত হৈছে। ঠিক সেইদৰে স্বাস্থ্য বিভাগে প্ৰায় ৭০০ ৰো অধিক ব্যক্তি ঘৰ কণ্টেইমেণ্ট জ'ন ৰূপে চিহ্নিত কৰিছে। সেই সকল পৰিয়ালৰ লোকে নিজৰ অন্নমুঠি যোগাৰ কৰাৰ ক্ষেত্ৰত বিভিন্ন দিশত অসুবিধাৰ সন্মুখীন হোৱাৰ বাবে আজিৰে পৰা 'মানুহ মানুহৰ বাবে' নামৰ ৱাটচআপ গ্ৰুপটোৰ বিষ্ণু শইকীয়া, প্ৰশান্ত বৰগোঁহাই, অভিনৱ দত্ত, অপূৰ্ব গগৈ, তচিব খান, চাকিল আহমেদ, শৃংখল চলিহা, মিৰ্জা খান, জান্তি বৰুৱাৰ নেতৃত্বত নগৰ আৰু উপকণ্ঠ অঞ্চলত প্ৰায় শতাধিক পৰিয়ালৰ ঘৰত উপস্থিত হৈ তেওঁলোকে বিশুদ্ধ প্ৰক্ৰিয়াৰে ৰন্ধা খাদ্যৰ টোপোলা ঘৰে ঘৰে গৈ সামাজিক নীতি-নিয়ম মানি যোগান ধৰিছে। তদুপৰি তেওঁলোকে শিৱসাগৰ শিৱদ'লৰ সন্মুখত থকা এমুঠি অন্নৰ বাবে প্ৰতিদিনাই হাঁহাকাৰ লগোৱা খোজনীয়া ভিক্ষাৰীক খাদ্যৰ টোপোলা হাতে হাতে যোগান ধৰিছে। শিৱসাগৰৰ এই অত্যুৎসাহী সমাজদৰদী যুৱকসকলৰ মানৱদৰদী কৰ্মসূচীক শিৱসাগৰ সচেতন নাগৰিকে প্ৰশংসা কৰিছে।

## আমগুৰি দেওধাই গাঁৱত সাহায্য সামগ্ৰী বিতৰণ অগপৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১ জুন ঃ** আমগুৰি বিধানসভা সমষ্টিৰ বিধায়ক প্ৰদীপ হাজৰিকাৰৰ নিৰ্দেশত অসম গণ পৰিষদৰ ভাতৃ সংগঠন অসম যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক সুদৰ্শন হাজৰিকাৰ নেতৃত্বত অগপ আৰু বিজেপি দলৰ কৰ্মীসকলে আমগুৰি দেওধাই গাঁৱৰ কোৱাৰেণ্টাইন অঞ্চলত খাদ্য সামগ্ৰী বিতৰণ কৰাৰ লগতে গাঁৱৰ ৰাইজৰ মাজত ক'ভিড-১৯ সম্পৰ্কত সজাগতা সৃষ্টি কৰে। উল্লেখ্য যে উক্ত গাঁওখনত ক'ভিড ৰোগীৰ সংখ্যা চিন্তনীয়ভাৱে বৃদ্ধি পাইছে। ইতিমধ্যে গাঁওখনৰ ১৬জন লোক ক'ভিডত আক্ৰান্ত হৈছে। ইয়াৰে এজন লোক এই ৰোগত মৃত্যু হৈছে। গাঁওখনৰ ৰাইজে ইতিমধ্যে গণসংক্ৰমণৰ আশংকা কৰিছে। সেয়ে বিধায়ক প্ৰদীপ হাজৰিকাৰ নিৰ্দেশত মিত্ৰজোঁটৰ কৰ্মীসকলে আজি গাঁওখনৰ ৰাইজক ক'ভিড-১৯ৰ ভয়াৱহতাৰ ওপৰত সজাগতা সৃষ্টি কৰাৰ লগতে খাদ্য-সামগ্ৰী বিতৰণ কৰে। অগপ-বিজেপিৰ মিত্ৰজোঁটৰ দলটোৱে গাঁওখনৰ ৰাইজৰ মাজত শীঘ্ৰে ক'ভিড পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰিবলৈ আহ্বান জনায়।

### ৪১ বছৰীয়া ব্যক্তিৰ দেহত কুকুৰাৰ পৰা সোমাল এইচ-১০ এন-৩ ভাইৰাছ

# চীনত বাৰ্ড ফ্লু সোঁচৰিলে মানৱ দেহলৈ

**বেইজিং, ১ জুন ঃ** ভাইৰাছৰ সংক্ৰমণে বিশ্বজুৰি মানৱ সম্প্ৰদায়লৈ অস্তিত্বৰ ভাবুকি কঢ়িয়াই অনাৰ সময়তে চুবুৰীয়া ৰাষ্ট্ৰ চীনত কুকুৰা চৰাইৰ দেহৰ পৰা এটা নতুন ভাইৰাছ মানৱ দেহলৈ সংক্ৰমিত হোৱাৰ খবৰে সৃষ্টি কৰিছে নতুন আতংকৰ। দেশখনৰ স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি এই বিশেষ ভাইৰাছ মানৱ দেহলৈ সংক্ৰমিত হোৱা ঘটনা এইটোৱেই প্ৰথম



হিচাপে পৰিগণিত হৈছে। এই ভাইৰাছটোৰ সাংকেতিক নাম হ'ল এইচ-১০ এন-৩ আৰু যোৱা ২৮ মে' তাৰিখে এজন ৪১ বছৰ বয়সীয়া ব্যক্তিৰ দেহত এই ভাইৰাছৰ সংক্ৰমণ ধৰা পৰিছে। প্ৰাপ্ত তথ্য মতে চীনৰ জিয়াংচু প্ৰভিন্সৰ জেনজিং নগৰত এই সংক্ৰমণৰ ঘটনা পোহৰলৈ আহিছে। দেশখনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগে মঙলবাৰে অৰ্থাৎ আজি এই কথা সদৰী কৰিছে। সাধাৰণতে এনে ধৰণৰ ভাইৰাছ কুকুৰা চৰাইৰ দেহত পৰিলক্ষিত হয় আৰু জ্বৰ আদিৰ বাবেই বাৰ্ড ফ্লু হিচাপে অভিহিত কৰা হয়। কুকুৰা চৰাইৰ দেহত অন্য দুটা একে ধৰণৰ ভাইৰাছ এইচ-৫ এন-৮ আৰু এইচ-৫ এন-৬ সংক্ৰমিত হয়। সাধাৰণতে কুকুৰা পালকৰ দেহলৈ এনে ভাইৰাছ পূৰ্বতে সংক্ৰমিত হোৱাৰ তথ্য পাবলৈ নাই বুলি কোৱা হৈছে। কিন্তু নতুনকৈ আত্মপ্ৰকাশ কৰা এই ভাইৰাছৰ সংক্ৰমণৰ আঁৰৰ কাহিনী চীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগে বৰ্তমানলৈ স্পষ্ট কৰা নাই। যিজন ব্যক্তিৰ দেহত এই ভাইৰাছ সংক্ৰমিত হ'ল তেওঁ কেনে ধৰণৰ বৃত্তিগত কাম-কাজৰ সৈতে জড়িত, কুকুৰা চৰাইৰ পালক বা ব্যৱসায়ত জড়িত নেকি, এই বিষয়টো চীনৰ চৰকাৰে স্পষ্ট কৰা নাই। অৱশ্যে উক্ত ভাইৰাছ মানৱ দেহলৈ সংক্ৰমিত হ'লেও সংশ্লিষ্ট ব্যক্তিজন বিপদমুক্ত হিচাপে চিকিৎসকে ঘোষণা কৰিছে। সামান্য পৰিমাণে জ্বৰ আৰু শৰীৰৰ উত্তাপ নিজৰ দেহত পৰিলক্ষিত হয়। ইয়াৰ বাহিৰে অন্য সাংঘাতিক ধৰণৰ শাৰীৰিক জটিলতা বৰ্তমানলৈকে সংক্ৰমিত ব্যক্তিজনৰ দেহত পৰিলক্ষিত হোৱা নাই। সেয়েহে উক্ত ব্যক্তিজনক অচিৰেই চিকিৎসালয়ৰ পৰা মুক্ত কৰা হ'ব বুলিও প্ৰকাশ কৰিছে। তথাপি এক আচহুৱা ভাইৰাছে পক্ষীকুলৰ পৰা মানৱ দেহত সংক্ৰমিত হোৱা খবৰে নিশ্চিতভাৱে সকলো পক্ষকে চিন্তিত কৰি তুলিছে।



উত্তৰ প্ৰদেশৰ এগৰাকী আৰক্ষী জোৱানে পদপথৰ এগৰাকী আশ্ৰিতা বৃদ্ধাক নিজ হাতেৰে আহাৰ খুওৱাৰ দৃশ্য ইতিমধ্যে ব্যাপক ৰূপত ভাইৰেল হৈছে আৰু বিষয়াজনে বুটলিছে প্ৰশংসা

# চৌধুৰী চৰণসিং বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত সোমাল যোগী আদিত্যনাথ আৰু ৰামদেৱৰ গ্ৰন্থ

**মীৰাট, ১ জুন ঃ** দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধুৰী চৰণসিঙৰ নামেৰে এখন বিশ্ববিদ্যালয় আছে উত্তৰ প্ৰদেশৰ মীৰাট চহৰত। এই বিশ্ববিদ্যালয়ত এইবাৰ শিক্ষাৰ্থীৰ বাবে নতুন পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰা হৈছে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথ আৰু পতঞ্জলিৰ মুৰব্বী বাবা ৰামদেৱৰ দ্বাৰা লিখিত গ্ৰন্থ। এই কথা স্থানীয় সংবাদ মাধ্যমে প্ৰচাৰ কৰিছে। যোগী আদিত্যনাথৰ গ্ৰন্থখনৰ নাম হ'ল— সত্য যোগ কা স্বৰূপ অ'ৰ সাধনা। আৰু বাবা ৰামদেৱৰ গ্ৰন্থখনৰ নামৰ হ'ল— যোগসাধনা অ'ৰ যোগচিকিৎসা ৰহস্য। এই দুয়োখন গ্ৰন্থই দৰ্শন শাস্ত্ৰৰ পাঠ্যক্ৰমত প্ৰথম আৰু দ্বিতীয় ছেমিষ্টাৰৰ বাবে স্নাতক মহলাত সন্নিৱিষ্ট কৰা হৈছে। অৱশ্যে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য প্ৰফেচৰ ৰাই ভিমলাই প্ৰকাশ কৰিছে যে উক্ত গ্ৰন্থ দুখন পাঠ্যক্ৰমত সন্নিৱিষ্ট কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ সঞ্চালক মণ্ডলীয়ে সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াত বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ নিজাকৈ কৰণীয় একো নাই। ইতিমধ্যে এই গ্ৰন্থ দুখন পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ বিষয়ত বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমোদনৰ বাবে প্ৰেৰণ কৰা বুলি কোৱা হৈছে। উল্লেখ্য যে দেশত প্ৰযোজ্য হোৱা নতুন শিক্ষা নীতিৰ অধীনত নতুন পাঠ্যক্ৰম প্ৰৱৰ্তন প্ৰক্ৰিয়া আৰম্ভ হৈছে। ইয়াৰ



ফলতে পাঠ্যক্ৰমৰ মূল বিষয়ৰ উপৰিও ৩০ শতাংশ নম্বৰৰ বাবে মূল বিষয়ৰ সৈতে সংলগ্ন বিষয়বস্তু অন্তৰ্ভুক্ত কৰিবলৈ চৌধুৰী চৰণসিং বিশ্ববিদ্যালয়ে সিদ্ধান্ত লৈছে। সেয়েহে অন্যান্য বিভাগসমূহৰ বাবেও ভিন ভিন গ্ৰন্থ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা বুলি উপাচাৰ্যগৰাকীয়ে ব্যক্ত কৰিছে। ভাৰতৰ সংস্কৃতি আৰু পুৰণি সাহিত্যত আয়ুৰ্বেদ তথা আসন-প্ৰাণায়াম আৰু সাধনা আদিৰ বিষয়টো অতিশয় উজ্জ্বল আৰু গৌৰৱপূৰ্ণ চানেকি হিচাপে গণ্য কৰা হয়। গতিকে এই বিষয়বোৰ পাঠ্যক্ৰমৰ জৰিয়তে শিক্ষাৰ্থীক অৱগত কৰিলে পুৰণি সাহিত্য আৰু সংস্কৃতিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ ধাউতি বৃদ্ধি হ'ব বুলি আশা কৰা হৈছে। ইয়াৰ বাবেই যোগী আদিত্যনাথ আৰু বাবা ৰামদেৱৰ উক্ত গ্ৰন্থ দুখন পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে বুলি ইংগিত প্ৰদান কৰিছে।

### দ্বাদশ শ্ৰেণীৰ পৰীক্ষা

## নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বৈঠক আৰম্ভ

**নতুন দিল্লী, ১ জুন ঃ** চলিত বৰ্ষত অনুষ্ঠিত হ'ব লগা দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাসমূহৰ ক্ষেত্ৰত এক স্থিৰ সিদ্ধান্ত ল'বলৈ কেন্দ্ৰীয় চৰকাৰ অগ্ৰসৰ হৈছে। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত শিক্ষা বিভাগে এখন পৰ্যালোচনা বৈঠক আৰম্ভ কৰিছে। আজি অনুষ্ঠিত হোৱা এই বৈঠকত চিবিএছই, চিআইএছচিই আদি কেন্দ্ৰীয় ব'ৰ্ডসমূহৰ অধীনত পৰিচালিত দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত গ্ৰহণৰ সম্ভাৱনা আছে। উল্লেখ্য যে দেশত ক'ভিড ভাইৰাছৰ সংক্ৰমণৰ বাবে যোৱা মে' মাহৰ প্ৰথম সপ্তাহৰ



পৰা হ'ব লগা কেন্দ্ৰীয় ব'ৰ্ডসমূহৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষা স্থগিত ৰখা হৈছিল। পৰীক্ষা নিদিয়াকৈয়ে দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক আভ্যন্তৰীণ মূল্যায়ণৰ জৰিয়তে উত্তীৰ্ণ কৰা হ'ব। কিন্তু দ্বাদশ শ্ৰেণীৰ বাবে পৰীক্ষা অনুষ্ঠিত কৰিব আৰু ইয়াৰ বাবে আজি কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰী ৰমেশ পখৰিয়াল, কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আদিৰ অংশগ্ৰহণেৰে প্ৰধানমন্ত্ৰী মোদীয়ে বিষয়টোৰ ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত ল'বলৈ আগবঢ়া বুলিব পাৰি। ইতিমধ্যে এদিনৰ পূৰ্বে দেশৰ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিছিল এইবুলি যে ছাত্ৰ-ছাত্ৰীৰ কোনো ধৰণৰ ক্ষতি নোহোৱাকৈ চৰকাৰে শীঘ্ৰে সিদ্ধান্ত লোৱা উচিত।

### কাৰ্গো বিমানৰ পৰা নামিল হায়দৰাবাদত

# ৩ নিযুত ড'জ স্পুটনিক-ভি ভেকচিন আহিল ৰাছিয়াৰ পৰা



**হায়দৰাবাদ, ১ জুন ঃ** হায়দৰাবাদৰ বিমান বন্দৰত আজি জিএমআৰ কাৰ্গো বিমানৰ জৰিয়তে ৰাছিয়াৰ পৰা আহিল তিনি নিযুত ড'জ স্পুটনিক-ভি ক'ভিড প্ৰতিৰোধী ভেকচিন। এই ভেকচিনখিনিৰ ওজন হ'ল ৫৬.৬ মেট্ৰিকটন। ইয়াকে ধৰি তৃতীয়বাৰলৈ ৰাছিয়াৰ পৰা স্পুটনিক-ভি ভেকচিন ভাৰতলৈ আমদানি কৰা হ'ল। এই ভেকচিন বৰ্তমানলৈ ভাৰতত উৎপাদন কৰা হোৱা নাই। আমদানীকৃত ভেকচিনখিনি -২০ ডিগ্ৰী ছেলছিয়াছত সংৰক্ষণ কৰিব লাগিব ব্যৱহাৰৰ প্ৰাকমুহূৰ্তলৈকে। ইয়াৰ পূৰ্বেও কম পৰিমাণৰ ভেকচিন ৰাছিয়াৰ পৰা ভাৰতলৈ অনা হৈছিল। উল্লেখ্য যে ভাৰতত নিজা প্ৰযুক্তিৰে উদ্ভাৱন কৰা আৰু সম্প্ৰতি উৎপাদন কৰি থকা কোভাক্সিন নামৰ ভেকচিনৰ উপৰিও অক্সফ'ৰ্ড-এছট্ৰাজেনেকাৰ যৌথ প্ৰচেষ্টাত উদ্ভাৱন কৰা কভিছিল্ড নামৰ ভেকচিন ব্যৱহাৰ কৰি থকা হৈছে। এই কভিছিল্ড ভেকচিন পুনেত অৱস্থিত ছিৰাম ইন্সটিটিউট অব ইণ্ডিয়াই উৎপাদন কৰিছে। ভাৰতত তৃতীয়টো ভেকচিন হিচাপে স্পুটনিক-ভি ব্যৱহাৰৰ অনুমতি প্ৰদান কৰা হৈছে চৰকাৰীভাৱে। এই স্পুটনিক-ভি ভেকচিন অচিৰেই ভাৰতত উৎপাদন কৰা হ'ব আৰু ডাঃ ৰেড্ডিছ লেবৰেটৰীয়ে উৎপাদনৰ প্ৰস্তুতি চলাই থকা বুলি প্ৰকাশ পাইছে। ইয়াৰ মাজতে দেশত ভেকচিনৰ নাটনি হোৱাৰ বাবে সাধ্য অনুসৰি বিদেশৰ পৰাও ভেকচিনৰ ক্ৰয় তথা আমদানি প্ৰক্ৰিয়া চলাই থকা হৈছে। তাৰ অংশ হিচাপেই ৰাছিয়াৰ পৰা আজি বিয়লি তিনি নিযুত ড'জ স্পুটনিক-ভি ভেকচিন ভাৰতলৈ কঢ়িয়াই অনা হ'ল। এই ভেকচিনখিনি সংৰক্ষণ কৰি মানৱ দেহত প্ৰয়োগ কৰা হ'ব। ফলত ভাৰতত দেখা দিয়া ভেকচিনৰ নাটনি কিছু পৰিমাণে লাঘৱ হ'ব বুলি ধাৰণা কৰা হৈছে। অৱশ্যে ভাৰতত উৎপাদিত কভিছিল্ড ভেকচিন যোৱা মে' মাহলৈকে মাহে ৬.৫ কোটি ড'জ উৎপাদন কৰা হৈছিল। চলিত জুন মাহৰ পৰা উৎপাদনৰ পৰিমাণ দহ কোটি ড'জলৈ বৃদ্ধি কৰা হ'ব বুলি প্ৰতিষ্ঠানটোৱে ঘোষণা কৰিছে। একেদৰে কোভাক্সিন ভেকচিন মে' মাহলৈকে প্ৰতিমাহে উৎপাদন কৰা হৈছিল দুই কোটি ড'জ। চলিত মাহৰ পৰা এই ভেকচিনো তিনি কোটি ড'জলৈ উৎপাদন বৃদ্ধি কৰা হ'ব বুলি কোৱা হৈছে। যাৰ বাবে দেশত নাটনি হোৱা ভেকচিনৰ জোৰা মাৰিবলৈ বৰ্ধিত উৎপাদনৰ জৰিয়তে সম্ভৱ হ'ব বুলি আশা কৰা হৈছে।

# ভেকচিন বিভ্ৰান্তি ঃ ভেকচিন নোলোৱাকৈয়ে প্ৰমাণ পত্ৰ লাভ কৰিলে নয়দাৰ এজন ব্যক্তিয়ে

**নয়দা, ১ জুন ঃ** বিপিন জৈন নামৰ ৪৩ বছৰ বয়সীয়া আৰু উত্তৰ প্ৰদেশৰ নয়দা অঞ্চলত বসৱাস কৰা এজন ব্যক্তিয়ে লাভ কৰিছে ভেকচিন গ্ৰহণৰ প্ৰমাণ পত্ৰ। অথচ এই ব্যক্তিজনে বৰ্তমানলৈকে ভেকচিনৰ এটাও ড'জ গ্ৰহণ কৰা নাই বুলি নিজে প্ৰকাশ কৰিছে। কিন্তু তেওঁ মোবাইল ফোনত ভেকচিন গ্ৰহণ কৰা বুলি এটা লিংক প্ৰেৰণ কৰা হৈছে আৰু উক্ত লিংকৰ পৰা ভেকচিন গ্ৰহণ কৰাৰ প্ৰমাণ পত্ৰ ডাউনলোড কৰি লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ব্যক্তিজনে যোৱা এপ্ৰিল মাহত ক'ভিড পৰীক্ষা কৰোৱাইছিল। দেহত অসুস্থতা অনুভৱ কৰাৰ বাবে স্থানীয় ক'ভিড পৰীক্ষণ কেন্দ্ৰলৈ গৈ স্বাস্থ্য পৰীক্ষা কৰোৱাইছিল। তেতিয়া ক'ভিড পজিটিভ বুলি প্ৰমাণিত হৈছিল। অৱশ্যে এসপ্তাহৰ পিছত যোৱা ২০ এপ্ৰিলত তেওঁৰ ক'ভিড নিগেটিভ হোৱা বুলি ব্যক্ত কৰিছে। আনহাতে ক'ভিডত আক্ৰান্ত হোৱা লোকসকলে তিনিমাহৰ পিছতহে ভেকচিন ল'ব পাৰিব বুলি শেহতীয়া ভেকচিন প্ৰটকলত প্ৰকাশ কৰা হৈছে। সেই অনুসৰি বিপিন জৈনে অহা ২০ জুলাই তাৰিখে ভেকচিন গ্ৰহণ কৰিবলৈ কো-উইনৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিছে। ইয়াৰ মাজতে তেওঁ ভেকচিন গ্ৰহণ



কৰে বুলি প্ৰমাণপত্ৰ কেনেকৈ লাভ কৰিলে তাক লৈ সৃষ্টি হৈছে উৎকণ্ঠাৰ। অৱশ্যে ভেকচিন কেন্দ্ৰসমূহত নিয়োজিত কৰ্মচাৰীয়ে মাজে-সময়ে এজন ব্যক্তিৰ তথ্য অন্য এজন ব্যক্তিৰ নামত ব্যৱহাৰ কৰি বিভ্ৰান্তি সৃষ্টি কৰাৰ অভিযোগ আছে। ইয়াৰ বাবেই হয়তো বিপিন জৈন নামৰ ব্যক্তিজনেও ভেকচিন গ্ৰহণ নকৰাকৈয়ে লাভ কৰিবলৈ সক্ষম হৈছে ভেকচিন গ্ৰহণ কৰাৰ প্ৰমাণ পত্ৰ। বিষয়টো তেওঁ গৌতম বুদ্ধ নগৰ প্ৰশাসনক অৱগত কৰা বুলি জনাইছে।

## কংগোত পুনৰ গণহত্যা, নিহত ৫৫

**বেনী, ১ জুন ঃ** ৰাষ্ট্ৰসংঘই সোমবাৰে বিয়লি প্ৰকাশ কৰা তথ্য অনুসৰি কংগোত পুনৰ গণহত্যাৰ দৰে ঘটনা সংঘটিত হৈছে। সোমবাৰৰ দিনটোত নতুনকৈ সংঘটিত আক্ৰমণত কমেও ৫৫ জন লোকৰ মৃত্যু হৈছে। পূৰ্বোত্তৰ কংগো অঞ্চলৰ গ্ৰামাঞ্চলত দুটা পৃথক পৃথক স্থানত এই আক্ৰমণ সংঘটিত হোৱা বুলি ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰিছে। উল্লেখ্য যে নৈশ ভাগত এই আক্ৰমণ সংঘটিত হয় আৰু যোৱা চাৰি বছৰ ধৰি এনেদৰেই নৈশভাগত আক্ৰমণ আৰু হিংসাত্মক ঘটনাই ভয়ানক ৰূপ ধাৰণ কৰা পৰিলক্ষিত হৈছে। এই ঘটনাৰ আঁৰত ইছলামিক মৌলবাদীৰ এটা সশস্ত্ৰ গোট জড়িত থকা বুলি বিভিন্ন দল-সংগঠনে ব্যক্ত কৰিছে। এলাইড ডেমক্ৰেটিক ফ'ৰ্চ নামৰ ইছলামিক সংগঠনটো এই ঘটনাৰ সৈতে জড়িত থকা বুলি আঙুলিয়াই দিয়া হৈছে। বুগা আৰু টেছাবি নামৰ দুখনৈ গাঁৱত সোমবাৰৰ পুৱতি নিশা আক্ৰমণৰ ঘটনা সংঘটিত কৰিছিল বুলি ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰিছে। আনকি বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমতো কংগোৰ এই হত্যাযজ্ঞই ব্যাপক প্ৰচাৰ লাভ কৰা দেখা গৈছে। ২০১৭ চনৰ পৰা মাজে-সময়ে কংগোত এনে ঘটনা সংঘটিত হৈ আহিছে। এলাইড ডেমক্ৰেটিক ফ'ৰ্চ আৰু কিভু ছিকিউৰিটি ট্ৰেকাৰ নামৰ দুয়া সংগঠনৰ মাজত হোৱা ক্ষমতাকেন্দ্ৰিক সংঘাতৰ বাবেই ২০২০ চনত কমেও ৮৫০ জন লোকে প্ৰাণ হেৰুৱাইছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই ইতিমধ্যে এ ডি এফ নামৰ সংগঠনটোক



আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী হিচাপে তালিকাভুক্ত কৰিছে। তথাপি কংগোত হৈ থকা হিংসাত্মক ঘটনাক লৈ ৰাষ্ট্ৰসংঘৰ মজিয়াত বিভিন্নজনে উদ্বীগ্নতা প্ৰকাশ কৰা দেখা গৈছে।


# নৌসেনাৰ চীফ অব মাৰ্চেল পদত অধিষ্ঠিত হ'ল সন্দীপ নিঠানি



**নতুন দিল্লী, ১ জুন ঃ** ভাৰতীয় নৌসেনাৰ নতুন মুৰব্বী অৰ্থাৎ চীফ অব মাৰ্চেল পদত আজি অধিষ্ঠিত হ'ল ভাইছ এডমাইৰেল সন্দীপ নিঠানি। আজি তেওঁ এই দায়িত্ব গ্ৰহণ কৰে উক্ত পদৰ পৰা অৱসৰ গ্ৰহণ কৰা ভাইছ এডমাৰেল এছ আৰ শৰ্মাৰ পৰা। উল্লেখ্য যে সন্দীপ নিঠানিয়ে নেশ্যনেল ডিফেন্স একাডেমী, পুনেৰ পৰা স্নাতক ডিগ্ৰী অৰ্জন কৰিছিল। ইয়াৰ পিছত ১৯৮৫ ত ভাৰতীয় নৌ সেনাত যোগদান কৰিছিল। পিছত ডিল্লী আইআইটিৰ পৰা যোগাযোগ বিষয়ত অভিযান্ত্ৰিক ডিগ্ৰী লাভ কৰিছিল। চাকৰি জীৱনত বিভিন্ন পদত অধিষ্ঠিত হৈছিল আৰু বিভিন্ন প্ৰত্যাহ্বানৰো সন্মুখীন হৈছিল। দেশ-বিদেশত ভাৰত চৰকাৰৰ ফ্লেগ অফিচাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰি সুখ্যাতি অৰ্জন কৰিছিল। তেওঁ সহকাৰী চীফ অব মাৰ্চেল হিচাপেও মুখ্য কাৰ্যালয়ত দক্ষতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। নিজৰ কৰ্মদক্ষতাৰ বাবে অতিবিশিষ্ট সেৱা মেডেল আৰু বিশিষ্ট সেৱা মেডেল লাভ কৰিছিল বিভিন্ন সময়ত। সেয়েহে ভাৰতীয় নৌ সেনাৰ দক্ষ আৰু কাৰিকৰী জ্ঞানেৰে সমৃদ্ধ তথা অভিযান্ত্ৰিক শিক্ষাৰে শিক্ষিত সন্দীপ নিঠানিৰ জৰিয়তে নৌসেনা বাহিনী অধিক কৰ্মক্ষম আৰু সুদক্ষ হৈ উঠিব বুলি আশা কৰা হৈছে।

### বিহাৰৰ বাইচাইকেল গাৰ্লৰ কৰুণ গাঁথা

# ১২০০ কিঃ মিঃ চাইকেলত কঢ়িয়াই অনা পিতৃৰ পৰলোক



**নতুন দিল্লী, ১ জুন ঃ** গুৰুগ্ৰামৰ পৰা বিহাৰৰ চিৰহাউলী গাঁৱলৈ প্ৰায় ১২০০ কিলোমিটাৰ নিজৰ অসুস্থ পিতৃক চাইকেলেৰে কঢ়িয়াই আনি বিশেষভাৱে চৰ্চিত হৈছিল বিহাৰৰ এগৰাকী যুৱতী জ্যোতি পাচোৱান। বিগত বৰ্ষৰ লকডাউনৰ সময়ত জ্যোতি পাচোৱানে গ্ৰহণ কৰা এই পদক্ষেপৰ বাবে তেওঁক বিহাৰৰ বাইচাইকেল গাৰ্ল হিচাপে সংবাদ মাধ্যমত অভিহিত কৰা হৈছিল। কিন্তু সেইগৰাকী জ্যোতি পাচোৱানৰ পিতৃ মোহন পাচোৱানৰ আজি পৰলোকপ্ৰাপ্তি ঘটিছে। প্ৰাপ্ত তথ্য মতে যোৱা কিছুদিন ধৰি মোহন পাচোৱান ভীষণ অসুস্থ হৈ আছিল। তেওঁক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও আজি শেষ নিশ্বাস ত্যাগ কৰে। বিহাৰৰ দাৰভাংগা জিলাৰ চিৰহাউলি গাঁৱৰ বাসিন্দা জ্যোতিয়ে নিজৰ অসুস্থ পিতৃৰ প্ৰতি প্ৰদৰ্শন কৰা সেৱা আৰু দায়িত্বই বিশেষভাৱে সকলো পক্ষৰে দৃষ্টি কাঢ়িবলৈ সক্ষম হৈছিল। এবছৰে চিকিৎসা কৰি থকা পিতৃ কিছু সুস্থ হৈছিল যদিও তেওঁ সম্পূৰ্ণভাৱে সক্ষম হৈ উঠিবলৈ সমৰ্থ নহ'ল। আজি মৃত্যুৰ সংবাদ বিয়পি পৰাৰ লগে লগে জ্যোতি পাচোৱানৰ ঘৰত বিভিন্নজনে উপস্থিত হৈ পৰিয়ালটোলৈ সমবেদনা জ্ঞাপন কৰা দেখা গৈছে। সংবাদ মাধ্যমতো বিষয়টো বিশেষভাৱে চৰ্চিত হৈছে আৰু জ্যোতিৰ প্ৰতি সমবেদনা জ্ঞাপন কৰা দেখা গৈছে।



উত্তৰাখণ্ডৰ উত্তৰকাশী অঞ্চলত অৱস্থিত কেডাৰঘাটত নদীৰ বালিত পুতি থোৱা ক'ভিডত মৃত ব্যক্তিৰ শ কুকুৰে ভক্ষন কৰাৰ দৃশ্য ভাইৰেল হৈ পৰিছে সামাজিক মাধ্যমত। যাৰ বাবে গংগা নদীৰ পাৰত অৱস্থিত এই অন্ত্ৰেস্তিক্ৰিয়াস্থলীৰ কৰ্মকৰ্তাসকল সমালোচিত হোৱা দেখা গৈছে।




## পশ্চিমবংগৰ পদত্যাগী মুখ্য সচিবলৈ কাৰণ দৰ্শোৱাৰ জাননী কেন্দ্ৰৰ

**কলকাতা, ১ জুন ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ সংঘাতৰ বাবে উলুৰ লগত বগৰী পোৰা দিছে পশ্চিমবংগৰ জ্যেষ্ঠ আইএএছ বিষয়া আল্পন বন্দোপধ্যাই। কিছুদিন পূৰ্বে তেওঁক কেন্দ্ৰীয় চৰকাৰে একপক্ষীয়ভাৱে পশ্চিমবংগৰ মুখ্য সচিবৰ পদৰ পৰা অপসাৰণ কৰি কেন্দ্ৰীয় চৰকাৰৰ এটা বিভাগলৈ বদলি কৰিছিল। কিন্তু পশ্চিমবংগৰ মুখ্যমন্ত্ৰীয়ে এইজন মুখ্য সচিবক কেন্দ্ৰলৈ যোৱাৰ অনুমতি নিদিলে। প্ৰতিশোধমূলকভাৱে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপৰ বিৰুদ্ধে পশ্চিমবংগৰ আইএএছ-আইপিএছ লবীৰ মাজতো দেখা গ'ল তীব্ৰ প্ৰতিক্ৰিয়াৰ। অৱসৰলৈ মাত্ৰ কেইমাহমান বাকী থকা অৱস্থাত আল্পন বন্দোপধ্যায়ে কেন্দ্ৰৰ নিৰ্দেশ অমান্য কৰি অৱসৰ গ্ৰহণৰ সিদ্ধান্ত লয়। যাৰ বাবে ৩১ মে' তাৰিখে তেওঁ স্বেচ্ছা অৱসৰ গ্ৰহণ কৰে। লগে লগে মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে পশ্চিমবংগ চৰকাৰৰ উপদেষ্টা পদত নিয়োগ কৰিলে আল্পন বন্দোপধ্যায়ক। ইফালে কেন্দ্ৰৰ নিৰ্দেশ অমান্য কৰাৰ বাবে ডিজাষ্টাৰ মেনেজমেণ্ট এক্ট-২০০৫ৰ অধীনত তেওঁলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে।

# অগ্নিকাণ্ডত সৰ্বহাৰা হোৱা বাতৰি কাকতৰ এজেণ্ট ইমতিয়াজুৰ ৰহমানৰ দুখ কোনে বুজিব

## অবিৰতভাৱে প্ৰায় দুকুৰি বছৰ ধৰি বাতৰি কাকত যোগান ধৰা দুৰ্ভগীয়া এজেণ্টৰ সাহায্যৰ দৰকাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১ জুন ঃ** যোৱা ২৮মে'ৰ দিনৰ প্ৰায় আঢ়ৈ বজাত অকস্মাৎ হোষ্টেলৰ চিলিণ্ডাৰ ব্লাষ্ট হৈ হোৱা ভয়াবহ অগ্নিকাণ্ডৰ ফলত বাকী দোকানৰ লগতে লাহৰীঘাটৰ একমাত্ৰ দেৰকুৰি বছৰ ধৰি বাতৰি কাকত যোগান ধৰা এজেন্সী ৰহমান বুক ষ্টলো সম্পূৰ্ণ ভস্মীভূত হয়। কিতাপ, বহী, কাগজ, ধৰ্মীয় পুথি, ব্লেকবোৰ্ড, চক পেঞ্চিল, কলম, ষ্টেচনাৰী সামগ্ৰী, কছমেটিক আদি সামগ্ৰীৰ লগতে বাতৰি কাকত আদিও জুইত জ্বলি জাহ যায়। একমাত্ৰ জীৱিকা নিৰ্বাহৰ পথ হিচাপে বাছি লোৱা বাতৰি কাকত এজেন্সীৰ স্বত্ত্বাধিকাৰী ইমতিয়াজুৰ ৰহমানৰ বৰ্তমান পৰিয়ালত মুঠ পাঁচজন সদস্য আছে। উল্লেখযোগ্য যে ইমতিয়াজুৰৰ দেউতাকৰ দুৰাৰোগ্য বেমাৰত কে'বাবছৰ আগতে মৃত্যু হোৱাৰ পিছত কমবয়সীয়া ইমতিয়াজুৰ ৰহমানে স্কুল এৰি পৰিয়ালৰ একমাত্ৰ ল'ৰা হিচাপে গধুৰ দায়িত্ব লৈ কোনোমতে কিতাপৰ দোকান আৰু বাতৰিকাকত বিক্ৰী কৰি পৰিয়াল চলাইছিল। কিন্তু নিয়তিৰ কুটিল গ্ৰাসত আজি তেওঁ সম্পূৰ্ণৰূপে আৰ্থিক দিশত অসহায় হৈ পৰিছে। অগ্নিকাণ্ডৰ পিছত এতিয়ালৈকে জিলা প্ৰশাসন, স্থানীয় প্ৰশাসন, বিধায়ক, ৰাজনৈতিক দলৰ নেতাসকলে পৰিস্থিতিৰ বুজহে ল'লে। কিন্তু কোনোধৰণৰ সাহায্য বা সঁহাৰি আগবঢ়োৱা নাই। অৱশ্যে লাহৰীঘাট প্ৰেছ ক্লাবৰ তৰফৰ পৰা আংশিকৰূপে কিছু আৰ্থিক সাহায্য আগবঢ়োৱা বুলি জানিব পৰা গৈছে। এই মুহূৰ্তত দোকান চলাবলৈ আৰ্থিক তথা মূলধনৰ দৰকাৰ। কোনে মুচিব ইমতিয়াজুৰৰ আবেগৰ চকুপানী। আগবাঢ়ি আহিবনে কোনো সদাশয় ব্যক্তি বা সংগঠন, এয়াই চিন্তনীয় বিষয়।

# জামুগুৰিহাটৰ উত্তৰাঞ্চলত বৰদিকৰাই নদীৰ তীব্ৰ খহনীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১জুন ঃ** জামুগুৰিহাটৰ উত্তৰাঞ্চলত বৰদিকৰাই নদীয়ে সৃষ্টি কৰিছে তীব্ৰ খহনীয়াৰ। বাৰিষাৰ প্ৰাক্‌মুহূৰ্তত বৰদিকৰাই নদীৰ খহনীয়াৰ এই কালৰূপে শংকিত কৰি তুলিছে কুৰিখনৰো অধিক গাঁৱৰ বাসিন্দাক। অৰুণাচল প্ৰদেশৰ সু-উচ্চ পাহাৰৰ পৰা বৈ অহা নদীখনে যোৱা ২বছৰ ধৰি জামুগুৰিহাটৰ উত্তৰাঞ্চলত খহনীয়াৰ সৃষ্টি কৰি আহিছে। ইতিমধ্যে বৰদিকৰাই নদীৰ খহনীয়াৰ কবলত পৰি অঞ্চলটোৰ বহু লোকৰ হাজাৰ হাজাৰ বিঘা কৃষিভূমি নদীৰ বুকুত জাহ গৈছে। অঞ্চলটোৰ অন্যতম বনভোজস্থলী নামেৰী বৰদিকৰাই ঘাটৰো ইতিমধ্যে অৰ্ধেক অংশ নদীৰ গ্ৰাসত পৰিছে। মনকৰিবলগীয়া যে বৰদিকৰাই নদীখনৰ কাষতে লাগি থকা নামেৰী ৰাষ্ট্ৰীয় উদ্যানৰ অপৰূপ সৌন্দৰ্যই পৰ্যটকক হাতবাউলি মতাৰ বাবেই প্ৰতিবছৰে নামেৰী বৰদিকৰাই ঘাটত জানুৱাৰী-ফেব্ৰুৱাৰী মাহত শ শ বনভোজৰ দল উপস্থিত হয় যদিও নদীখনৰ খহনীয়াই বৰ্তমান বনভোজস্থলীও সংকুচিত কৰি তোলাত অঞ্চলটোৰ ৰাইজো চিন্তিত হৈ পৰিছে। প্ৰতি বছৰে নদীখনৰ খহনীয়া দ্ৰুতগতিত বৃদ্ধি পোৱাৰ ফলত এতিয়া অঞ্চলটোৰ বৰদিকৰাই, আজাৰগুৰি, ৰায়গাঁও, বামুণীপাম, খকনবস্তি, গড়বিলকে ধৰি প্ৰায় কুৰিখনৰো অধিক গাঁৱৰ বাসিন্দাৰ প্ৰতি ভাবুকি আহি পৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন নৱগঠিত বিজেপি চৰকাৰখনে দায়িত্ব গ্ৰহণ কৰাৰ পাছতে ৰাজ্যত নদীসমূহৰ খহনীয়া ৰোধ কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি ঘোষণা কৰাৰ পাছত চতিয়া সমষ্টিৰ জামুগুৰিহাটৰ উত্তৰাঞ্চলতো বৰদিকৰাই নদীৰ খহনীয়া ৰোধৰ বাবে নতুন চৰকাৰখনে শীঘ্ৰে স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিব বুলি এতিয়া অঞ্চলবাসী ৰাইজে আশাৰে বাট চাইছে।

# ব্ৰহ্মপুত্ৰৰ সুঁতিৰ খহনীয়াত সৰ্বহাৰা ম'হচৰা গাঁৱৰ কেইবা শতাধিক পৰিয়াল

## ব্যক্তিগত প্ৰায় দহ লক্ষাধিক টকা ব্যয়ৰে খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ কৰিলে হবিবৰ ৰহমানে

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১ জুন ঃ** সমাগত বাৰিষাৰ বাবে চিন্তিত হৈ পৰিছে ৰাজ্যৰ নদীকাষৰীয়া বিভিন্ন অঞ্চলৰ লগতে বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত পূব ম'হচৰা গাঁৱৰ কেইবা শতাধিক পৰিয়াল। প্ৰতিবছৰে গাঁওখনত ব্ৰহ্মপুত্ৰৰ সুঁতি নদীৰ খহনীয়া অব্যাহত থকাৰ ফলত গাঁওখন অচিৰেই নদীখনৰ বুকুত বিলীন হোৱাৰ আশংকাত আতংকিত হৈছে গাঁওবাসী। গাঁওবাসীৰ এনে বিপদৰ সময়ত অঞ্চলটোৰ এগৰাকী সমাজকৰ্মী তথা প্ৰতিষ্ঠিত ব্যৱসায়ী ওলাই আহি ব্যক্তিগত পুঁজিৰে খহনীয়া প্ৰতিৰোধী বান্ধ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। উল্লেখ্য যে বিগত বহু বছৰৰ পৰা বাৰিষাৰ সময়ত পূব ম'হচৰাত ব্ৰহ্মপুত্ৰৰ সুঁতি নদীৰ তীব্ৰ সোঁতে চপৰা চপৰে খহাই নিছে অঞ্চলটোৰ শ শ কৃষি ভূমিৰ লগতে উছন হৈছে বহু ঘৰ-দুৱাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান। কিন্তু অঞ্চলটোত দীৰ্ঘদিনৰ পৰা নদীৰ খহনীয়া অব্যাহত থকাৰ পিছতো খহনীয়া ৰোধৰ বাবে বিভাগীয় কৰ্তৃপক্ষই বিশেষ পদক্ষেপ লোৱা নাই। সমষ্টিটোৰ প্ৰাক্তন বিধায়ক শুকুৰ আলী আহমেদে তেওঁৰ বিগত কাৰ্যকালৰ সময়ছোৱাত সময়ে সময়ে অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে নামমাত্ৰ বাঁহৰ পাৰ্কুপাইন নিৰ্মাণ কৰি আহিছে যদিও কোনো কাম হোৱা নাই। প্ৰতি বছৰে বাৰিষা কালত দিনে-নিশাই খহনীয়াই তীব্ৰ ৰূপ ধাৰণ কৰি কৃষকৰ ভূমিৰ লগতে এটাৰ পিছত আন এটা ঘৰ-দুৱাৰ, অনুষ্ঠান-প্ৰতিষ্ঠান খহাই নিয়াত সৰ্বস্বান্ত হৈছে অঞ্চলটোৰ ৰাইজ। ইতিমধ্যে বহু পৰিয়ালে অন্য লোকৰ মাটিত আন কোনোৰে অঘৰী হৈ জীৱন-যাপন কৰিবলগীয়া হৈছে। উপায়ন্তৰ হৈ এইবাৰ বাৰিষাৰ পূৰ্বে অঞ্চলটোৰ ৰাইজে একত্ৰিত হৈ অঞ্চলটোৰ খহনীয়া প্ৰতিৰোধৰ বাবে স্থানীয় এগৰাকী হৃদয়বান সমাজকৰ্মী তথা ঠিকাদাৰ হবিবৰ ৰহমানৰ কাষ চাপে। সেইমতে দুৰ্দশাগ্ৰস্ত ৰাইজক সকাহ দিয়াৰ মানসিকতাৰে ৰাইজৰ সহযোগত হবিবুৰ ৰহমানে খহনীয়া প্ৰতিৰোধৰ বাবে ইতিমধ্যে সুঁতি নদীখনত নিজৰ গাঁঠিৰ কেইবা লক্ষাধিক টকা খৰচ কৰি আৰম্ভ কৰিছে বাঁহৰ জেওৱাৰে খহনীয়া প্ৰতিৰোধী বান্ধ নিৰ্মাণৰ। ঠিকাদাৰ তথা সমাজকৰ্মী হবিবুৰ ৰহমানৰ এনে বদান্যতাৰ বাবে অঞ্চলটোৰ ৰাইজে কৃতজ্ঞতা জ্ঞাপন কৰিছে। শীঘ্ৰেই পূব ম'হচৰাৰ ব্ৰহ্মপুত্ৰৰ উক্ত সুঁতি নৈৰ খহনীয়া প্ৰতিৰোধৰ স্থায়ী সমাধানৰ বাবে চৰকাৰ, বিভাগীয় কৰ্তৃপক্ষ আৰু নৱনিৰ্বাচিত বিধায়ক আশ্ৰাফুল হুছেইনক ৰাইজে দাবী জনাইছে।

# হায়দৰাবাদত কৰ্মসংস্থাপন বিচাৰি গৈ দুটা বছৰে নিৰুদ্দেশ সাপেখাতীৰ এগৰাকী ব্যক্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, সাপেখাতী, ১ জুন ঃ** চৰাইদেউৰ সাপেখাতীৰ বৰগুৰি পঞ্চায়তৰ টাইৰাই গাঁৱৰ ১ নং ৱাৰ্ডৰ দেবেন গগৈ (৩৬) নামৰ এগৰাকী ব্যক্তিয়ে ২০১৯বৰ্ষৰ ৫জুন তাৰিখে পেটৰ তাড়ণাত কৰ্ম সংস্থাপন বিচাৰি সাপেখাতীৰ পৰা হাইদৰাবাদলৈ স্থানীয় কেইবাগৰাকীও ব্যক্তিৰ সৈতে ৰে'লেৰে যাত্ৰা কৰে। যাত্ৰা পথতেই দেবেন হঠাতে নিখোঁজ হয়। লগত যোৱা ব্যক্তিসকলেও দেবেনক বিচাৰ-খোচাৰ কৰিও নাপালে কোনো সম্ভেদ। নিখোঁজ হোৱাৰ সন্দৰ্ভত পৰিয়ালৰ লোকক অৱগত কৰোৱাত পৰিয়ালৰ লোকে সাপেখাতী আৰক্ষী থানাৰ লগতে শিমলুগুৰি ৰে'ল জংচনতো অৱগত কৰায় যদিও আজিপৰ্যন্ত লাভ নকৰিলে কোনো সম্ভেদ। দৰিদ্ৰ পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী স্বামী নিখোঁজ হোৱাৰ পাছতেই পত্নীৰ লগতে চাৰিগৰাকী কন্যাৰ জীৱনলৈ যেন নামি আহিল ঘোৰ অমানিশা। মাতৃগৰাকীয়ে দৈনিক দিন হাজিৰা কৰি চাৰিগৰাকীকৈ কন্যাক ভৰণ-পোষণ দিয়াৰ লগতে পঢ়া-শুনাৰ ক্ষেত্ৰতো সাধ্য অনুযায়ী যোগান ধৰি আহিছিল। মাতৃগৰাকীয়ো এতিয়া অসুস্থ হৈ পৰাত এতিয়া এমুঠি আহাৰৰ বাবেও হাহাকাৰ কৰিবলগীয়া হৈছে পৰিয়ালটোৱে। মেধাসম্পন্ন ছাত্ৰী কেইগৰাকীৰো অৰ্থৰ অভাৱৰ বাবেই শিক্ষা গ্ৰহণৰ ক্ষেত্ৰতো ব্যাপক সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। এতিয়া অসহায় পৰিয়ালটোক প্ৰয়োজন হৈছে ৰাইজৰ সহায়-সহযোগিতাৰ। ৰাইজৰ কিঞ্চিত সহযোগিতাই চাৰিগৰাকী কন্যাৰ ভৱিষ্যতলৈ কঢ়িয়াই আনিব আশাৰ বতৰা। সেয়েহে দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীগৰাকীয়েও বিচাৰিছে সাংসদ তপন কুমাৰ গগৈ আৰু স্থানীয় বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ কিছু সহযোগিতা। কোনো সদাশয় ব্যক্তিয়েও পৰিয়ালটোক সহযোগিতা কৰিবলৈ বিচাৰিলে ৮০৯৯১৬১৬৬৭ নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালটোৱে আহ্বান জনাইছে।

# আজাৰাৰ বিশিষ্ট সমাজকৰ্মী, অভিনেতা অমৃত চৌধুৰীৰ মৃত্যু

## পশ্চিম গুৱাহাটীৰ বিধায়কসহ শোক বিভিন্ন দল-সংগঠনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১ জুন ঃ** পশ্চিম গুৱাহাটীৰ আজাৰা ভি আই পি অঞ্চলৰ যোগীপাৰা নিবাসী অমৃত চৌধুৰী (৮৬)ৰ ক'ভিডত আক্ৰান্ত হৈ ৩০মে'ত জিএমচিএইছত মৃত্যু হয়। তেওঁৰ মৃত্যুৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে বৃহত্তৰ আজাৰা অঞ্চলত শোকৰ ছাঁ পৰে। উল্লেখ্য যে ভি আই পিৰ শ্যামভূমি হাইস্কুলৰ প্ৰতিষ্ঠাপক সভাপতি অমৃত চৌধুৰীয়ে দৈৰ যৌতুক তালুকৰ সভাপতি, ৰাণী ভোলাগাঁও গাঁও পঞ্চায়তৰ সভাপতি, ভিআইপি আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ প্ৰতিষ্ঠাপক সভাপতিৰ আসন অলংকৃত কৰিছিল। মৃত্যুৰ সময়লৈকে তেওঁ শ্ৰীমন্ত শংকৰ সংঘৰ দক্ষিণ পশ্চিম কামৰূপ জিলাৰ সভাপতিৰ লগতে নাগৰিক সমিতি, গাঁওৰক্ষী বাহিনী, হৰি গায়ত্ৰী দাস মহাবিদ্যালয় আদি কৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। তদুপৰি এসময়ত সমগ্ৰ কামৰূপ জিলাৰ যাত্ৰাদলৰ এগৰাকী জনপ্ৰিয় অভিনেতা হিচাপেও পৰিচিত আছিল। আনহাতে বিশিষ্ট সমাজকৰ্মী অমৃত চৌধুৰীৰ মৃত্যুত পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই গভীৰ শোক ব্যক্ত কৰি এটা বিবৃতিত কয় তেওঁৰ মৃত্যু বৃহত্তৰ আজাৰা অঞ্চলকে ধৰি পশ্চিম গুৱাহাটীৰ গ্ৰামাঞ্চল আৰু কাষৰীয়া দক্ষিণ কামৰূপৰ সামাজিক-সাংস্কৃতিক জীৱনত এক অপূৰণীয় ক্ষতি। তেনেদৰে দৈৰ যৌতুক তালুক কমিটীৰ সভাপতি উপেন নাথ আৰু সম্পাদক জগন্নাথ ঠাকুৰীয়াকে ধৰি বিভিন্ন ব্যক্তি, আজাৰা ছাত্ৰ সন্থা, ভিআইপি আঞ্চলিক ৰঙালী বিহু সন্মিলনীকে ধৰি বিভিন্ন দল-সংগঠনে অমৃত চৌধুৰীৰ মৃত্যুত শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

**ডিমৌত সাংসদ তপন কুমাৰ গগৈৰ ক'ভিড সম্পৰ্কীয় পৰ্যালোচনা সভা**

# সন্ধিয়া পৰিদৰ্শন কৰিলে লাইবিলৰ প্ৰবল গৰাখহনীয়া



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ১ জুন ঃ** ৰাজ্যত দিনক দিনে ক'ভিড মহামাৰীয়ে লৈছে ভয়ংকৰ ৰূপ। কৰ'না মহামাৰীৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ, প্ৰশাসনে জাৰি কৰিছে কেতবোৰ নিত্য নতুন নীতি-নিৰ্দেশনা। ৩১মে'ত ডিমৌৰ বহুমুখী ভৱনত থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, প্ৰাক্তন বিধায়ক কুশল দুৱৰী, শিৱসাগৰ জিলাৰ উপায়ুক্ত বিষ্ণুকমল বৰা, ডিমৌ খণ্ড উন্নয়ন বিষয়া অৰুণ গগৈ, চক্ৰ বিষয়া ফিলিচ ৰাংচাল আৰু কিছু বিশিষ্ট ব্যক্তিৰ মাজত কৰ'না মহামাৰীৰ সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে চিকিৎসক, আৰক্ষী, পঞ্চায়তৰ প্ৰতিনিধিয়ে। এই পৰ্যালোচনা সভাত ডিমৌত কৰ'নাৰ ক্ষেত্ৰত চাহ বাগিচা, গ্ৰামাঞ্চল, চহৰাঞ্চল আদিত কিদৰে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিব সেই সন্দৰ্ভত আলোচনা কৰে। এই পৰ্যালোচনা সভাৰ জৰিয়তে সকলো ৰাইজকে কৰ'না মহামাৰীৰ বাবে সজাগ হ'বলৈ আহ্বান জনায়। আনহাতে সাংসদ তপন কুমাৰ গগৈয়ে আজি সন্ধিয়া ভাগত দিহিং নদীৰ প্ৰবল খহনীয়াৰ স্থান লাইবিলত উপস্থিত হৈ পৰিদৰ্শন কৰে। সাংসদগৰাকীয়ে দিহিঙৰ মথাউৰিৰ অত্যন্ত দুৰ্বল অংশত শিৱসাগৰ সংমণ্ডল কাৰ্যবাহী অভিযন্তা, প্ৰাক্তন বিধায়ক কুশল দুৱৰী, দিচাং-দিখৌ প্ৰতিনিধিৰ হৈ লখিনন্দন মিলি, টি এম পি কেৰ কেন্দ্ৰীয় সমিতিৰ দিব্য খামতী, টি এম পি কে, এম এম কে শিৱসাগৰ আৰু স্থানীয় আঞ্চলিক সমিতিৰ লগতে ৰাইজৰ সহযোগত এখন বহুদফীয়া স্মাৰক-পত্ৰ প্ৰদান কৰে সাংসদগৰাকীক। স্মাৰক-পত্ৰত উল্লেখ কৰিছে যে লাচন তিনিআলিৰ পৰা দিহিংমুখ অঞ্চলৰ মথাউৰি সবলীকৰণ আৰু পকীকৰণ কৰা, ভেকুৰী চাপৰিৰ পৰা দিহিং কলঘৰলৈ প্ৰায় ৯ কিলোমিটাৰ গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰা, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলালৈ যাতায়তৰ সুবিধা হোৱাকৈ ভেকুৰী চাপৰি পাৰঘাটত পকী দলং নিৰ্মাণ কৰা, মিৰিপথাৰৰ পৰা চেঁচামুখৰ ৰিং বান্ধ নিৰ্মাণ কৰা, মিৰিপথাৰ আৰু লাইবিলৰ মাজৰ মথাউৰিৰ দুৰ্বল অংশক শীঘ্ৰে ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

# ধুবুৰীত পূজাৰীৰ মাজত খাদ্যসামগ্ৰী আৰু ছেনিটাইজাৰ বিতৰণ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১ জুন ঃ** বৰ্তমানৰ ক'ভিড পৰিস্থিতিত বিগত প্ৰায় ১৫দিন ৰাজ্যৰ লগতে ধুবুৰীতো বন্ধ সকলো ধৰ্মীয় মঠ-মন্দিৰ। ফলস্বৰূপে উক্ত মঠ-মন্দিৰসমূহত কৰ্মৰত পুৰোহিতসকলৰ অৰ্থনৈতিক অৱস্থা তেনেই জুৰুলা হৈ পৰিছে। ধুবুৰী চহৰৰ বিভিন্ন মন্দিৰৰ লগত জড়িত পুৰোহিতসকলক সহায়ৰ বাবে আগবাঢ়ি আহিছে ধুবুৰীৰ স্বনামধন্য ধৰ্মীয়, সামাজিক আৰু সামাজিক প্ৰতিষ্ঠান কালিবাৰীয়ে। আজি ধুবুৰী কালিবাৰীৰ ট্ৰাষ্টি ব'ৰ্ডৰ উদ্যোগত আৰু বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ সহযোগিতাত চহৰখনৰ ৩০জনকৈ পুৰোহিতক নিত্য প্ৰয়োজনীয় খাদ্যসামগ্ৰী আৰু ছেনিটাইজাৰ যোগান ধৰা হয়। ইপিনে কালীবাৰীৰ উদ্যোগক উৎসাহ প্ৰদান কৰাৰ বাবে উক্ত অনুষ্ঠানত উপস্থিত হৈ নৱনিযুক্ত জিলা উপায়ুক্ত অম্বুনাথন এমপি য়ে কালিবাৰীৰ এনে মহৎ প্ৰচেষ্টাক শলাগ লয় আৰু নিজহাতে ৩০জন পুৰোহিতৰ মাজত প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰে।

**মাৰ্ঘেৰিটাৰ ঐতিহ্যমণ্ডিত ৰাজখোৱা পথাৰত কৃষিভূমি ধ্বংস**

# ইটাভাতা নিৰ্মাণৰ বিৰোধিতা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুমচা, ১ জুন ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত কেটেতং গাঁও পঞ্চায়তৰ অধীনস্থ ঐতিহ্যমণ্ডিত ৰাজখোৱা পথাৰৰ সোমাজত 'এ বি' নামেৰে এটা ইটাভাতা স্থাপনৰ যো জা কৰাক লৈ মহকুমাটোত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে চাৰিওফালে কৃষিভূমিৰে আৱৰি থকা এলেকাত উদ্যোগ প্ৰতিষ্ঠা কৰাতো নীতিবিৰুদ্ধ বুলি মন্তব্য প্ৰকাশ কৰিছে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে। চাৰিওফালে চহা কৃষকৰ কৃষিভূমিয়ে আৱৰি থকা ঐতিহ্যমণ্ডিত ৰাজখোৱা পথাৰত কোনোপধ্যে ইটাভাতা নিৰ্মাণৰ অনুমতি নিদিবলৈ মহকুমাধিপতিক দাবী জনোৱাৰ লগতে ইয়াৰ ফলত শ শ বিঘা কৃষিভূমি ধ্বংস হোৱাৰ উপৰি ব্যাপক বায়ু, পানী আৰু ভূমি প্ৰদূষণ হ'ব বুলিও আঙুলিয়াই দিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত স্থানীয় কৃষক ৰাইজ সংকটত পৰাটো খাটাং বুলি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি পাপু দত্তই দাবী কৰি কৃষিভূমি আৰু কৃষিজীৱীৰ জীৱনক লৈ হেতালি খেলি এটা উদ্যোগ স্থাপনৰ ক্ষেত্ৰত কিহৰ ভিত্তিত আৰু কিদৰে অনুমতি প্ৰদান কৰা হ'ল সেই বিষয় সম্পৰ্কীয় তদন্ত কৰিবলৈ আজি ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, তিনিচুকীয়া জিলা সমিতিয়ে মাৰ্ঘেৰিটাৰ মহকুমাধিপতিক এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে।

# যানবাহন শাখাৰ আৰক্ষী কৃষ্ণ কছাৰী আৰু পুষ্প নৰহে দেখুৱালে মহানুভৱতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ১ জুন ঃ** ২৭ মে'ত চিলাপথাৰ নগৰৰ গাতে লাগি থকা হনুমানগড়ী হিন্দী স্কুলৰ সন্মুখত এখন বলেৰ' পিক্‌-আপত সংঘটিত হোৱা এক ভয়ংকৰ ঘটনাৰ তাৎক্ষণিকভাৱে মূৰ পাতি সমাধান কৰি মহানুভৱতাৰ পৰিচয় দাঙি ধৰিলে চিলাপথাৰ যানবাহন শাখাৰ আৰক্ষী কৃষ্ণ কছাৰী আৰু পুষ্প নৰহে। ঘটনাৰ বিৱৰণী অনুসৰি সেইদিনা নগৰখনৰ গাতে লাগি থকা হনুমানগড়ী হিন্দী স্কুলৰ কাষত ৰৈ থকা এখন বলেৰ' পিক্‌-আপৰ বডীত ওচৰৰে এটি কিশোৰ অকস্মাতে উঠি আছিল। কিছু সময়ৰ পাছত পিক্‌-আপখনৰ ড্ৰাইভাৰজন আহি গাড়ীখন চলাবলৈ লওঁতেই ওপৰত উঠি থকা কিশোৰজন পকীপথৰ ওপৰত পৰি যোৱাত সংকটজনক অৱস্থাত সেই সময়ত নগৰখনত কৰ্মৰত যানবাহন শাখাৰ আৰক্ষী কৃষ্ণ কছাৰী আৰু পুষ্প নৰহে কিশোৰজনক সকলো প্ৰকাৰে সহায়ৰ হাত আগবঢ়ায়। সংকটজনক কিশোৰজনৰ অক্সিজেন পৰ্যন্ত যোগাৰ কৰি দিয়ালৈকে সহায়ৰ হাত আগবঢ়ায় দুয়োজন যানবাহন শাখাৰ আৰক্ষীয়ে। দুয়োজন আৰক্ষীৰ এই মহানুভৱতাক কিশোৰজনৰ পৰিয়ালৰ লগতে এতিয়া সকলোৱে একেমুখে প্ৰশংসাৰে ওপচাই পেলাইছে।

**চাইবাৰ অপৰাধীৰ চকু কংগ্ৰেছ নেতাৰ ফেচবুক একাউণ্টত**

# দুষ্ট চক্ৰৰ ধন দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ১ জুন ঃ** এইবাৰ চাইবাৰ অপৰাধীৰ চকু কংগ্ৰেছ নেতাৰ ফেচবুক একাউণ্টত। ভুৱা ফেচবুক একাউণ্ট খুলি দুষ্ট চক্ৰই ধন দাবী কৰাক লৈ হোজাইৰ মোৰাঝাৰত সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ। এই ঘটনা পোহৰলৈ অহাৰ পাছতে ভুক্তভোগী দ্বাৰস্থ হৈছে আৰক্ষীৰ। জানিব পৰা মতে পূব বান্দৰমেলাৰ বাসিন্দা তথা চৌধুৰীবজাৰ জিলা পৰিষদৰ সদস্য কামাল উদ্দিন ফাৰুকীৰ নামত ফেচবুকত ভূৱা একাউণ্ট খুলি বিভিন্ন লোকৰ পৰা ধন সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপন হৈছে। কামাল ফাৰুকীৰ নামত থকা থকা আচল একাউণ্টৰ একে প্ৰফাইল ফটো ব্যৱহাৰ কৰি সহজ ধন ঘটাত লাগিছে দুষ্টচক্ৰ। কেৱল ইমানেই নহয় একাউণ্টটোৰ বেকগ্ৰাউণ্ডত নগাঁৱৰ সাংসদ প্ৰদ্যুৎ বৰদলৈৰ সৈতে থকা ফাৰুকীৰ ফটোখনো দুষ্ট চক্ৰই ব্যৱহাৰ কৰিছে। তেওঁৰ সন্মানত আঘাত হানি জনমানসত হেয় প্ৰতিপন্ন কৰিবলৈ এনে দুষ্কৰ্ম কৰিবলৈ উঠিপৰি লাগিছে বুলি অভিযোগ তুলি কালি মোৰাঝাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে ভুক্তভোগী তথা কংগ্ৰেছ নেতা কামালউদ্দিন ফাৰুকীয়ে। ইতিমধ্যে মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া জ্যোতিকমল বণিয়াই আৰম্ভ কৰিছে তদন্ত।

**NOTICE INVTING TENDER**

Sealed Tenders are invited in plain papers affixing postage stamp amounting Rs 8.25 (Rupees eight & twenty five paisa) only from reputed firm/ contractor with experience for the following works under P&RD (SOPD) fund for the year 2020-21 under Jalah Dev. Block of BTR area.

| Name of Work | Estimate Amount |
| --- | --- |
| 1. Imp. of road with Earthwork and Sand gravelling from Mantu Das's house to Kumud Das house at Mazarabari village | Rs. 21.50L |
| 2. Imp. of road with Earthwork and Sand gravelling from Gabkoa's house at Borlipi village to Mandela's house alongwith 2 nos. RCC Slab Culvert | Rs. 34.41L |
| 3. Imp. of road with Earthwork and Sand gravelling from Dairy farm to Garumara village. | Rs. 21.50L |
| 4. Imp. of road with Earthwork and Sand gravelling from Sarupcta Bhuyapara PWD road to Sudempuri village at Rupahi | Rs. 5.00L |

**Terms & Conditions:-**

1. 1% for SC, ST & OBC, 2% for General of the Estimate Amount for the each scheme is to be deposited as earnest money by Bank Draff FDR in the name of B.D.O., Jalah Dev. Block along with tender paper which is refundable after completion of the work.
2. The rate for the work should be as per the Plan & Estimate already specified in proposal.
3. The work should be completed within 6 (Six) Months from the date of the issue of the work order.
4. The quotations along with required documents should be submitted by the date 07/06/2021 Till 2.30 p.m. in the office of the undersigned.
5. The Tender will be opened after the closing time on the same date in presence of the bidder.
6. The lowest rate Tenderer will be eligible for selection for the work.
7. The tenderer will have submit up to date Contractor Registration Certificate, Labour Licence, GST with Clearance Certificate. Pan Card. Voter Card, Caste Certificate etc.
8. In case the office remains closed on tender issuing/recciving/opening date the same will be issued/received/opened on next working day.

**Block Development Officer**
**Jalah Development Block**
**Jalahghat**

# সাৰেঙত 'আশা আৰু নিউবিল ডেভলেপমেণ্ট ছ'চাইটী'ৰ খাদ্যসামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১ জুন ঃ** অবিভক্ত ওদালগুৰি জিলাৰ খৈৰাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত সাৰেং গাঁৱত শেহতীয়াকৈ কৰ'না ভাইৰাছৰ গণ সংক্ৰমণৰ ফলত ৩৮ জনকৈ লোক ক'ভিডত আক্ৰান্ত হৈছে। ইতিমধ্যে জিলা স্বাস্থ্য বিভাগে আক্ৰান্তৰ পৰিয়ালসমূহ চিনাক্ত কৰি সেইবোৰ কন্টেইনমেন্ট জ'ন হিচাপে ঘোষণা কৰি সেই অঞ্চলটোলৈ বাহিৰা লোকৰ প্ৰবেশ বন্ধ কৰি দিছে। এনে পৰিস্থিতিত কন্টেইনমেন্ট জ'নত থকা বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ লোকসকল নানা আহুকালৰ সন্মুখীন হোৱা পৰিলক্ষিত হৈছে। চৰকাৰীভাৱে এনে পৰিয়ালসমূহক কিছু সাহায্য প্ৰদান কৰা হৈছে যদিও অধিকাংশ পৰিয়ালেই যৌথ পৰিয়াল হোৱাৰ বাবে সেইখিনি সাহায্য পৰ্যাপ্ত হোৱা নাই। এনে এক দুৰ্যোগপূৰ্ণ সময়তেই এই অসহায় লোকসকলক সহায় কৰিবলৈ আগবাঢ়ি আহিছে কটৰাস্থিত 'আশা আৰু নিউবিল ডেভেলপমেন্ট ছ'চাইটী' নামৰ বেচৰকাৰী সামাজিক সংস্থাটো। সংস্থাটোৰ সঞ্চালক ৰাজীৱ কলিতাৰ নেতৃত্বত ২৯মে'ত সংস্থাটোৰ স্বেচ্ছাসেৱকসকলে পুৱা ৯বজাৰ পৰা সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি গাঁওখনৰ কণ্টেইনমেণ্ট জ'নত থকা অৰ্ধশতাধিক পৰিয়ালক এমাহৰ বাবে খাদ্যবস্তুৰ যোগান ধৰে। এই কাৰ্যসূচীত গাঁওখনৰ স্থানীয় গাঁওবুঢ়া, গাঁওৰক্ষী বাহিনীৰ সম্পাদক, দক্ষিণ চিনাকোণা উচ্চ ইংৰাজী বিদ্যালৰ প্ৰধান শিক্ষকক ধৰি গাঁওখনৰ কেইবাজনো সচেতন ব্যক্তিয়ে সহযোগিতা আগবঢ়ায়। এই অনুষ্ঠানটোতে 'আশা আৰু নিউবিল ডেভেলপমেন্ট ছ'চাইটী'ৰ সঞ্চালক ৰাজীৱ কলিতাক সাৰেং নৱজ্যোতি যুৱক সংঘৰ তৰফৰ পৰা সম্বৰ্ধনাও জনোৱা হয়। উল্লেখ্য যে 'আশা আৰু নিউবিল ডেভেলপমেন্ট ছ'চাইটী" নামৰ এই বেচৰকাৰী সামাজিক সংস্থাটোৱে ইতিপূৰ্বেও বনানীকৰণ, চিকিৎসা শিবিৰ আয়োজন, দৰিদ্ৰ মেধাবী শিক্ষাৰ্থীক জলপানি, প্ৰাকৃতিক দুৰ্যোগত পীড়িত আৰ্তজনক সহায় আদি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে।



চামগুৰিৰ আৰক্ষীয়ে তিনিটা ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ দৃশ্য, মঙলবাৰে

# ক'ভিডত অনাথ শিশুৰ বাবে ৱাল স্বৰাজ প'ৰ্টেল মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপাৰা, ১ জুন ঃ** ক'ভিড-১৯ মহামাৰীৰ পৰিপ্ৰেক্ষিতত বহু লোক চিৰদিনৰ বাবে আমাৰ মাজৰ পৰা হেৰাই গ'ল। বিশেষকৈ বহু শিশুৱে মাক-দেউতাক দুয়োজনকে হেৰুৱাই অনাথ হৈ পৰিছে নতুবা কোনোৱে বাপেক অথবা মাকক এই মহামাৰীত হেৰুৱাই এক জটিল পৰিৱেশত আবদ্ধ হৈ পৰিছে। কেৱল মহাৰাষ্ট্ৰতে ২৯০০ শিশু অনাথ হোৱা বুলি জানিব পৰা গৈছে। ভাৰতৰ উচ্চতম ন্যায়ালয় আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ে এনে শিশুৰ সহায়ৰ ব্যৱস্থা ল'বলৈ এক তৎকালীন আৱেদন জনাইছে আৰু এই আৱেদনৰ প্ৰতি সঁহাৰি জনাই ৰাজ্যিক শিশু সুৰক্ষা সমিতিৰ নিৰ্দেশত শোণিতপুৰ শিশু সুৰক্ষা গোটৰ, [District Child Protection Unit] দ্বাৰা এনে শিশু লালন-পালনৰ এক বিশেষ শিশুগৃহৰ ব্যৱস্থা কৰা হৈছে। সেয়েহে এনে শিশুৰ সুৰক্ষা আৰু লালন-পালনৰ বাবে সচেতন লোকে অথবা স্বেচ্ছাসেৱী অনুষ্ঠানে শোণিতপুৰ শিশু কল্যাণ সমিতিৰ লগত যোগাযোগ কৰিবলৈ শোণিতপুৰ শিশু কল্যাণ সমিতিয়ে আহ্বান জনায়। তদুপৰি শিশু শ্ৰমিকৰ সমস্যা, শিশুৰ সৰবৰাহ, বাল্য বিবাহ, শিশুৰ ওপৰত যৌন নিৰ্যাতন অথবা অন্যান্য পীড়ণ, শিশুৰ মানসিক সমস্যা আদিৰ বিষয়েও শিশু কল্যাণ সমিতিৰ সৈতে যোগাযোগ কৰিব পাৰে বুলি শোণিতপুৰ শিশু কল্যাণ সমিতিৰ সভাপতি দিলীপ বৰুৱাই সংবাদ মাধ্যমক অৱগত কৰে। শিশু দত্তক গ্ৰহণ (Adoption), শিশু সমৰ্পণ (Surrender), শিশুৰ পৃষ্টপোষকতা (Sponsorship), শিশুৰ পালক পিতৃ-মাতৃ হোৱা (Foster Care), শিশুৰ লালন পালনৰ ফিট পাৰচন (Fit Person), হোৱাৰ বাবেও শিশু কল্যাণ সমিতিৰ (Child Welfare Committee,Sonitpur), (cwcsonitpur@gmail.com) আৰু দিলীপ কুমাৰ বৰুৱা, চেয়াৰ পাৰচন, ৯৪৩৫১৮৭৬৬৫/৬০০২৯৯৩৩২৫, অৰুণা গোস্বামী শৰ্মা ৯৭০৬৪৯৩৩৫১, অৰুণিমা শৰ্মা ৯৮৬৪০২৭০২৩, মঞ্জু কাকতি ৮০১১২৪০৭৬৫ আৰু কুমাৰী দেৱী, ঢেকীয়াজুলি, ৮৭২১৮০৪১৯০ আদি নম্বৰত যোগাযোগ কৰিব পাৰে বুলি দিলীপ বৰুৱাই উল্লেখ কৰে।

# আজিৰে পৰা ইংলেণ্ড-নিউজিলেণ্ডৰ প্ৰথম টেষ্ট

**লণ্ডন, ১ জুন ঃ** কাইলৈৰ পৰা আৰম্ভ হ'ব ইংলণ্ড আৰু নিউজিলেণ্ডৰ মাজৰ দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচ। লৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব শৃংখলাৰ প্ৰথমখন টেষ্ট। উল্লেখ্য যে নিউজিলেণ্ডে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পূৰ্বে ইংলণ্ডৰ বিৰুদ্ধে এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ লৈছে। কাইলৈৰ পৰা প্ৰথমখন টেষ্ট আৰু দ্বিতীয়খন টেষ্ট ১০ ৰ পৰা ১৪ জুনলৈ আৰম্ভ হ'ব। উল্লেখ্য যে ভাৰতৰ বিৰুদ্ধে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন খেলাৰ পূৰ্বে ইংলণ্ডৰ বিৰুদ্ধে দুখনীয়া টেষ্ট শৃংখলাত অংশ লৈ অনুশীলনৰ সুযোগ লৈছে নিউজিলেণ্ড দলে। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন অহা ১৮ জুনৰ পৰা আৰম্ভ হ'ব। নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা টেষ্ট শৃংখলাৰ বাবে ইংলণ্ড দলক নেতৃত্ব দিব জ' ৰুটে। দলত আছে অভিজ্ঞ পেচাৰদ্বয় জেমছ এণ্ডাৰছন আৰু ষ্টুৱাৰ্ট ব্ৰড। কিন্তু আই পি এলত খেলা ইংলণ্ডৰ ক্ৰিকেটাৰক টেষ্ট দলত লোৱা হোৱা নাই। যাৰবাবে বাটলাৰ, মঈন আলী, বেয়াৰষ্ট্ৰৱ, কুৰান দলত নাই। আঘাতৰ বাবে নিৰ্বাচিত নহ'ল ফকছ, বেন ষ্টকছ আৰু আৰ্চাৰো। ইফালে, ইংলণ্ডৰ অভিজ্ঞ পেচ বলাৰ জেমছ এণ্ডাৰছনে যদি নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম মেচত কাইলৈ মূল একাদশত স্থান লাভ কৰে তেন্তে এক অভিলেখৰ গৰাকী হ'ব। ইংলণ্ডৰ হৈ সৰ্বাধিক টেষ্ট খেলা প্ৰাক্তন অধিনায়ক এলাষ্টায়াৰ কুকক স্পৰ্শ কৰিব এণ্ডাৰছনে। উল্লেখ্য যে কুকে ১৬১ খন টেষ্ট খেলিছে। ইফালে, এণ্ডাৰছনে টেষ্টত লাভ কৰিছে ৬১৪ টা উইকেট। ইফালে, কেন উইলিয়ামছনৰ নেতৃত্বত এই শৃংখলাত প্ৰতিশোধ লোৱাৰ লক্ষ্যৰে খেলিব কিবি বাহিনীয়ে।



# শিৱ-লাভলীনাক অভিনন্দন

**গুৱাহাটী, ১ জুন ঃ** ডুবাইত অনুষ্ঠিত হোৱা এছিয়ান বক্সিং প্ৰতিযোগিতাত ৰূপ লাভ কৰা অসমৰ শিৱ থাপা আৰু ব্ৰঞ্জ লাভ কৰা অসম কন্যা লাভলীনা বৰগোহাইক শুভেচ্ছা জনাইছে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। উভয় বক্সাৰক ধন্যবাদ জনাই পৰবৰ্তী সময়তো শিৱ-লাভলীনাৰ পৰা অসমে গৌৰৱময় সফলতা লাভ কৰিব বুলি আশাব্যক্ত কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। উল্লেখ্য যে লাভলীনা বৰগোহায়ে (৬৯ কেজি) মহিলাৰ একক শাখাৰ ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জ লাভ কৰিছে। পোনে পোনে ছেমিফাইনেল খেলাৰ সুযোগ লাভ কৰিছিল যদিও ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকে বক্সাৰগৰাকী। উল্লেখ্য যে কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত এয়া হৈছে লাভলীনাৰ প্ৰথম প্ৰতিযোগিতা। ছেমিফাইনেলত লাভলীনাক ২-৩ ৰ ব্যৱধানত পৰাস্ত কৰে উজবেকিস্তানৰ নভবখৰ খামিড'ভে।



এছিয়ান বক্সিং প্ৰতিযোগিতাত এয়া লাভলীনাৰ দ্বিতীয়টো পদক। উল্লেখ্য যে অসমৰ প্ৰথম মহিলাৰূপে অলিম্পিকলৈ যোগ্যতা অৰ্জনৰ গৌৰৱ লাভ কৰা লাভলীনাই ২০১৭ ৰ এছিয়ান বক্সিঙতো ব্ৰঞ্জ লাভ কৰিছিল। ইফালে, বিশ্ব বক্সিঙতো ক্ৰমাগত দুবছৰ দুটা ব্ৰঞ্জ লাভ কৰিছে অসম কন্যাই। ইফালে, পুৰুষৰ ৬৪ কেজি শাখাৰ ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদক লাভ কৰে অসমৰ শিৱ থাপাই। সোণৰ পদকৰ যুঁজত শিৱ মংগোলিয়াৰ বাটাৰ্ছুখৰ বিৰুদ্ধে মুখামুখি হয়। মেচখনত শিৱ থাপা ২-৩ ৰ ব্যৱধানত পৰাস্ত হয়। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা বক্সাৰ শিৱ থাপাই এছিয়ান বক্সিঙত ২০১৩ ৰ সোণসহ মুঠ পাঁচটা পদক লাভ কৰিলে। এইবাৰ ৰূপ জয় কৰা শিৱই ইয়াৰপূৰ্বে ২০১৩ ত সোণ, ২০১৭ ত ৰূপ আৰু ২০১৫ তথা ২০১৯ ত ব্ৰঞ্জ লাভ কৰিছিল। অসম বক্সিং সন্থায়ো পদকজয়ী শিৱ-লাভলীনাক অভিনন্দন জনাইছে।



# গ্ৰেণ্ডশ্লাম টেনিছ ফ্ৰেন্স অপেনৰ পৰা নাম প্ৰত্যাহাৰ অ'ছাকাৰ

**পেৰিছ, ১ জুন ঃ** জাপানৰ নাওমি অ'ছাকাই চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পৰা মাজতে নাম প্ৰত্যাহাৰ কৰিছে। অৱশ্যে আঘাতৰ বাবে নাম প্ৰত্যাহাৰ কৰা নাই অ'ছাকাই। বিপৰীতে মিডিয়াৰ লগত অ'ছাকাৰ যি বিতৰ্কৰ সূত্ৰপাত হৈছিল তাৰপাছত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ আয়োজকৰ ব্যৱহাৰে ব্যথিত কৰিছে জাপানৰ তাৰকাগৰাকীক। সেয়ে অ'ছাকাই গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত নেখেলাৰ সিদ্ধান্ত লৈছে। উল্লেখ্য যে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত প্ৰত্যাশিতভাৱে জয়ৰে অভিযান আৰম্ভ কৰিছিল জাপানৰ নাওমি অ'ছাকাই। কিন্তু সুন্দৰ আৰম্ভণিৰ পাছতো বিতৰ্কত সোমাই অ'ছাকা। মিডিয়াক বয়কট কৰি শাস্তীৰ সন্মুখীন হয় জাপানৰ টেনিছ তাৰাকাগৰাকী। ১৫ হেজাৰ ডলাৰ মেচ ফ্ৰী কৰ্তন কৰা হৈছে অ'ছাকাৰ। লগতে পৰৱৰ্তী সময়ত এনে নকৰিবলৈ সকিয়নি দিছে আয়োজকে। ইয়াৰ পাছতে ফ্ৰেন্স অপেনত নেখেলাৰ সিদ্ধান্ত লয় অ'ছাকাই। উল্লেখ্য যে ফ্ৰেন্স অপেনৰ প্ৰথমদিনা প্ৰথম ৰাউণ্ডৰ মেচত অ'ছাকাই পোনপটীয়া ছেটত পৰাস্ত কৰে ৰোমানিয়াৰ পাট্ৰিচিয়া মাৰিয়াক। ব্যৱধান হ'ল ৬-৪, ৭-৬। দ্বিতীয় ৰাউণ্ডত ২৩ বছৰীয়া জাপানৰ তাৰকা নাওমি অ'ছাকা মুখামুখি হোৱাৰ কথা আছিল ৰোমানিয়াৰে আন এগৰাকী খেলুৱৈ এনা ব'গানৰ। কিন্তু মেচৰ পূৰ্বে ফ্ৰেন্স অপেনত নেখেলাৰ সিদ্ধান্ত লয় জাপানৰ তাৰকাগৰাকীয়ে। উল্লেখ্য যে চাৰিটা গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ লাভ কৰা অ'ছাকা এইবাৰ ফ্ৰেন্স অপেনৰ দাবীদাৰ আছিল।

## প্ৰথম আইচিচি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল

# ভাৰতীয় দলক শুভেচ্ছা জনাই বিশেষ হিন্দী গীত

**কোচি, ১ জুন ঃ** অহা ১৮ জুনত ইংলণ্ডত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। উল্লেখ্য যে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰত মুখামুখি হ'ব নিউজিলেণ্ডৰ। এই গৌৰৱময় ক্ষণত ভাৰতীয় দলক শুভেচ্ছা দিয়াৰ বাবে এটা বিশেষ গীত প্ৰস্তুত কৰা হৈছে। হিন্দী ভাষাৰ এই গীতটো লিখিছে কেৰেলাৰ মালাবৰ খ্ৰীষ্টিয়ান কলেজৰ বুৰঞ্জী বিভাগৰ প্ৰৱক্তা প্ৰফেচাৰ বশিষ্টে। আনহাতে সুৰ আৰু কণ্ঠদান কৰিছে তেওঁৰে শিষ্য ছাই গিৰিধৰে। গীতটোত আছে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেললৈ ভাৰতীয় দল যোগ্যতা অৰ্জন কৰাৰ কাহিনী আৰু ফাইনেল খেলিব লগা দলৰ সদস্যসকলৰ নাম। উল্লেখ্য যে ইংলণ্ড ভ্ৰমণ আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচৰ বাবে ভাৰতীয় দল অহা দুই জুনত ৰাওনা হ'ব। বিৰাট কোহলিৰ নেতৃত্বত যাবলগা দলৰ সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, শুভমন গিল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে (সহঃ অধিনায়ক), হনুমা বিহাৰী, ঋষভ পণ্ট (উইকেট ৰক্ষক), ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাডেজা, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, যশপ্ৰীত বুমৰাহ, ঈশান্ত শৰ্মা, মহম্মদ ছামি, মহম্মদ ছিৰাজ, শ্বাৰ্দুল ঠাকুৰ, উমেশ যাদৱ, লোকেছ ৰাহুল, আৰু ঋদ্ধিমান সাহা। উল্লেখ্য যে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচৰ পাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে পাঁচ খনীয়া টেষ্ট শৃংখলা। অহা চাৰি আগষ্টত ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব ১৪ ছেপ্টেম্বৰত।

# এইবাৰ নোৱাৰিলেও ২০২৪ৰ অলিম্পিকত খেলিম ঃ শিৱ থাপা

**গুৱাহাটী, ১ জুন ঃ** 'এইবাৰৰ অলিম্পিকত অংশ ল'ব নোৱাৰাটো মোৰ বাবে এক অপ্ৰত্যাশিত ঘটনা। কিন্তু মই আশাবাদী পৰৱৰ্তী ২০২৪ ৰ অলিম্পিকত খেলিমো লগতে পদকো জয় কৰিম।' এই মন্তব্য এছিয়ান বক্সিং প্ৰতিযোগিতাত ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি ৰূপৰ পদক লাভ কৰা অসম সন্তান শিৱ থাপাৰ। উল্লেখ্য যে যোৱানিশা ডুবাই অনুষ্ঠিত এছিয়ান বক্সিং প্ৰতিযোগিতাৰ ৬৪ কেজি শাখাৰ ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদক লাভ কৰে অসমৰ শিৱ থাপাই। সোণৰ পদকৰ যুঁজত শিৱ মংগোলিয়াৰ বাটাৰ্ছুখৰ বিৰুদ্ধে মুখামুখি হয়। মেচখনত শিৱ থাপা ২-৩ ৰ ব্যৱধানত পৰাস্ত হয়। পইণ্টৰ ব্যৱধান হ'ল ২৮-২৯, ২৯-২৮, ২৯-২৮, ২৮-২৯, ২৮-২৯। উল্লেখ্য যে ২০১২ ৰ লণ্ডন অলিম্পিক আৰু ২০১৬ ৰ ৰিঅ' অলিম্পিকত খেলা শিৱই এইবাৰ টকিঅ' অলিম্পিকলৈ যোগ্যতা অৰ্জনত ব্যৰ্থ। লণ্ডন আৰু ৰিঅ'ত প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ বিদায় লোৱা শিৱই এতিয়া লক্ষ্য লৈছে ২০২৪ ৰ অলিম্পিকত খেলাৰ লগতে পদক জয় কৰাৰ। উল্লেখ্য যে দুবাৰকৈ অলিম্পিক খেলা বক্সাৰ শিৱ থাপাই এছিয়ান বক্সিঙত ২০১৩ ৰ সোণসহ মুঠ পাঁচটা পদক লাভ কৰিলে। এইবাৰ ৰূপ জয় কৰা শিৱই ইয়াৰপূৰ্বে ২০১৩ ত সোণ,



২০১৭ ত ৰূপ আৰু ২০১৫ তথা ২০১৯ ত ব্ৰঞ্জ লাভ কৰিছিল। উল্লেখ্য যে প্ৰতিযোগিতাত শিৱৰ বিজয় ৰথ স্তব্ধ হয় ফাইনেলত। ইয়াৰপূৰ্বে ছেমিফাইনেলত শিৱৰ প্ৰতিদ্বন্দ্বী আছিল তাজাকিস্তানৰ বাখ'দুৰ উছম'ন'ভ। বিগত বৰ্ষৰ ৬৪ কেজি শাখাৰ চেম্পিয়নজনক শিৱই বিধ্বস্ত কৰি ৪-০ ব্যৱধানত পৰাস্ত কৰে। আনহাতে, শিৱই কোৱাৰ্টাৰ ফাইনেলত মুখামুখি হৈছিল কুৱেটৰ নাডিৰ অ'ডাহৰ বিৰুদ্ধে। মেচখনত ৫-০ ব্যৱধানত জয়ী হৈ পদক নিশ্চিত কৰিছিল শিৱই। আনহাতে, প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ মেচত শিৱ থাপাই ৫-০ ব্যৱধানত পৰাস্ত কৰিছিল কাজাখস্তানৰ ডমিইৰি পুচিনক। কৰ'নাৰ বাবে অনুশীলনত বাধা হোৱাৰ কথা উল্লেখ কৰি শিৱই নিজৰ প্ৰদৰ্শনক লৈ কিন্তু নিৰাশ নহয়।

# টকিঅ' অলিম্পিকলৈ দৃঢ়তা-আত্মবিশ্বাসেৰে সাজু ভাৰতৰ তাৰকা শ্বাটলাৰ পি ভি সিন্ধু



**হায়দৰাবাদ, ১ জুন ঃ** ছাইনা নেহৱাল আৰু কিদাম্বি শ্ৰীকান্তৰ আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ ক্ষেত্ৰত অনিশ্চয়তাই দেখা দিয়াৰ মাজতে দৃঢ়তা আৰু আত্মবিশ্বাসৰে সাজু হৈছে ভাৰতৰ আন এগৰাকী তাৰকা শ্বাটলাৰ পি ভি সিন্ধু। উল্লেখ্য যে বিগত ৰিঅ' অলিম্পিকত সিন্ধুই ভাৰতক ৰূপৰ পদক দিছিল। জীৱনৰ প্ৰথমখন অলিম্পিক খেলিয়েই ৰূপ লাভ কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছিল বেডমিণ্টন তাৰকা সিন্ধুই। এইবাৰ সিন্ধুৰ লক্ষ্য সোণ। উল্লেখ্য যে অলিম্পিক আৰম্ভ হোৱাৰ পূৰ্বেই সিন্ধুৰ ভাগ্য সুপ্ৰসন্ন হোৱাৰ পথত। কাৰণ আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ পৰা বঞ্চিত হ'ব পাৰে বিশ্বৰ তাৰকা মহিলা শ্বাটলাৰ স্পেইনৰ কেৰ'লিনা মাৰিণ। উল্লেখ্য যে স্পেনিছ মিডিয়াৰ খবৰ অনুসৰি অনুশীলনৰ মাজতে গুৰুতৰ আঘাতৰ সন্মুখীন হয় মাৰিন। চিকিৎসকে মাৰিনক দুমাহৰ জিৰণিৰ পৰামৰ্শ দিছে। যদি আঘাতৰ পৰা মুক্তি লাভ নকৰে তেন্তে বিগত ৰিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী বিশ্বৰ তাৰকা মহিলা শ্বাটলাৰ স্পেইনৰ কেৰ'লিনা মাৰিণে আসন্ন টকিঅ' অলিম্পিকত অংশ লোৱাৰ পৰা বঞ্চিত হ'ব পাৰে। সূচী অনুসৰি অহা ২৩ জুলাইৰ পৰা আৰম্ভ হ'ব টকিঅ' অলিম্পিক। উল্লেখ্য যে বিগত ৰিঅ' অলিম্পিকৰ মহিলাৰ একক শাখাৰ ফাইনেলত ভাৰতৰ পি ভি সিন্ধুক পৰাস্ত কৰি স্পেইনৰ কেৰ'লিনা মাৰিনে সোণ লাভ কৰিছিল। মাৰিনৰ অনুপস্থিতিয়ে সিন্ধুক সুযোগ দিব।

## ক্লাবৰ মেনেজমেণ্টে মোৰ ওপৰত ৰখা বিশ্বাস হেৰুৱাইছে


# ৰিয়াল মাদ্ৰিদ ত্যাগ কৰাৰ কাৰণ মুকলি কৰিলে জিদানে

**পেৰিছ, ১ জুন ঃ** 'যেতিয়া ক্লাবৰ মেনেজমেণ্টে দলৰ মেনেজাৰৰ প্ৰতি বিশ্বাস হেৰুৱাই তেতিয়া মেনেজাৰজনে নিজেই ক্লাবৰ পৰা অব্যাহতি লোৱাটো ভাল। কোনো বিতৰ্ক হোৱাৰ পূৰ্বে মই এই কাৰণতে ৰিয়াল মাদ্ৰিদ ত্যাগ কৰিছো।' এই মন্তব্য ফৰাচী মেনেজাৰ জিডানৰ। উল্লেখ্য যে ৰিয়াল মাদ্ৰিদক ক্ৰমাগত তিনিবাৰ চেম্পিয়নছ লীগৰ খিতাপ দিয়াৰ লগতে স্পেনিছ লা-লিগাত চেম্পিয়ন কৰোৱা ফৰাচী মেনেজাৰ জিডানে অলপতে ক্লাব ত্যাগ কৰাৰ কথা আনুষ্ঠানিকভাবে ঘোষণা কৰিছে। বিগত লা-লিগাৰ চেম্পিয়ন ৰিয়াল মাদ্ৰিদ এইবাৰ পইণ্ট তালিকাৰ দ্বিতীয় স্থানত থাকে। আনহাতে, চেম্পিয়নছ লীগৰ ছেমিফাইনেলত ৰিয়াল পৰাস্ত হয় চেলছিৰ বিৰুদ্ধে। উল্লেখ্য যে স্পেনিছ লা-লিগাত এথলেটিকো মাদ্ৰিদ আৰু ৰিয়াল মাদ্ৰিদে খিতাপ জয়ৰ আশা সজীৱ কৰি ৰাখিছিল অন্তিম মেচলৈ। ৰিয়াল মাদ্ৰিদে



নিজৰ অন্তিম মেচখন খেলে ভিল্লাৰিয়ালৰ বিৰুদ্ধে। মেচখনত ৰিয়াল ২-১ গ'লৰ ব্যৱধানত জয়লাভ কৰিয়ো খিতাপ অৰ্জনত সফল নহ'ল। কাৰণ এথলেটিকোই শীৰ্ষস্থানত থাকি চেম্পিয়ন ট্ৰফী লাভ কৰে। ইফালে, ৰিয়াল মাদ্ৰিদে চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলতে নিজৰ যাত্ৰা সামৰিছিল। ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত ৰিয়াল মাদ্ৰিদ মুখামুখি হয় ইংলণ্ডৰ ক্লাব চেলছি। মেচখনত চেলছি ২-০ গ'লৰ ব্যৱধানত জয়লাভ কৰি চেম্পিয়নছ লীগ ফুটবলৰ খিতাপৰ যুঁজলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে চেলছিয়ে সামগ্ৰিকভাবে ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদক। ইয়াৰপূৰ্বে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচখনত উভয় দলে ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল। চলিত ছিজনৰ এই ব্যৰ্থতাৰ পাছত ক্লাব ত্যাগ কৰাৰ সিদ্ধান্ত লয় ফ্ৰান্সৰ বিশ্ব চেম্পিয়ন দলৰ সদস্য জিদানে।

# ভাৰতীয় মহিলা ক্ৰিকেট দলৰ টেষ্ট জাৰ্ছি মুকলি চাৰি অধিনায়িকাৰ



**মুম্বাই, ১ জুন ঃ** ভাৰতীয় মহিলা দলে এইবাৰ ইংলণ্ড আৰু অষ্ট্ৰেলিয়া ভ্ৰমণত দুখন টেষ্ট খেলিব। বি চি চি আয়ে ভাৰতীয় মহিলা টেষ্ট দলৰ নতুন জাৰ্ছি যোৱানিশা উন্মোচন কৰে। অনুষ্ঠানত ভাগ লয় মিতালী ৰাজ, ঝুলন গোস্বামী, স্মৃতি মান্ধানা আৰু হৰমনপ্ৰীত কৌৰে। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত অহা ১৬ জুনত ভাৰতীয় মহিলা ক্ৰিকেট দলে একমাত্ৰ টেষ্ট খেলিব ইংলণ্ডৰ বিৰুদ্ধে। মিতালীয়ে ভাৰতক নেতৃত্ব দিব। উল্লেখ্য যে ইংলণ্ডত ভাৰতীয় মহিলা ক্ৰিকেট দলে এখন টেষ্ট খেলাৰ লগতে তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচ খেলিব। ইফালে, ভাৰতীয় মহিলা ক্ৰিকেট দলে পোন প্ৰথমবাৰৰ বাবে চলিত বৰ্ষতে দিবা-নৈশ টেষ্ট খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণলৈ যাব লগা ভাৰতীয় মহিলা ক্ৰিকেট দলে পাৰ্থত অহা ৩০ ছেপ্টেম্বৰৰ পৰা তিনি অক্টোবৰলৈ ঘৰুৱা দলৰ বিৰুদ্ধে দিবা-নৈশ টেষ্টখন খেলিব। অষ্ট্ৰেলিয়া ভ্ৰমণত ভাৰতীয় মহিলা ক্ৰিকেট দলে তিনিখন এদিনীয়া আৰু টি-২০ মেচো খেলিব। উল্লেখ্য যে ইংলণ্ড ভ্ৰমণ কৰাৰ পাছতে অষ্ট্ৰেলিয়ালৈ যাব ভাৰতীয় মহিলা ক্ৰিকেট দল।

# এছিয়ান বক্সিং প্ৰতিযোগিতাত সঞ্জীতৰ সোণ

## ভাৰত তৃতীয়, শ্ৰেষ্ঠ দল উজবেকিস্তান



**নতুন দিল্লী, ১ জুন ঃ** ডুবাইত অনুষ্ঠিত হোৱা এছিয়ান বক্সিং প্ৰতিযোগিতাৰ যোৱানিশা সামৰণি পৰে। অন্তিম দিনা অনুষ্ঠিত হয় পুৰুষ শাখাৰ ফাইনেল। উল্লেখ্য যে পুৰুষৰ ফাইনেলত অংশ লয় শিৱ থাপা (৬৪ কেজি), সঞ্জীত (৯১ কেজি) আৰু অমিত পাংগলে (৫২ কেজি)। ইয়াৰে সঞ্জীতে সোণৰ পদকৰ মেচত মুখামুখি হয় ৰিঅ' অলিম্পিকৰ ৰূপ জয়ী লেভিটৰ। পাঁচবাৰ এছিয়ান চেম্পিয়নশ্বিপৰ স্বৰ্ণজয়ী লেভিটক পৰাস্ত কৰি এইবাৰ সোণ অৰ্জন কৰে ভাৰতৰ সঞ্জীতে। বিপৰীতে ফাইনেলত পৰাস্ত হৈ ৰূপ লাভ কৰে শিৱ আৰু অমিতে। ইফালে, বৰীন্দৰ (৬০ কেজি) আৰু বিকাশ কিষান (৬৯ কেজি) ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকে। অৰ্থাৎ পুৰুষ শাখাত ভাৰতে এটা সোণ, দুটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ মুঠ পাঁচটা পদক লাভ কৰে। ইফালে, প্ৰতিযোগিতাত ভাৰতৰ মহিলা দলে এটা সোণ, তিনিটা ৰূপ আৰু ছটা ব্ৰঞ্জৰ পদক লাভ কৰি নিজৰ অভিযান সামৰে। উল্লেখ্য যে ভাৰতৰ হৈ একমাত্ৰ সোণটো লাভ কৰেপূজা ৰাণী (৭৫ কেজি) য়ে। পূজাৰ ফাইনেলত প্ৰতিদ্বন্দ্বী আছিল উজবেকিস্তানৰ মাভলুডা। ৫-০ ৰ ব্যৱধানত জয়ী হৈ এছিয়ান বক্সিং প্ৰতিযোগিতাত ক্ৰমাগত দ্বিতীয়টো সোণ পায় পূজাই। ইফালে, ফাইনেলত পৰাস্ত হৈ ৰূপ অৰ্জন কৰে এম চি মেৰীকম (৫১ কেজি), লালবুৱাটছাইহি (৬৪ কেজি), আৰু অনুপমা (৮১ কেজি ঊৰ্ধ্ব) ই। ফাইনেলত মেৰীকম মুখামুখি হয় কাজাখস্তানৰ নাজিম কিজাইবিৰ বিৰুদ্ধে। ৩-২ ৰ ব্যৱধানত পৰাস্ত হয় মেৰী। লালবুৱাটছাইহি ফাইনেলত ২-৩ ৰ ব্যৱধানত পৰাস্ত হয় কাজাখস্তানৰ মিলানাৰ বিৰুদ্ধে। আনহাতে, অনুপমাক ফাইনেলত ২-৩ ৰ ব্যৱধানত পৰাস্ত কৰে কাজাখস্তানৰ লাজাটে। ইফালে, ছেমিফাইনেলত পৰাস্ত হৈ ব্ৰঞ্জ লাভ কৰে ম'নিকা (৪৮ কেজি), সাক্ষী (৫৪ কেজি), জেছমিন (৫৭ কেজি), সিমৰণজিত কৌড় (৬০ কেজি), লাভলীনা বৰগোহাই (৬৯ কেজি), আৰু স্বতিয়ে (৮১ কেজি)। প্ৰতিযোগিতাত ভাৰতীয় দল তৃতীয় স্থানত থাকে। মুঠ ১৭ খন দেশে অংশ লোৱা এছিয়ান বক্সিং প্ৰতিযোগিতাত শ্ৰেষ্ঠ হয় উজবেকিস্তান আৰু দ্বিতীয় কাজাখস্তান।

## গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ ফ্ৰেন্স অপেন

# দ্বিতীয় ৰাউণ্ডত ৰ'জাৰ ফেডেৰাৰ

**পেৰিছ, ১ জুন ঃ** ভাৰতৰ ৰোহন বোপান্না আৰু তেওঁৰ ক্ৰৱেছিয়াৰ সংগী ফ্ৰেংকো চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পুৰুষৰ ডাবলছ শাখাৰ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। প্ৰথম ৰাউণ্ডৰ মেচত ৰোহন বোপান্না আৰু ফ্ৰেংকোই ৬-৪, ৬-২ ৰ ব্যৱধানত জয়ী হয়। ইফালে, পুৰুষৰ একক শাখাৰ মেচত তাৰকা ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰাৰে ৬-২, ৬-৪, ৬-৩ ৰ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। মহিলাৰ একক শাখাত ছ'ফিয়া কিনে ৬-৪, ৪-৬, ৬-৩ ব্যৱধানত তথা এলিনা ছ'ভিট'লিনাই ৬-২, ৭-৫ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হয়। উল্লেখ্য যে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ প্ৰথম ৰাউণ্ডতে বিদায় লৈছে ড'মিনিক থিয়েম। প্ৰথম ৰাউণ্ডৰ মেচত থিয়েম ৪-৬, ৫-৭, ৬-৩, ৬-৪, ৪-৬ ব্যৱধানত পৰাস্ত হয়। ইফালে, জভাৰেভে প্ৰথম ৰাউণ্ডৰ মেচত ৩-৬, ৩-৬, ৬-২, ৬-২, ৬-০ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। ইফালে, মহিলাৰ শাখাত পেট্ৰা কিট'ভাই ৬-৭, ৭-৬, ৬-১ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে। প্ৰথম ৰাউণ্ডত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰে ইগা আৰু ছাবালেনকাও। ইগাই ৬-০, ৭-৫ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰাৰ বিপৰীতে ছাবালেনকাই প্ৰথম ৰাউণ্ডত ৬-৪, ৬-৫ ব্যৱধানত জয়ী হয়।




## নগাঁৱত ড্ৰাগ্‌ছ আসক্ত যুৱকক আবদ্ধ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ জুন ঃ** নগাঁও চহৰৰ সমীপৰ ডিমৰুগুৰিত এজন ড্ৰাগ্‌ছ আসক্ত যুৱকক একাংশ লোকে আবদ্ধ কৰি আৰক্ষীক চমজাই দিয়ে। জানিব পৰা মতে ডিমৰুগুৰিৰ পেট্ৰল পাম্পৰ ওচৰত কলঙৰ পাৰত দুজন যুৱকে ছিৰিঞ্জৰে ড্ৰাগ্‌ছ সেৱন কৰি থকা প্ৰত্যক্ষ কৰি আজি পুৱাৰ ভাগত একাংশ লোকে এজন যুৱকক আবদ্ধ কৰে যদিও আনজন যুৱক পলাই যাবলৈ সক্ষম হয়। আবদ্ধ কৰা যুৱকজনক দুই এজনে লপা-থপা দিয়ে। পিছত যুৱকজনক আৰক্ষীক চমজাই দিয়ে। উল্লেখ্য যে নগাঁও চহৰৰ বিভিন্ন গলি, নেহেৰুবালিৰ কাষতে থকা কলঙৰ পাৰ, চহৰখনৰ দুই-এখন দলঙৰ তলত একাংশ কমবয়সীয়া যুৱকক ড্ৰাগ্‌ছ সেৱন কৰি থকা প্ৰায়ে দেখা যায়।

## নগাঁৱৰ বিশিষ্ট ব্যৱসায়ী ভৱেন দাসৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ জুন ঃ** নগাঁও চহৰৰ হয়বৰগাঁও এ টি ৰোড নিবাসী বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী ভৱেন দাস ওৰফে বাপ (৭৭)ৰ আজি গুৱাহাটীৰ আয়ুৰ্চন্দ্ৰা হাস্পতালত পৰলোকপ্ৰাপ্তি ঘটে। অবিবাহিত দাস কিছুদিন পূৰ্বে কৰ'না আক্ৰান্ত হৈ গুৰুতৰভাৱে অসুস্থ হৈছিল আৰু পিছত পৰিয়ালৰ লোকে মহানগৰীৰৰ আয়ুৰ্চন্দ্ৰাত ভৰ্তি কৰে। চাৰি দিন পূৰ্বে ক'ভিড নিগেটিভ হৈছিল যদিও দেওবাৰে পুনৰ অসুস্থ হৈ পৰাত ততাতৈয়াকৈ তেওঁক ৪৮ ঘণ্টা ভেণ্টিলেটৰত চিকিৎসা সেৱা প্ৰদান কৰে যদিও আজি বিয়লি শেষ নিশ্বাস ত্যাগ কৰে। সৰবৰহী দাসৰ মৃত্যুত নগাঁৱত গভীৰ শোকৰ ছাঁ পৰিছে । ভৱেন দাসৰ মৃত্যুত উত্তৰ হয়বৰগাঁও নামঘৰ সমিতি, হয়বৰগাঁও ব্যৱসায়ী সমাজকে ধৰি বহুকেইটা সংগঠনে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।



যোৰহাটৰ মাউত গাঁও বৰুৱা পুখুৰীত জকমকাই ফুলিছে পদুম

# নগাঁৱৰ ৰৌমাৰীত ড্ৰাগ্‌ছ আসক্ত পুত্ৰৰ আঘাতত প্ৰাণ গ'ল পিতৃৰ

### ড্ৰাগ্‌ছ সেৱন কৰিবলৈ পিতৃয়ে ধন নিদিয়াৰ ভয়ংকৰ পৰিণতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১ জুন ঃ** নগাঁও আৰক্ষীয়ে নিষিদ্ধ ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তুলিছে। ইতিমধ্যে জিলাখনৰ বহুকেইজন ড্ৰাগছ মাফিয়াক গ্ৰেপ্তাৰ কৰাৰ লগতে আৰক্ষীয়ে কেইবাটাও ড্ৰাগ্‌ছ ঘাটি উৎখাত কৰিবলৈ সক্ষম হৈছে। ইয়াৰ মাজতে জিলাখনৰ জুৰীয়াৰ সমীপৰ ৰৌমাৰীত ড্ৰাগ্‌ছ কেন্দ্ৰ কৰি সংঘটিত হ'ল এক জঘন্য কাণ্ড। জানিব পৰা মতে, ড্ৰাগ্‌ছ আসক্ত পুত্ৰৰ হাতত প্ৰাণ গ'ল পিতৃৰ। ২৬ মে'ৰ দিনা পিতৃ মহম্মদ আলী পথাৰৰ পৰা ঘৰলৈ আহি শুই থকা অৱস্থাত পুত্ৰ আজিজুল হকে ছুৰীৰে হানি-খুঁচি আঘাত কৰে পিতৃক। ঘটনা সংঘটিত কৰি পলায়ন কৰে আজিজুল। পিছত ততাতৈয়াকৈ পৰিয়ালৰ লোকে আঘাতপ্ৰাপ্ত মহম্মদ আলীক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও তেওঁৰ স্বাস্থ্যৰ অৱস্থা অধিক অৱনতি ঘটাত গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। অৱশেষত আজি তাতে তেওঁ চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে হত্যাকাৰী আজিজুল ড্ৰাগ্‌ছ আসক্ত এজন উচ্ছৃংখল যুৱক। ড্ৰাগ্‌ছ সেৱন কৰিবলৈ পিতৃয়ে ধন নিদিয়াৰ বাবেই এনে নৃশংস তথা ভয়ংকৰ কাণ্ড সংঘটিত কৰা বুলি স্থানীয় এক সূত্ৰে জনা গৈছে। বৰ্তমান হত্যাকাৰী পুত্ৰ আজিজুল হক পলাতক অৱস্থাত আছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে পৰিয়ালৰ লোকে থানাত এজাহাৰ দাখিল কৰে।

**নলবাৰী সমষ্টিৰ বিধায়ক জয়ন্তমল্ল বৰুৱাৰ জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে বিশেষ পৰ্যালোচনা বৈঠক**

# বান প্ৰস্তুতিৰ লগতে নলবাৰী চহৰ কৃত্ৰিম বানমুক্ত কৰাৰ বাবে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১ জুন ঃ** চলিত বৰ্ষত আগন্তুক সময়ছোৱাত বান পৰিস্থিতি ৰোধ কৰাৰ বাবে তথা তেনে পৰিস্থিতিৰ উদ্ভৱৰ দ্বাৰা সৃষ্টি হ'ব পৰা সকলো প্ৰতিকুলতাৰ উপৰি নলবাৰী চহৰৰ কৃত্ৰিম বান ৰোধৰ বাবে নলবাৰী জিলাৰ প্ৰস্তুতি সম্বন্ধে পৰ্যালোচনাৰ উদ্দেশ্যে নলবাৰী বিধানসভা সমষ্টিৰ বিধায়ক জয়ন্তমল্ল বৰুৱাৰ সভাপতিত্বত আৰু জিলা উপায়ুক্ত গীতিমণি ফুকনৰ উপস্থিতিত নলবাৰী জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা প্ৰশাসনৰ কেইবাটাও বিভাগৰ বিষয়াৰে সৈতে এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। আজি পুৱা ১১ বজাৰ পৰা আৰম্ভ হোৱা বৈঠকখনত বিধায়কগৰাকীয়ে নলবাৰী চহৰখনৰ কৃত্ৰিম বান সমস্যা ৰোধ কৰাৰ বাবে অহা তিনি মাহৰ ভিতৰত অৰ্থাৎ চলিত বৰ্ষৰ জুন, জুলাই আৰু আগষ্ট মাহৰ ভিতৰত নলাৰ জাবৰ নিষ্কাশন, খনন তথা মেৰামতি কাৰ্য সম্পূৰ্ণ কৰাৰ বাবে নলবাৰী পৌৰ সভা, নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বিভাগ আদি সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে আৰু এইক্ষেত্ৰত 'নলবাৰী উন্নয়ন কৰ্তৃপক্ষ'ৰ সহায়-সহযোগিতাৰে কামবিলাক সময় মতে সমাপন কৰাৰ বাবেও উল্লেখ কৰে। বৰ্তমানৰ বৰ্ষাকালীন সময়ছোৱাৰ প্ৰতি লক্ষ্য ৰাখি মূল পৰিকল্পনাৰ ডায়েৰাৰ ভিতৰত থাকি অস্থায়ীভাৱে হ'লেও তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ অত্যন্ত জৰুৰী বুলি কৈ আগষ্ট মাহৰ পাছত স্থায়ী সমাধানৰ বাবে পদক্ষেপ আৰম্ভ কৰাৰ বাবে বিধায়ক জয়ন্তমল্ল বৰুৱাই মন্তব্য প্ৰকাশ কৰে। সভাত জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত কল্পনা ডেকাই জানিবলৈ দিয়ে যে বানপানী পৰিস্থিতিৰ সৈতে যুঁজ দিয়াৰ বাবে জিলা প্ৰশাসন সাজু হৈ উঠিছে আৰু তাৰ অংশ স্বৰূপে ইতিমধ্যে জিলাখনত মুঠ ২২১টা সাহায্য শিবিৰ চিনাক্ত কৰা হৈছে আৰু তাৎক্ষণিক উদ্ধাৰ অভিযানৰ বাবে ৰাবাৰ ব'ট তথা অন্যান্য ব্যৱস্থাসমূহ সাজু কৰি ৰখা হৈছে। বিধায়কগৰাকীয়ে এইখিনিতে বান সাহায্য শিবিৰৰ দ্বাৰস্থ হোৱা লোকসকলক শিবিৰ এৰাৰ সময়তেই বানত বিধ্বস্ত হোৱা গৃহ মেৰামতি কৰাৰ বাবে আৰু প্ৰয়োজনীয় বস্ত্ৰৰ বাবে দিবলগীয়া আৰ্থিক সাহাৰ্য আদায় দিয়াটো সুনিশ্চিত কৰাৰ বাবে সংশ্লিষ্ট বিষয়া সকলক উকিয়াই দিয়ে । সভাত উপস্থিতি থকা জলসম্পদ বিভাগৰ কাৰ্য্যকৰী অভিযন্তাক বিগত বৰ্ষত বানে বিধবস্ত কৰা ৰাস্তা-



ঘাট তথা মথাউৰিৰ অংশ সমূহ ক্ষিপ্ৰতাৰে মেৰামতি সম্পূৰ্ণ কৰাৰ লগতে খহনীয়াৰ কবলত পৰা স্থান সমূহৰ ৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে । এই কামকাজ সমূহ কাৰ্যকৰী কৰাৰ বাবে বিভাগ সমূহৰ হাতত পৰ্যাপ্ত ধন আছে নাই সেই সম্বন্ধেও বিধায়ক গৰাকীয়ে খতিয়ান লয় আৰু অৰ্থৰ অভাৱত কোনো কাম পেলাই নাৰাখিবৰ বাবেও সকীয়াই দিয়ে । আজিৰ সভাত নলবাৰী জিলাৰ আৰক্ষী অধীক্ষক পবিন্দ্ৰ কুমাৰ ডেকা, নলবাৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া টংকেশ্বৰ দাস, জিলা উন্নয়ন আয়ুক্ত অভিজিত সিন্‌হা, নলবাৰী উন্নয়ন কৰ্তৃপক্ষৰ অধ্যক্ষ বনদীপ ডেকাকে ধৰি অতিৰিক্ত উপায়ুক্ত সকল, ৰাজহ চক্ৰ বিষয়া সকল তথা সংশ্লিষ্ট বিভাগ সমূহৰ বিষয়া বৰ্গ উপস্থিত থাকে ।


## কৰ'না ভাইৰাছে বিধ্বস্ত কৰিলে ৰাজ্যৰ সাংস্কৃতিক জগত

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১ জুন ঃ** মহামাৰী কৰ'না ভাইৰাছৰ বাবে চৰম সংকটত পৰিছে ৰাজ্যৰ সাংস্কৃতিক ক্ষেত্ৰখন। অভিনয়ৰ সৈতে জড়িত শিল্পীসকলে নৃত্য আৰু অভিনয়কে মূল জীৱিকা হিচাপে লৈ জীৱন নিৰ্বাহ কৰি আহিছিল। কিন্তু ক'ভিড মহামাৰীৰ বাবে অনিশ্চয়তাত ভোগা বহু শিল্পীয়ে এতিয়া নিজৰ জীৱিকা সলনি কৰিবলৈ বাধ্য হৈছে। বহু শিল্পীয়ে জীৱন নিৰ্বাহৰ বাবে বাছি লৈছে পাচলি আৰু মাংসৰ বিপনী। ৰাজ্যৰ অন্য শিল্পীৰ দৰেই শিৱসাগৰ জিলাৰ কালুগাঁও অঞ্চলৰ চৰাইমূৰীয়া গাঁৱৰ উদীয়মান অভিনেতা অনুৰাগ বিতুপনে জীৱন নিৰ্বাহৰ বাবে বাছি লৈছে মাংসৰ বিপনী। 'কিৰিং কিৰিং ম'বাইল ফোন, ইমান মৰম কিয় লাগে, দ-মাটিত ভূঁই ৰুলে' আদি বহু জনপ্ৰিয় গীতত অভিনয় কৰা শিল্পী গৰাকীয়ে ঘৰৰ পদূলিতে মাংসৰ বিপনীত ব্যস্ত হৈ পৰিছে। সৰুৰে পৰা কৰ্ম কৰি ভালপোৱা অভিনেতাজনে কৰোণা ভাইৰাছৰ সংক্ৰমণৰ ফলত স্তব্ধ হৈ পৰা ৰাজ্যৰ সাংস্কৃতিক পথাৰখনৰ কেন্দ্ৰস্থল গুৱাহাটীৰ পৰা ঘৰলৈ ঘুৰি আহি দেউতাকৰ লগত ব্যস্ত হৈ পৰিছে খেতিপথাৰত। ককায়েক আৰু ভায়েকৰ সৈতে শিল্পীগৰাকী ব্যস্ত হৈ পৰিছে দেউতাকৰ কৃষিকৰ্মৰ লগত। তাৰ সমান্তৰালভাৱে তেওঁ ঘৰৰ সন্মুখতে খুলি লৈছে এখন মাংসৰ দোকান। দিনটোৰ কৃষিকৰ্মৰ অন্তত বিয়লি বেলা বিক্ৰী কৰে কটা মাংস। এইগৰাকী উদীয়মান অভিনেতা অঞ্চলটোৰ বাবে হৈ পৰিছে আদৰ্শ স্বৰূপ। বৰ্তমান সমাজৰ অবাটে চলা নৱ-প্ৰজন্মই তেওঁৰ আদৰ্শক যাতে আঁকোৱালি লয় তাকে কামনা কৰিছে সমাজ সচেতন ব্যক্তি সকলে।

**ধুবুৰীত ক'ভিড ৰোগীয়ে ফোনযোগে ল'ব পাৰিব পৰামৰ্শ**

## অভিযোগ দাখিলৰ বাবে বিশেষ ফোন নম্বৰ মুকলি কৰিলে উপায়ুক্তই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১ জুন ঃ** ধুবুৰী জিলাৰ ক'ভিড আক্ৰান্ত ৰোগীক ফোনযোগে পৰামৰ্শ দিয়াৰ বাবে আৰু কোভিড আক্ৰান্তৰ অভিযোগ নিৰাময়ৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে প্ৰশাসনে। জিলাখনৰ ছটা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত সুকীয়া আৰু উৎসৰ্গিত ফোন নম্বৰৰ ব্যৱস্থা কৰা হৈছে যাতে ৰোগীয়ে ফোনযোগে চিকিৎসকৰ পৰামৰ্শ ল'ব পাৰে। ক'ভিড ৰোগীৰ অভিযোগ খণ্ডনৰ বাবেও বিশেষ ফোন নম্বৰৰ ব্যৱস্থা কৰা হৈছে। আজি জিলা উপায়ুক্ত অন্বামুথন এম পিয়ে অভিযোগ গ্ৰহণ আৰু পৰামৰ্শ প্ৰদানৰ বাবে স্থাপিত ব্যৱস্থাৱলী মুকলি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত ধ্ৰুৱজ্যোতি দাস, ধুবুৰী জিলাৰ স্বাস্থ্যসেৱাৰ যুটীয়া সঞ্চালককে ধৰি জিলা প্ৰশাসন আৰু স্বাস্থ্য বিভাগৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে। ৰোগীৰ অভিযোগ খণ্ডনৰ বাবে এটা ফোন নম্বৰ ৯৩৯৫০৮১২৬৬ আৰু প্ৰতিষেধৰ সম্পৰ্কীয় তথ্যৰ বাবে আন এটা উৎসৰ্গিত ফোন নম্বৰ(৮৩৯৯৮১৮৪৪১)ৰ ব্যৱস্থা কৰাৰ লগতে টুইটাৰ আৰু ফেচবুকযোগেও অভিযোগ দাখিলৰ ব্যৱস্থা কৰা হৈছে।'National Health Mission Dhubri' নামৰ ফেচবুক পেজ আৰু 'DhubriNhm' নামৰ টুইটাৰ হেণ্ডেলত ৰোগীয়ে অভিযোগ দিব পাৰিব। আনহাতে, ক'ভিড ৰোগীয়ে পৰামৰ্শ ল'বৰ বাবে ধৰ্মশালা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ৯৩৯৫০৫৯৫৭১ বা ৯৩৯৫০৭২৪০৫ নম্বৰত, গোলকগঞ্জ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ৯৩৯৫০৬৩৪৩০ বা ৯৩৯৫০৪৮০৭২ নম্বৰত, হালাকুৰা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ৯৩৯৫০৪৪১৩৬ বা ৯৩৯৫০৪৫৮৪৫ নম্বৰত, ৰাণীগঞ্জ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ৯৩৯৫০৫৬৫৯৯ বা ৯৩৯৫০৬৮৫১৪ নম্বৰত, চাপৰ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ৯৩৯৫০৭২২৯৯ বা ৯৩৯৫০৭০৯৬৮ নম্বৰত আৰু ধুবুৰী আৱবানত ৯৩৯৫০৮০২৫১ নম্বৰত যোগাযোগ কৰিব পাৰিব।



## প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ আশু আৰোগ্য কামনা সাংবাদিক পৰিষদ অসম, গুৱাহাটী মহানগৰ জিলাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১ জুন ঃ** প্ৰাক্তন মুখ্যমন্ত্ৰী তথা অগপ দলৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰফুল্ল কুমাৰ মহন্ত যোৱা শুক্ৰবাৰে অসুস্থ হোৱাত গুৱাহাটীৰ ডাউন টাউন হাস্পতালত ভৰ্তি কৰোৱা হয়। কিছুদিন পূৰ্বে দিল্লীৰ এইমছ হাস্পতালৰ পৰা চিকিৎসা গ্ৰহণ কৰি অহা প্ৰফুল্ল কুমাৰ মহন্ত ক'ভিড ভেকচিন লৈ ঘৰতে জিৰনি লৈ আছিল । হঠাৎ শুক্ৰবাৰে পুনৰ অসুস্থ হোৱাত ততাতৈয়াকৈ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় । ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী গৰাকী অসুস্থ হোৱাত সাংবাদিক পৰিষদ অসম,গুৱাহাটী মহানগৰ জিলাই গভীৰ উদ্বেগ প্ৰকাশ কৰিছে । সাংবাদিক পৰিষদ অসম, গুৱাহাটী জিলাৰ সভাপতি ঈশ্বৰ মহন্ত আৰু সাধাৰণ সম্পাদক মনোজ মনোজ ডেকাই প্ৰফুল্ল মহন্তৰ আশুআৰোগ্য কামনা কৰি ঈশ্বৰৰ ওচৰল প্ৰাৰ্থনা জনায়।

# তামাৰহাটত ড্ৰাগ্‌ছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান, এজনক আটক

**অভিযানক ঘাপ দিবলৈ পুত্ৰই মন্দিৰত ৰাখিলে আপত্তিজনক সামগ্ৰী**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামাৰহাট, ১ জুন ঃ** সমগ্ৰ ৰাজ্যতে অসম আৰক্ষীয়ে ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান তীব্ৰতৰ কৰি তোলাৰ সময়তে ধুবুৰী জিলাৰ তামাৰহাট থানাৰ আৰক্ষীয়েও ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান চলাই আজি পুৱতি নিশা থানা খনৰ অন্তৰ্গত পলাশকান্দি গাঁৱৰ পৰা ৭০০ গ্ৰাম ভাংসহ নৃপেন চন্দ্ৰ ঘোষ নামৰ এজন ভাং ব্যৱসায়ীক আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে তামাৰহাট থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলৰ লগতে পলাশকান্দি গাঁওখনত ভাং আৰু মাদক দ্ৰব্যৰ প্ৰচলন অতি মাত্ৰাত বৃদ্ধি হোৱাৰ খবৰ লাভ কৰি তামাৰহাট থানাৰ আৰক্ষীৰ দল এটাই কালি গাঁওখনত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই পলাশকান্দি গাঁৱত ভাং খাই থকা অৱস্থাত আজগৰ আলী শ্বেখ নামৰ ব্যক্তি এজনক আটক কৰে । পিছত আজগৰ আলীৰ স্বীকাৰোক্তিৰ ভিত্তিত তামাৰহাট থানাৰ আৰক্ষীয়ে পলাশকান্দি গাঁৱৰ বাসিন্দা নৃপেন চন্দ্ৰ ঘোষৰ ঘৰত অভিযান চলাই আজি পুৱতি নিশা ঘোষৰ ঘৰৰ পৰা ৭০০ গ্ৰাম ভাং উদ্ধাৰ কৰে আৰু ভাংখিনিৰ সৈতে ভাং ব্যৱসায়ী নৃপেন চন্দ্ৰ ঘোষক আটক কৰি থানালৈ নিয়ে । অধিক তথ্য উদ্‌ঘাটনৰ বাবে তামাৰহাট আৰক্ষীয়ে ধৃত নৃপেনক শোধা-পোচা অব্যাহত ৰাখিছে । ইপিনে উক্ত ঘটনাৰ মোৰ বেলেগ ফালে সলনি কৰি সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰি ড্ৰাগ্‌ছৰ বিৰুদ্ধে আৰক্ষীয়ে চলোৱা অভিযানত ব্যাঘাত কৰাৰ উদ্দেশ্যেৰে অতি কৌশলেৰে ভাং ব্যৱসায়ী নৃপেন চন্দ্ৰ ঘোষৰ ল'ৰা মিথুন চন্দ্ৰ ঘোষে একেখন গাঁৱৰে ভাং ব্যৱসায়ৰ লগত জড়িত আজিজুল শ্বেখ নামৰ যুৱক এজনৰ লগত লগ লাগি কিছু আপত্তিজনক সামগ্ৰী আনি নৃপেন চন্দ্ৰ ঘোষৰ কালি মন্দিৰৰ ভিতৰত পেলাই থয় । ইয়াকে লৈ আজি পুৱাৰ ভাগত গাঁওখনত এক চেপা উত্তেজনাৰ সৃষ্টি হয় । অৱশ্যে তামাৰহাট থানাৰ আৰক্ষীয়ে পলাশকান্দি গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সম্পাদক ফৰজ আলী কামানডাঙ্গা আঞ্চলিক আমছুৰ কৰ্মকৰ্তা আৰু কেইজন মান সচেতন যুৱকৰ সহযোগত অতি ক্ষিপ্ৰতাৰে উক্ত ঘটনাৰ আচল ৰহস্য উদঘাটন কৰি অভিযুক্ত মিথুন চন্দ্ৰ ঘোষ আৰু আজিজুল শ্বেখক আটক কৰি থানালৈ নি শোধা-পোচা অব্যাহত ৰাখিছে। উক্ত ঘটনাটোৱে সমগ্ৰ তামাৰহাট অঞ্চলত এক তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে । উল্লেখ্য যে, বহুদিনৰ পৰা নিচা জাতীয় দ্ৰব্যৰ ব্যৱসায় কৰাৰৰ অভিযোগ থকা নৃপেন চন্দ্ৰ ঘোষ নামৰ ব্যক্তিজনে কেইবাবছৰ মান পূৰ্বে তেওঁ নিজেই নিজৰ কালি মন্দিৰৰ মূৰ্তিৰ মুণ্ড ভাঙি সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি কৰিব বিচাৰিছিল যদিও তেতিয়াৰ তামাৰহাট থানাৰ আৰক্ষী বিষয়াই তদন্ত কৰি নৃপেনৰ ঘৰৰ পৰাই কালি মূৰ্তিৰ মুণ্ড উদ্ধাৰ কৰিবলৈ সক্ষম হোৱাত পৰিস্থিতিৰ সাম কাটিছিল । এই ধৃত



নৃপেন আৰু তেওঁৰ পুত্ৰ ধৃত মিঠুনে নিজৰ নিচা জাতীয় দ্ৰব্যৰ ব্যৱসায়ীৰ জগতখনক শক্তিশালী কৰাৰ বাবে আৰু কোনেও যাতে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰে তাৰ বাবে এনে ধৰণৰ জঘন্য ঘটনা সংঘটিত কৰি আছে বুলি অভিযোগ আনিছে স্থানীয় ৰাইজে । আনহাতে এই নিচা জাতীয় দ্ৰব্যৰ ব্যৱসায়ীৰ লগত এটা বৃহৎ চক্ৰ জড়িত হৈ আছে বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰি অতি সোনকালে চক্ৰটোৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰি সমাজ খনক ইয়াৰ পৰা মুক্ত কৰাৰ বাবে আৰক্ষীক আহ্বান জনাইছে । অন্যথাই নৱ প্ৰজন্মই দিনক দিনে অন্ধকাৰৰ ফালে গতি কৰিব সেয়া নিশ্চিত।






শংকৰ গোহাঁঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঁঞি